# Assam

# Legislative Assembly Debates

## OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. II
## NO. 17

The 7th April, 1986

सत्यमेव जयते

1989

PRINTED AT GUPTA PRINTERS, GUWAHATI-781 006

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1986

## BUDGET SESSION

## VOLUME II

## No. 17

Dated the 7th April, 1986

## CONTENTS


| | PAGES |
|---|---|
| 1. Questions and Answers | 1—339 |
| 2. Adjournment Motion | 340—343 |
| 3. Report of the Business Advisory Committee | 344 |
| 4. Miscellaneous | 344—345 |
| 5. Calling Attention Notice | 345—346 |
| 6. Matter under Rule 301 | 346—348 |
| 7. Laying and Presentation of Reports | 348 |
| 8. Govt. Bill | 348—384 |
| 9. Announcement of the result of the election | 384—386 |
| 10. Announcement of the names of Members constituting Committees | 386—387 |
| 11. Adjournment | 388 |
| 12. Annexure | I—VIII |

Proceedings of the Budget Session of the Assam Legislative Assembly assembled after the Eighth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Guwahati on Monday, the 7th April, 1986 with the Hon'ble Speaker in the Chair, 14 (Fourteen) Ministers, 6 (Six) Ministers of State, and 92 (Ninety two) Members present.

## STARRED

## QUESTIONS AND ANSWERS

Date : 7th April, 1986

## VOL.—I

Re : Third year Degree Course

Shri Dewan Joynal Abedin asked:

*394. Will the Minister, Education be pleased to state—

(a) Whether third year degree classes are going to be started from the next academic session, i.e 1986-87 in the Colleges of Assam ?

(b) If so, whether additional teachers would be required to impart education in this classes ?

(c) The number of additional posts of teachers have been sanctioned till to-day to teach in these additional classes ?

(d) Whether it is fact that the students offering major subjects are required to learn only Major subjects in the third year class ?

(e) Whether the existing laboratories and staff facilities in the science departments are sufficient for enrolling the third year degree students in the next academic session ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩৭৪। (ক)—হয়।

(খ)—হয়।

(গ)—৩১২ টা নতুন শিক্ষকৰ পদৰ বাবে সংমোদন দিয়া হৈছে।

(ঘ)—প্ৰধান বিষয় লোৱা ছাত্ৰ-ছাত্ৰীসকলে প্ৰথম আৰু দ্বিতীয় বাৰ্ষিকত নিয়মীয়া ( Pass Course ) পাঠ্য তালিকাৰ লগতে প্ৰধান বিষয় সমূহ পঢ়িব লাগিব। তৃতীয় বাৰ্ষিকৰ পৰা কেৱল প্ৰধান বিষয় সমূহ অধ্যয়ন কৰিব লাগিব।

(ঙ)—বিজ্ঞান বিষয়ত বৰ্ত্তমানে থকা সা-সজুলি বিলাক যথেষ্ট নহয়। নতুনকৈ ঘৰ সজা আৰু প্ৰয়োগ শালা নিৰ্ম্মাণৰ বাবে পূঁজিৰ ব্যৱস্থা কৰা হৈছে। তৃতীয় বাৰ্ষিকৰ ছাত্ৰ-ছাত্ৰী সকলৰ সুবিধাৰ্থে মহাবিদ্যালয় সমূহে প্ৰয়োগশালা আৰু বক্তৃতা গৃহত ঠাঁই যোগাৰ কৰিছে।

শ্ৰীজয়নাল আবেদিন ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ডি প্ৰশ্নৰ উত্তৰত কৈছে যে, তৃতীয় বছৰত কেৱল প্ৰধান বিষয় সমূহ অধ্যয়ন কৰিব লাগিব। এই বছৰটোত অসমীয়া লৰা-ছোৱালী বিলাকে কেৱল মেজৰটো পঢ়িব লাগে। অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, অনুগ্ৰহ কৰি এই বছৰটোত যিবিলাক আৱশ্যকীয় বিষয় পঢ়োৱা হয় সেইবিলাকৰ লগতে এই বিষয়টো তৃতীয় বছৰটোত পঢ়িবৰ বাবে চৰকাৰে অথবা বিশ্ববিদ্যালয়ে ব্যৱস্থা কৰিব নে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই বিষয়ে এতিয়াও বিবেচনা কৰা হোৱা নাই।

বিঃ হাতীঘুলীৰ মথাউৰী

শ্ৰীমতী জ্যোৎস্না সোনোৱালে সুধিছে ঃ

*৩৯৫। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চৈখোৱাঘাটৰ মথাউৰীৰ পশ্চিমে ৫ কিঃ মিঃ হাতীঘূলী, আজোখাত কোনো মথাউৰী নথকাত আজি বহু বছৰ ধৰি ১০০ মান গাওঁ বানপানীত পতিত হৈ আছে বুলি চৰকাৰে জানেনে ?

(খ) যদি জানে, ইয়াৰ কিবা ব্যৱস্থা লৈছেনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৩৯৫। (ক)—জানে।

(খ)—আঁচনি প্ৰস্তুত কৰা হৈছে।

Re: Facilities of N. R. E. P.

Kumari Rabi Das asked :

★ 396. Will the Minister, Rural Development be pleased to state—

(a) Whether, the facilities under N.R.E.P. would be extended to the garden areas as there are many people under the Tea garden under poverty line ?

(b) If the answer is in the affirmative, whether guideline have been issued to concern Department to this effect ?

Shri Lalit Chandra Rajkhowa (Minister, Rural Development) replied :

396. (a)—There is no such proposal at present.

(b)—Does not arise.

कुमारी रवि दास— श्रद्धेय अध्यक्ष महोदय, क्या मैं जान सकती हूँ कि चाय बगानों के विकास कार्य में इस योजना को लागु करने के लिये क्या ठोस कदम उठाया गया है ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, আমাৰ চাহ বাগান সমূহৰ বাবে বিভিন্ন শিতানত বিভিন্ন উন্নয়ন আচনি সমূহ আছে। কিন্তু এই আচনি সমূহ কেন্দ্ৰীয় চৰকাৰৰ অন্তৰ্ভুক্ত। এই আচনি সমূহ কেন্দ্ৰীয় চৰকাৰে পৃষ্ঠপোষকতা কৰে। অসম চৰকাৰে পোনপতিয়াকৈ ব্যৱস্থা লোৱা কৰ্তৃত্ব নাই।

कुमारी रवि दास— श्रद्धेय अध्यक्ष महोदय, क्या मैं जान सकती हूँ कि इस संदर्भ में कब तक ठोस कदम उठाया जायेगा ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, বিভিন্ন শিতানত আচনি সমূহলৈ এই কাম বিলাক কৰিবলৈ অথবা এই ব্যৱস্থাখিনি লবৰ কাৰণে আমি নিশ্চয় প্ৰতিশ্ৰুতিবদ্ধ।

শ্ৰীনৰেণ তাতী ঃ অধ্যক্ষ মহোদয়, মই সুধিব বিচাৰিছো যে, ব্লোক লেভেলত এন, আৰ, পি স্কীম মঞ্জুৰী কৰোতে তাত চাহবাগিছা সমূহ লোৱা হোৱা নাই। মন্ত্ৰী মহোদয়ে জনালে যে কেন্দ্ৰীয় চৰকাৰে স্কীম লৈছে। মোৰ কথা হল অসম চৰকাৰে হওক বা কেন্দ্ৰীয় চৰকাৰে হওক চাহবাগিছা বিলাক অসমৰ বাহিৰত নেকি যে এই আচনি সমূহ প্ৰযোজ্য নহয় ? সেইটো মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ, মাননীয় সদস্য গৰাকীয়ে যি প্ৰশ্ন কৰিছে তাৰ উত্তৰত মই কওঁ যে, চৰকাৰৰ বিভিন্ন শিতানত বিভিন্ন উন্নয়ন আচনি সমূহ চাহবাগিছাৰ কাম সমূহ কৰিবৰ বাবে আছে। বিশেষকৈ আমাৰ গণপৰিষদ চৰকাৰে চাহবাগিছা উন্নয়নৰ কাম কৰি যাব। যিবিলাক আচনি কেন্দ্ৰীয় চৰকাৰে পৃষ্ঠপোষকতা কৰে, তাত আমাৰ ৰাজ্যিক চৰকাৰে হস্তক্ষেপ কৰিব নোৱাৰে। কিন্তু চাহবাগিছাৰ উন্নয়নৰ কাম সমূহ কৰাৰ কাৰণে অগ্ৰাধিকাৰ দি চাহবাগিছাৰ মংগলৰ কাৰণে আমি কাম কৰিম।

শ্ৰীগোলোক ৰাজবংশী ঃ অধ্যক্ষ মহোদয়, পঞ্চায়তৰ অধিনত লোৱা এন, আৰ, পি স্কীমত ইতিমধ্যে বহুতে বেনিফিট পাই আছে। সেইটো মন্ত্ৰী মহোদয়ে জানে নেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীক জনাব বিচাৰিছো যে, আমাৰ ব্লকৰ অন্তৰগত যিবিলাক কাম আছে, সেইফালৰ পৰা আমাৰ চাহবাগান বিলাকত কিছুমান সুবিধা পাই আছে। ভবিষ্যতে অধিক সুবিধা দিয়াৰ ব্যৱস্থা কৰিম।

শ্ৰীদুৰ্গাদাস বড়ো ঃ অধ্যক্ষ মহোদয়, মোৰ এটা ক্লেৰিফিকেচন আছে। তৰাংকিত প্ৰশ্নৰ আজি ভলিউম ১ আৰু ভলিউম ২ত ক্ৰমে ২১ আৰু ২২ টা প্ৰশ্নৰ উত্তৰ একেজন সদস্যৰে আহিছে। কিন্তু আমি দিয়া প্ৰশ্নবোৰ অহা নাই। অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নকেইটা কিয় অহা নাই, সেইটো মাননীয় অধ্যক্ষ মহোদয়, আপুনি চাই দিব লাগে।

মাননীয় অধ্যক্ষ ঃ আজি সদনৰ শেষ দিন। গতিকে আটাইবোৰ প্ৰশ্ন আহিব লাগে। কিয় অহা নাই সেইটো মই অনুসন্ধান কৰি কম।

শ্ৰীদুৰ্গাদাস বড়ো ঃ অধ্যক্ষ মহোদয়, মই ভাল ধৰণে জানো আজিৰ পৰা ৪।৫ দিনৰ আগতে দিয়া প্ৰশ্ন ইয়াত আহিছে, অথচ ১০।১৫ দিন আগতে দিয়া প্ৰশ্ন অহা নাই, ইয়াৰ কাৰণ আপুনি বিচাৰি উলিয়াই আমাক জনাব লাগে।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে ঠিকেই ধৰিছে। মোৰো বহুটো প্ৰশ্ন আছে, এই বিলাক যদি নাহে তেন্তে ইয়াকে ধৰি লোৱা হব নেকি যে, এই বিধান সভাখন কেৱল এজন দুজন মানুহৰ বাবে, বাকী-খিনিৰ বাবে নহয়।

শ্ৰীদুৰ্গাদাস বড়ো ঃ বিভিন্ন বিভাগৰ প্ৰশ্ন ইয়াত বহুতৰো আহিছে। প্ৰশ্ন বিলাক যদি তাৰিখ মতে দিয়ে তেনেহলে কম বেছি পৰিমানে সকলো সদস্যৰে প্ৰশ্ন আহিব। তাকে নোহোৱাৰ ফলত ইয়াত যিটো খেলিমেলি হৈছে, তাৰ বাবে বিভাগীয় কৰ্ম্মচাৰীয়ে শাস্তি পাবনে ?

শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দেঃ অধ্যক্ষ মহোদয়, মোৰো প্ৰশ্ন ইয়াত অহা নাই, বিশেষ কেইজনমান সদস্যৰ প্ৰশ্নহে ইয়াত আহি থাকে। ইয়াৰ এটা বিচাৰ হব লাগে।

শ্ৰীদুৰ্গাদাস বড়োঃ অধ্যক্ষ মহোদয়, ইয়াত এটা কাৰ্য্যালয় আছে এই কাৰ্য্যালয়ৰ কৰ্ম্মচাৰী সকলে যদি সময়মতে কাম নকৰে, তেনেহলে বিভাগিয়ভাবে শাস্তিমূলক ব্যৱস্থা পোৱাৰ বিবেচনা কৰিবনে?

(বিভিন্ন ফালৰ পৰা বিভিন্ন প্ৰশ্ন লৈ সদনত হুলস্থুলৰ সৃষ্টি হয়)

শ্ৰীদিলীপ কুমাৰ শইকীয়াঃ অধ্যক্ষ মহোদয়, এই বিষয়টোৰ এটা ভাল তদন্ত হব লাগে।

মাননীয় অধ্যক্ষঃ মাননীয় সদস্য সকল বহক। এই গোতেই কথাটো কি হৈছে নহৈছে মই বিচাৰ কৰি চাম। মই জনা মতে চৰকাৰৰ তৰফৰ পৰা যি বিলাক প্ৰশ্নৰ উত্তৰ আহিছে সেই বিলাক ইয়াত ছপোৱা হৈছে। গোতেই বিষয়টো মই তদন্ত কৰি চাম। ভাৰতীয় সংসদত প্ৰশ্নোত্তৰত যিটো ব্যৱস্থা প্ৰয়োগ কৰা হয় সেইটো ইয়াতো প্ৰয়োগ কৰাৰ চিন্তা কৰিছো। ইয়াৰ বাবে নিয়মাৱলী কমিটি বহুৱাইছো আৰু আশা ৰাখিছো অহা বাজেট অধিবেশনত সংসদৰ ব্যৱস্থাৱলী সংশোধন কৰিব পৰা হব।

শ্ৰীআলটাব হুছেইন মজুমদাৰঃ অধ্যক্ষ মহোদয়, এই প্ৰশ্নোত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে প্ৰথমে কলে, বৰ্ত্তমান তেনে প্ৰস্তাব নাই, পিচত যেতিয়া ৰাজবংশী চাহাবে কাম হৈ আছে বুলি কলে, তেতিয়া তেখেতে কলে হয়, হৈ আছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে গোটেই কথা খিনি মন্ত্ৰী মহোদয়ে পৰিষ্কাৰ হোৱা নাই। আইনগত এনে বিধি নাই, কিন্তু বাগানৰ মানুহ বিলাকে ৰাস্তা বন্ধা আৰু কুৱা খন্দাৰ ক্ষেত্ৰত সদায় আপত্তি কৰি আহিছে। এনে বাধা যাতে দিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব নেকি?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী)ঃ নিশ্চয় এইখিনি কৰা হব। কিছুমান কৰা হৈছে আৰু অধিক কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিম।

বি ঃ লক্ষীমপুৰ চৰকাৰী অসামৰিক হস্পিতাল

শ্ৰীউৎপল দত্তই সুধিছে ঃ

*৩৯৭। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) ১৯৭৯ চনতেই লক্ষীমপুৰ চৰকাৰী অসামৰিক হস্পিতেল (চিভিল হস্পিতেল)খন চাবতীত দুশখন বিছনাযুক্ত হস্পিতেল পাতিবলৈ চৰকাৰে আঁচনি লোৱাৰ সুদীৰ্ঘ পাঁচ বছৰে সম্পূৰ্ণ হৈ নুঠাৰ কাৰণ জনাবনে ?

(খ) এই হস্পিতেলখন সম্পূৰ্ণ হবলৈ আৰু কিমান দিন লাগিব ?

শ্ৰীযতীন মালি (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৩৯৭। (ক) আৰু (খ)—পুঁজিৰ অভাৱত ৬৪ খন বিছনাযুক্ত লক্ষীমপুৰ হস্পিতেলখন গড়কাপ্তানি বিভাগৰ পৰা জনামতে সোনকালেই সম্পূৰ্ণ হব। ইয়াৰ বিছনা সংখ্যা দুশলৈ বঢ়াবৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থা চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীউৎপল দত্ত ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা মই এইটো কথা জানিব পাৰো নেকি যে, বৰ্ত্তমান লক্ষীমপুৰৰ হস্পিতেলখনত কিমান ৰুগী আছে আৰু কিমানখন বিছনা এই হস্পিতেলখনত আছে।

শ্ৰীযতীন মালি (স্বাস্থ্য মন্ত্ৰী) ঃ মাননীয় সদস্য গৰাকীয়ে এই কথাখিনি জানেই, প্ৰতিদিনে কিমানকৈ ৰুগী আহি আছে ? দ্বিতীয় প্ৰশ্নোত্তৰত কও যে কথাটো বিবেচনা কৰি থকা হৈছে।

শ্ৰীউৎপল দত্ত ঃ অধ্যক্ষ মহোদয়, মই জনা মতে ৫২ খন বিছনা আৰু ৩০০ মান ৰুগী আছে। ৫ বছৰ মান আগতে ২০০ খন বিছনাৰ কাম আৰম্ভ কৰিছিল। কিন্তু ৫ বছৰৰ পিচত ৬২ খনে সম্পূৰ্ণ হোৱা নাই। এই ২০০ খন বিচনাৰ কাম সম্পূৰ্ণ হবলৈ কিমান দিন লাগিব ?

শ্ৰীযতীন মালি (মন্ত্ৰী)ঃ কিমান বছৰ লাগিব সেইটো পিছত কম, আগতে কও যে এইটো সমাপ্ত কৰাৰ প্ৰয়োজনীয় ব্যৱস্থা চৰকাৰৰ তৰফৰ পৰা লোৱা হব। আৰু তেখেতৰ লগত মইয়ো একমত যে পৰ্য্যায় ক্ৰমে যেনে ধৰণে কাম কৰিব লাগিছিল তেনে ধৰণে কৰিব নোৱাৰটো বিগত চৰকাৰৰ দিনৰ কথা। আহিব লগা দিনবোৰত, ইয়াৰ প্ৰয়োজনীয় ব্যৱস্থা লোৱাৰ কথা আমি ভাবিছো।

শ্ৰীউৎপল দত্তঃ অধ্যক্ষ মহোদয়, ৫২ খন বিছনা যুক্ত হস্পিতালখনত ২০০ ৰো অধিক ৰোগী তাত ৰখাত, বেছ অসুবিধা হয়। এই অসুবিধালৈ মন কৰি সোনকালে বিহিত ব্যৱস্থা হাতত লবনে?

শ্ৰীযতীন মালি (স্বাস্থ্য মন্ত্ৰী)ঃ তেখেতৰ কথাটো মনত ৰখা হৈছে।

Shri Ardhendu Kumar Dey : Sir, there was already a demand for a Medical College Hospital on the north bank of Brahmaputra. Will the Minister in charge of ...

Mr. Speaker : There should be a separate Quesion for this.

Shri Ardhendu Kumar Dey : Sir, this is interlinked with the present question.

Mr. Speaker : How ?

Shri Ardhendu Kumar Dey : Sir, it will be clear from my question,. Sir, whether the Minister in charge will upgrade the Civil Hospital at Lakhimpur and Tezpur so that the same facilities which are available in a Medical College can be available in these institutions also ?

শ্ৰীযতীন মালি (স্বাস্থ্য মন্ত্ৰী)ঃ মাননীয় সদস্য গৰাকীয়ে মেডিকেল কলেজৰ 'নৰ্মচ' আৰু সুবিধা দিয়া নাই বুলি অভিযোগ আনিছে। সেইটো বিবেচনা কৰি চাম।

শ্ৰীজগত হাজৰিকাঃ অধ্যক্ষ মহোদয়, ৰোগী ৰাখিব পৰাকৈ যি ব্যৱস্থা লম বুলি মন্ত্ৰী মহোদয়ে কৈছে অহা বিত্তীয় বছৰৰ ভিতৰতে এই সুবিধাখিনি লক্ষীমপুৰ বাইজক দিব বুলি প্ৰতিশ্ৰুতি দিবনে?

শ্ৰীযতীন মালি (মন্ত্ৰী) ঃ যিহেতুকে অভিযোগটো আজিহে পাইছো, গতিকে প্ৰয়োজনীয় ব্যৱস্থা লোৱা হব।

Re: Implementation of Assam Accord

Shri Amrit Lal Basumatari asked:

*398. Will the Chief Minister, be pleased to state—

(a) The steps taken by the Central Government for Implementation of the Assam Accord?

(b) Whether the Government will publish a "White Paper" on the Implication of the Assam Accord?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৩৯৮। (ক)—অসম চুক্তি কাৰ্য্যকৰী কৰাৰ কাৰণে ৰাজ্য চৰকাৰে ভাৰত চৰকাৰৰ লগত ঘনিষ্ঠ যোগাযোগ কৰি আছে।

(খ)—সম্ভাবনা নাই।

Shri Abdul Jabbar: Mr. Speaker, Sir, may I know from the Hon'ble Chief Minister whether it is also a part of the implementation of the Assam Accord to take people away from Darrang District and leaving them at Bangladesh border? Some people who have been living in Darrang district from long before have been taken away to Bangladesh border without establishing whether they are Indian citizens or Bangladeshis and one family is still kept in a police outpost. May I know whether such activities are also a part of implementation of the Assam Accord?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, তেনেকুৰা অভিযোগ আহি আছে আৰু সেই সম্পৰ্কে চাবলগীয়া হৈছে।

শ্ৰীশ্বেখ আব্দুল হামিদ ঃ ভাৰত চৰকাৰৰ লগত কি ধৰণে যোগাযোগ কৰা হৈছে আৰু এই বিষয়ে কি ধৰণে বিবেচনা কৰা হৈছে মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ সেই বিষয়ে বিবেচনা কৰি চাব বুলি কৈছেই।

Shri Binai Khungur Basumatari :—Mr. Speaker, Sir. Was the eviction conducted at Tamulpur in the month of February a part of the implementation of Assam Accord where tribals were evicted ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্যমন্ত্ৰী) ঃ এই কথাটো তেনেকুৱা ধৰণৰ নহয়।

বি ঃ ৰঙিয়াত অসামৰিক চিকিৎসালয়

শ্ৰীময়িতুল ইছলাম বৰাই সুধিছে ঃ

*৩৯৯। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰঙিয়া মহকুমা ঘোষণা হবৰ আজি প্ৰায় দুবছৰ হল। কিন্তু এতিয়ালৈকে তাত মহকুমাৰ ভিত্তিত এখন অসামৰিক চিকিৎসালয় স্থাপন কৰাৰ ব্যৱস্থা হোৱা নাই কিয়, এই বিষয়ত চৰকাৰে কিবা চিন্তা কৰিছে নেকি ?

(খ) যদিহে কৰিছে এই অসামৰিক চিকিৎসালয়খন কেতিয়া হৈ উঠিব জনাবনে ?

(গ) যদি কৰা নাই, তেন্তে, কিয় কৰা হোৱা নাই জনাবনে ?

শ্ৰীযতীন মালি (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৩৯৯। (ক)—ৰঙিয়াত ৩০খন বিছনাযুক্ত চিকিৎসালয়ৰ কাৰণে প্ৰয়োজনীয় পদসমূহ মঞ্জুৰ কৰা হৈছে আৰু ৩০ খন বিছনাযুক্ত চিকিৎসালয় নিৰ্মাণৰ কাৰণে গড়কাপ্তানী বিভাগক প্ৰাক্কলন দিবলৈ কোৱা হৈছে।

(খ) আৰু (গ)—প্ৰশ্ন নুঠে।

শ্ৰীময়িতুল ইচলাম বৰা ঃ প্ৰশ্নটোৰ উত্তৰ মন্ত্ৰী মহোদয়ে আকৌ এবাৰ কলে ভাল হয়।

শ্ৰীযতীন মালি (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, (লিখিত উত্তৰ আকৌ পঢ়ি দিয়ে)

শ্ৰীময়িহুল ইচলাম বৰা ঃ গড়কাপ্তানী বিভাগে কিমান সময়ৰ ভিতৰত এইটো সম্পূৰ্ণ কৰিব মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীযতীন মালি, (ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই সম্পৰ্কে বিভাগক নিৰ্দ্দেশ দিয়া মতে নিৰ্দ্দিষ্ট সময়ৰ ভিতৰতে কাম শেষ কৰে।

শ্ৰীময়িহুল ইচলাম বৰা ঃ অধ্যক্ষ মহোদয়, আমাৰ স্বাস্থ্য বিভাগৰ পৰা এই ত্ৰিশখন বিছনাযুক্ত হস্পিতালখন তৈয়াৰ কৰিবলৈ গড়কাপ্তানী বিভাগক কিমান সময় দিয়া হৈছে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীযতীন মালি, (ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী) ঃ এই সম্পৰ্কে তেখেতে কৰা প্ৰশ্নৰ উত্তৰতে কৈছো যে আমাৰ ফালৰ পৰা নিৰ্দ্দিষ্ট সময় দিয়া হয় বিত্তীয় বছৰৰ ভিতৰতে কাম সম্পূৰ্ণ কৰিবলৈ।

শ্ৰীআমিনুল ইচলাম ঃ অধ্যক্ষ মহোদয়, কেৱল ৰঙিয়া মহকুমাতে ত্ৰিশখন বিছনাযুক্ত হস্পিতালৰ ব্যৱস্থা হৈছে নে অন্যান্য মহকুমা বিলাকতো তেনে বিছনাযুক্ত হস্পিতালৰ কথা চিন্তা কৰিছে নেকি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীযতীন মালি, (ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, চৰকাৰে প্ৰতি বছৰতে ত্ৰিশখন বিছনাযুক্ত উপকেন্দ্ৰ নিৰ্ম্মাণ কৰাৰ কাৰণে বিত্তীয় বছৰতে ঠিক কৰি লোৱা হয় আৰু প্ৰতি বছৰতে বেলেগ বেলেগ ধৰণৰ আচনি লৈ এই কাম কৰা হয়; এই বছৰত ৰঙিয়াত পৰিল আৰু আন বছৰত অন্য ক'বাবত যে নপৰিব সেইটো নহয়। ধন্যবাদ।

Shri Ardhendu Kumar Dey : Mr. Speaker, Sir A subdivisional hospital is a 100 bedded hospital but the Minister in-charge of Health has said that a 30 bedded hospital had been constructed at Rangiya as suddivisional hospital. May I know from the Minister in-charge of Health under what norm this 30 bedded hospital has been constructed ?

শ্ৰীযতীন মালি, (ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, বঙিয়া যেতিয়া মহকুমা ঘোষণা কৰা হোৱা নাছিল তেতিয়াই এই প্ৰপ'জেলটো দিয়া হৈছিল।

Shri Ardhendu Kumar Dey—Mr. Speaker, Sir. For information of the Minister in-charge I must say that at Hjbai a 30 bedded hospital has been sanctioned. Will the Govt. upgrade it to a sub-divisional hospital?

শ্ৰীযতীন মালি, (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোৰ উত্তৰ দিয়াৰ কাৰণে বেলেগ লিখিত প্ৰশ্নৰ দৰকাৰ।

শ্ৰীদেৱান জয়নাল আবেদীন ঃ গোৱালপাৰা জিলা নতুন ঘোষণা কৰাৰ পিচতে ত্ৰিশ বিছনাযুক্ত হস্পিতাল এখন মঞ্জুৰী কৰা হৈছিল যদিও নিৰ্ম্মাণ কাৰ্য্য আৰম্ভ হোৱা নাই, এইটো কি হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীযতীন মালি, (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী)ঃ এইটো সুকীয়া প্ৰশ্ন হলে ভাল হব অধ্যক্ষ মহোদয়।

বি ঃ বঙাইগাওঁৰ পোপৰাগাওঁত গড়াখহনীয়া

শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

*৪০০। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

বঙাইগাওঁ বিধান সভা সমষ্টিৰ অন্তৰ্গত পোপৰাগাওঁ অঞ্চলক আই নদীৰ বান পানী আৰু গড়াখহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নেকি ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৪০০। তেনে কোনো আঁচনি চৰকাৰৰ হাতত বৰ্ত্তমান নাই।

শ্ৰীফণীভূষণ চৌধুৰী ঃ ভৱিষ্যতে বাননিয়ন্ত্ৰণ আৰু গড়াখহনীয়া ৰোধ ব্যৱস্থা লবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)ঃ এইটো বিবেচনা কৰি চোৱা হব।

বিঃ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ পদোন্নতি

শ্ৰীদূৰ্গাদাস বড়োৱে সুধিছে ঃ

* ৪০১। মাননীয় অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি লোক সকলৰ নিয়োগ আৰু পদোন্নতিৰ ক্ষেত্ৰত Assam Scheduled Caste and Scheduled Tribes (Reservation of Vacancies in Services and Posts) Rule খন বিভিন্ন বিভাগ আৰু ৰাজহুৱা প্ৰতিষ্ঠান সমূহত ৰূপায়ন কৰাত বিধি পথালি দিয়াটো সঁচানে ?

(খ) উক্ত Rule খন ৰূপদানৰ ক্ষেত্ৰত বিধি পথালি দিয়া চৰকাৰৰ বিভাগ আৰু ৰাজহুৱা প্ৰতিষ্ঠান সমূহৰ নাম সদৰি কৰিব নেকি ?

(গ) বৰ্ত্তমান চৰকাৰে উক্ত Rule পূৰ্ণ পৰ্য্যায়ত ৰূপদান দিয়াৰ কথা চিন্তা কৰিছে নেকি ?

(ঘ) ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগ আৰু ৰাজহুৱা প্ৰতিষ্ঠান সমূহত উক্ত Rule খনৰ বিধিমতে থকা Backlog বোৰ পূৰণ কৰাৰ কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৪০১। (ক)—অসম চৰকাৰৰ সকলো বিভাগ, অৰ্দ্ধ চৰকাৰী বিভাগ, কৰপোৰেচন, কমিচন আৰু বোৰ্ড বিলাকত অসম অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ চাৰ্ভিচ আৰু পোষ্ট আইন ১৯৭৮ এতিয়ালৈকে সম্পূৰ্ণৰূপে কাৰ্য্যকৰী কৰা হৈছে। প্ৰত্যক্ষভাবে বিধি পথালি দিয়াৰ প্ৰমান কোনো বিভাগৰ পৰা পোৱা নাই।

(খ)—প্ৰশ্ন নুঠে।

(গ)—এই ক্ষেত্ৰত চৰকাৰে অকল চিন্তাই কৰা নাই। তাৰ বাবে যাবতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই সংক্ৰান্তত ১৯৮৬ চনৰ ১৮ ফেব্ৰুৱাৰীৰ অৱস্থানমতে এক্ট খনৰ ফৰম অনুযায়ী ফৰম নং ৩,৪ (ক) আৰু ৪ (খ) ত তথ্যবোৰ পূৰণ কৰি দিবলৈ সকলো বিভাগীয় অধিকৰ্ত্তা মহকুমা বিষয়া, কমিচনাৰ কৰৰ্পৰেচন আৰু অটোনমাচ বৰ্ডলৈ লিখা হৈছে।

(ঘ)—Backlog বোৰ পূৰণ কৰিবলৈ সকলো চৰকাৰী বিভাগ আৰু ৰাজহুৱা প্ৰতিষ্ঠানলৈ নিৰ্দেশ দিয়া হৈছে।

শ্ৰীদুৰ্গাদাস বড়োঃ অধ্যক্ষ মহোদয়, এই প্ৰসঙ্গত মোৰ ছয়টা পৰিপূৰক প্ৰশ্ন আছে কিন্তু মই তিনিটাহে উত্থাপন কৰিম। মন্ত্ৰী মহোদয়ে কোৱাৰ দৰে বিধি পথালি নিদিয়া নহয় আৰু অলপ বিপথে পৰিচালিত কৰা হৈছে কাৰণ আমাৰ হাতত অন্যান্য কাৰ্য্যালয়ৰ উপৰিও বিধান সভা সচিবালয় আৰু চল্লিশটাৰো অধিক প্ৰতিষ্ঠান আদিত শতকৰা শূণ্য ভাগ কাম হোৱা নাই। এনে প্ৰমানো আমাৰ হাতত আছে গতিকে অনুসূচীত জাতি অনুসূচীত জনজাতিৰ সংৰক্ষণৰ দিশত মন্ত্ৰী মহোদয়ে ব্যৱস্থা লবনে?

শ্ৰীভৰত নৰহ, (অনুসূচীত জাতি আৰু জনজাতীয় কল্যাণ মন্ত্ৰী)ঃ সেই-বোৰ অনুসন্ধান কৰি চোৱা হব আৰু সেই মতে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হব।

শ্ৰীদুৰ্গাদাস বড়োঃ অধ্যক্ষ মহোদয়, দ্বিতীয় প্ৰশ্ন হৈছে বিধান সভা সচিবালয়তে অনুসূচীত জনজাতিৰ লোকক বঞ্চিত কৰাৰ প্ৰমান আমাৰ হাতত আছে এই ধৰণৰ অৱস্থাত কি ব্যৱস্থা গ্ৰহণ কৰিব পাৰিছে?

শ্ৰীভৰত নৰহ, (অনুসূচীত জাতি আৰু জনজাতিৰ কল্যাণ মন্ত্ৰী)ঃ যদি ঘটনাটো সত্য হয় তেতিয়াহলে আমি মন্ত্ৰী সভাত আলোচনা কৰি সেইমতে ব্যৱস্থা লম।

শ্ৰীদুৰ্গাদাস বড়োঃ মোৰ তিনি নম্বৰৰ প্ৰশ্ন হৈছে—

Shri Golok Rajbanshi —Sir, on a point of order. Regarding Assembly Secretariat I think question cannot be put here.

মাননীয় অধ্যক্ষ ঃ বিধান সভা সচিবালয় সম্পৰ্কত প্ৰশ্ন তুলিলে এইটো মন্ত্ৰীয়ে দিব নোৱাৰে। এইটো বিধান সভাৰ অধ্যক্ষৰ।

শ্ৰীদূৰ্গাদাস বড়ো ঃ অধ্যক্ষ মহোদয়,

মাননীয় অধ্যক্ষ ঃ এই সম্পৰ্কে আপুনি মোক লগ ধৰিব।

শ্ৰীদূৰ্গাদাস বড়ো ঃ আৰু এটা পৰিপূৰক প্ৰশ্ন হৈছে আমাৰ অসমত থকা প্ৰায় তিয়াল্লিশ টা বিভিন্ন বিভাগৰ ভিতৰত কেইটামানত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ নিয়োগ সংখ্যা শূণ্য। সেই কাৰণে মই অধ্যক্ষ মহোদয়ৰ, জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা এ-চি-এচ সম্পৰ্কত জানিব পৰা মতে অনুসূচীত জাতি আৰু জনজাতীয় এজনো নথকা কথালৈ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি এই বিষয়ত কি ব্যৱস্থা লৈছে জানিব বিচাৰিছো।

শ্ৰীভৰত নৰহ, (অনুসূচীত জাতি আৰু জনজাতি কল্যাণ মন্ত্ৰী) ঃ এই বিষয়ে আমি বিবেচনা কৰি আছো।

Shri Binai Khungur Basumatari : Thers are certain penal clauses in this Act. Will the new Govt. enforce these penal clauses upon the erring Department ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছো যে, এই সকলো দিশবিলাক অনুসন্ধান কৰা হব। আৰু এই সকলো আসোঁৱাহ দূৰ কৰা হব আৰু এই সকলো বিষয়কে আমি বিবেচনা কৰি আছো।

Shri Binai Khungur Basumatari : There are penal clauses. Will this Govt. enforce these penal clauses or not ? That is what we want.

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ ৰক্ষণাবেক্ষণ দিয়াৰ বাবে আইনত যিবিলাক সা-সুবিধা আছে এই সকলো বিলাক চৰকাৰে নিশ্চয় কাৰ্য্যকৰী কৰিব।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, আইন আছে হয়, কিন্তু এই ভংগ কৰাৰ পিচত তেনেকুৱা বিষয়াই শাস্তি পাবনে নাপায় ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই বিষয়ে আমি ইতিমধ্যে আলোচনা কৰি আছো। আৰু বিষয়টো বিবেচনাধীন হৈ আছে।

শ্ৰীনৰেণ তাতী ঃ অধ্যক্ষ মহোদয়, ইমান বিলাক কথা নকৈ মন্ত্ৰী মহোদয়ে এইটো কলেই হল যে, আগৰ চৰকাৰে এইবিলাক ক্ষেত্ৰত বিধি পথালি দিছিল কিন্তু আমাৰ চৰকাৰৰ দিনত এইটো নহয়।

( উত্তৰ নাই )

শ্ৰীদিলীপ শইকীয়া ঃ অধ্যক্ষ মহোদয়, চাকৰিৰ ক্ষেত্ৰত নানা অভিযোগ আহিছে। গতিকে এই বিষয় বিলাকৰ ওপৰত বিহিত ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই আগতেই কৈছো, যে, আপোনালোকে যিথিনি শুনিছে সেইথিনি মইও শুনিছো। কোনো জনজাতি বা অজনজাতিৰ বিধায়কে কোনো অভিযোগ লিখিতভাবে দাখিল কৰা নাই। কোনো বিষয়াৰ ওচৰতো এনে অভিযোগ দাখিল কৰা নাই। তেনেকুৱা অভিযোগ পালে নিশ্চয় বিহিত ব্যৱস্থা গ্ৰহণ কৰিম।

শ্ৰীদিলীপ শইকীয়া ঃ অধ্যক্ষ মহোদয়, ডিব্ৰুগড় ট্ৰাইবেল সংঘই এইটো জনাইছে।

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছো যে, সকলো বিলাক অনুসন্ধান কৰা হব। আসোৱাহ বিলাক দূৰ কৰা হব। আৰু এই বিষয়ে ইতিমধ্যে আমি আলোচনা কৰি আছো।

শ্ৰীদুৰ্গাদাস বড়ো ঃ অধ্যক্ষ মহোদয়, ৰুলত আছে যে, যদি কোনোবা বিষয়াই নিয়ম নীতি মনা নাই তেতিয়াহলে এক হাজাৰ টকা ফাইন হব। কিন্তু ১৯৭৮ চনৰ পৰা ফাইন দিয়াৰ ৰেকৰ্ড চৰকাৰৰ হাতত আছেনেকি ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ এই বিষয়ে মই চাব লাগিব।

## বি ঃ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ

শ্ৰীকুসুম্বৰ টাইৰাইয়ে সুধিছে ঃ

*৪০২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্ত্তমান অসমত কিমানখন শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ (নৰ্মাল স্কুল) আছে জনাবনে ?

(খ) এই প্ৰশিক্ষাৰ্থী সকলক কিমান চনৰ পাঠ্যক্ৰমেৰে শিক্ষাদান দিয়া হৈছে আৰু কি অৱস্থাত প্ৰশিক্ষাৰ্থী সকলে প্ৰশিক্ষণ লৈছে চৰকাৰে জানেনে ?

(গ) অন্যান্য প্ৰশিক্ষণ কেন্দ্ৰত প্ৰশিক্ষণ লোৱা শিক্ষক সকলে পোৱাৰ দৰে নৰ্মাল স্কুলৰ প্ৰশিক্ষাৰ্থী সকলে দুবছৰ (২) প্ৰশিক্ষণ লৈ পাচ কৰাৰ পাচতো কিয় বৰ্দ্ধিত বানচ দিয়া নহয় অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰীয়ে) উত্তৰ দিছে ঃ

৪০২। (ক)—অসমত বৰ্ত্তমান সাতখন নৰ্মাল প্ৰশিক্ষণ বিদ্যালয় আছে।

(খ)—প্ৰশিক্ষাৰ্থী সকলক ১৯৭০-৭১ চনত প্ৰৱৰ্ত্তন কৰা পাঠ্যক্ৰম অনুসৰি প্ৰশিক্ষণ দিয়া হয় আৰু স্বাভাৱিক অৱস্থাত শিক্ষক সকলে প্ৰশিক্ষণ লৈ আছে।

(গ)—বিষয়টো চৰকাৰৰ বিবেচনাধীন।

শ্ৰীকুসুম্বৰ টাইৰাই ঃ অধ্যক্ষ মহোদয়, ইতিমধ্যে অনেক শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰত বহুতো শিক্ষকক প্ৰশিক্ষণ দিয়া হৈছে। প্ৰশিক্ষণ লোৱাৰ পিচত এই শিক্ষক সকলক বৰ্দ্ধিত বানচ দিয়াৰ ব্যৱস্থা কৰিছে নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীজয়নাল আবেদিন ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে, অসমত বৰ্ত্তমান সাতখন নৰ্মাল প্ৰশিক্ষণ বিদ্যালয় আছে। তাৰে এখনৰ পৰা অসমীয়া মাধ্যম উঠাই লৈছেনেকি ? যদি লৈছে সেইখন কোনটো প্ৰশিক্ষণ কেন্দ্ৰত হৈছে জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো প্ৰশ্নৰ লগত সম্পৰ্ক নাই। তথাপিও আমি ইতিমধ্যে কৈছো যে, যদি কোনোবা নৰ্মাল স্কুলত তেনে ব্যৱস্থা লৈছে আমাৰ দৃষ্টিলৈ এতিয়াও অহা নাই। এই বিষয়ত আমি ব্যৱস্থা গ্ৰহণ কৰিম।

বি ঃ বিহপুৰীয়া বৰকলি গড়কাপ্তানী পথ

শ্ৰীকেশৰাম বৰাই সুধিছে ঃ

* ৪০৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৫২ চনতে নিৰ্মাণ কৰা বিহপুৰীয়া বৰকলি গড়কাপ্তানী পথ আৰু বিহপুৰীয়া বদতি গড়কাপ্তানী পথ দুটা বহুল সংখ্যক যান-বাহন আৰু বিৰাট এলেকাৰ জনসাধাৰণৰ অৰুণাচল প্ৰদেশৰ ৰাজধানী ইটানগৰ আৰু মাজুলীৰ লগত যোগাযোগৰ একমাত্ৰ পথ হোৱা স্বত্বেও আজিকোপতি ইয়াৰ উন্নতি নোহোৱাত ৰাইজৰ সমস্যাৰ সৃষ্টি হোৱাৰ কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, এই সংযোগকাৰী ৰাস্তাটো বৰ্ত্তমান চৰকাৰে উন্নতি কৰি (ব্লেক টপিং) কৰাৰ ব্যৱস্থা হাতত লৈছেনে ?

(গ) যদি লৈছে, ই কেতিয়াৰ পৰা কাৰ্য্যকৰী হব অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪০৩। (ক)—দুয়োটা পথৰ সৰ্ব্বমুঠ দৈৰ্ঘ্য ২৩·৪০ কিঃ মিঃ। বিহপুৰীয়া বদতি পথৰ প্ৰথম কিঃ মিঃ পকা। দুয়োটা পথৰে বাকী অংশ শিলগুটি দিয়া

পথ আৰু শিলগুটি দিয়া পথ হিচাবে দুয়োটাই ভাল অৱস্থাত আছে আৰু কোনো সমস্যাৰ সৃষ্টি হোৱা নাই।

(খ)—পৰ্য্যাপ্ত পৰিমাণৰ পুজীৰ অভাৱত গোটেই থিনি পথ একেলগে 'ব্লেক টপিং' কৰাটো সম্ভৱ নহয়। ১৯৮৫-৮৬ চনৰ বাৰ্ষিক পৰিকল্পনাত বিহ-পুৰীয়া বদতি ৰাস্তাৰ দ্বিতীয় কিঃ মিঃ ত ৮০০ মিটাৰ দৈৰ্ঘ্যৰ ব্লেক টপিং কৰাৰ আঁচনি ইতিমধ্যে হাতত লোৱা হৈছে। বাকী থিনি কাম পৰ্য্যপ্ত পৰিমাণৰ পুজী পালে ভবিষ্যতে বাৰ্ষিক পৰিকল্পনাবোৰত অংশ অংশ হিচাবে লোৱাৰ কথা বিবেচনা কৰা হব।

(গ)—(খ)ত উল্লেখিত আঁচনি ইতিমধ্যে কৰ্য্যকৰী হৈয়েই আছে।

Re : Venture L. P. Schools in Lumding Constituency

Shri Ardhendu Kumar De asked :

*404. Will the Minister, Education be pleased to state—

(a) What is the policy of the Govt. to take over the Venture L. P. Schools which are in existance at Lumding Constituency from long years past ?

(b) Whether the founder teacher will be appointed in those schools at the time of taking over of the Venture L. P. Schools under Lumding Constituency ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৪০৪। (ক)—বেচৰকাৰী প্ৰাথমিক বিদ্যালয় চৰকাৰে অধিগ্ৰহণ কৰাৰ (প্ৰাদেশীকৰণ) নীতি সমূহ অসম প্ৰাথমিক শিক্ষা প্ৰাদেশীকৰণৰ বিধি ১৯৭৭ Assam Elementary Education (Provincialisation Rules 1977) স্পষ্টভাবে উল্লেখ কৰা হৈছে। লামডিং সমষ্টিৰ বেচৰকাৰী প্ৰাথমিক বিদ্যালয় অধিগ্ৰহণৰ ক্ষেত্ৰতো চৰকাৰে নিৰূপন কৰা একে নীতি নিয়ম প্ৰযোজ্য হব। লামডিং সমষ্টিৰ বেচৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ তালিকা সংগ্ৰহ কৰি থকা হৈছে।

(খ)—লামডিং সমষ্টিৰ বেচৰকাৰী প্ৰাঃ বিদ্যালয় সমূহৰ অধিগ্ৰহণৰ সিদ্ধান্ত যদি চৰকাৰে লয় তেন্তে ৰাজ্যখনৰ আন বেচৰকাৰী প্ৰাথমিক বিদ্যালয় অধিগ্ৰহণৰ ক্ষেত্ৰত লোৱা নীতিকেই গ্ৰহণ কৰা হব। প্ৰতিস্থাপক শিক্ষক জন অধিগ্ৰহন কৰা তাৰিখলৈ যদি একেৰাহে কম পক্ষেও ২ বছৰ কাল কাৰ্য্য-নিৰ্বাহ কৰে আৰু অৰ্হতা সম্পন্ন হয় তেন্তে তেওঁকেই বিদ্যালয় খনৰ প্ৰতিস্থাপক শিক্ষক হিচাবে চৰকাৰৰ নীতি অনুযায়ী বাহাল ৰাখিবলৈ চৰ-কাৰে বিবেচনা কৰিব।

Shri Ardhendu Kumar De : Will the Minister incharge be pleased to state when this policy is going to be implemented ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, সম্প্ৰতি সকলো বিভাগতে এই ব্যৱস্থা লবলৈ চেষ্টা কৰি আছো।

Shri Altaf Hussain Majumdar : All over Assam a large number of venture schools is going to be taken up. is it a fact ? If so, the likely period of taking over may be intimated.

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, এই বিষয়ে এই সদনতে বহুবাৰ উত্তৰ দিয়া হৈছে। উক্ত ভিত্তিত স্কুল বিলাক লোৱাৰ ব্যৱস্থা কৰা হৈছে। আমাৰ ভেন্সাৰ স্কুল কিমান আছে তাৰ এটা জৰিপ কাৰ্য্য কৰিবলৈ দিয়া হৈছে। আৰু তাৰ প্ৰয়োজন সাপেক্ষে ব্যৱস্থা গ্ৰহণ কৰা হব।

বিঃ নগাওঁ মৌজাত ষ্টেটফেডৰ ক্ৰয় কেন্দ্ৰ

শ্ৰীমোক্তাৰ হুছেইনে সুধিছে ঃ

* ৪০৫। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰপেটা জিলাৰ নগাওঁ মৌজাত ষ্টেটফেডৰ কোনো ক্ৰয় কেন্দ্ৰ আছে নে ?

(খ) নগাওঁ মৌজাৰ ডাঙৰ বজাৰ বাগোদীত এখন ক্ৰয় কেন্দ্ৰ স্থাপন কৰানো প্ৰস্তাৱ আছে নেকি ?

(গ) এই বিস্তৃর্ণ এলেকাত মৰাপাট আৰু অন্যান্য কৃষিজাত সামগ্ৰী ন্যায্য মূল্যত উৎপাদনৰ পৰা সংগ্ৰহ কৰিবলৈ ইয়াত এটা ষ্টেটফেডৰ ক্ৰয় কেন্দ্ৰ স্থাপন কৰিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৪০৫ । (ক)—নাই ।

(খ)—বৰ্ত্তমানে নাই ।

(গ) – তেনে প্ৰস্তাৱ এতিয়ালৈকে লোৱা নাই ।

শ্ৰীমোক্তাৰ হুচেইন ঃ মাননীয় অধ্যক্ষ মহোদয়, ষ্টেটফেডৰ ক্ৰয় কেন্দ্ৰ বোৰৰ যোগেদি যে উচিত মূল্য পোৱা নাই এই কথা মন্ত্ৰী মহোদয়ে জানেনে ? ষ্টেটফেডৰ ক্ৰয় কেন্দ্ৰ বোৰ কি আচনি ভিত্তিত স্থাপন কৰা হয় এই কথাও মন্ত্ৰী মহোদয়ে সদনত জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত কব বিচাৰিছোঁ যে ৰাইজৰ প্ৰয়োজন সাপেক্ষেহে ষ্টেটফেডৰ এই ক্ৰয় কেন্দ্ৰ বিলাক স্থাপন কৰা হয় ।

শ্ৰীমোক্তাৰ হুচেইন ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ষ্টেটফেড ক্ৰয় কেন্দ্ৰ বিলাক স্থাপন কৰোতে কোনো মহকুমা বা জনসংখ্যা বা তেনেকুৱা এটা অঞ্চল ভিত্তিত এটা ওৱাইডেন্স চৰকাৰৰ হাতত আছে নেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত তেনেকুৱা সীমা আছে বুলি কোনো প্ৰশ্ন নাই । প্ৰয়োজন সাপেক্ষে এই কাম হাতত লোৱা হয় ।

বি ঃ ওদালগুৰি মহকুমাত প্ৰাথমিক বিদ্যালয়ৰ পৰিদৰ্শক

শ্ৰীচিৰিলবিউচ কন্দপানে সুধিছে ঃ

* ৪০৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ওদালগুৰি মহকুমাৰ প্ৰাথমিক বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ বাবে কিমান জন সহকাৰী ও অতিৰিক্ত সহকাৰী পৰিদৰ্শক আছে ?

(খ) ওদালগুৰি মহকুমাৰ বড়ো মাধ্যমৰ প্ৰাথমিক বিদ্যালয় সমূহৰ সংখ্যা সাপেক্ষে সহকাৰী পৰিদৰ্শক দিয়া হৈছে নে ?

(গ) ওপৰুক্ত মহকুমাত nonformal শিক্ষাৰ বাবে কেইজন সহকাৰী পৰিদৰ্শক দিয়া হৈছে ?

(ঘ) ওদালগুৰি মহকুমাৰ স্কুল সমূহৰ উপ-পৰিদৰ্শক মহোদয়ৰ কাৰ্য্যালয়ত প্ৰয়োজন সাপেক্ষে কৰ্মচাৰী নিযুক্তি দিয়া হৈছে নে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪০৬। (ক)—ওদালগুৰি মহকুমাৰ প্ৰাথমিক বিদ্যালয় সমূহৰ বাবে ৮ জন সঃ পৰিদৰ্শক আছে। অতিৰিক্ত সহকাৰী পৰিদৰ্শকৰ কোনো পদ নাই।

(খ)—দিয়া হোৱা নাই।

(গ)—ওদালগুৰি মহকুমাত ৭০ খন অনানুস্থানিক কেন্দ্ৰ আছে। তাৰ বাবে ২ জন সহ পৰিদৰ্শক দিয়া হৈছে।

(ঘ)—হোৱা নাছিল। প্ৰথমতে তাত এজন উচ্চ বৰ্গৰ সহায়ক আৰু এজন নিম্ন বৰ্গৰ সহায়ক চৰকাৰে মঞ্জুৰী দিছিল। যিহেতু আগৰ মঙ্গলদৈ মহকুমাটো দুভাগ কৰি ওদালগুৰি মহকুমাৰ সৃষ্টি কৰা হ'ল সেয়ে মঙ্গলদৈ মহকুমাৰ পৰা দুজন সহায়কৰ পদ সহ উঠাই নি ওদালগুৰিত দিয়া হৈছে আৰু ৭ জন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী তাত আছে।

শ্ৰীচিলবিউচ কণ্ডপান ঃ অধ্যক্ষ মহোদয়, ওদালগুৰি মহকুমাৰ উপ-পৰিদৰ্শকৰ কাৰ্য্যালয়ত কাৰ্য্যালয়ৰ কাম কাজ চলোৱাৰ কাৰণে কিমানজন কৰ্মচাৰী আছিল আৰু বিজ্ঞপ্তি দিয়া হৈছেনে নাই ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই (ক) প্ৰশ্নৰ উত্তৰত কৈছোৱেই। প্ৰথমতে তাত এজন উচ্চ বৰ্গৰ সহায়ক আৰু এজন নিম্ন বৰ্গৰ

সহায়ক চৰকাৰে মঞ্জুৰী দিছিল। যিহেতু আগৰ মঙ্গলদৈ মহকুমাটো দুভাগ কৰি ওদালগুৰি মহকুমাৰ পৰা দুজন সহায়কৰ পদ সহ উঠাই নি ওদালগুৰিত দিয়া হৈছে আৰু ৭ জন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী ও তাত আছে। কিন্তু এই অঞ্চলটোৰ সমস্ত বিদ্যালয় সমূহ পৰিচালনা কৰিবৰ কাৰণে এয়াই যথেষ্ট নহয় আৰু সম্পুৰ্ণ কৈ তাত নতুনকৈ ব্যৱস্থা লবলগীয়া হৈছে। গতিকে আমি কম সময়ৰ ভিতৰতে ইয়াক পূৰ্ণাঙ্গ কৰাৰ কাৰণে ব্যৱস্থা কৰিম।

Re: Population of Tiger and Rhino

Shri Abhijit Sarma asked:

*407. Will the Chief Minister be pleased to state—

(a) The population of Tiger and Rhino in the State of Assam during the year 1983-84,85?

(b) Procedure adopted in covering these population?

(c) The number of enumarators engag ed for this work and whether special training is necessary for conducting this census?

Shri Prafulla Kumar Mahanta (Chief Minister) replied:

407. (a)—1983 there was no census of animals. As per 1984 census there were 376 tigers in Assam. Rhino census was done in Kaziranga in 1984 and Orang in 1985. These census gave figures of 1080 Rhinos in Kaziranga and 65 in Orang. Total estimated population of Rhinos in the State is 1300 approximately.

(b) For tiger census, the standard All India procedure of indirect count by tracing pug marks (foot prints) and comparing and analysing these was followed.

For Rhinos two different methods of direct visual whole count and statistical sample area count was followed. The methods adopted depends on prevailing conditions in the involved areas.

(c) – No new enumarators were engaged. The existing staff of Forest Department carried out this work. The number of such staff engaged were.

1. Tiger census : 1256 Nos.

2. Rhino csnsus

(a) - Orang 19 Nos

(b)—Kaziranga 36 Nos

শ্ৰীঅভিজিৎ শৰ্মা ঃ অধ্যক্ষ মহোদয়, বাঘ আৰু গড়ৰ ক্ষেত্ৰত যিহেতু এনুমাৰেটৰৰ প্ৰয়োজন হৈ পৰিছে গতিকে এই বিখ্যাত বাঘ আৰু গড়ৰ প্ৰকৃত চেনচাচ কৰাৰ কাৰণে এনুমাৰেটৰ প্ৰয়োগ কৰি ইয়াৰ আচল হিচাব এটা উলিওৱাৰ কাৰণে চেষ্টা কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে যে নতুনকৈ কোনো এনুমাৰেটৰ দিয়া হোৱা নাই আৰু যদি দেখা যায় যে তাত এনুমাৰেটৰৰ প্ৰয়োজন হব তেতিয়াহলে লব লাগিব।

শ্ৰীচিলভিয়াচ কন্দপান ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে উত্তৰত কৈছে যে বাঘ আৰু গড় ওৰাং অভয়াৰণ্যটোত পোৱা যায়। কাজিৰঙাৰ পাচত ওৰাং অভয়াৰণ্যটো কাজিৰঙাত লোৱাৰ নিচিনাকৈ পৰ্য্যটকৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ এই বিষয়ে বিবেচনাধীন হৈ আছে।

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ যোৱা কেইটা বছৰত কিমান বাঘ আৰু গড়ৰ মৃত্যু হৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ এই খবৰ পাচত জনাব পৰা যাব।

বি ঃ ধাপাবিল অঞ্চলৰ গড়াখহনীয়া

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

* ৪০৮। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মানকাচৰ সমষ্টিৰ অন্তৰ্গত জনজাতীয় অধ্যুষিত ধাপাবিল অঞ্চলক

কালো নৈৰ ঢল আৰু গৰাখহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ বান নিয়ন্ত্ৰণ বিভাগে কোনো ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

(খ) যদি গ্ৰহণ কৰা হোৱা নাই অহা বাৰিষাৰ আগতে উক্ত অঞ্চল-টোক ৰক্ষা কৰিবলৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হবনে ?

শ্ৰীভৱত চন্দ্ৰ নৰহ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪০৮। (ক)—আঁচনি গ্ৰহণ কৰা হৈছিল কিন্তু কাৰ্য্যকৰী কৰিব পৰা নহল।

(খ)—প্ৰশ্ন নুঠে।

শ্ৰীআমিনুল ইছলাম ঃ মাননীয় অধ্যক্ষ মহোদয়, এই আচনি গ্ৰহণ কৰাৰ পাচতো কাৰ্য্যকৰী হোৱা নাই। ইয়াৰ কাৰণ কি ?

শ্ৰীভৱত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ এই বিষয়ে মই আপোনাক পাচত জনাব পাৰিম।

Starred Question No. 409 not put Member being absent.

বি ঃ অসমত চিকিৎসা বিশ্ববিদ্যালয়

শ্ৰীকমলা কলিতাই সুধিছে ঃ

*৪১০। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চিকিৎসা বিজ্ঞানৰ বিভিন্ন বিষয়ৰ ক্ৰমবৰ্দ্ধমান উন্নতি তথা নতুন নতুন শাখা প্ৰশাখাৰ প্ৰচলন চিকিৎসা বিজ্ঞানৰ ন-ন আবিষ্কাৰ গৱেষণা আদিৰ প্ৰতি লক্ষ্যৰাখি অসমত এখন চিকিৎসা বিশ্ববিদ্যালয় অতি প্ৰয়োজন বুলি চৰকাৰে ভাবেনে ?

(খ) যদি ভাৱে, চিকিৎসা বিশ্ববিদ্যালয়ৰ বাবে অসম চৰকাৰৰ বৰ্ত্তমান কিবা আঁচনি আছে নেকি ?

(গ) যদি নাই, চিকিৎসা বিশ্ববিদ্যালয় স্থাপন কৰিবৰ বাবে চৰকাৰে আঁচনি লবনে ?

শ্ৰীযতীন মালি (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৪১০। (ক) — চৰকাৰে প্ৰয়োজন বুলি ভাৱে।

(খ)— চিকিৎসা বিশ্ববিদ্যালয় স্থাপন কৰাৰ আঁচনি বৰ্ত্তমানলৈ চৰকাৰৰ হাতত নাই।

(গ) — বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীকমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষত কিমানখন ৰাজ্যত মেডিকেল ইউনিভাৰচিটি আছে ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীযতীন মালি (ৰাজ্যিক মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত কবলৈ ওলাইছো যে, ভাৰতবৰ্ষত এতিয়ালৈকে এখনকেই ধৰা হৈছে। সেইখন হৈছে অল ইণ্ডিয়া মেডিকেল চাইন্স ইনষ্টিটিউট। এই সম্পৰ্কত আমাৰ অসমতো তেনেধৰণৰ এটা ইউনিভাৰচিটি পতাৰ কাৰণে চৰকাৰৰ বিবেচনাধীন হৈ আছে।

Re : Rail-Cum-road, Bridge at Jogigapa

Shri Maziruddin Ahmed asked :

★411. Will the Minister, PWD be pleased to state :

(a) Whether the foundation stone for the construction of Rail-Cum-road bridge was laid down by late P.M. Indira Gandhi in the year, 1983 ?

(b) Whether the Govt. is aware that the Prime Minister, India, Shri Rajiv Gandhi also made a Public Statement at Guwahati in August last to Start Jogighopa-Pancharatna Rail-Cum-road Bridge immediately ?

(c) Whether the Govt. has moved the Central Govt. to start the work ?

(d) If so, has the Govt. got any assurance from the Centre also when the work will be started ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪১১। (ক)—হয়।

(খ)—জনা নেযায়।

(গ) মূল দলঙৰ কাম ৰেল বিভাগে কৰিব। উত্তৰ পূৰ-সীমান্ত ৰেল বিভাগৰ পৰা জনা মতে দলঙৰ কাম এতিয়ালৈকে আৰম্ভ কৰা নাই। দলঙৰ দুই মুৰৰ সংযোগ পথহে ৰাজ্য চৰকাৰে কৰিব। তাৰ প্ৰাৰম্ভিক ব্যৱস্থা লোৱা হৈছে।

(ঘ) উপৰোক্ত উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

শ্ৰীমজিবুদ্দীন আহমদ ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিশেষ কামটো খৰতকীয়া ভাবে কৰাৰ কাৰণে বিহিত ব্যৱস্থা লব'নে আৰু এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেচা দিয়া হব নেকি ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) ঃ প্ৰশ্নটো পুণৰ কবনে ?

শ্ৰীমজিবুদ্দীন আহমদ ঃ প্ৰশ্নটো হ'ল এই কামটো সোনকালে সম্পূৰ্ণ কৰিবৰ কাৰণে খৰতকীয়া ব্যৱস্থা লৈ কেন্দ্ৰীয় চৰকাক হেচা দিব নে ? কাৰণ গোৱালপাৰা জিলাৰ দক্ষিণ পাৰ আৰু কামৰূপ জিলাৰ কিছু অংশহে ৰেইলউৱেৰ সংযোগ আছে। এই অঞ্চলৰ বহু অংশত ৰেইলউৱেৰ কোনো সুব্যৱস্থা নাই ফলত সেই অঞ্চল সমূহত যাতায়ত আৰু মাল-বস্তু অনা

নিধাৰ ক্ষেত্ৰত বাইজ নানা ধৰণৰ সমস্যাৰ সন্মুখীন হব লগা হৈছে, তেনে ক্ষেত্ৰত এই বিষয়টো অত্যন্ত দৰকাৰী, গতিকে ৰাজ্যিক চৰকাৰে এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক হেঁচা দিব নে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে এই বিষয়টোত আমিয়ো গুৰুত্ব দিছো আৰু ইয়াৰ গুৰুত্ব বুজিছো গতিকেই এই কামটো খৰতকীয়া কৰিবৰ কাৰণে ব্যৱস্থা লোৱা হব আৰু কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেঁচা দিয়া হব।

শ্ৰীদেৱান জয়নাল আবেদীন ঃ মাননীয় মন্ত্ৰী গৰাকীয়ে অনুগ্ৰহ কৰি জনাবনে এষ্টিমেট অনুযায়ী দলংখনৰ লগত ৰেইলউৱে লাইন সম্প্ৰসাৰণৰ বাবে কিমান টকা প্ৰয়োজন হব আৰু তাৰ ভিতৰত চৰকাৰৰ বৰ্ত্তমান পৰিকল্পনাত কিমান টকা ধাৰ্য্য কৰিছে এই বিষয়ে জনাবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) ঃ এতিয়া চাৰভে কৰিবলৈ দিয়া হৈছে।

শ্ৰীদেৱান জয়নাল আবেদীন ঃ উত্তৰটো এৰাই যোৱা হ'ল চৰকাৰৰ হাতত এই কথাটো থাকিব লাগিছিল, এই বছৰ তেওঁলোকে ১ কোটি টকা ধাৰ্য্য কৰিছে ১১৭ কোটি টকাৰ ভিতৰত, এই বিষয়ে কাগজে-পত্ৰেও ওলাইছে। এই পৰিপেক্ষিতত চৰকাৰে অধিক টকা দিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেঁচা দিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) ঃ মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে সেই মতে ৰোড ব্ৰীজৰ কাৰণে ইতিমধ্যে ৫৩ কোটি ৪১ লাখ টকাৰ এটা হিচাব দেখুৱা হৈছে কিন্তু এতিয়া ৰেইল কাম ৰোড-ব্ৰীজৰ প্ৰশ্ন অহাৰ কাৰণে এই ক্ষেত্ৰত চাৰভে চলাই থকা হৈছে, গতিকেই তেনে ধৰণৰ হিচাব আমাৰ হাতত নাই।

### বি ঃ ৩য় বৰ্গৰ চাকৰিয়াল নিযুক্তি

শ্ৰীসুৰেণ স্বৰ্গীয়াৰীয়ে সুধিছে ঃ

* ৪১২। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৱা ১৭।১১।৮৫ ইং তাৰিখে অধীক্ষক অভিযন্তা, পশ্চিমগ্ৰাম্য

বিদ্যুতিকৰণ নিৰ্মাণ চক্ৰ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ, কোকৰাঝাৰৰ নং : পঃ গ্ৰাঃ বৈঃ নিঃ চঃ স্থাপন—৮, তাৰিখ ১১।১০।৮৫ ইং চিঠিৰ মৰ্মে পাঠশালা ছোৱালী হাইস্কুলত ৩য় বৰ্গৰ চাকৰিয়ালৰ বাবে লিখিত পৰীক্ষা লোৱা হৈছিল যদিও আজিলৈ অৰ্হতা সম্পন্ন প্ৰাৰ্থীক নিয়োগ কৰা হোৱা নাই, এই বিষয়ে চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত তেতিয়া হলে অৰ্হতা সম্পন্ন প্ৰাৰ্থীক কেতিয়া নিয়োগ কৰা হব ?

শ্ৰীদিগেন চন্দ্ৰ বৰা (বিদ্যুৎ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪১২। (ক) হয়, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ অৱগত।

(খ) এই বিষয়ে এতিয়াও কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

শ্ৰীসুৰেণ স্বৰ্গীয়াৰী ঃ মন্ত্ৰী মহোদয়ে জনাবনে এই বিষয়ত অনতিপলমে সিদ্ধান্ত লোৱা হব ?

শ্ৰীদিগেন চন্দ্ৰ বৰা (বিদ্যুৎ মন্ত্ৰী) ঃ এই বিষয়ে সোনকালে সিদ্ধান্ত লবৰ কাৰণে বিদ্যুৎ পৰিষদক কৈ দিয়া হৈছে।

Re : Population below Poverty line

Shri ALTAF HUSSAIN MAZUMDAR asked :

★413. Will the Minister, Rural Development be pleased to state—

(a) The persentage of population of Assam living below poverty line ?

(b) What strategy the Government propose to adopt to raise the people over the poverty line ?

Shri LALIT CHANDRA RAJKHOWA (Minister Rural Development) replied :

413. (a) Current estimate of population below poverty line in Assam is not available.

(b)—The strategy of the Government to raise the people above the poverty line consists of assessting the people to have productive assests which are expected to yield additional income and to provide the unemployed rural poor with employment through anti-poverty Programmes like Integrated Rural Development Programme, National Rural Employment Programme and Rural Landless Employment Gurantee Programme.

Shri Altaf Hussain Mazumdar—will the Minister say, what is the standard for deciding poverty line ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (গাও উন্নয়ন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নটোৰ উত্তৰ এতিয়া দিব পৰা নহব। পিছত দিয়া হব ।

Shri Altaf Hussain Mazumdar—There is a question on poverty line and the hon'ble Minister is expected to come prepare. If he cannot answer the question the question should be kept pending.

Mr. Speaker No, No.

মাননীয় অধ্যক্ষ ঃ পিছত কম বুলি কৈছে।

বি ঃ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ সহকাৰী সঞ্চালক

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

*৪১৪। মাননীয় শিক্ষাবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৫৬ চনত ডঃ পিঃ চিঃ চৌধুৰীক কি কি শিক্ষাগত অৰ্হতাৰ বাবে বুৰঞ্জী আৰু পুৰাতত্ব বিভাগত সহকাৰী সঞ্চালক হিচাপে নিয়োগ কৰিছিল জনাবনে ?

(খ) বৰ্ত্তমান সঞ্চালক জনৰ কি কি শিক্ষাগত অৰ্হতা আছে জনাবনে ?

(গ) এই গৰাকী বিষয়াৰ অসমীয়াত শিক্ষাগত অৰ্হতা আছে নে?

(ঘ) দৈনিক অসম (২৩-৫-৮৪) আৰু আসাম ট্ৰিবুইন (৮-৫-৮৪) কাকতত এই বিভাগৰ সঞ্চালক গৰাকীৰ বিৰুদ্ধে প্ৰকাশ পোৱা দুৰ্নীতি সমূহৰ কথাবোৰ সচাঁ নে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪১৪। (ক)—ডঃ পিঃ চিঃ চৌধুৰীক উপ-সঞ্চালক হিচাপেহে নিয়োগ কৰা হৈছে।

(খ)– স্নাতকোত্তৰ (এম, এ, বুৰঞ্জী) আইনৰ স্নাতক (এম, এল, বি) পি এইচ ডি (বুৰঞ্জী) আৰু বিশাৰদ (হিন্দী)।

(গ)—আছে।

(ঘ)– দুৰ্নীতিৰ কথাবোৰ প্ৰমাণ পোৱা নাই।

বি ঃ কলেজ শিক্ষকৰ মৰগীয়া বানচ

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

* ৪১৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ কলেজ শিক্ষক সকলে চৰকাৰৰ পৰা পাবলগীয়া টকা কেতিয়া দিয়া হব ( বে-চৰকাৰী)?

(খ) মুঠ কিমান টকা দিবলগীয়া আছে?

(গ) নতুনকৈ সা-সুবিধা দিয়াৰ বিষয়ে চৰকাৰে কিবা আঁচনি লৈছে নেকি?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪১৫। (ক)—অসমৰ বে-চৰকাৰী ঘাটি মঞ্জুৰী প্ৰাপ্তি মহাবিদ্যালয় সমূহৰ শিক্ষক সকলে পাবলগা মৰগীয়া বানচ অহা এপ্ৰিল মাহৰ পৰা দিব পৰা হব।

(খ)—প্ৰায় ৮ কোটি মান টকাৰ প্ৰয়োজন।

(গ)—চৰকাৰে বিবেচনাধীন হৈ আছে।

শ্ৰীদেৱান জয়নাল অবেদীন : মাননীয় অধ্যক্ষ মহোদয়, 'গ' প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে 'চৰকাৰৰ বিবেচনাধীন' হৈ আছে। এতিয়া প্ৰশ্নটো হ'ল কি কি কথাৰ ওপৰত বিবেচনা কৰা হব কাৰণ আগৰ চৰকাৰে কলেজ শিক্ষক সকলৰ কাৰণে বেলেগ ব্যৱস্থা কৰিছিল আৰু এই ব্যৱস্থাৰ ওপৰত যি খন বিল আছিল সেই খন এই চৰকাৰে বাতিল কৰিছে আৰু এই সদনতে আমি পাচ কৰিছো। এতিয়া কথা হ'ল এই শিক্ষক সকলে বহু দিনৰে পৰা তেওঁলোকৰ হাউচৰেণ্ট, মেডিকেল আৰু গ্ৰেচুইটিটি' ইত্যাদি সা-সুবিধা বিলাক অন্যান্য একে পৰ্য্যায়ৰ চাকৰিয়াল সকলে যি পৰ্য্যায়ত পাই আছে সেই পৰ্য্যায়ত তেওঁলোকক সেই সুবিধা দিয়া হব নে এই বিষয়ত মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্ট আশ্বাস বিচাৰো।

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এই চৰকাৰ ক্ষমতালৈ আহি ১৯৮১ চনৰ পৰা পেলাই থোৱা মৰগীয়া বানচ সমূহ দিবৰ কাৰণে সিদ্ধান্ত লৈছে আৰু এই কলেজ শিক্ষক সকলে পাবলগীয়া যি ১৪০ টকা আছিল আৰু সেই পাবলগীয়া খিনিৰ পৰা বঞ্চিত হৈ আছিল সেই বিষয়ে মন্ত্ৰী সভাই গুৰুত্ব সহকাৰে আলোচনা কৰি আদায় দিয়াৰ কাৰণে ব্যৱস্থা কৰিছে। ঘৰ-ভাড়াকে আদি কৰি গায়ত্ৰী কৰ আৰু আন এজনৰ চাকৰিত মকৰল কৰাকে ধৰি ১৯৭৫ চনৰ পৰাই শিক্ষক সকলে আন্দোলনৰ সময়ছোৱাত এই দাবী সমূহ উত্থাপন কৰি আহিছিল আৰু এই গোটেই বিষয়টো আমাৰ বিবেচিত হৈ আছে। আমাৰ চৰকাৰৰ হাতত সীমিত অৰ্থ আৰু সামৰ্থ থকাৰ কাৰণে সেই সীমিত আৰু সামৰ্থ্যৰ মাজেৰে আমি যি খিনি দিব পাৰো সেই খিনি আমি শিক্ষক সকলক দিয়াৰ কাৰণে ব্যৱস্থা কৰিছো। এইখিনিতে মই মাননীয় সদস্য গৰাকীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এই এল, পি স্কুলৰ ভিত্তিত আমি আন আন স্কুল সমূহো সীমিত সামৰ্থৰ মাজেদি বিবেচনা কৰিব লাগিব। এল, পি লৰস্কু

শিক্ষক সকল ১৯৭৫ চনৰ পৰাই আৰ্থিক দিশত দুৰ্গত আৰু নিৰ্য্যাতিত অৱস্থাত আছিল আজি বৃত্তি ধাৰী শিক্ষকসকলে অনশন কৰি আছে, তেখেত সকলক মই অনুৰোধ জনাইছো তেখেত সকলে অনশন কৰিব নালাগে। নন-ফৰমেল বৃত্তি-ধাৰী শিক্ষক, প্ৰতিস্থাপক শিক্ষক আৰু কলেজ শিক্ষক সকলৰ অনেক সমস্যা এই সমস্যাবিলাক প্ৰায়ৰিটি ভিত্তিত আমাৰ সীমিত সামৰ্থৰ মাজেদি বিবেচনা কৰি আছো। আশা কৰিছো এইখিনি কথাৰে মই মাননীয় সদস্য গৰাকীক সন্তুষ্ট কৰিব পাৰিছো।

Undisposed Stared Questions Dated. 7-4-86

Re: Protection of Goalpara South Bank

Shri Sheikh Saman Ali asked:

*416. Will the Minister, Flood Control be pleased to state—

(a) Whether any major scheme has been proposed by Government to Protect the Goalpara South Bank?

(b) So, whether the same will be taken up within this financial year?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

৪১৬। (ক)—হয়। আঁচনি প্ৰণয়ন কৰা হৈছে।

(খ)—এই বিত্তীয় বছৰত কামটো হাতত লোৱা সম্ভৱ নহয়।

বিঃ চাহ বাগিছাৰ প্ৰাথমিক স্কুল

শ্ৰীপদ্ম নাথ কৈৰীয়ে সুধিছে:

*৪১৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰাজ্যৰ চাহ বাগিছাৰ প্ৰাথমিক বিদ্যালয় সমূহ চৰকাৰীকৰণ কৰাৰ কিবা প্ৰস্তাৱ আছে নেকি?

(খ) বাগিছাত বসবাস কৰা জনসংখ্যা অনুযায়ী প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা বঢ়াবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৪১৭। (ক)— ৰাজ্যৰ চাহ বাগিছাৰ প্ৰাথমিক বিদ্যালয় সমূহ পূজি সাপেক্ষে আৰু পৰ্য্যায়ক্ৰমে প্ৰাদেশীকিকৰণ কৰা কথা চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ)— উপযুক্ত জৰীপ সাপেক্ষে বিবেচনা কৰা হব।

বি ঃ বিধান সভা সমষ্টিত দুখন উন্নয়ন খণ্ড

শ্ৰীইউচুফ আলী আহমেদে সুধিছে ঃ

*৪১৮। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) আগৰ চৰকাৰে প্ৰত্যেকখন বিধান সভা সমষ্টিত দুখনকৈ উন্নয়ন খণ্ড দিয়া বুলি সিদ্ধান্ত লৈছিল ?

(খ) বিলাসীপাৰা পশ্চিম বিধান সভা সমষ্টিত দুটা উন্নয়ন খণ্ড হোৱা বুলি প্ৰস্তাৱ আহিছেনে ?

(গ) তাৰে এটা চৰ অঞ্চলত হোৱাৰ কিবা প্ৰস্তাৱ লোৱা হৈছে নেকি ?

(ঘ) যদি চৰ অঞ্চলত এটা উন্নয়ন খণ্ডৰ প্ৰস্তাৱ অহা নাই তেনেহলে নতুন চৰকাৰে তাৰ কিবা ব্যৱস্থা হাতত লৈছেনে ?

শ্ৰীযুত চন্দ্ৰ আৰান্ধৰা (পঞ্চায়ত আৰু সমূহীয়া উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৪১৮। (ক)—চৰকাৰৰ এনে প্ৰস্তাৱ আছে, সিদ্ধান্ত হোৱা নাই।

(খ)—হয়।

(গ)—নাই লোৱা।

(ঘ)—নাই লোৱা।

বিঃ কৰ্মচাৰী পৰিষদৰ ২৫ দফীয়া দাবী

শ্ৰীকামাখ্যাচৰণ চৌধুৰীয়ে সুধিছে :

*৪১৯। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) সদৌ অসম কৰ্ম্মচাৰী পৰিষদে ২৫ দফীয়া দাবী চনদ এখন চৰকাৰৰ ওচৰত দাখিল কৰা কথা সঁচানে?

(খ) যদি সঁচা হয় দাবী সমূহৰ ক্ষেত্ৰত কেনে ধৰণৰ ব্যৱস্থা লোৱা হৈছে?

(গ) কৰ্মচাৰী পৰিষদৰ সেই ২৫ দফীয়া দাবী চনদৰ অন্তৰ্ভুক্ত এটি দাবীৰ জৰীয়তে উক্ত পৰিষদক চৰকাৰী স্বীকৃতি দান কৰিবলৈ দাবী জনোৱা হৈছে নে?

(ঘ) যদি হৈছে তেনেহলে পৰিষদক স্বীকৃতি দান কৰিবলৈ চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা হাতত লৈছে, জনাবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪১৯। (ক)—হয় সঁচা।

(খ)—এই দাবীবোৰ সম্পৰ্কে যোৱা ৩।১।৮৬ ইং তাৰিখে প্ৰাক্তন মুখ্য সচিবৰ সৈতে পৰিষদৰ এলানি আলোচনা হৈ যায়। বৰ্ত্তমান মুখ্য সচিবৰ লগতো আকৌ আলোচনা হব। আলোচনাৰ জৰীয়তে দাবী সমূহৰ ক্ষেত্ৰত বিবেচনা কৰি চৰকাৰে যথা বিহিত ব্যৱস্থা লব।

(গ)—হয়, হৈছে।

(ঘ)—চৰকাৰৰ বিবেচনাধীন হৈ আছে।

Re : Illegal Migrants Act, 1983

Shri ABDUL JALIL asked :

★420. Will the Minister, Home be pleased to state—

(a) When did the Illegal Migrants (Determination Tribunals) Act, 1983 came into force ?

(b) Whether it is a fact that persons who entered Assam without legal authority from Bangladesh on or before the 25th day of March, 1971 were to be detected by the Illegal Migrants (Determination) Tribunals ?

(c) The number of such Bangladesh nationals were detected ?

(d) How many of them were deported to Bangladesh or expelled to other State of India ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৪২০। (ক)—১৯৮৩ চনৰ অবৈধ বিদেশী প্ৰব্ৰজনকাৰী (চিনাক্তকৰণ ন্যায়াধীকৰণ) আইন অসমত ইংৰাজী ১৯৮৩ চনৰ ১৫ অক্টোবৰত প্ৰণয়ন হয়।

(খ)—হয়।

(গ)—এই আইনৰ মতে ১৯৮৬ চনৰ ফেব্ৰুৱাৰী মাহলৈকে ৫১৫ জন বাংলাদেশী নাগৰিকক ধৰা পেলোৱা হৈছে।

(ঘ)—তাৰে ২১ জন বাংলা দেশী নাগৰিকক বাংলাদেশলৈ বহিষ্কাৰ কৰা হৈছে, কিন্তু ভাৰতৰ অন্য প্ৰদেশলৈ কোনো এজনকে পঠোৱা হোৱা নাই।

বিঃ উত্তৰ লক্ষীমপুৰত ষ্টেডিয়াম

শ্ৰীজগত হাজৰীকাই সুধিছে ঃ

*৪২১। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) লক্ষীমপুৰ জিলাৰ উত্তৰ লক্ষীমপুৰত এখন ষ্টেডিয়াম পতাৰ পৰিকল্পনা চৰকাৰৰ হাতত আছিল নেকি?

(খ) যদি আছিল, উক্ত ষ্টেডিয়াম আজিলৈকে হৈ নুঠাৰ কাৰণ কি অনুগ্ৰহ কৰি জনাবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৪২১। (ক)—উত্তৰ লক্ষীমপুৰত এখনি ষ্টেডিয়াম পতাৰ বাবে চৰকাৰৰ পৰিকল্পনা আছে। কিন্তু সংশ্লিষ্ট ক্ৰীড়া সন্থাই আৱশ্যকীয় নথি পত্ৰ দি চৰকাৰৰ ওচৰত আবেদন কৰিব পৰা নাই।

(খ)—ষ্টেডিয়াম নিৰ্মাণ কমিটিয়ে এতিয়া লৈকে আবেদন পত্ৰ দাখিল কৰিব পৰা নাই।

বি ঃ জলসিঞ্চন বিভাগৰ ডিভিজনেল অফিচ

শ্ৰীগনেশ বড়োৱে সুধিছে ঃ

*৪২২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

বিজনীত জলসিঞ্চন বিভাগৰ ডিভিজনেল অফিচ স্থাপন কৰা হবনে আৰু যদি হয় কেতিয়া হব অনুগ্ৰহ কৰি জনাবনে?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪২২। এনেকুৱা প্ৰস্তাৱ বৰ্ত্তমান লোৱা নাই।

Re : Lift Irrigation Scheme

Shri SANTI RANJAN DASGUPTA asked :

★423. Will the Minister, Irrigation be pleased to state –

(a) Whether there is any proposal before the Government to Install the following lift Irrigation scheme.

(1) At village named Daboka Gaon of Jugijan Mauza in Hojai Constituency ;

(2) At village Balaram Pathar of Jugijan Mauza of the said Constituency ?

(Do Government know that there is availability of water in River, Jamuna all through the year in the above two village points)

(b) If not, whether the Government will install two such lift Irrigation schemes in the above to villages ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪২৩। (ক)—১। নাই।

২। নাই। (উক্ত গাওঁ দুখনৰ ওচৰেদি যোৱা যমুনা নৈৰ পানী খৰালি যথেষ্ট কমকৈ থাকে)।

(খ)—বৰ্ত্তমান তেনে কোনো প্ৰস্তাৱ নাই।

Re : Headmaster of Hindi H.E. School, Kokrajhar

Shri Charan Narzary asked :

★424. Will the Minister, Education be pleased to state—

(a) Whether the Government is aware that the Headmaster of the Rastrabhasa Hindi H. E. School, Kokrajhar is under suspension and its managing Committee is dissolved ?

(b) If so, whether the Government consider it necessary to institute an enquiry into the unhappy affairs of the said school?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪২৪। (ক)—হয় জানো কোকৰাঝাৰৰ বিদ্যালয় সমূহৰ পৰিদৰ্শকে ইং ২৪।১২।৮৫ তাৰিখত হৱৰ্বৰ বিদ্যালয় পৰিচলনা সমিতিখন ভংগ কৰে আৰু সেই তাৰিখৰ পৰাই তিনি বছৰৰ কাৰণে নতুন পৰিচলনা সমিতি গঠন কৰে।

(খ)—হয়। মাধ্যমিক শিক্ষা সঞ্চালকে বিষয়টো পৰীক্ষা কৰিব।

বি ঃ প্ৰাথমিক বিদ্যালয়েৰ উন্নতি

শ্ৰীআব্দুল মুহিব মজুমদাৰে জিজ্ঞাসা কৰেছেন ঃ

*৪২৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) প্ৰাথমিক বিদ্যালয় গুলাৰ সৰ্বাঙ্গিন উন্নতি এবং স্কুল গৃহ নিৰ্ম্মাণ কৰাৰ জন্য কোন পৰিকল্পনা নেওয়া হয়েছে কি?

(খ) স্কুল গৃহ নিৰ্মাণ কৰা হলে চলিত অৰ্থ বৎসৰে কতটিৰ জন্য অনুদান দেওয়া হবে?

(গ) অনুদান দেওয়া হলে চলিত অৰ্থ বৎসৰে কতটিৰ জন্য অনুদান দেওয়া হবে?

(ঘ) যে গুলা অৱশিষ্ট ৰহিবে অহা পৰবৰ্ত্তী ১৯৭৭-৭৮ সনে পূৰণ কৰা হবে কি?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪২৫। (ক) প্ৰাথমিক বিদ্যালয় গৃহ নিৰ্ম্মাণ কৰাৰ বাবে অষ্টম বিত্তীয় আয়োগৰ অনুদানৰ অধীনত পৰিকল্পনা হাতত লোৱা হৈছে।

(খ) চলিত বিত্তীয় বছৰত প্ৰাথমিক বিদ্যালয় গৃহ নিৰ্মাণৰ বাবে টকা ৩,৪৫,৬০,০০০ খৰছ কৰা হব।

(গ) খ প্ৰশ্নৰ উত্তৰত উল্লেখ কৰা টকাৰে চলিত বিত্তীয় বছৰত ৭৬৬ খন প্ৰাথমিক বিদ্যালয়ৰ গৃহ নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) চলিত বছৰত সম্পূৰ্ণ নোহোৱা বিদ্যালয় গৃহ অহা বছৰত পুঁজি সাপেক্ষে সম্পূৰ্ণ কৰা হব।

বিঃ করিমগঞ্জ জেলায় ফসল নষ্ট

শ্ৰীরামেন্দ্র দেই জিজ্ঞাসা করিয়াছেন ঃ

*৪২৬। মাননীয় কৃষি বিভাগেৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করি জনাবনে—

(ক) পোকার আক্রমণে ১৯৮৪-৮৫ ইংরাজিতে করিমগঞ্জ জিলায় শতকরা কত অংশ ফসল নষ্ট হয়েছে?

(খ) কি পরিমাণ জমিতে কত টাকার ঔষধ দেওয়া হয়েছে?

(গ) ক্ষতির পরিমাণ কত টাকা?

(ঘ) ভাতা ও গাড়ী খরচ কত টাকা?

শ্ৰীনীলমনি দাস (কৃষি মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪২৬। (ক) – মোট শস্য উৎপাদিত জমির শতকরা ০৩ ভাগ ফসল পোকার আক্রমণে ক্ষতিগ্রস্ত হয়।

(খ) পোকা আক্রান্ত ৮০০ হেক্টর জমিতে পোকা নিবারণের ব্যবস্থা গ্রহণ করা হয় এক এই বাবত ৩৮,৫০০ টাকা খরচ করা হয়।

(গ)—১,৯০,০০০.০০ টাকা।

(ঘ)—ভাতা, গাড়ী এবং অন্যান্য খরচ বাবত মোট ৬,০০০.০০ টাকা।

Re : Misappropriation of REP and RLEGP MONEY

Shri ABDUL JABBOR asked :

*427. Will the Minister, Panchayat be pleased to state—

(a) Is it a fact that there is serious allegation of misappropriation of lakhs of NREP and RLEGP money against the present planning Officer at Mangaldoi while he was B.D.O at Dalgaon Sialmari Block ?

(b) If so, will there be any enquiry and action against the officer ?

Shri CHANDRA ARANDHARA (Minister Panchayat) replied :

427.(a)—Yes.

(b)—Departmental Proceeding have been drawn up against the officer.

বি ঃ কৃষি শ্ৰমিকৰ বিবাদ

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

*৪২৮। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৮৪, ১৯৮৫ আৰু ১৯৮৬ চনৰ ভিতৰত কিমান কৃষি শ্ৰমিকৰ বিবাদ শ্ৰম বিভাগে লৈছে ?

(খ) কিমান বিবাদ নিষ্পত্তি কৰা হ'ল আৰু কিমান বিবাদ নিষ্পত্তি নোহোৱাকৈ বাকী আছে ?

(গ) নিষ্পত্তি নোহোৱা বিবাদ সোনকালে নিষ্পত্তি কৰিবলৈ বিভাগে কি কি ব্যৱস্থা হাতত লৈছে জনাবনে ?

শ্ৰীবাৰ্কি প্ৰসাদ টেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪২৮। (ক)—১৯৪৭ চনৰ ঔদ্যোগিক বিবাদ আইনৰ অধীনত কৃষি

শ্ৰমিকৰ কোনো বিবাদ শ্ৰম বিভাগে পোৱা নাই। কিন্তু ১৯৪৮ চনৰ নুন্যতম মজুৰী আইনৰ অধীনত পোৱা বিবাদৰ সংখ্যা ১৯৮৪ চনৰ ১২ টা আৰু ১৯৮৫ চনৰ ১৫ টা মুঠ ২৭ টা। ১৯৮৬ চনৰ ফেব্ৰুৱাৰীলৈকে কোনো বিবাদ পোৱা নাই।

(খ)—১২ টা বিবাদ ইতিমধ্যে নিস্পত্তি কৰা হৈছে আৰু ১৫ টা বিবাদ নিস্পত্তি নোহোৱাকৈ আছে।

(গ)—নিস্পত্তি নোহোৱা বিবাদবোৰ আদালতত বিচাৰাধীন হৈ আছে, সেই কাৰণে বিভাগে ব্যৱস্থা লোৱাৰ প্ৰশ্ন নুঠে।

Re : Cotton Muslim Hostel

Shri SHEIKH ABDUL HAMID asked :

*429. Will the Minister, Education be pleased to state –

(a) Is it the fact that the Govt. has taken any decision to convert Cotton Muslime Hostel into a Cosmopolitan Hostel ?

(b) If so why ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :-

৪২৯। (ক)—নহয়।

(খ)—প্ৰশ্ন নুঠে।

বি : অৰুনাচলৰ সীমাত মথাউৰী

শ্ৰীমতী জ্যোৎস্না সোনোৱালে সুধিছে :

*৪৩০। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অৰুনাচলৰ সীমাত হাঁহখাটি, ডিবাক চুমনিৰ ওপৰত ১০ কিঃ মিঃ ৰকাৰে জানেনে ?

(খ) যোৱা ১৯৫১ চনৰ পৰা শদিয়াৰ বানপানী, গৰাখহনীয়া বোধ কৰিবৰ বাবে চৰকাৰে কোনো আচনি নোলোৱাটো সচাঁনে ?

(গ) যদি সচাঁ বৰ্ত্তমান চৰকাৰে সোনকালে বিজ্ঞান সন্মত আচনি লবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৩০। (ক)—হয়।

(খ)—হয়।

(গ)—বিজ্ঞান সন্মত আচনি প্ৰস্তুতৰ বাবে জৰীপ কাৰ্য্য চলাই থকা হৈছে।

Re : Erosion in Kokrajhar District

Shri AMRITLAL BASUMATARY, asked :

*431. Will the Minister, Flood Control be pleased to state –

(a) Whether Government are awere of the fact that the Gangia, the Garufela, the Gauranga, the Aie the Champavati, the Manash and the Gangadhar. All tributaries of the Brahmaputra in Kokrajhar District have been devastating a large number of village every year by erosion ?

(b) If so, the steps Government propose to control the rivers and protect the villages from erosion ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৩১ (ক)—হয়, জানে।

(খ)—গড়াখহনীয়া বোধৰ বাবে এই বিভাগে আৰ্থিক মঞ্জুৰীৰ ওপৰত নিভৰ কৰি ব্যৱস্থা লৈছে আৰু অনুপাতিক ভাৱে কম ক্ষতিগ্ৰস্ত ঠাইৰ বাবে প্ৰাককলন তৈয়াৰ কৰি সময়ে সময়ে মঞ্জুৰী বিচৰা হয়।

বি ঃ অসম ৰাজ্যিক কৃষি সামগ্ৰী মাৰ্কেটিং বোৰ্ড

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*৪৩২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম ৰাজ্যিক কৃষি সামগ্ৰা মাৰ্কেটিং বোৰ্ডৰ যোৱা ১৯৮৩, ৮৪ আৰু ১৯৮৫ চনত আয় আৰু ব্যয় কেনে ধৰণৰ আছিল ?

(খ) ভাৰতৰ বাহিৰলৈ এই সময়ছোৱাৰ ভিতৰত এই বোৰ্ডৰ কোনোবা বিষয় ববীয়া গৈছিল নেকি ?

(গ) যদি গৈছিল, কিয় আৰু কাৰ অনুমতি লৈ গৈছিল ?

(ঘ) এনে ভ্ৰমণৰ বাবে মুঠ খৰছ কিমান ?

শ্ৰীনীলমণি দাস ( কৃষি মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৪৩২। (ক) ১৯৮৩,৮৪ আৰু ১৯৮৫ চনত অসম ৰাজ্যিক কৃষি সামগ্ৰী মাৰ্কেটিং বোৰ্ডৰ আয় আৰু ব্যয় এনে ধৰণৰ আছিল।

| চন | আয় | ব্যয় |
|---|---|---|
| ১৯৮৩ ৮৪ | ১। ৰাজ্যিক চৰকাৰৰ বিত্তীয় মঞ্জুৰী—৪,৭৩,০০০.০০ | ৭,৪৯,১০৩ ৩১ |
| | ২। নিজা আয়— ১,৮৯,৩৬৩.২৩ | |
| | মুঠ—৬,৬২,৩৬৩.২৩ | |
| ১৯৮৪ ৮৫ | ১। ৰাজ্যিক চৰকাৰৰ বিত্তীয় মঞ্জুৰী— ১৪,২৯,৬৯৪.২৮ | ১৯,১৮,৭৬১.৪৪ |
| | ২। নিজা আয়—৭,৪৮,৬৮৯.১৭ | |
| | মুঠ—২১,৭৮,৩৮৩.৪৫ | |

১৯৮৫ ৮৬ (৩১ জানুৱাৰীলৈকে) ১। ৰাজ্যিক চৰকাৰৰ বিত্তীয় মঞ্জুৰী—৪৩,০০,০০০.০০ ১৮,০৭,২৪১.৮৩

২। নিজা আয়—৮,৮৯,৮৯২,৯৫

মুঠ—৫১,৮৯,৮৯২.৯৫

(খ) হয় গৈছিল, ১৯৮৩ ৮৪ চনত।

(গ) বোৰ্ডৰ তদানিন্তন সচিবক বিশ্ব-ভ্ৰমণৰ কাৰ্য্যসূচী অনুসাৰে বিদেশ ভ্ৰমণ কৰিবলৈ যাব দিয়া হয়। তত্নুপৰি, ১৯৮৪-৮৫ চনত বোৰ্ডৰ এই চেয়াৰমেন গৰাকী এজন সদস্যৰ সৈতে একেই কাৰ্য্যসূচীৰ অধীনত বিদেশ ভ্ৰমণলৈ যায় কিন্তু তাৰ বাবে চৰকাৰ অথবা বোৰ্ডৰ তৰফৰ পৰা কোনো খৰছ হোৱা নাই।

(ঘ) অকল ১৯৮৩ ৮৪ চনৰ বিদেশ ভ্ৰমণৰ খৰছহে ৰাজ্যিক কৃষি সামগ্ৰী মাৰ্কেটিং বোৰ্ডে বহণ কৰিছিল। আৰু তাৰ বাবে ৩৯,৪১৭.৪২ টকা খৰছ হৈছিল। ১৯৮৪ ৮৫ চনৰ কালছোৱাত ভ্ৰমণৰ বাবে চৰকাৰ বা মাৰ্কেটিং বোৰ্ডৰ তৰফৰ পৰা কোনো খৰছ হোৱা দেখা নাযায়।

বি ঃ রাজ্যে উন্নয়ন খণ্ডের সংখ্যা

শ্ৰীরামেন্দ্র দেই সুধিছে ঃ

* ৪৩৩। মাননীয় পঞ্চায়ত বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়ে জানাবেন কি—

(ক) আসাম রাজ্যে উন্নয়ণ খণ্ড কতটি ?

(খ) প্রত্যেক উন্নয়ণ খণ্ডে স্থায়ী অধিকারিক (B. D O.) আছেন কি ?

(গ) প্রত্যেক উন্নয়ণ খণ্ডে গাড়ী ও কর্মচারীদের জন্য বাসস্থান আছে কি ?

শ্ৰীচন্দ্ৰ আৰক্ষৰা ( পঞ্চায়ত বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৪৩৩। (ক) —১৩৫ টা

(খ)—স্থায়ী খণ্ড উন্নয়ণ বিষয়াৰ পদ আছে।

(গ)—বাসস্থানৰ ব্যৱস্থা আছে ; কিন্তু সকলোবোৰ উন্নয়ন খণ্ডতে গাড়ী নাই।

Re : Assam State Liquor Prohibition Council

Shri ABDUL JALIL asked :

★434. Will the Minister, Excise be pleased to state :—

(a) The Members of the Assam State Liquor Prohibition Council ?

(b) The functions of the Council ?

(c) Whether the Council has succeeded in prohibiting the liquor consumption in the State ?

(d) Whether Government will take special step to prohibit the liquor cansumption in the State or will abolish the liquor prohibltion ?

শ্ৰীভৃগু কুমাৰ ফুকন (আবকাৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৩৪। (ক)—ৰাজ্যিক মাদক দ্ৰব্য নিবাৰণী পৰিষদখন তলত দিয়া সদস্যৰে নতুনকৈ গঠিত হৈছে—

১। শ্ৰীপ্ৰেম কান্ত মহন্ত, সভাপতি।

২। শ্ৰীকমল গগৈ, সদস্য।

(খ)—মাদক দ্ৰব্য নিবাৰণী পৰিষদ খনে মদ, ভাং, গাঞ্জা, কানি আদিৰ

নিবাৰণী কাৰ্য্যসূচী ৰূপায়িত কৰাৰ দায়িত্ব হ'ব লাগিব। পৰিষদৰ মুখ্য উদ্দেশ্য হৈছে মদ, কানি, গাঞ্জা, ভাং আৰু অন্যান্য ৰাগীয়াল বস্তুৰ সেৱন কৰাৰ অপকাৰিতাৰ বিষয়ে জনসাধাৰণক সচেতন কৰা।

(গ)—পৰিষদে ৰাগীয়াল বস্তু সেৱনৰ অপকাৰীতাৰ বিষয়ে বিভিন্ন মাধ্যমেৰে প্ৰচাৰ কাৰ্য্য চলাই আছে, এই প্ৰচাৰ কাৰ্য্যই বিশেষকৈ জনজাতি আৰু চাহ বনুৱাসকলক উপকৃত কৰিছে আৰু মদ খোৱাৰ অপকাৰিতাৰ বিষয়ে সজাগ কৰি তুলিছে বুলি ভবাৰ থল আছে।

(ঘ)—এই সম্পৰ্কে যথাসম্ভৱ সোনকালে এক বাস্তৱ নীতি নিৰ্দ্ধাৰণ কৰা হব।

Re : Hats and Bazars under Dalgaon Constituency

Shri ABDUL JABBAR asked :—

★435. Will the Minister, Panchayat be pleased to state -

(a) Whether Government is aware that there has been numerous scandal with regard to matters relating to Hats and Bazars under Dalgaon Constituency ?

(b) Who is the Secretary of the Mangaldai Mahkuma Parishad and Whether it is a fact that these scandals have happened during his Service period a Secretary, Mangaldoi Mahkuma Parishad ?

(c) If so, will the Government Make an enquiry in the matters ?

Shri CHANDRA ARANDARA (Minister, Panchayat) replied ?

435. (a) Government received complaints of irregular settlement of Hats and Bazars for the years 1985-86.

(b) Shri Prafulla Chandra Bardoloi and he was the Secretary of the Mahkuma Parishad during the period the settlements were given.

(c) A Deputy Secretary of the Government already enquired into the complaints.

Re: Erosion by Dhansri River

Shri SILVIUS CONDPAN asked :

*436. Will the Minister, Flood Control be pleased to state—

(a) Whether there is any scheme for protecting the villages in and around Rowta Station area from erosion caused by Dhansiri river ?

(b) Is there any scheme for protection of the villages in adjacent to Pachnoi river near village Baligaon and Orang Tea Estate ?

(c) Whether the Department has visited Villages Rangapani and Niz Rangapani to study the erosion problem caused by Rowta river and has taken any scheme ?

(d) What is the present position of Deochani protection scheme on Pachnoi river at Village Deochani within Mazbat Gaon Panchayat ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৩৬। (ক)—হয়, ধনশিৰী নদীয়ে কৰা গড়া খহনীয়া প্ৰতিৰোধৰ কাৰণে "ধনশিৰী গাওঁ নং—৫ খহনীয়া প্ৰতিৰোধৰ সম্প্ৰসাৰণ আঁচনি" নামে এখন আঁচনি আছে।

(খ)—নাই।

(গ)—নাই। কোনো ধৰণৰ আঁচনিও তাত লোৱা হোৱা নাই।

(ঘ)—এই আঁচনিখন প্ৰায় সম্পূৰ্ণ হওঁ হওঁ হৈছে আৰু অহা ৩১ মাৰ্চৰ ভিতৰত শেষ হব।

বি ঃ Extension of B/dyke

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

*৪৩৭। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এক্সটেনচন অৱ বি দাইক এলং লেফট বেংক ফ্ৰম লেনটিপাৰা টু চিকাৰ-পাৰা (চুকচৰ) আন্দাৰ গোৱালপাৰা ই, এণ্ড ডি ডিভিজন পৰিকল্পনাটো বি-এফ-চি বোৰ্ডে গ্ৰহণ কৰি প্ৰয়োজনীয় মাটি অধিগ্ৰহণ কৰাৰ বাবে ১৯৮৪ চনত ব্যৱস্থা লোৱাৰ কথাটো সচাঁনে ?

(খ) যদি সচাঁ উক্ত পৰিকল্পনাটো ইমান দিনেও বাস্তবায়িক নোহোৱাৰ কাৰণটো কি ?

(গ) যদি সচাঁ নহয়, পৰিকল্পনাটো গ্ৰহণ কৰি চুকচৰ অঞ্চলৰ লগতে মানকাচাৰ অঞ্চলক ব্ৰহ্মপুত্ৰৰ বানে আৰু গড়া খহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ পৰিকল্পনাটো বাস্তবায়ণৰ ব্যৱস্থা অনতি পলমে কৰিবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৩৭ (ক)—সঁচা ।

(খ)—বিভাগৰ পুঁজিৰ অভাবত উক্ত আঁচনিটো হাতত লোৱা সম্ভৱ হোৱা নাই।

(গ) প্ৰশ্ন নুঠে।

Re : TWENTY POINT PROGRAMME

Shri Altaf Hussain Mazumdar asked :

*438. Will the Chief Minister be pleased to state—

Will this Government execute twenty Point Programme ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

438—The schemes Programmes included under the twenty Point Programmes are under implementation as an integral Part of the State Plan.

বি ঃ নাওঁবৈচা উন্নয়ন খণ্ডৰ ষ্টেডিয়াম

শ্ৰীজগত হাজৰিকাই সুধিছে ঃ

*৪৩৯। মাননীয় গ্ৰামীন উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নাওঁবৈছা খণ্ড উন্নয়ন বিষয়াৰ অধীনত গ্ৰাম্য ষ্টেডিয়াম এখনি খোলাৰ আঁচনি চৰকাৰে হাতত লৈছে নেকি ?

(খ) যদি লৈছে কেতিয়াকৈ উক্ত ষ্টেডিয়ামটো নিৰ্ম্মাণৰ কাম আৰম্ভ হব জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৩৯। (ক)—নাই লোৱা।

(খ)—প্ৰশ্ন নুঠে।

বি ঃ Director of Manpower

শ্ৰীজয় নাথ শৰ্ম্মাই সুধিছে ঃ

*৪৪০। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) Director of Man power ৰ কাম কি ?

(খ) বৰ্ত্তমান এই বিভাগে কি কাম কৰি আছে তাৰ বিতং তথ্য জনাবনে ?

(গ) এই বিভাগটো পূৰ্ণ পৰ্য্যায়ৰ এটা সঞ্চালকালয় ডাইৰেক্টৰয়ে উন্নীত নকৰাৰ কাৰণ জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৪০। (ক)—গণশক্তি সঞ্চালকালয়ৰ কাম সমূহ হল—

(১)—শিক্ষিত আৰু সুনিপুন গণশক্তিক শ্ৰেণীগত ভাৱে একত্ৰিত কৰি তেওঁলোকৰ দাবী অনুযায়ী যোগান ধৰিবৰ বাবে সমন্বিত প্ৰাক্কলন নিৰ্দ্ধাৰণ কৰা ;

(২) গণশক্তিৰ চাহিদা অনুসৰি তেওঁলোকৰ প্ৰশিক্ষণ প্ৰয়োজনীয়তাৰ ভিত্তিত আগতীয়া ব্যৱস্থা লোৱাৰ বাবে পৰামৰ্শ আগবঢ়োৱা ;

(৩) ৰাজ্যৰ পাঁচ বছৰীয়া আৰু বাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত বিভিন্ন খণ্ডত ক্ৰমাগত নিয়োগ ব্যৱস্থাৰ আঁচনি নিৰ্দ্ধাৰণ কৰা।

(৪) বিভিন্ন পৰ্য্যায়ত থকা বিষয়া সকলৰ কাৰণে গণশক্তি আঁচনি প্ৰণয়নৰ কাৰণে কাৰিকৰী আৰু প্ৰণালীবদ্ধ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা আৰু

(৫) গণশক্তিৰ পৰিকল্পনাৰ বাবে আৱশ্যকীয় অধ্যায়ন তথা সংগ্ৰহ আৰু প্ৰশিক্ষণৰ কাৰণে উপযুক্ত এজেন্সী সমূহৰ লগত সহযোগীতা ৰখা।

(খ)—বৰ্ত্তমানে এই বিভাগে ষষ্ঠ পৰিকল্পনাৰ কালছোৱাৰ কাৰণে গণ-শক্তিৰ কাৰিকৰী পৰ্য্যায়ৰ আৱশ্যকীয় ভিত্তিত অধ্যায়ন চলাই আছে। কৃষি আৰু পশু পালন গণশক্তিৰ প্ৰয়োজনীয়তাৰ ভিত্তিতো এই বিভাগে অধ্যায়ন চলাই আছে। সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ বাবেও এনে ধৰণৰ অধ্যায়নৰ ব্যৱস্থা ৰাখিছে। অহা ১৫ বছৰৰ কালছোৱাত উত্তৰ পূব পৰিষদৰ গণশক্তিৰ প্ৰয়োজনীয়তাৰ ভিত্তিতো অধ্যায়নৰ আঁচনি কৰিছে। এই অধ্যায়নৰ আঁচনিত অসমকো অন্তভূৰ্ক্ত ৰখা হৈছে।

এই বিভাগে নতুন দিল্লীতস্থিত I. A. M. R. (Institution of Applied Manpower Research) সংগঠনৰ লগত সম্পৰ্ক ৰাখিছে। এই গবেষণা প্ৰতিষ্ঠানক উত্তৰ পূব পৰিষদে গণশক্তিৰ ভিত্তিত অধ্যায়ন চলাবৰ বাবে নিযুক্তি দিছে।

নতুন দিল্লীৰ এই গবেষণা সংগঠনৰ এটি দলে অলপতে অসম ভ্ৰমণ কৰিব আৰু পৰিবল্পনা উন্নয়ন বিভাগৰ লগত আলোচনা কৰি প্ৰয়োজনীয় তথ্যাদি সংগ্ৰহ কৰিব। এই বিভাগে জিলা পৰ্য্যয়ত গণশক্তিৰ পৰিকল্পনা আৰু ক্ৰমাগত নিয়োগ ব্যৱস্থাৰ ভিত্তিত চমুকালৰ পাঠ্যক্ৰমৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰি আহিছে, যোৰহাট, শিলচৰ আৰু গুৱাহাটীতে এনে ধৰণৰ প্ৰশিক্ষণৰ ব্যৱস্থা হৈছে। এনে ধৰণৰ, পাঠ্যক্ৰমৰ প্ৰশিক্ষণৰ কালত নতুন দিল্লীৰ উক্ত গৱেষণা সংগঠন আৰু দেশৰ স্বীকৃত শিক্ষানুস্থানৰ লগত সম্পৰ্ক ৰখা হৈছে।

(গ) —মূলতে এই গণশক্তি বিভাগ এটা সঞ্চালকালয় আছিল। এই সঞ্চালকালয়ে শিক্ষিত যুৱকৰ স্বাবলম্বিতাৰ কাৰণে জিলা আৰু মহকুমাৰ পৰ্য্যায়ত একাধিক কেন্দ্ৰত প্ৰশিক্ষণ ব্যৱস্থা কৰি আহিছিল। কিন্তু পৰবৰ্ত্তী কালছোৱাত এই বিভাগে এনে ধৰণৰ প্ৰশিক্ষণ আঁচনিৰ দায়িত্ব ৰাজ্য চৰকাৰৰ উদ্যোগ বিভাগক হস্তান্তৰিত কৰে। তদুপৰি চৰকাৰে কম নিযুক্তিৰ কাৰণে এটি নতুন স্বকীয় বিভাগ স্থাপন কৰিছে।

বিঃ মানকাছাৰ সমষ্টিত জলসিঞ্চনৰ পৰিকল্পনা

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

*৪৪১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মানকাছাৰ সমষ্টিৰ অন্তৰ্গত কাকৰিপাৰা, বনাগৰাচৰ, চামাইবিল, ঠাকুৰাণবাৰী, মঞ্জুৰী মৌজা সমূহত গভীৰ নলীনাদৰ দ্বাৰা জলসিঞ্চনৰ পৰিকল্পনা চৰকাৰৰ হাতত আছেনে?

(খ) যদি আছে কোন পৰ্য্যায়ত আছে?

(গ) যদি নাই চৰকাৰে অনতিপলমে পৰিকল্পনা গ্ৰহণ আৰু বাস্তাৱায়নৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৪১। (ক)—উক্ত এলেকা সমূহৰ ভিতৰত গোৱালপাৰা যান্ত্ৰীক সংমণ্ডলৰ তলত কাকৰিপাৰা অনুসন্ধানমূলক গভীৰ নলী নাদ আঁচনি আৰু কাকৰিপাৰা গভীৰ নলীনাদ আঁচনি নামৰ দুটা আঁচনিৰ প্ৰশাসনিক অনুমোদন যথাক্ৰমে ১৯৮৩ ৮৪ আৰু ১৯৮৫ ৮৬ চনত দিয়া হৈছে। ঝগৰাচৰত ২টা গভীৰ নলী নাদ আঁচনিৰ মঞ্জুৰী ১৯৮৫-৮৬ চনত দিয়া হৈছে।

(খ)— "কাকৰিপাৰা অনুসন্ধান মূলক গভীৰ নলীনাদ আঁচনিৰ" অনুসন্ধান ১৯৮৬ চনৰ জানুৱাৰী মাহত ২ ঠাইত খনন কৰা হৈছিল কিন্তু ৩৬০ ফুটলৈকে সম্ভাৱনা থকা পানীৰ স্তৰ পোৱা নগল।

(গ)— চামাইবিল, ঠাকুবাৰী আৰু মঞ্জুৰী মৌজাত এনে ধৰণৰ পৰিকল্পনা বৰ্ত্তমান হাতত নাই।

বি ঃ মহকুমা পৰিষদৰ সংখ্যা

শ্ৰীঅমৃত লাল বসুমতাৰীয়ে সুধিছে ঃ

*৪৪২। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত মুঠ কিমানখন মহকুমা পৰিষদ আছে ?

(খ) নতুনকৈ গঠন কৰা মহকুমা সমূহতো মহকুমা পৰিষদ গঠন কৰা হৈছেনে ?

(গ) মহকুমা পৰিষদ সমূহত মুঠ কিমানজন বিষয়া আৰু কৰ্মচাৰীয়ে চাকৰি কৰে ?

(ঘ) এই চাকৰিয়াল সকল সকলো চৰকাৰী চাকৰিয়ালনে ?

(ঙ) যদি নহয়, এওঁলোকক চৰকাৰী চাকৰিয়াল কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনাই থকাটো সচাঁ নেকি ?

(চ) যদি সচাঁ হয়, মহকুমা পৰিষদ আৰু গাওঁ পঞ্চায়তত কাম কৰি থকা কৰ্মচাৰী সকলৰ চাকৰি চৰকাৰী কৰাৰ বিষয়ে কিবা সিদ্ধান্ত কৰিছে নেকি ?

(ছ) এই মহকুমা পৰিষদবোৰ অধিক ক্ষমতা প্ৰদান কৰি অধিক অৰ্থ মঞ্জুৰী দিয়া সম্পৰ্কে চৰকাৰে কিবা সিদ্ধান্ত লৈছে নেকি ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (পঞ্চায়ত বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৪৪২। (ক)—৩১ খন।

(খ)—হৈছে।

(গ)— সৰ্ব্বমুঠ ৫৩ জন বিষয়া আৰু সৰ্ব্বমুঠ ৯১০ জন কৰ্মচাৰীয়ে চাকৰি কৰে।

(ঘ) নহয়।

(ঙ) সচাঁ।

(চ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে। সিদ্ধান্ত লোৱা হোৱা নাই।

(ছ) নাই লোৱা।

বি ঃ বাঘে খোৱা মানুহৰ সংখ্যা

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*৪৪৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) অসমত যোৱা ১৯৮৩, ৮৪, ৮৫ চনত মুঠতে কিমানজন মানুহক বাঘে খাইছে ?

(খ) বাঘে খোৱা লোক সকলক চৰকাৰে কিবা ক্ষতিপূৰণ দিয়েনে ?

(গ) দৰং জিলাত ১৯৮৪, ৮৫, ৮৬ চনৰ ভিতৰত বাঘে মানুহ খাইছে বুলি কিবা খবৰ চৰকাৰে পাইছেনে ?

(ঘ) মানুহ খোৱা বাঘ চৰকাৰে উক্ত সময়ছোৱাৰ ভিতৰত কিমানটা ধৰিছে বা মাৰিছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৪৩। (ক) বাঘে খোৱা মানুহৰ হিচাব মুঠ ৩৯ জন।

| | |
|---|---|
| ১৯৮৩ চনত | ৯ জন। |
| ১৯৮৪ চনত | ৯ জন। |
| ১৯৮৫ চনত | ২১ জন। |

(খ) দিয়া হোৱা নাই।

(গ) হয়, ১৯৮৪ চনত ১ জন মানুহক বাঘে খাইছিল। ১৯৮৫-৮৬ চনত খবৰ পোৱা নাই।

(ঘ) দৰং জিলাত ১৯৮৫ চনত কুকুৰাত এজনী আৰু ১৯৮৪ চনত ওৰাঙত এজনী বাঘিনী ধৰা হৈছিল।

**Re : Irrigation for Lumding Constituency**

**Shri Ardhendu Kr. Dey asked :**

**★444. Will the Minister, Irrigation be pleased to state—**

**(a) Whether the Government is aware that thousands acres of lands in the Kaki, Udali and Bhuragaon area under Lumding Constituency remain without any agricultural products for want of irrigation.**

(b) If so, whether Government will take any scheme for irrigation in the river Khring Khring which will help in irrigation to the above lands but will also have a big fishery and supply of drinking water to the neighbouring villages ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৪৪। (ক) লামডিং সমষ্টিৰ, কাকি, উদালী আৰু বুৰাগাঁও অঞ্চলত জলসিঞ্চনৰ অভাৱৰ বাবে হেজাৰ হেজাৰ বিঘা একো কৃষি উৎপাদন নোহোৱাকৈ থকাৰ সম্পৰ্কে চৰকাৰৰ হাতত একো তথ্যপাতি নাই।

(খ) সদ্যহতে কোনো প্ৰস্তাব নাই।

বিঃ লোহিত নদীৰ গড়াখহনীয়া

শ্ৰীমতী জ্যোৎস্না সোনোৱালে সুধিছে ঃ

*৪৪৫। মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

শদিয়া মহকুমাৰ পূৱত চুনপোৱাৰ পৰা ভৰলা গাৱলৈ ১৩ কিঃ মিঃ ঠাইৰ ব্ৰহ্মপুত্ৰৰ লোহিত নদীৰ গড়া খহনীয়া ৰোধকৰাৰ বাবে ১৯৭০ চনৰ দ্বিতীয় বছৰৰ পৰা ১৯৮৫-৮৬ চনৰ বিত্তীয় বছৰলৈ গ্ৰহণ কৰা চৰকাৰী আঁচনিৰ বিষয়ে জনাবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৪৫। কোনো আঁচনি গ্ৰহণ কৰা হোৱা নাই।

বিঃ পুল পৰিবহনৰ বাবে গাড়ী ক্ৰয়

শ্ৰীজগত হাজৰিকাই সুধিছে ঃ

*৪৪৬। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে

(ক) পুল পৰিবহনৰ বাবে বিগত ৫ (পাঁচ) বছৰত কিমানখন গাড়ী কিনিছে আৰু বৰ্তমান উক্ত গাড়ীবোৰ কাৰ কাৰ লগত আছে ?

(খ) অচল গাড়ীবোৰ বিক্ৰী কৰাৰ কিবা ব্যৱস্থা হাতত লৈছে নেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪৪৬। (ক) ৭ খন কিনিছে। এই গাড়ীবোৰ বৰ্ত্তমানে তলত দিয়া ব্যক্তি-সকলৰ লগত আছে।

| | | |
|---|---|---|
| ১। | ৰাজ্যপালৰ সচিবালয়— | ১ খন |
| ২। | পৰিবহন. মন্ত্ৰী— | ১ খন |
| ৩। | পৰিবহন সচিব— | ১ খন |
| ৪। | বিধায়ক শ্ৰীজে,.পি, টেৰাৰী— | ১ খন |
| ৫। | গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পঞ্জীয়ক— | ১ খন |
| ৬। | মেৰামতিৰ বাবে— | ২ খন |
| | | মুঠ ৭ খন |

(খ) ব্যৱস্থা হাতত লোৱা হৈছে।

Re : Assam Civil Services Rules, 1965

Shri ABDUL JALIL asked :

*447. Will the Chief Minister be pleased to state—

(a) Whether Government servants can become the member of any political party under the provision of Assam Civil Services (Conduct) Rules, 1965 ?

(b) Is it a fact that many Government servants have been made the office bearers of the present ruling party in Assam ?

(c) Whether Government will take disciplinary action against those Government servants who have become the members and office-bearers of any political party ?

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) replied :

447. (a) No.

(b)– Government have no such information.

(c) – Specific cases can be looked into under the provisions of the rules.

বি ঃ গভীৰ নলী নাদ প্ৰকল্প

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

*৪৪৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) পুৰণিদিয়া, কঠালবাৰী, কানাইমাৰা, টেঙ্গৰচৰ, পাণকাটা, বেঙেৰভিটা, চিৰাখাওৱা, বাউচীমাৰী, বমপাৰা, কুকুৰমাৰা, খোপাটী আদি গভীৰ নলী নাদ প্ৰকল্প সমূহ বৰ্ত্তমান কি পৰ্য্যায়ত আছে ?

(খ) অসমাপ্ত প্ৰকল্প সমূহ সোনকালে বাস্তবায়নৰ দ্ৰুত ব্যৱস্থা চৰকাৰে হাতত লবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৪৮। (ক)—ইতিমধ্যে প্ৰশাসনীয় অনুমোদন পোৱা আঁচনিৰ বৰ্ত্তমান অগ্ৰগতি এনে ধৰণৰ—

১। পুৰণিদিয়া কঠালবাৰী আঁচনিৰ (দুটা পৰ্য্যায়ত) মুঠ ৫টা নলী নাদৰ দুটা নলী নাদ বহুৱা হৈছে আৰু ৩ টাৰ ইতিমধ্যে ঠিকাদাৰক কামৰ আবণ্টন দিয়া হৈছে।

(২) কানাইমাৰা টেঙ্গৰচৰ গভীৰ নলী নাদ আঁচনিৰ (দুটা পৰ্য্যায়ত) মুঠ ৫ টা নলী নাদৰ ২টা বহুৱা হৈছে বাকী তিনিটাৰ কাম আৰম্ভ হোৱা নাই।

(৩) পানকাটা অনুসন্ধান মূলক আৰু নলী নাদ আঁচনি আৰু পানকাটা গভীৰ নলনোদ আঁচনিৰ মুঠ ৪টা নলী নাদৰ ভিতৰত অনুসন্ধান মূলক আঁচনিত ধৰা এটাৰ কাম সন্তৰ হলে চলিত কামৰ বতৰতে আৰম্ভ কৰাৰ ব্যৱস্থা লোৱা হব আৰু অনুসন্ধান ৰিপৰ্টৰ ওপৰত ভিত্তি কৰিহে বাক তিনিটাৰ কাম পিচৰ পৰ্য্যায়ত আৰম্ভ কৰিব পৰা হব।

৪। বেঙেৰভিটা, চিৰাখোৱা গভীৰ নলীনাদ আচনিৰ ( দুটা পৰ্য্যায়ত ) মুঠ পাঁচটা নলীনাদৰ ভিতৰত দুটাৰ কাম আৰম্ভ হোৱা নাই তিনিটাৰ কাম আৰম্ভ কৰিবলৈ ইতিমধ্যে ঠিকাদাৰক কামৰ আবণ্টন দিয়া হৈছে।

৫। বাউচিমাৰী গভীৰ নলীনাদ আঁচনিৰ মুঠ দুটা নলীনাদৰ কাম এতিয়াও আৰম্ভ কৰা হোৱা নাই।

৬। কুকুৰমাৰা গভীৰ নলীনাদ আঁচনিৰ ( দুটা পৰ্য্যায়ত ) মুঠ চাৰিটা নলীনাদৰ কাম এতিয়াও আৰম্ভ কৰা হোৱা নাই।

৭। খোপাতিয়া গভীৰ নলীনাদ আঁচনিৰ (দুটা পৰ্য্যায়ত) মুঠ পাঁচটা নলীনাদৰ কাম এতিয়াও আৰম্ভ কৰা হোৱা নাই।

৮। বাউচীমাৰী অঞ্চলৰ বাবে কোনো আঁচনি নাই।

(খ) হয়, লব।

Re : The Number of District Libraries

Shri AMRITLAL BASUMATARI asked :

* 449. Will the Minister, Education be pleased to state—

(a) The number of District Libraries in Assam and where are they ?

(b) Whether all of them have their own Buildings ?

(c) If not, how many of them do not have their own Buildings and when they would be provided with the Buildings ?

(d) What are the Districts which do not have District libraries ?

(e) Whether any provision has been made for the next financial years to provide all the Districts with the District Libraries ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৪৯। (ক)—অসমত বৰ্ত্তমান ১৭ (সোতৰ) টা জিলা গ্ৰন্থাগাৰ আছে। গুৱাহাটী, নগাওঁ, তেজপুৰ, ধুবুৰী, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়, উত্তৰ লক্ষীমপুৰ, মঙ্গলদৈ, নলবাৰী, বৰপেটা, কোকৰাঝাৰ, গোৱালপাৰা, কৰিমগঞ্জ, শিলচৰ, ডিফু আৰু হাফলং এই গ্ৰন্থগাৰ সমূহৰ সদৰ কাৰ্য্যালয়।

(খ)—আটাইবিলাকৰে নাই। মাত্ৰ গুৱাহাটী, নগাওঁ, তেজপুৰ, ধুবুৰী, শিলচৰ, যোৰহাট, ডিব্ৰুগড়, উত্তৰ উক্ষীমপুৰ আৰু হাফলংত থকা এই ৯ (ন) টা জিলা গ্ৰন্থাগাৰৰ নিজা ঘৰ আছে ?

(গ)--বাকী ৮ (আঠ) টা জিলা গ্ৰন্থাগাৰ ৰাজহুৱা প্ৰতিষ্ঠানত অৱস্থান কৰি আছে আৰু ইয়াৰ বাবদ ভাড়া দি থকা হৈছে। পৰবৰ্ত্তী বিত্তীয় বছৰত মঙ্গলদৈ জিলা গ্ৰন্থাগাৰৰ ভৱন নিৰ্ম্মাণ কাম আৰম্ভ কৰা হব। গড়কাপ্তানী বিভাগে ইতিমধ্যে আৱশ্যকীয় কাৰ্য্য ব্যৱস্থা হাতত লৈছে। বাকী ৬ (ছয়) টা ভৱন নিৰ্ম্মাণৰ কাম ক্ৰমশঃ হাতত লোৱা হব।

(ঘ)—কেৱল প্ৰাগ্‌জ্যোতিষপুৰ জিলা গ্ৰন্থাগাৰ স্থাপন কৰিবলৈ বাকী আছে।

(ঙ)—পুঁজিৰ অভাৱত প্ৰাগ্‌জ্যোতিষপুৰত পৰবৰ্ত্তী বিত্তীয় বছৰত জিলা পুথিভঁৰাল স্থাপনৰ ব্যৱস্থা লব পৰা নাই। তথাপি ১৯৮৭-৮৮ বিত্তীয় বছৰলৈ বিবেচনা কৰা হব।

বি ঃ ওৰাং অভয়াৰণ্য

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*৪৫০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ওৰাং অভয়াৰণ্যত কিমান গঁড় বৰ্তমান আছে ?

(খ) চোৰাং চিকাৰীয়ে ১৯৮০ চনৰ পৰা ১৯৮৬ চনলৈ কিমান টা গঁড় মাৰিছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৫০। (ক)—১৯৮৫ চনৰ ফেব্ৰুৱাৰী মাহত কৰা গণনাৰ প্ৰতিবেদন মতে গঁড়ৰ সংখ্যা হল ৬৫ টা।

(খ)—১৯৮০ চনৰ পৰা ১৯৮৬ চনলৈ ওৰাং অভয়াৰণ্যত চোৰাং চিকাৰীয়ে মৰা গঁড়ৰ সংখ্যা তলত দেখুৱা ধৰণৰ—

১৯৮০ চনত—৩টা
১৯৮১ চনত—২টা
১৯৮২ চনত—৫টা
১৯৮৩ চনত—৪টা
১৯৮৪ চনত—৩টা
১৯৮৫ চনত—৮টা
১৯৮৬ চনত—নাই।

Re : Complaints against Ex-Minister

Shri ARDHENDU KUMAR DEY asked :

★451. Will the Minister, Political be pleased to state—

(a) Whether it is a fact that on 12th February 1986 the then Hon'ble Member Shri Santi Ranjan Das Gupta made several definite

complaints in writing about the properties earned by an Ex-Minister, Shri Sadhan Ranjan Sarkar and the letter was handed over to Chief Minister on 12th February 1986 ?

(b) If so, what action has so far been taken on the subjects referred to in the said letter ?

(c) Whether it is a fact that the said Minister has constructed Big Sized Bath rooms in his new very costly constructed building fited with costly Marble Slabs ?

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) replied :

451. (a)—Yes, the allegation petition dated 12th February 1986 was received.

(b)—Matter is sent for enquiry to the vigilance Cell.

(c)—Reply above will suffice.

(Contd. Vol. II)

## STARRED

## QUESTIONS AND ANSWERS

Date : 7th April, 1986

---

VOL.—II

### Re : Taking over of College

Shri Amritlal Basumatary asked :

★452. Will the Minister, Education be pleased to state—

The number of Ad-hoc colleges being taken over under the Deficit Grant system ?

(Name of Colleges may be given)

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৫২। ১।২।৮৬ তাৰিখৰ পৰা তলত নাম দিয়া ১৭ খন কলেজত ঘাটি মঞ্জুৰী দিবলৈ প্ৰস্তাৱ কৰা হৈছে।

১। ৰত্নপীঠ কলেজ (কলা শাখা)
২। নামৰূপ কলেজ ( ” )
৩। ঘাগৰি জান কলেজ ( ” )
৪। তিনিচুকীয়া বাণিজ্যিক মহাবিদ্যালয় (বাণিজ্যিক বিভাগ)।
৫। লঙ্কা মহাবিদ্যালয় ( কলা শাখা )
৬। হাব্ৰাঘাট মহাবিদ্যালয় ঐ
৭। চিপাঝাৰ কলেজ ঐ
৮। বি বি কিশান কলেজ ঐ
৯। ডিমৰীয়া কলেজ ঐ
১০। কপিলী আঞ্চলিক কলেজ ঐ

১১। উত্তৰ কামৰূপ কলেজ (কলা শাখা)

১২। ঢেঁকা ঘাট কলেজ ঐ

১৩। টংলা কলেজ (বাণিজ্যিক শাখা)

১৪। মাজুলী কলেজ (বিজ্ঞান শাখা)

১৫। অভয়াপুৰী কলেজ ঐ

১৬। নাহৰকটীয়া কলেজ (বাণিজ্যিক শাখা)

১৭। মাধবদেৱ কলেজ (বিজ্ঞান শাখা)

Re : Resettlement cn Karimganj

Shri Sirajul Haque Choudhury asked :

*453. Will the Minister, Revenue be pleased to state—

(a) Whether the re-settlement has been completed and the rate of revenue has been fixed in Karimganj District ?

Shri Thaneswar Boro (Minister, Revenue) replied :

453. (a) Land comprised within Karimganj District falls under two categories :

(i) Temporary Settled Areas.

(ii) Erstwhile permanently settled Area. Settlement operation of temporary settled areas have been completed on 30th April 1969 and revenue has been assessed and fixed as per provision of Assam Land Revenue Re-assessment Act, 1936.

Re-settlement Operation of former permanently settled areas started from 1st July, 1979 and the settlement operation is in progress. New revenue rate of permanently settled area has not yet been fixed.

Re: Flood Control Scheme

Shri Prabin Ch. Deka asked:

*454 Will the Minister, Flood Control be pleased to state:—

(a) Whether the present Government has taken any Scheme for Flood Control in Assam?

(b) If so the Scheme so taken?

(c) Whether the River Tihu, Burhadia and Kaldia have been included in the Scheme?

(d) If so when the Scheme will be completed?

Shri Bharat Ch. Narah (Minister, Flood Control) replied:

৪৫৪। (ক) হয়।

(খ) চৰকাৰে প্ৰতি বছৰে হোৱা বানপানী নিয়ন্ত্ৰণৰ কাৰণে মথাউৰী নিৰ্মাণ, আগৰ মথাউৰী বিলাক ওখ আৰু শক্তিশালী কৰা পিছহোঁহোকা মথাউৰী আৰু চেকবান্ধ নিৰ্মাণ নৰ্দমা নিৰ্মাণ স্পিল চেনেল বন্ধকৰণ পানী দুৱাৰ নিৰ্মাণ আদি ভালেমান কাম হাতত লোৱা হৈছে।

(গ) নাই।

(ঘ) প্ৰশ্ন নুঠে।

বি ঃ ডিক্ৰুং নদীৰ জলসিঞ্চন।

শ্ৰীজগত হাজৰিকাই সুধিছে ঃ

*৪৫৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উত্তৰ লক্ষীমপুৰ মহকুমাৰ ৰঙানদী আৰু ডিক্ৰুং নদীত বৰ্ত্তমানে জলসিঞ্চনৰ কিবা আঁচনি আছে নেকি জনাবনে?

(খ) যদি আছে উক্ত আঁচনি বৰ্ত্তমানে কাৰ্য্যক্ষম অৱস্থাত আছে নে ?

(গ) যদি নাই তেন্তে উক্ত আঁচনি উন্নয়নৰ বাবে কি ব্যৱস্থা হাতত লৈছে জনাবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৫৫। (ক) হয়, আছে।

(খ) নাই।

(গ) উক্ত আঁচনি কেইখন কাৰ্য্যক্ষম কৰিবৰ বাবে কাৰিকৰি বিকল্পৰ অধ্যয়ণ কৰা হৈ আছে।

**Re : Gopinath High School**

**Shri Altaf Hussain Mazumdar asked :**

**★456. Will the Minister, Education be pleased to state—**

**(a) When Gopinath High School of Silchar Subdivision was established ?**

**(b) Will the Government upgrade this High School to Higher Secondary School ?**

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৫৬। (ক) বিক্ৰমহৰ গোপীনাথ উচ্চ ইংৰাজী বিদ্যালয় (ভেঙ্গেৰহৰ) ১।১।৫০ চনত স্থাপিত হয়। ১৯।৮।৫৭ স্বিকৃতি দিয়া হৈছিল আৰু ২৩।২।৮০ তাৰিখৰ পৰা প্ৰাদেশিকিকৰণ কৰা হয়।

(খ) গুণগত ভাৱে অন্যান্য বিদ্যালয়ৰ লগতে উচ্চতৰ মাধ্যমিক স্তৰলৈ উন্নিতকৰণৰ সময়ত বিদ্যালয় খনৰ বিষয়টো বিবেচনা কৰা হব।

Re : Judicial Court at Gossaigaon

Shri Amritlal Basumatary asked :

*457. Will the Minister, Judicial be pleased to state—

(a) Whether there is a Judicial Court at Gossaigaon ?

(b) If not, when the Court will be started ?

Shri Surendra Nath Medhi (Minister, Law) replied :

457. (a) No.

(b) The Court will be started as soon as accommodation is available.

বি ঃ ধনশ্ৰী উত্তোলন আঁচনি।

শ্ৰীবলোভদ্ৰ তামুলীয়ে সুধিছে ঃ

*৪৫৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৮০ চনতে আৰম্ভ কৰা গোলাঘাট জলসিঞ্চন সংমণ্ডলৰ মহুৰা মৌজাৰ ধনশ্ৰী উত্তোলন আঁচনি কেনে অৱস্থাত আছে ?

(খ) এই আঁচনিত ১৯৮৬ চনলৈকে কিমান টকা খৰচ কৰা হল ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৫৮। (ক) বৰ্ত্তমান কাম বন্ধ অৱস্থাত আছে।

(খ) ১৯৮৬ চনৰ ফেব্ৰুৰাৰী মাহলৈকে মুঠ ৩৩,৬৬,৬৫৪ টকা খৰছ কৰা হৈছে।

বি ঃ শুকচৰ গড়াখহনীয়া বোধ।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

*৪৫৯। মাননীয় বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

(ক) মানকাচাৰ সমষ্টিৰ অন্তৰ্গত শুকচৰ এলেকাক ব্রহ্মপুত্রৰ গৰাখহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ বান নিয়ন্ত্রণ বিভাগৰ হাতত কিবা পৰিকল্পনা আছেনে ?

(খ) যদি আছে কেনে ধৰণৰ পৰিকল্পনা লোৱা হৈছে ?

(গ) আৰু যদি নাই অহা বাৰিষাৰ আগতে শুকচৰ এলেকাক গড়াখহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ প্রয়োজনীয় ব্যৱস্থা লোৱা হ'বনে ?

শ্রীভৰত চন্দ্র নৰহ (বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

৪৫৯। (ক) বৰ্ত্তমান তেনে কোনো পৰিকল্পনা বাননিয়ন্ত্রণ বিভাগৰ হাতত নাই।

(খ) প্রশ্ন নুঠে।

(গ) উক্ত ঠাইৰ পৰিস্থিতি আৰু বিভাগীয় বিত্তীয় অৱস্থাৰ পৰিপেক্ষিতত প্রয়োজন বোধ কৰিলে বিবেচনা কৰা হ'ব।

বি ঃ শিক্ষকৰ অৱসৰ

শ্রীজয়নাথ শৰ্মাই সুধিছে ঃ

*৪৬০। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

(ক) ৫৮ বছৰ পাৰ হৈ যোৱা অথচ ৬০ বছৰ সম্পূর্ণ নোহোৱাকৈয়ে কিছুমান শিক্ষকক অৱসৰ দিয়া কথাটো সঁচানে ?

(খ) যদি সচা হয়াৰ কাৰণ সমূহ ?

(গ) এনেদৰে অৱসৰ প্ৰাপ্ত শিক্ষক সকলে পেন্সন পাইছেনে আৰু যদি নাই পোৱা কিয় পোৱা নাই ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৬০। (ক) হয়, সঁচা।

(খ) অসম মাধ্যমিক শিক্ষা (প্ৰাদেশীকৰণ) আইন ১৯৭৭ ৰ ৪ (চাৰি) দফাত উল্লেখ কৰামতে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ বাবে অন্যান্য কৰ্মচাৰী সকলে যদি ৫৮ বছৰৰ পৰিবৰ্ত্তে ৬০ বছৰলৈ চাকৰি কৰিবলৈ বিচাৰে তেনেহলে নিৰ্দ্ধাৰিত দিনৰ (১-১০-৭৭) ৰ পৰা ৩ মাহৰ ভিতৰত লিখিতভাৱে ইচ্ছা প্ৰকাশ কৰিব লাগে। যদি কোনো কৰ্মচাৰীয়ে তেনেকুৱা লিখিত ইচ্ছা প্ৰকাশ নকৰাকৈ থাকে তেনেহলে তেওঁ ৫৮ বছৰত অৱসৰ পায়। এই সময় সীমা চৰকাৰে ই, এচ, এচ ১৪৪।৭৭ অংশ ৪।১ তাৰিখ ৩১-১-৭৮ চিঠিৰে ১-৪-৭৮ তাৰিখলৈ বঢ়াই দিয়ে। চৰকাৰ আৰু অসম মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সংঘৰ প্ৰতিনিধিৰ মাজত ৮-৫-৮২ তাৰিখে হোৱা আলোচনা মৰ্মে লিখিত ইচ্ছা প্ৰকাশ নকৰাকৈ ৫৮ বছৰ বয়স অতিক্ৰম কৰা কিন্তু ৬০ বছৰ বয়স পূৰ্ণ নোহোৱাকৈ থকা শিক্ষক সকলক চৰকাৰৰ ই, এচ, এচ ১২৭।৭৮।১৭৬ তাৰিখ ১৯-৫-৮২ ৰ চিঠি যোগে তৎকালিন ভাবে অৱসৰ লবলৈ দিয়া হয়।

(গ) এই শিক্ষক সকলে পেঞ্চন পোৱা নাই কিন্তু বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

বি ঃ সামগ্ৰি ক্ৰয়।

শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই সুধিছে ঃ

*৪৬১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) লক্ষীমপুৰ জিলাত শ্ৰীডম্বৰু ডেকা নামৰ জনৈক জলসিঞ্চন বিভাগৰ অভিযন্তাই তেওঁৰ কাৰ্য্যালয়ত কিমান টকাৰ সামগ্ৰী ক্ৰয় কৰিছিল ?

(খ) আলপিন ক্রয় কৰা দেখুৱাই কেবা হাজাৰ টকা আত্মস্যাত কৰা বুলি শ্ৰীডেকাৰ বিৰুদ্ধে কিবা অভিযোগ উঠিছিল নেকি?

(গ) শ্ৰীডেকাই Electronic Motor Protector ৰ দাম কিমান দেখুৱাইছিল আৰু এই মূল্যতকৈ বহু হাজাৰ টকা বেছি দেখুৱা সচাঁনে ?

(ঘ) শ্ৰীডেকাৰ বিৰুদ্ধে বিভাগীয় কিবা তদন্ত কৰি অভিযোগৰ সত্যা সত্য প্ৰমান কৰিছিল নে?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৬১। (ক)—তেওঁৰ কাৰ্য্যালয়ত মুঠ ৩১,৬৭,৬১১.০০ টকাৰ সামগ্ৰী ক্ৰয় কৰিছিল।

(খ)—এনে কোনো অভিযোগ উৎথাপিত হোৱা নাই।

(গ)—Electronic Motor Protecto. ৰ দাম প্ৰতিটোত ৫,৫০০০.০০ টকা দেখুৱা হৈছিল। এই দাম লক্ষীমপুৰ চক্ৰৰ অধীক্ষক অভিযন্তাই নিবিদা জাননী যোগে নিৰ্দ্ধাৰিত কৰা আৰু এই নিৰিখ বজাৰৰ মূল্যতকৈ বহু হাজাৰ টকা বেছি দেখুৱা বুলি কোনো অভিযোগ পোৱা হোৱা নাই।

(ঘ)—সত্যা সত্য প্ৰমান কৰা হোৱা নাই।

বি ঃ দৈয়াং বনাঞ্চল

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে ঃ

*৪৬২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) দৈয়াং বনাঞ্চল বাসীক মাটিৰ পট্টা দিয়াৰ বিষয়ে চৰকাৰে কি নীতি লৈছে জনাবনে?

(খ) দৈয়াংৰ মাটি জৰীপ কৰাৰ বিষয়েও চৰকাৰে কি ব্যৱস্থা হাতত লৈছে জনাবনে?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৬২। (ক)—দৈয়াং বন বিভাগৰ অধীনত এখন সংৰক্ষিত বনাঞ্চল। ৰাজহ বিভাগে তাত পট্টা দিয়াৰ প্ৰশ্ন নুঠে।

(খ)—ওপৰৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত ৰাজহ বিভাগে জৰীপ কৰাৰ ব্যৱস্থা লোৱাৰ প্ৰশ্ন নুঠে।

বি ঃ মৰাপাট উৎপাদন

শ্ৰীআব্দুল জলিলে সুধিছে ঃ

*৪৬৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত বছৰি কিমান মৰাপাট উৎপাদন হয়?

(খ) অসমৰ কোনখন জিলাত কিমানকৈ বছৰি মৰাপাট উৎপাদন হয়?

(গ) মৰাপাট উৎপাদনৰ হাৰ পঞ্চম পাঁচ বছৰীয়া পৰিকল্পনাতকৈ ষষ্ঠ পাঁচ বছৰীয়া পৰিকল্পনাত কিমান অধিক?

(ঘ) সপ্তম পাঁচ বছৰীয়া পৰিকল্পনাত মৰাপাটৰ উৎপাদনৰ হাৰ কিমান বৃদ্ধি কৰিবলৈ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে আৰু তাৰ বাবে কি কি আঁচনি লোৱা হৈছে?

শ্ৰীনীলমণি দাস (কৃষি মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৬৩। (ক)—অসমত যোৱা দহ বছৰত বছৰি গড়ে প্ৰায় ৮০.২০ লাখ বেল মৰাপাট উৎপাদন হয়। (প্ৰতি বেলৰ ওজন ১৮০ কেজি)

(খ) যোৱা পাঁচ বছৰত অসমৰ প্ৰধান মৰাপাট উৎপাদনকাৰী জিলা কেইখনত মৰাপাট উৎপাদনৰ পৰিমাণ আৰু মুঠ উৎপাদনৰ পৰিমাণৰ তালিকা সদনৰ মেজত দাখিল কৰা হল।

(গ)—পঞ্চম পৰিকল্পনা সময়ছোৱাৰ গড় উৎপাদন প্ৰতি হেক্টৰত ১২৭৬ কেজি আছিল আৰু ষষ্ঠ পৰিকল্পনা সময়ছোৱাত ১৪৭৭.৪০ কেজি আছিল।

ষষ্ঠ পৰিকল্পনা সময়ছোৱাত উৎপাদন বৃদ্ধিৰ হাৰ প্ৰতি হেক্টৰত ২০১.৪০ কেজি আছিল।

(ঘ)—সপ্তম পৰিকল্পনাত মৰাপাটৰ উৎপাদন ষষ্ঠ পৰিকল্পনাৰ প্ৰতি হেক্টৰত ১৪৭৭.৪০ কেজিৰ পৰা বৃদ্ধি কৰি ১৫০০ কেজি কৰিবলৈ আঁচনি হাতত লোৱা হৈছে। এই লক্ষ্যত উপনীত হব পৰাকৈ সপ্তম পৰিকল্পনাত নিম্নোক্ত ব্যৱস্থা সমূহ পৰ্য্যায়ক্ৰমে হাতত লবলৈ স্থিৰ কৰা হৈছে।

১। খেতিয়কৰ বাবে প্ৰতি বছৰত স্থানীয়ভাৱে প্ৰায় ২০০০ কুইণ্টল প্ৰমাণিত মৰাপাটৰ বীজ উৎপাদন আৰু বিতৰণ ব্যৱস্থা।

২। চুণ প্ৰয়োগৰ দ্বাৰা মাটিৰ অম্লতা নিবাৰণ কৰি মৰাপাটৰ উৎপাদন বৃদ্ধি ব্যৱস্থা।

৩। মৰাপাটৰ উৎপাদন বৃদ্ধিৰ উন্নত প্ৰণালী বিলাক জনপ্ৰিয় কৰাৰ উদ্দেশ্যে খেতিয়কৰ পথাৰত প্ৰদৰ্শনমূলক খেতিৰ ব্যৱস্থা।

৪। মজলীয়া বাম মাটিত কেপচুলাৰিজ (দেশী) জাতৰ খেতিৰ পৰিবৰ্ত্তে অলিটৰীয়াছ (টোছা) জাতৰ খেতিৰ প্ৰতি খেতিয়কক আকৃষ্ট কৰাৰ উদ্দেশ্যে অলিটৰীয়াছ জাতৰ মিনিকিট খেতি প্ৰদৰ্শনৰ ব্যৱস্থা।

৫। প্ৰতিকূল বতৰৰ বাবে হব পৰা সাম্ভাব্য উৎপাদন হ্ৰাসৰ পৰা মৰাপাট খেতিৰ উৎপাদন ৰক্ষা কৰাৰ উদ্দেশ্যে গছৰ পাতত ইউৰিয়া সাৰ প্ৰয়োগ কৰি (স্প্ৰে কৰি) উৎপাদন বৃদ্ধি কৰা ব্যৱস্থা।

৬। কীট পটংগ আৰু বেমাৰৰ পৰা শস্য ৰক্ষা কৰিবলৈ কীট নাশক ঔষধ প্ৰয়োগৰ ব্যৱস্থা আৰু খেতিয়কৰ প্ৰশিক্ষণ ব্যৱস্থা।

বি ঃ কুণ্ডিল নদীৰ গড়াখহনীয়া

শ্ৰীমতী জ্যোৎস্না সোনোৱালে সুধিছে ঃ

*৪৬৪। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে---

(ক) শদিয়াৰ কুণ্ডিল নদীৰ গড়াখহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ মহকুমাৰ সদৰ চপাখোৱা টাউনক ১৯৮৩-৮৪ চনৰ বিত্তীয় বছৰত কিবা আঁচনি লৈছিলনে ?

(খ) যদি লৈছিল, বৰ্ত্তমান গড়াখহনীয়া বন্ধ হলনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৬৪। (ক)—নাই লোৱা।

(খ)—প্ৰশ্ন নুঠে।

বি ঃ পুৰণি মঠ মান্দিৰ

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

*৪৬৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) আহোম স্বৰ্গদেউ আৰু কোচৰজা সকলে অসমৰ বিভিন্ন ঠাইত মঠ, মন্দিৰ, দেৱালয়, পুখুৰী আদি নিৰ্ম্মাণ কৰি থৈ যোৱা কথা চৰকাৰে জানে নে ?

(খ) এই পুৰণি গৌৰৱপূৰ্ণ স্মৃতি চিহ্ন সমূহ সংৰক্ষণৰ বাবে চৰকাৰে কি কি ব্যৱস্থা লৈছে ?

(গ) কেন্দ্ৰীয় চৰকাৰৰ অনুমতি নোলোৱাকৈ এই স্মৃতিবোৰ সংৰক্ষণৰ অৰ্থে অসম চৰকাৰে নিজাববীয়াকৈ কিবা ব্যৱস্থা লব পাৰেনে ?

(ঘ)—ৰংঘৰ, কাৰেংঘৰ, আদিৰ চৌহদ ৰক্ষাৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে জনাবনে ?

(ঙ) কাৰেংঘৰৰ সমীপস্থ খাৰ বাৰুদৰ যিটো ঘৰ আছে তাৰ সন্মুখৰ মাটি বেদখল হৈছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৬৫। (ক)—হয়, জানে।

(খ)—ইয়াৰে সৰ্ব্বমুঠ ৩৮ (আঠত্ৰিশ) টা কীৰ্ত্তিচিন কেন্দ্ৰীয় প্ৰত্নতত্ত্ব জৰীপ বিভাগে আৰু ৰাজ্যিক প্ৰত্নতত্ত্ব বিভাগে ৫৯ (উণষাঠী) টা সংৰক্ষণ কৰিছে।

(গ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সংৰক্ষিত কীৰ্ত্তিচিন সমূহৰ বাহিৰে আন বাকী থকা কীৰ্ত্তিচিন সমূহ ৰাজ্যিক চৰকাৰে সংৰক্ষণ কৰাত কোনো বাধা নাই।

(ঘ)—ৰংঘৰ, কাৰেংঘৰ আৰু চৌইদ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সংৰক্ষিত।

(ঙ)—হোৱা নাই।

Re : Higher Secondary School

Shri RAMENDRA DE asked :

*466. Will the Minister Education be pleased to state

(a) The total Number of Higher Secondary Schools in the State of Assam ?

(b) The principle of latimp up the schools as Higher Secondary ?

(c) Is there any propesal of taking over Bhanga public High School and Madhab High School under Karimganj District as Higher Secondaries ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৬৬। (ক)—অসমত মুঠ ৩৫৫ (তিনিশ পাচপন্ন) খন হায়াৰ চেকেন্দাৰী স্কুল আছে।

(খ)—নিম্ন লিখিত নীতি ভিত্তিক হাইস্কুল সমূহ উচ্চতৰ মাধ্যমিকলৈ উন্নত কৰা হয়।

(ক) বহা-মেলা কোঠাৰ সু-ব্যৱস্থা থকা

(খ) উচ্চতৰ শ্ৰেণী খোলাৰ বাবে মাটি আৰু অতিৰিক্ত ঘৰৰ ব্যৱস্থা থকা

(গ) শ্ৰেণী হিচাবে নাম ভৰ্ত্তিৰ ব্যৱস্থা

(ঘ) হাইস্কুল, হাই-মাদ্ৰাচা শেষান্ত পৰীক্ষাৰ ক্ৰমেও তিনি বছৰৰ ফলাফল।

(ঙ) আচ্‌বাব আৰু সা-সজুলিৰ ব্যৱস্থা থকা।

(চ) অন্য এখন উচ্চতৰ মাধ্যমিক বা মহাবিদ্যালয়ৰ পৰা হব লগা দুৰত্ব তথা সেই বিভাগৰ শিকোৱাৰ উপযুক্ত ব্যৱস্থা থকা।

(ছ) উন্নীতকৰণ স্কুলখনৰ আশে পাশে কিমান হাইস্কুল আছে।

(জ) বিদ্যালয়খন জনজাতি, অনুসূচীত জনজাতি নাইবা চৰ অঞ্চলত অৱস্থিত নেকি?

(গ)—এই দুখন স্কুল উন্নীতকৰণৰ কোনো প্ৰস্তাৱ চৰকাৰৰ হাতত নাই। অন্যান্য স্কুল উন্নীতকৰণৰ সময়ত উপযুক্ত অৰ্হতা থাকিলে এই দুখন স্কুলৰ কথাও চৰকাৰে বিবেচনা কৰিব।

## Re : Boiler Examination Board

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে :

*৪৬৭। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) Boiler operation Engineers Examination Board আৰু Boiler Attendent Examination Board ৰ কাম কি?

(খ) এই দুইখন বোৰ্ডৰ চেকৰেটৰি পদত একেৰাহে দুজন বিশেষ কৰ্ম্মচাৰীক ৰখাটো সঁচানে?

(গ) যদি সঁচা, তেন্তে তাৰ কাৰণ কি?

শ্ৰীবাৰ্কি প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪৬৭। (ক)—Boiler operation Engineers Examination Board আৰু Boiler Attendent Examination Board ৰ কাম

হ'ল Boiler operation Engineer আৰু Boiler Attendent বিলাকৰ পাৰদৰ্শিতাৰ পৰীক্ষা লোৱা, প্ৰমাণ পত্ৰ প্ৰদান কৰা আৰু তেওঁ-লোকৰ কৰ্ত্তব্য নিষ্ঠাৰে পালন কৰিছে নে নাই চোৱা আৰু মানসিক, শাৰীৰিক অক্ষমতা ইত্যাদি পৰীক্ষা নিৰীক্ষা কৰি তাৰ যথাযোগ্য ব্যৱস্থা গ্ৰহণ কৰা।

(খ)—হয় এজন বিষয়াহে চেকৰেটৰি পদত আছে।

(গ)—এই বিষয়াজন মুখ্য কাৰ্য্যালয়ত সদায় থাকে তেখেতৰ সেৱা আৱশ্যক অনুসৰি সকলো সময়তে পোৱা যায় হেতুকে তেখেতক এই পদত নিযুক্তি দিয়া হৈছে।

আনহাতে, অন্য বিষয়া সকল প্ৰায়েই ৰাজ্যৰ বিভিন্ন ক্ষেত্ৰত (ফাইল ওৱাৰ্ক) ব্যস্ত থাকিব লাগে আৰু আৱশ্যক অনুসৰি তেওঁলোকৰ সেৱা মুখ্য কাৰ্য্যালয়ত পোৱা নাযায় কাৰণে তেওঁলোকক মনোনীত কৰা হোৱা নাই।

বি ঃ লালুকত ষ্টেডিয়াম

শ্ৰীজগত হাজৰিকাই সুধিছে ঃ

*৪৬৮। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উত্তৰ লক্ষীমপুৰৰ লালুকত এখনি ষ্টেডিয়াম পতাৰ সিদ্ধান্ত আৰু আঁচনি চৰকাৰে হাতত লৈছে নেকি ?

(খ) যদি নাই, তেন্তে অনুগ্ৰহ কৰি আঁচনি হাতত লবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৬৮। (ক)—উত্তৰ লক্ষীমপুৰৰ লালুকত ষ্টেডিয়াম পতাৰ আঁচনি এতিয়াও লোৱা হোৱা নাই।

(খ)—আগতে সদৰ আৰু মহকুমা পৰ্য্যায়ত ষ্টেডিয়াম সজাৰ কাম সম্পূৰ্ণ হলেহে খণ্ড পৰ্য্যায়ত লোৱা হব।

Re : Public Debt

Shri PABIN CHANDRA DEKA asked :

*469. Will the Chief Minister, be pleased to state—

(a) The amount of Public Debt of Assam till December, 1985 granted by the Central Government ?

(b) Will the present Government of Assam take steps to waive the same and treat the bebt as Central Government subsidy in view of the economic backwardness of the State ?

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) replied :

469. (a)—Public Debt of the State Government till December, 1985 against the Central Government is estimated at Rs. 1753.14 crores.

(b) The matter generally comes within the purview of the Finance Commission. The Government will place the whole matter of Public debt before the next Finance Commission when constituted.

বি ঃ শিশুৰ অবসৰ বিনোদন

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*৪৭০। মাননীয় সমাজ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৭৯ চনৰ বিশ্ব শিশুবৰ্ষৰ বছৰত অসম চৰকাৰৰ এক সিদ্ধান্ত অনুসৰি গুৱাহাটী উজান বজাৰত অৱস্থিত বাস ভৱনৰ ওপৰ মহলাটো শিশুসকলৰ অৱসৰ বিনোদন শিবিৰৰ বাবে নিৰ্মাণ কৰিবলৈ লোৱাটো সঁচানে ?

(খ) এতিয়া এই ভৱন ওপৰ মহলাটো সমাজ কল্যাণ বিভাগে শিশু সকলক বঞ্চিত কৰি নিজৰ সঞ্চালকালয় হিচাবে ব্যৱস্থা কৰাটোও সঁচানে ?

(গ) যদি সচা, তেন্তে এই কাৰ্য্য কাৰ অনুমোদনত হৈছে ?

(ঘ) যদি মিছা তেন্তে এই ভৱনৰ ওপৰ মহলাটো বৰ্ত্তমান কি কামত ব্যৱহৃত হৈ আছে ?

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো (মহিলা আৰু সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৭০। (ক)—সঁচা।

(খ)—ওপৰৰ মহলাটো সঞ্চালকালয় হিচাবে ব্যৱহাৰ কৰাটো সঁচা। কিন্তু শিশু সকলক বঞ্চিত কৰি এই কাৰ্য্যালয় স্থানান্তৰিত কৰা হোৱা নাই। যিহেতু বছৰৰ কেইটামান মাহতহে অৱসৰ বিনোদন শিবিৰ অনুষ্ঠিত হয়, শিবিৰ পতাৰ বাবে তলৰ মহলাত মুঠ ছয়টা কোঠালী ৰখা হৈছে। ইতিমধ্যে কেবাটাও অনুষ্ঠানে শিবিৰ পাতি গৈছে আৰু পাতি আছে।

(গ)—চৰকাৰৰ অনুমতি অনুসৰি বালভৱনৰ ওপৰ মহলাটো সঞ্চালকালয় হিচাবে ব্যৱহাৰ কৰা হৈছে।

(ঘ)—প্ৰশ্ন নুঠে।

বি ঃ বিজুলী উৎপাদন

শ্ৰীবলোভদ্ৰ তামুলীয়ে সুধিছে ঃ

*৪৭১। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) জল সম্পদ ব্যৱহাৰ কৰি বিজুলী উৎপাদনৰ আঁচনি অসম বিদ্যুৎ পৰিষদে লৈছে নেকি?

(খ)—বোকাখাত সমষ্টিৰ কাষতে কথা কাৰ্বি আংলং জিলাৰ কাকচাং আৰু ঘিফলুমুখ জলপ্ৰপাত দুটাক জল বিদ্যুৎ উৎপাদন কৰাৰ আঁচনি গ্ৰহণ কৰিবনে?

(গ) অধ্যয়নকাৰী দল পঠাই অনুসন্ধানৰ ব্যৱস্থা কৰিবনে?

শ্ৰীদিগেন চন্দ্ৰ বৰা (শক্তি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৭১। (ক)—হয়, লৈছে।

(খ)— অসম বিদ্যুৎ পৰিষদক অনুসন্ধান কৰিবলৈ নির্দেশ দিয়া হৈছে। অধ্যয়ন বিৱৰণী পৰীক্ষা কৰাৰ পাছতে সিদ্ধান্ত লোৱা হব।

(গ)— ওপৰোক্ত (খ) ও উত্তৰ দিয়া হ'ল।

Re : Gauhati Tea Auction Center

Shri PABIN CHANDRA DEKA asked :

★472. Will the Minister Industries be pleased to state—

(a) Whether the Government has taken efforts to make the Tea-Auction centre of Gauhati an international centre ?

(b) If so, the efforts so taken ?

শ্ৰীদিগেন চন্দ্ৰ বৰা ( উদ্যোগ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৪৭২। (ক)—হয়।

(খ)—তলত দিয়া ব্যৱস্থাৱলী হৈছে/লবলৈ ধৰা হৈছে।

(১) এটা Inland container Depot আমিনগাওঁত প্ৰতিস্থা কৰা হৈছে।

(২) সকলোবোৰ কাৰিকৰী প্ৰযুক্তিকৰণৰ সুবিধাৰে (infrastructural facilities) আমিন গাওঁত এখন চাহ নগৰী গঢ়াৰ বাবে প্ৰাৰম্ভিক কাৰ্য্য হাতত লৈছে।

(৩) ৰাজ্য চৰকাৰে অসমৰ বাহিৰত থকা চাহ বাগিছা আৰু চাহ সমিতি বোৰৰ মুখ্য কাৰ্য্যালয়বোৰ আৰু পঞ্জীয়ভূক্ত কাৰ্য্যালয়বোৰ অসমলৈ স্থানতৰিত কৰিবৰ বাবে নীতিগত ভাৱে প্ৰচেষ্টা চলাইছে।

বি ঃ জিঞ্জিৰাম নদীৰ গৰাখহনীয়া

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

*৪৭৩। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মানকাচাৰ সমষ্টিৰ অন্তৰ্গত ফেৰাঙ্গীৰচৰ মৌজাৰ এটা বিৰাট অঞ্চল

জিঞ্জিৰাম নদীৰ গৰাখহনীয়াৰ ফলত ভাঙ্গি যোৱা আৰু লগতে উক্ত অঞ্চলৰ M.E. স্কুলখন গৰাখহনীয়াৰ বাবে অপসৰণ কৰিবলগীয়া হোৱাৰ উপৰিও তাত থকা প্ৰাথমিক স্কুলখন নৈত পৰি যোৱাৰ উপক্ৰম হোৱা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে তেন্তে সেই অঞ্চলটো যাতে আৰু অধিক ক্ষতিগ্ৰস্ত নহয় তাৰ বাবে বাননিয়ন্ত্ৰণ বিভাগে উক্ত অঞ্চলৰ গৰাখহনীয়া ৰোধৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ কৰিছে নে ?

(গ) যদি কোনো ব্যৱস্থা গ্ৰহণ কৰা হৈছে তেন্তে সেইবোৰ কেতিয়া বাস্তবায়িত কৰা হ'ব ?

(ঘ) আৰু যদি কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই তেন্তে চৰকাৰে সেই অঞ্চলটোক ৰক্ষা কৰিবলৈ অহা বাৰিষাৰ আগতে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব নে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৪৭৩। (ক)—হয়, জানো।

(খ)—পুঁজিৰ নাটনিৰ বাবে এই কাম হাতত লব পৰা হোৱা নাই।

(গ)—প্ৰশ্ন নুঠে।

(ঘ)—প্ৰাক্কালন তৈয়াৰ কৰি বিভাগীয় কাৰ্য্যকৰী কমিটিত দিয়া হ'ব।

বি ঃ ধনশিৰি প্ৰকল্পৰ অভিযন্তা

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*৪৭৪। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰ্ত্তমান ধনশিৰি প্ৰকল্পত কাৰ্য্যবাহী অভিযন্তা হিচাবে আৰু অধীক্ষক অভিযন্তা হিচাবে কাম কৰি থকা বিষয়া সকলৰ কাৰ্য্যকাল কিমান হৈছে ?

(খ) সময়মতে নিৰ্দ্ধাৰিত আঁচনিৰ ভিতৰত ধনশিৰি প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰিবৰ নোৱাৰাৰ কাৰণ কি ?

(গ) যি কেইজন কাৰ্য্যবাহী অভিযন্তা বৰ্ত্তমান তাত আছে তেওঁ লোক বিশেষ কিবা প্ৰকল্প সম্পৰ্কীয় বিশেষজ্ঞ নেকি ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৭৪। (ক)—বৰ্ত্তমান ধনশিৰি প্ৰকল্পত কাৰ্য্যনিৰ্বাহ কৰি থকা কাৰ্য্যবাহী অভিযন্তা আৰু অধীক্ষক অভিযন্তা সকলৰ কাৰ্য্যকাল হ'ল—

১। শ্ৰীৰজত চন্দ্ৰ খাৰঘৰীয়া কাৰ্য্যবাহী অভিযন্তা, ধনশিৰি প্ৰকল্প, নলা ১ সংমণ্ডল (জলসিঞ্চন), ওদালগুৰি। ১৭।৭।৮৩ তাৰিখৰ পৰা ২ বছৰ ৭ মাহ।

২। শ্ৰীমোছলেম উদ্দিন আহমেদ, কাৰ্য্যবাহী অভিযন্তা, ধনশিৰি প্ৰকল্প, নলা ২ সংমণ্ডল (জলসিঞ্চন), ওদালগুৰী। তেওঁৰ কাৰ্য্যকাল ২০।৭।৮৩ তাৰিখৰ পৰা আজিলৈকে (২০।৩।৮৬) ২ বছৰ ৮ মাহ। ইয়াৰ আগতে শ্ৰীআহমেদে ধনশিৰি প্ৰকল্পত ৫।১১।৭৬ তাৰিখৰ পৰা ২০।১২।৮২ তাৰিখলৈ ৬ বছৰ ১ মাহ ১৫ দিন কাৰ্য্যবাহী অভিযন্তা হিচাবে কাম কৰিছিল।

৩। শ্ৰীমুজিবুল হক, কাৰ্য্যবাহী অভিযন্তা, ধনশিৰি প্ৰকল্প ভেতা সংমণ্ডল (Weir division) (জলসিঞ্চন), ভৈৰৱকুণ্ড। ২০।৫।৮৩ চনৰ পৰা কাৰ্য্যকাল ২ বছৰ ৯ মাহ।

৪। শ্ৰীআবু ছৈয়দ আব্দুল্লা, অধীক্ষক অভিযন্তা, মঙ্গলদৈ মণ্ডল (জলসিঞ্চন), ওদালগুৰী। এতিয়ালৈকে ২৯।৮।৮১ তাৰিখৰ পৰা এতিয়ালৈকে কাৰ্য্যকাল ৪ বছৰ ৭ মাহ হৈছে।

(খ)—মূল যোজনা প্ৰতিবেদনত নথকা কিছুমান অতিৰিক্ত কামৰ বাবে আৰু পদবোৰৰ পৰিমান আৰু নিৰিখ বাঢ়ি যোৱাৰ বাবে প্ৰকল্পটো সময়মতে নিৰ্দ্ধাৰিত আঁচনিৰ ভিতৰত কৰিব পৰা হোৱা নাই।

(গ)—নহয়।

বি ঃ মীন মহল

শ্রীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

*৪৭৫। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত মীন বিভাগে আৰু ৰাজহ বিভাগৰ অধীনত কিমানটা মীন মহল আছে। মীন মহলবোৰৰ মুঠ কালি কিমান ?

(খ) মীন মহল বোৰৰ পৰা চৰকাৰৰ বছৰি হোৱা আয়ৰ পৰিমাণ কিমান ? আৰু বাৰ্ষিক আয়ৰ বৃদ্ধিৰ হাৰ কিমান ?

(গ) মীন মহল পট্টন বা বন্দোবস্তি দিয়াৰ বাবে চৰকাৰৰ বন্ধা ধৰা নিয়ম নীতি আছেনে আৰু আছে যদি সেইবোৰ কি কি ?

(ঘ) পূৰ্ব্বৰ কংগ্ৰেছ (ই) চৰকাৰে নিয়ম নীতি লংঘন কৰি পাঁচ, দহ, পোন্ধৰ বছৰলৈ কিছুমান মীন মহল পট্টন দিয়াৰ কথা বৰ্ত্তমান চৰকাৰে জানেনে ?

(ঙ) যদি জানে কোন কোন লোকক এই দৰে কি কি মীন মহল চৰকাৰে কিমান টকাৰ পট্টন দিছে জনাবনে ?

শ্ৰীনীলমনি দাস (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৭৫। (ক)—অসমত মীন বিভাগৰ সঞ্চালকৰ অধীনত ৬টা মীন নিগমৰ অধীনত ২৬টা আৰু ৰাজহ বিভাগৰ অধীনত ৫৩৯টা মীন মহল আছে। মীন মহল বোৰৰ মুঠ কালি ৬০,০০০ হেক্টৰ।

(খ)—মীন মহল বোৰৰ পৰা চৰকাৰৰ বছৰি হোৱা আয়ৰ পৰিমাণ গড়ে ৭৪ লাখ টকা। মহলবোৰ গড়ে তিনি বছৰৰ বাবে বন্দবস্তি দিয়া হয়। বাৰ্ষিক আয়ৰ বৃদ্ধিৰ হাৰ জনা নাযায়।

(গ)— আছে। ৬ বিধিৰ Assam Land & RevenueRegulation ৰ

১৫৫ আৰু ১৫৬ বিধি অনুসৰি প্ৰনয়ণ কৰা মীন আইনৰ Section ১ মীন মহল বন্দোবস্তি আইন অনুসৰি মীন মহল বন্দোবস্তি দিয়া হয়।

(ঘ)—সাধাৰণতে তিনি বছৰৰ অধিক কালৰ বাবে মীন মহল পুনৰ সংস্কাৰ আৰু উন্নতি কৰাৰ অৰ্থে বিশেষ আঁচনি তৈয়াৰ কৰি তিনি বছৰবো অধিক কালৰ বাবে পট্টন দিয়া হয়।

(ঙ)—এখন প্ৰতিলিপি সদনৰ মেজত ৰখা হ'ল।

Re : Memorandum of Dhubri Bar Association

Shri Amrit Lal Basumatary asked :

*476. Will the Chief Minister be pleased to state—

(a) If the Dhubri Bar Association has submitted a memorandum to the Chief Minister on behalf of the people of Dhubri ?

(b) If the memorandum contained the demand of fulfilment of a number of grievances for all round development of Dhubri ?

(c) If so, what steps Government propose to take up the matters of the memorandum ?

Shri Profulla Kumar Mahanta ( Chief Minister ) replied:

৪৭৬। (ক)—হয়।

(খ)—হয়, আছে।

(গ)—সংশ্লিষ্ট বিভাগ সমূহক বিহিত ব্যৱস্থা লবৰ বাবে নিৰ্দ্দেশ দিয়া হৈছে।

বি ঃ বদৰপুৰ এ, এচ, টি, চি, কাৰ্য্যালয়

শ্ৰীরামেন্দ্র দে জিজ্ঞাসা করছেন ঃ

* ৪৭৭। মাননীয় পরিবহন বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবনে কি—

(ক) এ, এচ, টি, চি, বদরপুর কার্য্যালয়ে বাস এবং যাত্রীরা ঢুকতে পারে না এ কথা সরকার জানেন ?

(খ) যদি জানেন তবে যাত্রীদের সুবিধার জন্য সরকার কি ব্যবস্থা নেবেন ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৭৭। (ক)—বাছ ওলোৱা সোমোৱা কৰাত অলপ অসুবিধা থাকিলেও যাত্ৰী সোমাব নোৱাৰা কথা নাই।

(খ) যাত্ৰীৰ সুবিধাৰ বাবে চৰকাৰে সম্ভাব্য সকলো ব্যৱস্থা লব।

বি ঃ বয়লাৰ পৰীক্ষাগাৰ

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

৪৭৮। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বয়লাৰ সমূহৰ বিভিন্ন পৰীক্ষা নিৰীক্ষা (টেষ্ট) আদিৰ বাবে অসমত বয়লাৰ বিভাগত পৰীক্ষাগাৰ আছে নে ?

(খ) যদি নাই, তেন্তে কিয় আৰু যদি আছে তেন্তে বয়লাৰৰ টেষ্ট এই পৰীক্ষাগাৰত কৰা হয়নে ?

(গ) যদি হয় তেন্তে এনে টেষ্টৰ পৰা মুঠতে কিমান টকা বছৰি আয় হৈছে ?

(ঘ) যদি হয়, তেন্তে কিমানটা বয়লাৰ টেষ্ট ১৯৭০ চনৰ পৰা অসমৰ বাহিৰত কৰোৱা হৈছে আৰু তাৰ বাবে কিমান টকা অসমে হেৰুৱাইছে তাৰ এটা পৰিসংখ্যা (আনুমানিক) জনাবনে ?

(ঙ) ১৯৭০ চনৰ পৰা কিমানটা লেবৰেটৰী টেষ্ট অসমৰ বাহিৰত হৈছে জনাবনে ?

শ্ৰীবাৰ্কি প্ৰসাদ তেলেঙ্গা (শ্ৰম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৭৮। (ক)—বয়লাৰ সমূহৰ বিভিন্ন পৰীক্ষা নিৰীক্ষা আদিৰ বাবে উপযুক্ত পৰীক্ষাগাৰ অসমৰ বয়লাৰ বিভাগত নাই। কিন্তু বিভাগীয় এটি সৰু পৰীক্ষাগাৰ আছে। ইয়াত মাঠোন পৰিদৰ্শক বিলাকে বয়লাৰ পৰীক্ষা কৰা যন্ত্ৰ পাতি যেনে ঃ—প্ৰেছাৰ গজ, হাইড্ৰোলিক পাম্প, ইত্যাদিৰ শুদ্ধতা আৰু কাৰ্য্যকাৰিতাৰ নিৰ্ণয় সম্পৰ্কে পৰীক্ষা কৰে। কোনো বিশেষ ক্ষেত্ৰত ট্ৰেন্সমিটাৰৰ জৰিয়তে বয়লাৰ পৰিদৰ্শকৰ নিজৰ সন্তুষ্টিৰ বাবে অতি ক্ষুদ্ৰ টেষ্ট চেমপলৰ টেনচিলি ষ্টেৰেঙঠ নিৰ্ণয় কৰিব পাৰে।

(খ)—ধনৰ নাটনিৰ বাবেই অসমত এতিয়ালৈ উপযুক্ত পৰীক্ষাগাৰ পাতিব পৰা হোৱা নাই।

(গ)—প্ৰশ্ন নুঠে।

(ঘ)—১৯৭০ চনৰ পৰা অসমৰ বাহিৰত ৬৪ (চৌষষ্টি) টা টেষ্ট কৰা হৈছে।

যিহেতু বয়লাৰ বিলাকৰ গৰাকী সকলে নিজাববীয়াকৈ টেষ্ট কৰাৰ বাবদ যাৱতীয় মাচুল সংশ্লিষ্ট কৰ্ত্তৃপক্ষক আদায় দিয়ে সেয়ে ইয়াৰ পৰিসংখ্যা জনা নাযায়।

(ঙ)—১৯৭০ চনৰ পৰা এতিয়ালৈ মুঠতে ৩০৭ টা লেবৰেটৰী টেষ্ট হৈছে।

বি ঃ পুল পৰিবহন

শ্রীজগত হাজৰিকাই সুধিছে ঃ

*৪৭৯। মাননীয় পৰিবহন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

(ক) পুল পৰিবহন বিভাগত কিমান খন গাড়ী আছে?

(খ) এই গাড়ীবোৰ চলি থকা অৱস্থাত আছেনে?

শ্রীললিত চন্দ্র ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

৪৭৯। (ক)—৪৯ খন।

(খ)—৩৬ খন চলি থকা অৱস্থাত আছে।

বিঃ চি, আৰ, পি

শ্রীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

*৪৮০। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

(ক) ১৯৮০ চনৰ পৰা ১৯৮৫ চনৰ ৩১ ডিচেম্বৰলৈ অসমত কিমান চি, আৰ, পি ৰখা হৈছিল, তাৰ এটা বাৰ্ষিক হিচাপ দিবনে?

(খ) বৰ্ত্তমানে কিমান চি, আৰ, পি, কত কত ৰখা হৈছে?

(গ) চি, আৰ, পিৰ বাবদ ৰাজ্যৰ ৰাজকোষৰ পৰা ১৯৮০ চনৰ পৰা ১৯৮৫ চনলৈ (ডিচেম্বৰ) কিমান টকা খৰচ হৈছে? (প্রতি বছৰৰ হিচাব দিব)

শ্রীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

৪৮০। (ক) ১৯৭৯-৮০—চি, আৰ, পি—৪৪ কোঃ

| | | |
|---|---|---|
| ১৯৮০-৮১— | চি, আৰ, পি | ৭৫ কোঃ |
| ১৯৮১-৮২ | ,, | ৮৫ ,, |
| ১৯৮২-৮৩ | ,, | ১৮৩ ,, |
| ১৯৮৩ ৮৪— | ,, | ১৪৩ ,, |
| ১৯৮৪-৮৫— | ,, | ১২৭ ,, |

( ১৯৮৫ চনৰ ৩১ ডিচেম্বৰলৈ )

(খ)—বৰ্ত্তমানে অসমৰ মুঠ ১২টা কোম্পানী চি, আৰ, পি, তলত দিয়া ঠাইত নিয়োগ কৰা হৈছে—

| | |
|---|---|
| গুৱাহাটী ( চিটি) | ৩ কোম্পানী |
| বৰপেটা | ১ ,, |
| কোকৰাঝাৰ | ১ ,, |
| শোণিতপুৰ | ১ ,, |
| নগাওঁ | ১ ,, |
| কাৰবি আংলং | ১ ,, |
| কাছাৰ | ২ ,, |
| অসম নগালেণ্ড | ২ ,, |
| সীমান্তত মুঠ— | ১২ ,, |

(গ)—১৯৮০ চনৰ পৰা ১৯৮৫ চনলৈ ( ডিচেম্বৰ) মুঠ ১৭,৪৭,৪৩,৩৪০.৭৪ পইচা চি, আৰ, পি, আৰু অন্যান্য অৰ্দ্ধসামৰিক বাহিনীৰ লোকৰ বাবে প্ৰত্যক্ষ খৰচ হৈছে। প্ৰতি বছৰৰ খৰচৰ হিচাব তলত দিয়া হল।

| | | |
|---|---|---|
| ১৯৮০-৮১ | টকা | ২,৩৫,৭৩,০২৭.১৪ |
| ১৯৮১ ৮২ | টকা | ২,০০,৩১,৬২২ ৭০ |
| ১৯৮২ ৮৩ | টকা | ৯৭,৬৯,৫০৭.৬৪ |
| ১৯৮৩·৮৪ | টকা | ৫,৬৬,৭০,৩৩৮.৭২ |
| ১৯৮৪·৮৫ | টকা | ৪,০৬,৯৮,৮৪৪ ৫৪ |
| ১৯৮৫-৮৬ | টকা | ২,৪০,০০,০০০.০০ |
| | মুঠ টকা | ১৭,৪৭,৪৩,৩৪০.৭৪ |

( ১৯৮৫ চনৰ ৩১ ডিচেম্বৰলৈ )

বি ঃ মানকাছাৰলৈ বাচ

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

*৪৮১। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গুৱাহাটীৰ পৰা মানকাছাৰলৈ যোৱা অহা কৰা পৰিবহন নিগমৰ ভঙা বাছ দুখনৰ পৰিবৰ্ত্তে নতুন বাছ দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৮১। (ক)—১৯৮৪ চনত অসম ৰাজ্যিক পৰিবহন নিগমে পুৰণি বাছ সলনি কৰি দুখন নতুন বাছ দিয়ে।

বি ঃ ডঃ সূৰ্য্যকুমাৰ ভূঞাৰ গ্ৰন্থ

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*৪৮২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ডঃ সূৰ্য্য কুমাৰ ভূঞাৰ দুখন ইংৰাজী গ্ৰন্থ বৰ্ত্তমানৰ সঞ্চালক বি, বি, হাজৰিকাৰ নামত ছপা হৈছে বুলি যি অভিযোগ উঠিছে সেই অভিযোগ সচাঁনে?

(খ) দিল্লীৰ এটা প্ৰকাশক কোম্পানীয়ে এই বিভাগৰ ইংৰাজী গ্ৰন্থ দুখন চোৰাংকৈ প্ৰকাশ কৰা কথা সঁচানে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৮২ (ক)—সঁচা নহয়।

(খ)—এখন গ্ৰন্থ চোৰাংকৈ প্ৰকাশ কৰা কথা সঁচা। আনখনৰ কথা এই বিভাগে নাজানে।

## Re : Assets and liabilities of Ministers

Shri AMRITLAL BASUMATARY asked :

*433 Will the Chief Minister be pleased to state—

(a) Whether the members of the Councils of Ministers of Assam have been directed to submit the return of assets to the Chief Minister ?

(b) If so, how many Ministers have submitted their returns ?

(c) If not, whether the Chief Minister will direct his council of Ministers to do so, to keepup the value based high public life ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৮৩। (ক)—নাই দিয়া।

(খ)—ওপৰৰ উত্তৰেই যথেষ্ট।

(গ)—বিষয়টো বৰ্ত্তমানে বিবেচনাধীন হৈ আছে।

## বি ঃ উদ্যোগত বয়লাৰ

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

*৪৮৪। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত চলি থকা কিমানটা উদ্যোগত কিমানটা বয়লাৰ ব্যৱহৃত হৈ আছে ?

(খ) বয়লাৰ সম্পৰ্কীয় বিতৰ্কিত বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰিবলৈ চিফ ইনচপেক্টৰ এ মিটিং কৰিবলগীয়া হয়নেকি ?

(গ) যদি হয়, তেন্তে এনে সভাসমূহ অসমত অনুষ্ঠিত কৰা হয়নে আৰু যদি হয়, তেন্তে ১৯৮০ চনৰ পৰা ১৯৮৬ চনলৈ মুঠতে কিমানখন মিটিং অসমত অনুষ্ঠিত হৈছে জনাবনে ?

(ঘ) এনে মিটিং অসমৰ বাহিৰতো অনুষ্ঠিত কৰা হৈছে নেকি ?

(ঙ) যদি হৈছে, তেন্তে কিয় ?

(চ) অসমৰ বাহিৰত অনুষ্ঠিত কিমানখন সভাত চিফ ইনচপেক্টৰ অফ বয়লাৰ এ অংশ গ্ৰহণ কৰিছে ?

শ্ৰীবাৰ্কি প্ৰসাদ টেলেঙ্গী (শ্ৰম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৮৪। (ক)—অসমত ১৯৮ টা উদ্যোগত ৫১৫ টা বয়লাৰ ব্যৱহৃত হৈ আছে।

(খ)—হয়।

(গ)—হয়।

১৯৮০ চনৰ পৰা ১৯৮৬ চনৰ আজিলৈকে অসমত পতা এনে মিটিংৰ সংখ্যা মুঠতে ৩১ খন।

(ঘ)—হয়।

(ঙ)—সাধাৰণতে এই মিটিংবোৰ উদ্যোগ বিলাকৰ আমন্ত্ৰণক্ৰমে পতা হয়। অসমত থকা আৰু আন ৰাজ্যত থকা বহুবিলাক ডাঙৰ উদ্যোগৰ প্ৰধান কাৰ্য্যালয় ৰাজ্যৰ বাহিৰত থকাৰ কাৰণে আৰু এই মিটিংবোৰত জৰিত থকা সদস্যবিলাক ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা কাৰণে আৰু কেতিয়াবা ভাৰতৰ বাহিৰৰ বিভিন্ন দেশৰ অনুষ্ঠানৰ সদস্য আহিব লাগে কাৰণে এনে মিটিং অসমৰ বাহিৰত পাতিব লগা হয়।

(চ)—১৯৮০-৮৬ চনৰ কালছোৱাত অসমৰ বাহিৰত অনুষ্ঠিত হোৱা এনেকুৱা ২১ খন সভাত চিফ ইনচপেক্টৰ অফ বয়লাৰ এ অংশ গ্ৰহণ কৰিছে।

## Re : Administrative Tribunal

Shri ABDUL JALIL asked :

*485. Will the Chief Minister, be pleased to state—

(a) The members of the Assam Administrative Tribunal ?

(b) Where is its office-cum-Court ?

(c) How many appeal cases are pending in the Tribunal and since when ?

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) replied :

585. (a)—1. Shri P. P. Trivedi, IAS Chairman.

2. Shri D. G. Sharma, Member (Law).

3. Shri K. D. Lahkar, Part-time Member (Technical).

(b) The office-cum-Court of the Assam Administrative Tribunal is situated at Panbazar, Guwahati.

(c) Total number of cases pending as on 22nd March 1986 is 25. out of which 8 cases are of 1985 and 17 of 1986.

## Re : Unification of R. D. & P. & C. D. Department

Shri DEBESWAR BORA asked :

*486. Will the Minister, Rural Development be pleased to state—

(a) Has the present Government taken any policy to unite the Rural Development, Panchayat and Community Development Department ?

(b) If so, when will it be implemented ?

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) replied :
486. (a) & (b) The proposal for the merger of the Rural Development Department and Panchayat and Community Development Department is under consideration of the Government.

বি ঃ কলিয়া ভোমোৰা দলং

শ্ৰীআব্দুল জলিলে সুধিছে ঃ

*৪৮৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মিয়মান কলিয়াভোমোৰা দলঙৰ কাম কিমান আগবাঢ়িছে ?

(খ) এই দলংখন নিৰ্মাণৰ বাবে মুঠ কিমান টকাৰ আঁচনি গ্ৰহণ কৰা হৈছে ?

(গ) এতিয়ালৈ এই দলঙখন নিৰ্মাণত কিমান টকা খৰছ হৈছে ?

(ঘ) এই দলংখনৰ নিৰ্মাণ কাৰ্য্য কোনে কৰিছে আৰু মুঠ কিমানজন বিষয়া কৰ্ম্মচাৰী আৰু বনুৱাই কাম কৰি আছে ?

(ঙ) এই দলংখন কেতিয়া সম্পূৰ্ণ হব ?

(চ) এই দলংৰ সংলগ্ন পথ চোৰাৰ নিৰ্মাণ কাৰ্য্য কোনে কৰিছে ? কেন্দ্ৰীয় চৰকাৰে নে ৰাজ্য চৰকাৰে ?

(ছ) এই সংলগ্ন পথটোক ৰাষ্ট্ৰীয় ঘাই পথলৈ উন্নীত কৰা হব নেকি ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৮৭। (ক)—উক্ত কামৰ বৰ্ত্তমানলৈকে প্ৰায় (প্লাইচিকেল প্ৰগেছ) হৈছে। ৯২% (বিৰানব্বৈ শতাংশ) কায়িক প্ৰগতি

(খ)—৮৬.১৩ কোটি টকাৰ আঁচনি গ্ৰহণ কৰা হৈছে।

(গ)—এতিয়ালৈ মুঠ ৭৯.১০ কোটি টকা খৰচ কৰা হৈছে।

(ঘ)—মূল দলঙৰ নিৰ্মাণ কাৰ্য্য বোম্বাইৰ হিন্দুস্তান কন্‌ষ্ট্ৰাক্সন কোম্পানী লিমিটেডে আৰু নিয়ন্ত্ৰক বান্ধ (গাইড বান্ধ)ৰ লগতে দলঙৰ দক্ষিণ মূৰৰ সংলগ্ন পথ চোৰাৰ নিৰ্ম্মাণ কাৰ্য্য কৰিছে নতুন দিল্লীৰ মেচাৰ্চ জয়প্ৰকাশ এচোচিয়েটড্ প্ৰাইভেট লিমিটেডএ।

উত্তৰ পূব সীমান্ত ৰেলৱেৰ তৰফৰ পৰা কাৰ্য্যক্ষেত্ৰ তদাৰক কৰণত নিয়োজিত হৈছে।

| | | |
|---|---|---|
| ১। | মুঠ বিষয়া | —১৩ জন। |
| ২। | মুঠ ৩য় শ্ৰেণীৰ কৰ্মচাৰী | —৮১ জন। |
| ৩। | মুঠ বনুৱা | —৩৮০ জন। |

আৰু ঠিকাদাৰৰ তৰফৰ পৰা কাৰ্য্যক্ষেত্ৰত নিয়োজিত কৰিছে—

| | | |
|---|---|---|
| ১। | মুঠ বিষয়া | —৪০ জন। |
| ২। | মুঠ কৰ্মচাৰী | —১৩৭ জন। |
| ৩। | বনুৱা | —১৩৩৯ জন। |

(ঙ)—এই দলং খনৰ নিৰ্মাণ কাৰ্য্য ১৯৮৭ চনৰ জুলাই মাহৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে।

(চ)—কেন্দ্ৰই উত্তৰ-পূব পৰিষদৰ জৰীয়তে দিয়া মঞ্জুৰী ধনৰ অৱলম্বনত ৰাজ্যিক চৰকাৰৰ অধীনস্থ গড়কাপ্তানী বিভাগে নিযুক্তক হিচাবে উক্ত সংলগ্ন পথচোৰাৰ নিৰ্মাণ কাৰ্য্য কৰি আছে।

(ছ)—মূল দলঙ আৰু সংলগ্ন পথটোক ৰাষ্ট্ৰীয় ঘাই পথৰূপে ঘোষণা কৰিবলৈ কেন্দ্ৰীয় স্বৰাষ্ট্ৰ দপ্তৰৰ পৰা কেন্দ্ৰীয় যোগাযোগ দপ্তৰলৈ অনুৰোধ প্ৰেৰণ কৰা হৈছে বুলি জানিব পৰা গৈছে।

Re : Fisheries of Ex-Minister

Shri Ardhendu Kumar Dey asked :

*488. Will the Minister, Fisheries be pleased to state—

(a) Whether Sri S. R. Sarkar, Ex-Minister, Assam, has two Fisheries in Teli Besti under Hojai Mouza ?

(b) If so, from where the fund for creation of such fisheries he obtained ?

(c) Whether roads and electric connections have been extended upto his fisheries ?

(d) The total expenditure the Government had to bear for such road and electric connection ?

Sri NILOMONI DAS (Minister, Fisheries etc ) replied :

488. (a) Yes.

(b) No knowledge on the matter.

(c) Does not arise.

(d) Does not arise.

বি ঃ বয়লাৰৰ মূখ্য পৰিদৰ্শক

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

* ৪৮৯ । মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বয়লাৰৰ মূখ্য পৰিদৰ্শকৰ কাম কি ?

(খ) বৰ্ত্তমানৰ মূখ্য পৰিদৰ্শক জনৰ কাৰ্য্যকাল কিমান দিন হৈছে আৰু কাৰ্য্যকালত এই বিভাগে Inspection fees কিমান সংগ্ৰহ কৰিব পাৰিছে ?

(গ) মূখ্য পৰিদৰ্শকে মুঠতে ১৯৭৫ চনৰ পৰা কিমান টকা ভ্ৰমণ বানচ লৈছে জনাবনে ?

(ঘ) ১৯৭০ চনৰ পৰা এই মূখ্য পৰিচালকজন মুঠতে কেইবাৰ কলিকতা আৰু দিল্লীলৈ গৈছে জনাবনে ?

শ্ৰীবাকি প্ৰসাদ টেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৮৯। (ক)—তেওঁ ভাৰতীয় বয়লাৰ আইন ১৯২৩ ৰ ধাৰাসমূহ বলবৎ কৰাটো মূখ্য কৰ্ত্তব্য। পৰিদৰ্শক সকলৰ কাৰ্য্যৰ তদাৰকী কৰা, নিয়ন্ত্ৰণ কৰা ইত্যাদি।

(খ)—মূখ্য বয়লাৰ পৰিদৰ্শক হিচাবে তেখেতৰ কাৰ্য্যকাল ১৬ বছৰ ৩ মাহ ২২ দিন (২৫-৩ ৮৬ ইং) লৈ হৈছে।

তেখেতৰ এই কালচোৱাত এই বিভাগে মুঠ ১৬,৭৩,২৮১'৪৮ টকা (ষোল্ল কোটি তেশত্তৰ হাজাৰ দুশ একাশী টকা আঠচল্লিশ পইচা) সংগ্ৰহ কৰিছে।

(গ)—১৯৭৫ চনৰ পৰা বৰ্ত্তমানলৈকে মূখ্য বয়লাৰ পৰিদৰ্শক জনক ১,০৮,৮০৫.৩৫ টকা (এক লাখ আঠ হাজাৰ আঠশ পাঁচ টকা পয়ত্ৰিশ পইচা) ভ্ৰমণ বানচ দিয়া হৈছে।

(ঘ)—১৯৭০ চনৰ পৰা মূখ্য পৰিদৰ্শক মুঠতে ২২ (বাইশ) বাৰ দিল্লীলৈ গৈছে।

বি ঃ বঙ্গাল মৰাত চুপাৰ মাৰ্কেট

শ্ৰীজগত হাজৰিকাই সুধিছে ঃ

*৪৯০ মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

উত্তৰ লক্ষীমপুৰ মহকুমাৰ বঙ্গাল মৰাত নিৰ্ম্মাণ কৰিব খোজা "চুপাৰ মাৰ্কেট" খনি বৰ্ত্তমান কি পৰ্য্যায়ত আছে জনাবনে ?

শ্ৰীচন্দ্ৰ আবান্ধৰা (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৯০ । বঙ্গাল মৰাত "চুপাৰ মাৰ্কেট নিৰ্ম্মাণ কৰাৰ কোনো প্ৰস্তাৱ চৰকাৰে পোৱা নাই।

বি ঃ বিধবা পেঞ্চন

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

*৪৯১—মাননীয় মূখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত বৃদ্ধ পেঞ্চন আঁচনিত কিমান গৰাকী বিধবা বৃদ্ধা মহিলাক পেঞ্চন ১৯৮৫ চনৰ ৩১ ডিচেম্বৰলৈ দিয়া হৈছে ?

(খ) দৰং, কামৰূপ, নগাওঁ, শিৱসাগৰ লক্ষীমপুৰ, শোণিতপুৰ, আৰু কাৰ্বি, আংলং জিলাত বৃদ্ধা পেঞ্চনৰ বাবে কিমান সংখ্যক আবেদন ১৯৮৩ চনৰ পৰা ২০-২ ৮৫ লৈ পোৱা গৈছে ? ( জিলা ভিত্তিত সবিশেষ জনাবনে ? )

(গ) এই আবেদন সমূহৰ ভিতৰত কিমান সংখ্যক আবেদনকাৰীক বৃদ্ধা পেঞ্চন দিবলৈ বাকী আছে ?

(ঘ) সকলো বৃদ্ধলোকক বিশেষকৈ কৃষক বৃদ্ধ সকলক এই পেঞ্চন নিদিয়াৰ কাৰণ কি ?

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো ( মহিলা আৰু সমাজ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৪৯১ । (ক) ১৯৮৫ চনৰ ৩১ ডিচেম্বৰলৈকে ১৫,০০৬ গৰাকী বিধবাক বৃদ্ধা পেঞ্চন দিয়া হৈছে।

(খ) ১৯৮৩ চনৰ পৰা ২০-২-৮৫ তাৰিখলৈ এই জিলা কেইখনৰ পৰা পোৱা তথ্যমতে বৃদ্ধ পেঞ্চনৰ বাবে ৪০,২৩৬ খন আবেদন পোৱা গৈছে। জিলা ভিত্তিত তালিকা এখন সদনৰ মেজত ৰখা' হল।

(গ) ২৫,৬৮৬ জনক দিবলৈ বাকী আছে।

(ঘ) সকলো কৃষক বৃদ্ধ লোকক এই পেঞ্চন নিদিয়াৰ কাৰণ (ক) পেঞ্চন অনুযায়ী কেৱল মাত্ৰ দুখীয়া বৃদ্ধা লোকেহে এই পেঞ্চন পাব পাৰে। দুখীয়া নহলে এই পেঞ্চন নাপায়। ইয়াৰ কাৰণে মাহিলি আয়ৰ সীমা ধাৰ্য্য কৰা আছে। (খ) তাৰোপৰি নিয়মাৱলীত কিছুমান ব্যৱস্থা (condition) আছে। এই ব্যৱস্থাবোৰ সম্পূৰ্ণ (fulfil) নকৰিলে পেঞ্চন মঞ্জুৰ নহয়। এইবোৰ ব্যৱস্থা সম্পূৰ্ণ কৰিলে কৃষক সকলেও বৃদ্ধ পেঞ্চন পায় আৰু পাইছে।

বি ঃ ৰাজা ৰামমোহন ফাউণ্ডেচন

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

*৪৯২—মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰাজা ৰামমোহন ফাউণ্ডেচনক এই বিভাগৰ কিবা অনুদান দিছিল নেকি ?

(খ) যদি দিছিল তেন্তে এই টকাৰ পৰিমান কিমান আৰু এই অনুদান কত খৰছ কৰা হ'ল ?

(গ) এই ক্ষেত্ৰত হিচাপ পৰীক্ষকৰ প্ৰতিবেদন সদনক জানিব দিবনে ?

(ঘ) বহুৰঙৰ শঙ্খচূৰ বধ নামৰ সাচিপতিয়া গ্ৰন্থখন ছপাবলৈ কেন্দ্ৰীয় চৰকাৰে কিবা অনুদান দিছিল নেকি ?

(ঙ) এই সম্পৰ্কত ১৯৭৫ চনৰ ১৬ ডিচেম্বৰত বহা উপদেষ্টা সমিতিয়ে কিবা ব্যৱস্থা লৈছিল নেকি ?

(চ) উক্ত কিতাপখন প্ৰকাশ হৈছেনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৯২। (ক) হয়।

(খ) অসম গ্ৰন্থাগাৰ সেৱাৰ জৰিয়তে কলিকতাৰ ৰাজা ৰামমোহন ৰায় লাইব্ৰেৰী ফাউণ্ডেচনলৈ এই বিভাগৰ পৰা ১৯৮৪-৮৫ চনলৈ মুঠ ৩.০০ লাখ

( তিনি লাখ ) টকাৰ অনুদান দিয়া হয়। ১৯৮৫-৮৬ চনতো ৫০,০০০ (পঞ্চাশ হেজাৰ) টকাৰ এটি অনুদানলৈ চৰকাৰে মঞ্জুৰী দিছে।

ৰাজা ৰামমোহন ৰায় লাইব্ৰেৰী ফাউণ্ডেচন অসমৰ গ্ৰন্থাগাৰ সেৱা সম্প্ৰসাৰণৰ কাৰণে ১৯৮৪-৮৫ চনলৈকে মুঠ ৬৫১ ( ছয় লাখ একাৱন্ন হাজাৰ ) টকা অনুদান দিয়ে। ঠিক তেনেকৈ ১৯৮৫-৮৬ চনৰ বাবেও অনুদান দিব। এই অনুদান কিতাপ কিনা আৰু পুৰণি কিতাপ বন্ধোৱা আদি কামত খৰছ কৰা হয়।

(গ) যিহেতু কিতাপৰ সাৰণি-পত্ৰ সমূহ ( Bill ) ৰাজা ৰামমোহন ৰায় লাইব্ৰেৰী ফাউণ্ডেচনে কিতাপৰ লিখক আৰু প্ৰকাশক সকলক আৰু কিতাপ বন্ধোৱা প্ৰতিষ্ঠান সমূহক পোনপতীয়া ভাবে চেক্ যোগে পৰিশোধ কৰে, সেই কাৰণে কলিকতাৰ অফিচতহে হিচাপ পৰীক্ষকে সকলো হিচাপ পৰীক্ষা কৰে। আমাৰ ইয়াত কেৱল কিতাপৰ জমা পঞ্জীয়ন (Stock Register) আৰু বিতৰণ পঞ্জীয়ন ( Distribution Register ) আদিহে সংৰক্ষণ কৰা হয়। মহা গাননিক অফিচৰ হিচাপ পৰীক্ষকে কিতাপৰ এই জমা পঞ্জীয়ন আৰু বিতৰণ পঞ্জীয়ন বিভিন্ন পুথিভঁৰালৰ গ্ৰন্থাগাৰিকে পোৱা কিতাপৰ তালিকা সহ পৰীক্ষা কৰে।

(ঘ) নাই দিয়া। কিতাপখন ছপা হৈ ওলালেহে কেন্দ্ৰীয় চৰকাৰে ৯,০০০ ( ন হেজাৰ ) টকা মাত্ৰ দিয়া কথা আছিল।

(ঙ) ১৯৭৫ চনৰ ১৬ ডিচেম্বৰত বহা উপদেষ্টা সমিতিয়ে প্ৰকাশন পৰিষদৰ লগত আলোচনাৰ যোগেৰে এই গ্ৰন্থখন বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগেই প্ৰকাশ কৰিব লাগে বুলি প্ৰস্তাৱ লয়।

(চ) নাই হোৱা। আগলৈ প্ৰকাশ কৰা হব।

## বি ঃ ধনশিৰি প্ৰকল্পৰ মাটি

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*৪৯৮—মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৱা ইং ১৯৮৩, ১৯৮৪ আৰু ১৯৮৫ চনত ধনশিৰি প্ৰকল্প

ট্ৰাকেৰে মাটি কঢ়িয়াই নিয়া ( Carriage of earth by Truck ) কামৰ বাবদ মুঠতে কিমান টকা খৰচ কৰিছে ? (বছৰৰ ভিত্তিত তাৰ হিচাব দিব)

(খ) এই খৰচ কি শিতানৰ পৰা ব্যয় কৰা হৈছে ?

(গ) দোঙ খান্দি মাটি দোঙৰ পাৰত ৰাখি সেই মাটিকে আকৌ অন্য ঠাইলৈ নিয়লৈ দেখুৱা খৰচৰ কথা সঁচানে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪৯৩। (ক) খৰচবোৰ এনে ধৰণৰ :—

১৯৮৩ চনত নাই
১৯৮৪ চনত নাই

১৯৮৫ চনত ৬০,১২,৩০৮.০০ টকা

(খ) এই খৰচ 533 Capital outlay on IND & FC Project বনশিৰি জলসিঞ্চন প্ৰকল্প R-Communication ৰ পৰা খৰছ কৰা হৈছে।

(গ) দোং খন্দা। পৰা ওলোৱা অতিৰিক্ত মাটি ট্ৰাকেৰে বেলেগ ঠাইলৈ কঢ়িয়াটো হয়।

Re: Cultivable Land of Hojai

Shri Ardhendu Dey, asked :

*494 Will the Minister, Irrigation be pleased to state :

(a) Whether the Government is aware that all the cultivating lands in the Lumding and Hojai constituencies depend on irrigation for agricultural products ?

(b) If so, whether Government has any plan to open a sub-division for irrigation in the above two constituencies ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৯৪। (ক) লামডিং আৰু হোজাই সমষ্টিৰ খেতি-বাতি জলসিঞ্চনৰ ওপৰত আংশিক ভাবে নিৰ্ভৰশীল।

(খ) বৰ্ত্তমান তেনেকুৱা প্ৰস্তাৱ নাই।

Re : Excise Ware-House.

Shri Shio Shambhu Ojha asked :

*495. Will the Minister, Excise be pleased to state—

(a) Whether there was a proposal by Government to shift the Excise Ware-House of Tinsukia from the heart of the Town ?

(b) If so, when this will be materialised ?

শ্ৰীভৃগু কুমাৰ ফুকন (আৰকাৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰৰ হাতত বৰ্ত্তমানে তেনে কোনো প্ৰস্তাৱ নাই।

(খ) প্ৰশ্ন নুঠে।

বিঃ বৃত্তি পৰীক্ষা

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*৪৯৬ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) প্ৰাথমিক বিদ্যালয়ৰ বৃত্তি পৰীক্ষা কিয় অনুষ্ঠিত কৰা হয় ?

(খ) প্ৰতিখন প্ৰাথমিক বিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে যাতে এনে বৃত্তি পৰীক্ষাত অংশ গ্ৰহণ কৰিব পাৰে তাৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ?

(গ) বৃত্তি পোৱা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক কি হাৰত এই বৃত্তি

দিয়া হয় আৰু এই হাৰ কেতিয়াৰ পৰা প্ৰচলন হৈছে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৯৬ (ক) প্ৰাথমিক বিদ্যালয়ৰ কণ কণ ছাত্ৰ ছাত্ৰীৰ মাজত শিক্ষা বিষয়ত প্ৰতিযোগিতাৰ ভাব, সাহস, উৎসাহ বৰ্দ্ধন আৰু শিশুমনৰ প্ৰতিভা বিকাশৰ উদ্দেশ্যে বৃত্তি পৰীক্ষা পতা হয়।

(খ) প্ৰতিখন প্ৰাথমিক বিদ্যালয়ৰ পৰা অন্ততঃ ২ জনকৈ ছাত্ৰ-ছাত্ৰীয়ে বৃত্তি পৰীক্ষাত অংশ গ্ৰহণ কৰিব পাৰে। ২ জনতকৈ সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰী পঠোৱাত কোনো বাধা নাই। এই বিষয়ে প্ৰত্যেক উপ-পৰিদৰ্শকলৈ জাননী জাৰি কৰা হৈছে।

(গ) বৃত্তি পোৱা ছাত্ৰ ছাত্ৰীক বৰ্ত্তমান মাহিলী ৫.০০ (পাচ) টকা হাৰত বৃত্তি দিয়া হয়। এই বৃত্তিৰ হাৰ বহু বছৰ আগৰ পৰা প্ৰচলন হৈ আছে।

বি ঃ ডিক্ৰুং গড়কাপ্তানী পথ

শ্ৰীজগৎ হাজৰিকাই সুধিছে ঃ

*৪৯৭ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উত্তৰ লক্ষীমপুৰত মহকুমাৰ পূৰণা (নামনি) ডিক্ৰুং গড়কাপ্তানী পথটো বৰ্ত্তমান কি পৰ্য্যায়ত আছে ?

(খ) উক্ত পথটি যানবাহন চলাব পৰাকৈ উন্নত কৰি ডিক্ৰুং নদীৰ ওপৰত এখন পকী দলং নিৰ্মাণ কৰিবলৈ এই বিত্তীয় বছৰতে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৯৭ (ক) উক্ত গড়কাপ্তানী পথটো বিহপুৰীয়াৰ ফালৰ পৰা নামনি ডিক্ৰুংঘাট পৰ্য্যন্ত আৰু লালুকৰ ফালৰ পৰা ঘাটৰ ৮০৬ মিটাৰ দুৰত থকা

ই, এণ্ড, ডি মঠাউৰিলৈকে সকলো ধৰণৰ যান বাহনৰ সকলো সময়তে চলা চলৰ উপযুক্ত হৈ আছে। উক্ত মঠাউৰিৰ পৰা ঘাটলৈ থকা এই ৮০০ মিটাৰ পথ বাৰিষা যানবাহনৰ বাবে উপযুক্ত নহয়।

(খ) উক্ত পথত ডিক্রং নদীৰ ওপৰত পকী দলং নিৰ্মাণৰ কোনো প্ৰস্তাৱ নাই।

Re: Construction of Hojai- Farmers Training Camp

Shri Santi Ranjan Das Gupta asked :

*498 Will the Minister, Veterinary be pleased to state—

(a) Whether it is a fact that one Md. Jalil Ahmed of Guwahati has been given control for construction of Hojai ICDP Farmer's Training Camps with in ICDP, Hojai and various other placed under Sub Divisional Veterinary Organisation, Hojai ?

(b) If so, the amount advanced to him in the year 1984-85 and 1985-86 ?

(c) The name of the authorities who advanced him the amounts ?

(d) The percentage of progress of works made before the advance made ?

(e) Is it also a fact that the said contractor was given contract for Jorhat Veterinary Organisation also ?

(f) If so, the amount advanced for the above years from, Jorhat Veterinary Department and from Head Quarter Office ?

Shri Nagen Sarma (Minister, Veterinary) replied :

498 (a) Yes, but no constructional works of Farmer's Training Camps was allotted to Md. Jalil Ahmed Contractor, Guwahati.

b) No advanced amount was paid to the contractor during 1983-84, 1984-85 and 1985-86.

(c) Does not arise.

(d) Does not arise.

(e) No.

(f) Does not arise.

বি ঃ গ্ৰাম সেৱকৰ সংখ্যা

শ্ৰীআব্দুল জলিলে সুধিছে ঃ

*৪৯৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত মুঠ কিমান জন গ্ৰামসেৱক আছে ?

(খ) এই গ্ৰাম সেৱক সকলৰ কাম কি কি ? আৰু তেওঁলোকৰ শিক্ষাগত অৰ্হতা আৰু বিশেষ প্ৰশিক্ষণ কি কি ?

(গ) অসমৰ সকলো গাঁৱৰ বাবে গ্ৰামসেৱক আছে নে আৰু যদি নাই কিমানত নাই ?

(ঘ) গ্ৰামসেৱক সকলৰ বাবে চৰকাৰী বাসভৱন দিয়া হয় নেকি ? যদি হয়, অসমৰ কিমান জনৰ বাবে চৰকাৰী বাসভৱন দিয়া হৈছে ?

(ঙ) বৰ্তমানত কিমানটা বাসভৱনত গ্ৰামসেৱক আছে আৰু কিমানটাত নাথাকে ?

(চ) এই বাসভৱন বোৰত প্ৰত্যেকটোত কিমান টকা খৰছ পৰে আৰু

এই টকা কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ ভিতৰত কোনে বহন কৰে?

(ছ) চৰকাৰী ধন খৰছ কৰি বান্ধি দিয়া বাসভৱন বোৰত নথকা গ্ৰাম-সেৱক সকলক থাকিবলৈ বাধ্য বাধকতা কৰিবলৈ ভূতবাংলা হোৱাতকৈ স্থানীয় যুৱক সংঘ কিম্বা মহিলা সমিতিক হস্তান্তৰ কৰিব? খালি হৈ পৰি থকা গ্ৰামসেৱকৰ বাবে কৰা বাসভৱনবোৰ অন্যথাই ব্যৱহাৰ কৰাৰ কথা চৰকাৰে বিবেচনা কৰিব নেকি?

শ্ৰীনীলমনি দাস (কৃষি মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৯৯। (ক) ২,৪৪৪ জন গাওঁ পৰ্য্যায়ৰ কৃষি সম্প্ৰসাৰণ কৰ্ম্মী আছে।

(খ) নিৰ্দ্ধাৰিত কাৰ্য্যসূচী অনুসৰি নিজ এলেকাত উন্নত কৃষি পদ্ধতিৰ বিষয়ে পৰামৰ্শ দিয়া আৰু পথাৰ পৰিদৰ্শন কৰা।

শিক্ষাগত অৰ্হতা উচ্চমাধ্যমিক বিদ্যালয়ৰ শেহান্তৰ পৰীক্ষাত ৪৫ % নম্বৰ পায় উত্তীৰ্ণ হ'ব লাগিব।

বিশেষ প্ৰশিক্ষণ এবছৰীয়া প্ৰাক সেৱা প্ৰশিক্ষণ।

(গ) ভৈয়ামৰ জিলা কিথনৰ সকলো গাওঁৰ বাবে আছে।

(ঘ) সকলোকে দিব পৰা হোৱা নাই। ১১৮৪ জনক দিয়া হৈছে। শতকৰা ৬০ ভাগক দিয়াৰ ব্যৱস্থা আছে। এই পৰ্য্যন্ত ১১৮৪ জনৰ বাবে (৫২ %) বাসভৱনৰ ব্যৱস্থা কৰা হৈছে।

(ঙ) সঠিক সংখ্যা বৰ্ত্তমান আমাৰ হাতত নাই।

(চ) বনোৱাৰ খৰচ ১৯৮৪-৮৫ চনত ৫২,০০০ টকা প্ৰতি বাসভৱনত। বিশ্ববেংকৰ সাহায্য লৈ ৰাজ্য চৰকাৰে এই ঘৰবোৰ নিৰ্ম্মান কৰে।

(ছ) বাধ্যতামূলক ভাবে থাকিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। কোনো সংঘ বা সমিতিক দিয়াৰ ব্যৱস্থা নাই আৰু বিবেচনাও কৰা হোৱা নাই।

Re : Water Supply Schemes of Silchar Sub-Division

Shri ALTAF HUSSAIN MAZUMDAR asked :

*500. Will the Minister, Public Health Engineer be pleased to state –

(a) Is it a fact that most of the water supply schemes of Silchar Sub-division could not start function for want of power supply ?

(b) If so, which are these schemes and the action taken by the Department to supply power to the water supply schemes ?

Shri DIGEN CHANDRA BORA (Minister, Public Health Engineering) replied :

500. (a) - Six nos. of schemes under Silchar Sub-division could not be made operative primarily for want of power supply.

(b)—The schemes are (1) Machughat (2) Dudpatil (3) Karatigram (4) Banskandi (5) Tarapura Pt. VI and (6) Nichintapur Water Supply Scheme. The Department has taken up the matter with the Assam State Electricity Board.

বিঃ বিজনী থানাৰ ৫(১২) ৭৯ নং মোকৰ্দ্দমা

শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

*৫০১। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গোৱালপাৰা জিলাৰ দক্ষিণ ভান্দাৰত ১৯৭৯ চনৰ ডিচেম্বৰ মাহত সংঘটিত ঘটনা সংক্ৰান্তত বিজনী থানাৰ ৫(১২) ৭৯ নং মোকৰ্দ্দমা সংক্ৰান্তত কিমান ব্যক্তিক গ্ৰেপ্তাৰ কৰা হৈছিল ?

(খ) উক্ত মোকৰ্দ্দমা সংক্ৰান্তত কোনো চাকৰিয়াল চাকৰিৰ পৰা নিলম্বিত হৈছিল নেকি ?

(গ) যদি হৈছিল, কিমানজন আৰু কোন কোন হৈছিল ?

(ঘ) এই সকল নিলম্বিত চাকৰিয়ালৰ কিমানজন চাকৰিত পুনঃ মকৰল হল ?

(ঙ) উক্ত মোকৰ্দ্দমাটো এতিয়া কি অৱস্থাত আছে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫০১ (ক) ২৯ জন ।

(খ) হৈছিল ।

(গ) ৭ জন ।

শ্ৰীআখাৰ আলি খানদাৰ,
১নং ভান্দাৰা চৰকাৰী এম, ই স্কুলৰ শিক্ষক

শ্ৰীআব্দুল হামিদ, শিক্ষক ।

শ্ৰীহাজৰত আলি,
১নং ভান্দাৰা ভাহুলীপাৰা চৰকাৰী জে, বি স্কুলৰ শিক্ষক ।

শ্ৰীআহমেদ আলি,
২নং ভান্দাৰা ৪৮২ নং এল, পি স্কুলৰ শিক্ষক ।

শ্ৰীচামচুদ্দিন আহমেদ,
নজতহাৰ বিজনী চৰকাৰী এম, ই স্কুলৰ শিক্ষক ।

শ্ৰীআব্দুল ৰৰাক, ৪ নং ভান্দাৰা এল, পি স্কুলৰ শিক্ষক ।

শ্ৰীহাইদৰ আলি,
১নং ভান্দাৰা বালাৰচৰ এল, পি স্কুলৰ শিক্ষক ।

(ঘ) নজৰফাৰ বিজনীৰ ছোৱালী এম, ই, স্কুলৰ শিক্ষক শ্ৰীচামচুদ্দিন আহমেদ নামৰ লোক এজনক।

(ঙ) বৰ্ত্তমান বঙ্গাইগাওঁৰ আদালতত বিচাৰধীন হৈ আছে। চাৰ্জচিত নং ৪৬, তাৰিখ ২৩-৫-৮১ ইং।

বি ঃ গ্ৰাহক পাইকাৰী সমবায় সমিতি

শ্ৰীআব্দুল জলিলে সুধিছে ঃ

*৫০২। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ পাৰ্ব্বত্য জিলা কেইখনত গ্ৰাহক পাইকাৰী সমবায় সমিতি আৰু গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ প্ৰাইমাৰী সমবায় সমিতি আছেনে ?

(খ) যদি নাই, তাত কি কি সমবায় সমিতি আছে ?

(গ) পাৰ্বত্য জিলা কেইখনত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ দায়িত্ব সমবায় সমিতিয়ে পালন কৰে নে ?

(ঘ) যদি নকৰে, কোনে কৰে ?

(ঙ) পাৰ্বত্য জিলাৰ সমবায় সমিতি সমূহ ৰাজ্য চৰকাৰে তদাৰক কৰে, নে, জিলা পৰিষদে কৰে ?

(চ) সেই জিলাৰ সমবায় সমিতি সমূহক অসম চৰকাৰে অৰ্থ সাহায্য দিয়ে নে জিলা পৰিষদে দিয়ে ?

(ছ) এই সমবায় সমিতি সমূহৰ ব্যৱসায়িক লাভ লোকচান কেনেকুৱা ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫০২ (ক) আৰু (খ) গ্ৰাহক পাইকাৰী সমবায় সমিতি আছে আৰু

গাওঁ পঞ্চায়ত সমবায় সমিতিৰ ঠাইত (LAMPS large and Multi-purpose Co-operative Society, আছে।

(গ)—কৰে।

(ঘ)—প্ৰশ্ন নুঠে।

(ঙ)—ৰাজ্য চৰকাৰে জিলা পৰিষদৰ তত্বাবধানত তদাৰক কৰে?

(চ)—ৰাজ্য চৰকাৰে জিলা পৰিষদৰ জৰিয়তে অৰ্থ সাহাৰ্য্য দিয়ে।

(ছ)—১৯৮৪-৮৫ চনলৈকে ৩ খন পাইকাৰী গ্ৰাহক সমবায় সমিতিৰ ভিতৰত ২ খনে লাভ কৰিছে। ৩৫ খন (LAMPS) ৰ ভিতৰত ৫খনে লাভ কৰিছে। বাকীবোৰ লোকচান ভৰিছে।

বি ঃ বহৰিহাটত অগ্নি নিৰ্ব্বাপক বাহিনী

শ্ৰীমুক্তাৰ হুছেইনে সুধিছে ঃ

*৫০৩। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বহৰিহাটত অগ্নি নিৰ্ব্বাপক বাহিনীৰ স্থায়ী কেন্দ্ৰ উপকেন্দ্ৰ স্থাপনৰ কোনো আচনি চৰকাৰৰ হাতত আছেনে?

(খ) যদি আছে তেন্তে এই বিত্তীয় বছৰত উক্ত কেন্দ্ৰ উপকেন্দ্ৰ স্থাপন কৰা হবনে?

(গ) যদি নাই তেন্তে এই বিস্তৃত অঞ্চলৰ সা-সম্পত্তি তথা বহৰিহাটত জমা হোৱা লাখ লাখ টকা মূল্যৰ মৰাপাট জুইৰ পৰা ৰক্ষা কৰিবৰ বাবে অনতিপলমে ব্যৱস্থা হাতত লবনে?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫০৩ (ক)—বৰ্ত্তমান বহৰিহাটত অগ্নি নিৰ্ব্বাপক বাহিনীৰ স্থায়ী কেন্দ্ৰ উপকেন্দ্ৰ স্থাপনৰ কোনো আঁচনি চৰকাৰৰ হাতত নাই।

(খ)- প্ৰশ্ন নুঠে।

(গ)—বহৰিহাটৰ ওচৰত বৰপেটা অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ আছে, এই কেন্দ্ৰই জুই লগা গম পালে জুই নুমুৰা গাড়ী পঠায়।

Re : Service Station at Patharkandi

Shri MONILAL GOWALA, asked :

*504. Will the Minister, Home be pleased to state—

(a) Whether the Government feels the necesity of setting up one fire service station at Patharkandi Revenue Town ?

(b) If so, when the Government propose to set up the same ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫০৪। (ক) পাথাৰকান্দি ৰাজহ চহৰত এটা অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ স্থাপন কৰাৰ কথা চৰকাৰে বৰ্ত্তমান ভবা নাই।

(খ) পুঁজি আৰু নিয়মনীতি অনুযায়ী ইয়াৰ ব্যৱস্থা লোৱাৰ কথা চৰকাৰে বিবেচনা কৰিব।

Re : Stadium at Dhubri

Shri AMRITLAL BASUMATARY, asked :

*505. Will the Chief Minister be pleased to state—

(a) If Government are aware that there is need for Stadium Cum Sports Complex at Dhubri ?

(b) If so, whether Government proposed to expedite the proposal project in this behalf ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে।

৫০৫। (ক) বৰ্ত্তমানে ধুবুৰীত ক্ৰীড়া প্ৰকল্প নিৰ্ম্মাণৰ আচনি চৰকাৰে

গ্রহণ কৰা নাই, কিন্তু এখন ষ্টেডিয়াম নির্ম্মাণৰ আচনি চৰকাৰে ইতিমধ্যে অনুমোদন জনাইছে।

(খ) ধুবুৰীত ষ্টেডিয়াম নির্ম্মাণৰ বাবে ধুবুৰী ক্রীড়া সন্থাৰৈ ২,৫০,০০০,.০০ (আঢ়ৈ লাখ) টকাৰ অনুমোদন আগবঢ়োৱা হৈছে।

বি ঃ হায়াৰ চেকেণ্ডাৰী স্কুলৰ স্বীকৃতি

শ্রীজয়নাথ শৰ্মাই সুধিছে ঃ

*৫০৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

(ক) অসমত কিমানখন হায়াৰ চেকেণ্ডাৰী স্কুলক স্বীকৃতি (Recognsation) দিবলৈ বাকী আছে?

(খ) প্রাদেশীকৃত হাইস্কুল সমূহ হায়াৰ চেকেণ্ডাৰী স্কুললৈ উন্নীত কৰাৰ পিচত (Recognisation) দিবলৈ কি কি স্বৰ্ত্ত উক্ত স্কুল সমূহে পূৰণ কৰিব লাগে?

(গ) ১৫,০০০ টকা স্কুলৰ আচুতীয়া পুঁজিত জমা ৰাখিলেহে এনে হায়াৰ চেকেণ্ডাৰী স্কুল সমূহক (Assam Higher Secondary Council) লে স্বীকৃতি দিয়ে নেকি?

(ঘ) এনে স্বীকৃতিৰ বাবে প্রাদেশীকৃত স্কুল সমূহক আচুতীয়া পুঁজি (Reserve fund) টকা জমা ৰাখিবলৈ চৰকাৰে কিবা অনুদান দিছে নেকি?

শ্রীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্রী) য়ে উত্তৰ দিছে ঃ

৫০৬ (ক)—স্বীকৃতি দিবলৈ বাকী থকা স্কুলৰ সংখ্যা মুঠ ১৫২ খন। ইয়াৰ ভিতৰত ১১৮ খন স্কুল ১৯৮৫ চনৰ পৰাহে ১ম বৰ্ষৰ শ্রেণীখোলাৰ কাৰণে উচ্চতৰ মাধ্যমিক শিক্ষাসংসদৰ অনুমতি লাভ কৰিছে। ১৯৮৬ চনত দ্বিতীয় বৰ্ষৰ অনুমতি লাভ কৰাৰ পিচত সেই স্কুল সমূহৰ স্বীকৃতিৰ কথা আহিব।

(খ)—উচ্চতৰ মাধ্যমিক শিক্ষা সংসদত বিদ্যালয় স্বীকৃতি বিনিয়ম ৬(১) ৬(২) অনুচ্ছেদত স্বৰ্ত্তসমূহ উল্লেখিত আছে।

(গ) – সংসদৰ স্বীকৃতি বিনিয়ম অনুসৰি স্বীকৃতিৰ কাৰণে স্কুলক আচুতীয়া পুঁজি ১৫,০০০ টকা থকা প্ৰয়োজন, কিন্তু চৰকাৰী স্কুলৰ বেলিকা এই পুঁজিৰ পৰিমাণ শিথিল কৰিব পৰা যায়।

(ঘ)—আমাৰ পৰা স্কুললৈ কোনো আচুতীয় পুঁজি দিয়া নহয়।

## Re: Post Graduate class at Dhubri

Shri Amritlal Basumatary asked :

★507. Will the Minister, Education be pleased to state—

(a) Whether there is need to open the Post Graduate Classes in Science, Commerce and Arts in B. N. College at Dhubri ?

(b) If so, whether Government proposes to open the same ?

(c) If so, when ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫০৭। (ক) কলেজ কৰ্তৃপক্ষৰ পৰা এই বিষয়ত কোনো প্ৰস্তাৱ পোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

## Re: Tiger Project

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

*৫০৮. মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত বৰ্ত্তমান (Tiger project) কেইখন আছে আৰু ক'ত ক'ত আছে ?

(খ) অসমত বৰ্ত্তমান বাঘৰ সংখ্যা কিমান ?

(গ) যোৱা ৩ (তিনি) বছৰৰ ভিতৰত বাঘৰ সংখ্যা কমিছেনে বাঢ়িছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক)—অসমত বৰ্ত্তমান Tiger Project এখন আছে। এই Tiger Project) খন কোকৰাঝাৰ বৰপেটা আৰু দৰং জিলাৰ বনাঞ্চল বিশেষ লৈ গঠিত।

(খ)—৩৭৬ টা ( ১৯৮৪ চনৰ ফেব্ৰুৱাৰী মাহৰ পিয়লৰ মতে )

(গ)—১৯৮৪ চনৰ পিচত কোনো পিয়ল হোৱা নাই।

Re : SERVICE OF STATFED

Shri DEBESWAR BORA asked :

*509 Will the Minister, Food and Civil Supply be pleased to state -

(a) Whether the STATFED has been able to render service in all spheres of its activities to the people for which it was constituted since it inception ?

(b) If so, whether it has precured and paddy during 1985-86 session in Golaghat Constituency ?

(c) If not, whether the Government has taken any steps for touning up the administration of the STATFED ?

Shri Lalit Chandra Rajkhowa (Minister, Co-operation) replied :

509 (a)—Yes, in most spheres.

(b) – No.

(c)—STATFED is an autonoumous organisation and its Board of Directors is responsible for management of its offices

Re : Indo Bangladesh Border

Shri ABDUL JALIL asked :

*510. Will the Chief Minister be pleased to state—

(a) The length of the Indo Bangladesh border in the West of Dhubri District Sector.

(i) between Satrasal and Patamari ?

(ii) between Patamari and Singimari ?

(iii) Singimari and Mankachar ?

(b) Whether it is fact that border between Patamari and Singimari lies there in Brahmaputra ?

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) replied :

৫১০। (এ) ভাৰত বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমা ধুবুৰী জিলাৰ অংশত মুঠ দৈৰ্ঘ্য ১৪৩ (এশ তিয়াল্লিশ) কিঃ মিঃ।

(১) চাতাৰচাল আৰু পাতামাৰিৰ মাজৰ দৈৰ্ঘ্য ৬২ (বাষষ্ঠি) কিঃ মিঃ।

(২) পাতামাৰি আৰু চিংগিমাৰিৰ মাজৰ দৈৰ্ঘ্য ৪২ (বিয়াল্লিচ) কিঃ মিঃ।

(৩) চিংগিমাৰি আৰু মানকাছাৰৰ মাজৰ দৈৰ্ঘ্য ৩৯ (উনচল্লিচ) কিঃ মিঃ।

(বি) —হয়, অন্তঃৰাষ্ট্ৰীয় সীমা পাতামাৰি আৰু চিংমাৰিৰ মাজৰ আংশিক ব্ৰহ্মপুত্ৰ নদৰ ওপৰত পৰে।

বি ঃ খৰথৰি নদীৰ জলসিঞ্চন আঁচনি।

শ্ৰীকমলা কলিতাই সুধিছে ঃ

৫১১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

৫১১। (ক) ছয়গাওঁ সমষ্টিৰ পাণ্টান মৌজাৰ খৰখৰী নদীৰ জলসিঞ্চন (Flow) আঁচনি চৰকাৰৰ বৰ্ত্তমানে আছে নেকি ?

(খ) আঁচনি বাবে জৰীপ আদি সমাপ্ত হোৱাৰ পিচত কিয় আঁচনি কাৰ্য্যকৰী হোৱা নাই জনাবনে ?

(গ) এই আঁচনি কাৰ্য্যক্ষম কৰি তুলিবলৈ কেতিয়া ব্যৱস্থা লব জনাবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫১১ (ক) নাই ।

(খ) এই আঁচনিৰ বাবে লাগতিয়াল সকলো জৰীপ এতিয়াও সম্পূৰ্ণ হোৱা নাই ।

(গ) জৰীপ সম্পূৰ্ণ হোৱাৰ পিচত আঁচনিৰ সম্ভাৱনা নিশ্চিত কৰাৰ পিচত ৰূপায়ণৰ কথা বিবেচনা কৰা হব ।

বি ঃ কুলসী প্ৰকল্প

শ্ৰীযুত কমলা কলিতাই সুধিছে ঃ

৫১২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) জলসিঞ্চন বাবে কেন্দ্ৰীয় সাহাৰ্য্যত কুলসী প্ৰকল্প (kulsi project) এটি ১৯৭৩ চনতে জৰীপ হোৱাটো সচানে ?

(খ) যদি সচা উক্ত আঁচনি বৰ্ত্তমানে আছেনে ?

(গ) যদি আছে উক্ত আঁচনি কেতিয়া কাৰ্য্যকৰী হব জনাবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫১২ (ক) ৰাজ্য চৰকাৰৰ পৰিকল্পনা শিতানৰ পৰা জলসিঞ্চন বিভাগে কুলসী আৰু ইয়াৰ শাখা নৈ কেইখনত ১৯৭৩-৭৫ চনৰ পৰা তথ্য সংগ্ৰহ কৰিছে ।

(খ) কুলসী প্ৰকল্প হিচাবে কোনো আঁচনি নাই।

(গ) প্ৰশ্ন নুঠে।

বি ঃ যমুনা জলসিঞ্চন আঁচনি

শ্ৰীছামছিং হাঞ্চে সুধিছে।

*৫১৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বকলীয়াৰ যমুনা জলসিঞ্চন আঁচনিত সৰ্বমুঠ ব্যয়ৰ পৰিমাণ কিমান?

(খ) উক্ত আঁচনিৰে কিমান হেক্টৰ মাটিলৈ জলসিঞ্চনৰ ব্যৱস্থা লৈছে?

(গ) উক্ত আঁচনিৰ জৰিয়তে কাৰ্বি আংলঙৰ কিমান হেক্টৰ মাটি জলসিঞ্চনৰ ব্যৱস্থা হৈছে?

(ঘ) উক্ত আঁচনিৰ জৰিয়তে কাৰবি আংলঙৰ খেতিয়ক বাইজ, উপকৃত হৈছে বুলি ভাবে নে?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫১৩ (ক) বকলীয়াৰ যমুনা জলসিঞ্চন আঁচনিত সৰ্বমুঠ ৪৩৪,৩২ লাখ টকা ব্যয় হৈছে।

(খ) উক্ত আঁচনিৰে ২০,৭১৪ হেক্টৰ মাটিলৈ জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে।

(গ) উক্ত আঁচনিৰ জৰীয়তে কাৰ্বি আংলঙৰ মুঠ ২,১৮৫ হেক্টৰ মাটিৰ জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) হয়। এই আঁচনিৰ জৰিয়তে কাৰবি আংলংৰ মুঠ ১৬৩০০.৬ হেক্টৰ মাটিত পানী দি থকা হৈছে।

Re : Dhansiri Project

Shri ABDUL JABBAR asked :

*514 Will the Minister Irrigation be pleased to state—

(a) The aims and objectives of Dhansiri Irrigation Project ?

(b) Whether the cultivable lands and rivers of Balgoan Constitency will be benefitted out of this Project ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫১৪। (ক)—ধনশিৰী জলসিঞ্চন প্ৰকল্পৰ লক্ষ্য হ'ল ওডালগুৰী মহকুমাৰ ৪১,৭০০ হেক্টৰ খেতি মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰা আৰু বছৰি ৮৩,৪০০ হেক্টৰ খেতি মাটিত পানী যোগান ধৰি ৪০ কোটি টকাৰ অতিৰিক্ত কৃষি উৎপাদনৰ ব্যৱস্থা কৰা।

(খ)—হয়, দলগাওঁ সমষ্টিৰ অন্তৰ্গত খেতি পথাৰ সমূহৰ প্ৰায় ১০'৭০০ হেক্টৰ খেতিৰ মাটিত জলসিঞ্চন ব্যৱস্থা কৰা হব। এই প্ৰকল্পৰ দ্বাৰা কোনো নদী উপকৃত নহয়।

Re : Tulargram ELIS

Shri Altaf Hussain Mazumdar asked :

*515. Will the Minister Irrigation be pleased to state—

(a) Is it a fact that under specified Boulders were used in that Tulargram ELI Scheme under Silchar Irrigation division ?

(b) Is is also a fact that the Additional Chief Engineer visited the site in presence of MLA, Sonai Constituency and found that under specific Boulders were used and charged the Executive Engineer, Silchar division ?

(c) If so, the action taken against the Executive Engineer ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫১৫। (ক) হয়, প্ৰায় শতকৰা ৪০ ভাগ সৰু জাতৰ শিল ব্যৱহাৰ কৰা হৈছে।

(খ) হয়।

(গ) জলসিঞ্চন বিভাগৰ "পৰিদৰ্শক আৰু মানদন্দ নিয়ন্ত্ৰণ" শাখাৰ অধীক্ষক অভিযন্তাক তদন্ত কৰি বিহিত ব্যৱস্থা লবৰ বাবে প্ৰতিবেদন দিবলৈ কোৱা হৈছে।

Re : Construct a Jail in Tinsukia

Sri Shio Shmbhu Ojah asked:

*516 Will the Minister, Jail be pleased to state—

(a) Whether the Government has any plan to construct a Jail also in Tinsukia ?

(b) If so, when this will come up ?

শ্ৰীভৃগু কুমাৰ ফুকন (কাৰাগাৰ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫১৬। (ক) সদ্যহতে তিনচুকীয়াত কাৰাগাৰ সজাৰ পৰিকল্পনা চৰকাৰৰ নাই।

(খ) প্ৰশ্ন নুঠে।

বি ঃ চাহ জনজাতিৰ লোকৰ নিযুক্তি

শ্ৰীদিলেশ্বৰ তাতীয়ে সুধিছে ঃ

*৫১৭। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ আৰক্ষী বিভাগত কিমান জন চাহ আৰু প্ৰাক্তন চাহ

জনজাতিৰ লোক নিয়োজিত হৈ আছে ?

(খ) এই সকলৰ কেইজন বিষয়া পৰ্য্যায়ত আৰু কেইজন কনিষ্টবল পৰ্য্যায়ত আছে ?

(গ) উক্ত বিষয়া সকল বিভিন্ন জিলাৰ কোন কোন থানাত নিয়োজিত হৈ আছে ?

(ঘ) অসম চাহ জনগোষ্ঠীৰ সংখ্যালৈ চাই এইখিনি নিয়োগে যথেষ্ট হৈছে বুলি চৰকাৰে ভাবেনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫১৭ (ক) মুঠ ১৭৬ জন।

(খ) মুঠ চিপাহীৰ সংখ্যা ১৬২ জন, উপ-পৰিদৰ্শক ৪ জন, সহ উপ-পৰিদৰ্শক ৫ জন আৰু হাবিলদাৰ ৫ জনক নিযুক্তি দিয়া । পৰ্য্যায়ত বৰ্ত্তমানলৈকে নিযুক্তি দিয়া হোৱা নাই।

(গ) উক্ত চিপাহী, উপ-পৰিদৰ্শক, সহ উপ-পৰিদৰ্শক আৰু হাবিলদাৰ সকলৰ বিভিন্ন ঠাইত নিয়োজিত দেখুৱাই এখন তালিকা গাঠি দিয়া হল।

(ঘ) যিহেতু চাহ জনগোষ্ঠীৰ সংখ্যাৰ বিষয়ে চৰকাৰৰ হাতত কোনো তথ্য পাতি নাই, সেয়েহে এই বিষয়ে মন্তব্য দিব পৰা নেযাব।

Re: Cases Doomdooma P. S. during

Shri Dileswar Tanti asked:

*518 Will the Minister, Home be pleased to state—

(a) What are the number of criminal cases that were registered under the Doomdooma Police Station during the last five years from Tongnagaon, Phillobari and Dighalturrung areas ?

(b) How many number of vehicles are there number the disposal of Doomdooma Police Station in Tinsukia Sub-Division ?

(c) What are the distances of Kilometres in between Doomdooma P. S. and Tingnagaon Phillobari and Dighlturrang ?

(d) What are the number of population in Tingnagaon, Phillobari and Dighlturrang area ?

(e) What is the number of police officers and constables in the Doomdoom

(f) Whether the above statistic justify the requirement additional police outposts in Tangnagaon, Paillobari and Dighlturrang areas in Tinsukia Sub Division ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫১৮। (ক) যোৱা পাচ বছৰৰ ভিতৰত ডুমডুমা থানাৰ অধীনত অপৰাধ সংঘটিত হোৱা গাঁও হ'ল ঃ—

| | ১৯৮১ | ৮২ | ৮৩ | ৮৪ | |
|---|---|---|---|---|---|
| টঙ্গনাগাওঁ— | ১১ | ৮ | ১৩ | ১৯ | |
| ফিলোবাৰী— | ২৫ | ২৯ | ৩০ | ২৩ | ২৪ |
| দিঘলটুকং— | ২২ | ১৩ | ৩৩ | ২৭ | ১৯ |

(খ) তিনচুকীয়া মহকুমাৰ অধীনত ডুমডুমা থানাত এখন মাত্ৰ গাড়ী দিয়া হৈছে।

(গ) ডুমডুমা থানাৰ পৰা টঙ্গনাগাওঁ ১৫ কিঃ মিঃ ফিলোবাৰী ২১ কিঃ মিঃ আৰু দিখলটুকং ২৮ কিঃ মিঃ দূৰত অৱস্থিত।

(ঘ) জনসংখ্যা হ'ল ঃ—

টঙ্গনাগাওঁ—১৮০০০ জন।

ফিলোবাৰী—৩৮০০০ জন।

দিখলটুকং—৩০০০০ জন।

(ঙ) ডুমডুমা থানাত উপ-আৰক্ষী পৰিদৰ্শক—৩ জন, সহকাৰী আৰক্ষী পৰিদৰ্শক—৪ জন আৰু অস্ত্ৰ বিহীন চিপাহী—২৪ জন।

(চ) অতিৰিক্ত আৰক্ষী চকী সম্পৰ্কে পৰীক্ষা কৰি চোৱা হব।

Re : P.H.E. Executive Engineer, Haflong Division

Shri Abdul Hamid Mazumdar asked :

★519 Will the Minister, P.H.E. be pleased to state –

(a) Is it a fact that Shri Ashish Chandra now P.H.E. Executive Engineer, Haflong Division is involved in sqandring public money to the tune of Rs 84 lacs while he was S.D.O., P.H.E., Karimganj and holding charge of Hailakandi Division ?

(b) Is it a fact that proceeding has been drawn up against Shri Chanda by the Government and Shri Chanda has not replied to the Charges brought against him till date ?

(c) Is it a fact that this is a long pending case and Government is sitting tight lipped on the matter without an action against Shri Chanda ?

(d) Is it a fact that while enquiry against Shri Chanda was on, he got protion to the post of Executive Engnieering and post at Haflong Division vilating all rules and regulations of the Government ?

Shri DIGEN CHANDRA BORA (Minister, P H E replied :

519. (a) –Yes, but the amount involved is Rs. 66:59 lakhs.

(b)—Yes.

(c) –No. Government is taking proper steps to finalise the case.

(d)—No. at the time of promotion there was no contemplation of drawing up any proceeding aginst Shri Chanda.

Re : Acquistion of land at Borkhola

Shri ALTAF HUSSAIN MAZUMDAR asked :

*520. Will the Minister, Revenue be pleased to state—

(a) When and what amount of land was acquired under Land Acquisition Case No. LA (FC) 3/82-83 of Silchar for Flood Control Scheme FDR to Drainage Lowlying area near Chandpar in Borkhola Circle Ph. II for (1981-82 Ujangram erosion protection Ch. 2300-2600 and 2700-2990 m ?

(b) Whether the land owners have been paid full compensation?

(c) If not, will the Government take steps to pay the full compensation immediately ?

Shri THANESWAR BORO (Minister of Revenue) replied :

520. (a)—An area of 5 Bighas 19 K. 0 Ch. of land in Village Ujangram was acquired by Collector, Silchar vide Notification No. L.A. (FC)3/3/82-83/16, dated 21st February 1982.

(b) —A sum of Rs. 51,944 only have been paid as advance payment of compensation to the land owners.

(c)—Yes, after observing all the formalities balance amount will be paid.

Re : Irrigated area

Shri ABHIJIT SARMA asked :

*521. Will the Minister, Irrigation be pleased to state—

(a) The potential area irrigated (in Hectare) by implementing

schemes like D.T.W., Shallow T.W.L.I.S. well irrigation from riverine water etc. during 1980-81, 1981-82., 1982-83, 1983-84, 1984-85 and p.c. of irrigated area against total cropped area? (Yearwise and schemewise information may be given)

(b) The total expenditure incurred on these schemes during the year, 1980-81, 1981-82, 1982-83, 1983-84 and 1984-85?

(c) The total no. of cultivators benefited under these various schemes? (Sub-Divisionwise figures may be given)

(d) Under what crops, the irrigated water is generally utilised by the cultivators? (Please state the cropwise area)

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫২১। (ক)—এই সকলোবোৰৰ বিশদ বিৱৰণ এখন সংসদৰ মেজত ৰখা হৈছে।

(খ)—এই আঁচনিবোৰৰ ১৯৮০-৮১ চনৰ পৰা মূল কাৰ্য্যত খৰচ হোৱা ধনৰ পৰিমাণ এনে ধৰণৰ ঃ—

| | |
|---|---|
| ১৯৮০-৮১ | ১৭৩৬.৫১ লাখ টকা |
| ৮১-৮২ | ১৭০৪.৬৮ ,, |
| ৮২-৮৩ | ২১৬৬.৬১ ,, |
| ৮৩-৮৪ | ১৯৪১-৮০ ,, |
| ৮৪-৮৫ | ৩৭১৯.৪০ ,, |

মুঠ ৬ষ্ঠ পৰিকল্পনাৰ ১১২৬৯.০০ লাখ টকা বাবদ

(গ) যিহেতু এটা জলসিঞ্চন আচনিয়ে অনেক খেতিয়কক উপকৃত কৰে আৰু যিহেতু এই আচনিবোৰ উপকৃত মাটি-কালি ভিত্তিক হিচাপেহে পৰিকল্পনা কৰা হয়, জলসিঞ্চনৰ তথ্য পাতি মাটি-কালি ভিত্তিকহে ৰখা হৈছে খেতিয়ক

অনুযায়ী নহয়। জলসিঞ্চনৰ দ্বাৰা উপকৃত মুঠ খেতিয়কৰ সংখ্যা বৰ্ত্তমান ৰখা হোৱা নাই।

(ঘ) যদিও জলসিঞ্চনৰ এলেকাৰ ক্ষেত্ৰৰ ভিতৰত খেতিয়ক সকলে খেতিৰ মাটিবোৰ বিভিন্ন খেতিৰ বাবে ব্যৱহাৰ কৰে জলসিঞ্চন বিভাগে প্ৰধান শষ্য কেইবিধৰ বাবে ব্যৱহৃত জলসিঞ্চনৰ পানীৰ বাবেহে তথ্য সম্ভাৰ ৰাখে।

Re : Hatirhar ELIS

Shri ALTAF HUSSAIN MAZUMDAR asked :

*522. Will the Minister Irrigation be pleased to state –

(a) Whether the Hatirhar E. L. I. Scheme under Silchar Division and the amount of money sanctioned and when the work started ?

(b) Has it been completed and the total expenditure incurred ?

(c) Is it a fact that no water has been supplied ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫২২। (ক) হাতিৰহাড় উত্তোলন জলসিঞ্চন আচনি ১৫,০১,৯০০·০০ টকাৰ প্ৰশাসনীয় অনুমোদন দিয়া হয়। ১৯৭৯ চনৰ মাৰ্চ মাহত এই আচনিৰ কাম আৰম্ভ কৰা হয়। সংশোধীত প্ৰশাসনীয় অনুমোদনৰ বাবে ব্যৱস্থা লোৱা হৈছে।

(খ) এই আচনিৰ কাম এতিয়াও শেষ হোৱা নাই। ১৯৮৬ চনৰ ফেব্ৰুৱাৰীলৈকে এই আচনিৰ কাৰণে খৰচ কৰা হৈছে মুঠ ২৪,৯৩,৪১৯·০০ টকা

(গ)—এই আচনিৰ পৰা বৰ্ত্তমানে পানী দিয়া হোৱা নাই।

Re : State Dispensary of Badarpur

Shri RAMENDRA DE asked :

★523 Will the Minister of State Health be pleased to state—

Whether the State Dispensary of Kaligang and Badarpur will be upgarded or not ?

Shri JATIN MALI (Minister of state Health) replied :

523—Under the instruction of the Government of India, the State Dispensaries are to be upgraded to Subsidiary Health Centre/ P.H.C, in a phased manner, subject to availability of fund. Badarpur State Dispensary has been upgraded to a subsidiary Health Centre. Dispensary at Kaligaon will be upgraded in due course.

বি ঃ ও এণ্ড এম বিভাগ

শ্ৰীদীনবন্ধু চৌধুৰীয়ে সুধিছে ঃ

*৫২৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) পুৰ্বৰ 'ও এণ্ড এম' বিভাগ আৰু বৰ্ত্তমানৰ প্ৰশাসনীয় সংস্কাৰ বিভাগটো কেতিয়া খোলা হৈছিল ?

(খ) উক্ত বিভাগটোৰ ওপৰত ন্যস্ত কৰা কাম কি ?

(গ) প্ৰশাসন নিকা আৰু দুৰ্নীতি মুক্ত কৰিবলৈ উক্ত বিভাগটো পুনৰ গঠন কৰি তাৰ লগত বিশেষজ্ঞ আৰু বাইজৰ প্ৰতিনিধিৰে গঠিত এখন উপদেষ্টা কমিতি সংলগ্ন কৰাৰ কথা চৰকাৰে ভাবিছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫২৪ (ক) পূৰ্ব্বতে 'ও এণ্ড, এম' এটা বিভাগ নাছিল। ১৯৫৪ চনৰ

অক্টোবৰ মাহত 'ও এণ্ড এম' নামেৰে এটা শাখা খুলি "পৰিকল্পনা আৰু উন্নয়ন" বিভাগৰ লগত লগ লগাই দিয়া হৈছিল। পিছলৈ প্ৰশাসনীয় দক্ষতা বঢ়োৱাৰ উদ্দেশ্যে ১৯৭৪ চনৰ মাৰ্চ মাহত সচিবালয়ত "প্ৰশাসনীয় সংস্কাৰ" নামেৰে এটা পৃথক বিভাগ খোলা হয় আৰু 'ও এণ্ড এম' শাখাটো উক্ত বিভাগত সংযোজন কৰা হয়।

(খ) উক্ত বিভাগটোৰ ওপৰত ন্যস্ত কৰা কামবোৰ হৈছে—

(১) প্ৰশাসনীয় সংস্কাৰ আৰু কৰ্ম্মচাৰী পৰিচালনাৰ নীতি সমূহৰ ৰূপায়ণৰ বাবে পৰিদৰ্শণ, সমীক্ষা আৰু পৰীক্ষণ-নিৰীক্ষণ কৰা।

(২) বিভাগ সমূহৰ স্থাপন, পুণৰ গঠন আৰু সংযোজন সম্পৰ্কীয় কাম।

(৩) কামৰ নীতি, মাপ-কাঠি, কাৰ্য্যলয় প্ৰক্ৰিয়া, সংগঠন আৰু পদ্ধতি আদি নিৰ্দ্ধাৰণ কৰা।

(৪) চৰকাৰী কাম কাজৰ নিয়মাৱলী সম্পৰ্কীয় পুস্তিকা, হাত-পুথি আদি প্ৰস্তুতকৰণ আৰু সংশোধন আদি।

(৫) অসম সচিবালয় প্ৰশিক্ষণ কেন্দ্ৰ আৰু অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ৰ সকলো প্ৰশাসনীয় বিষয়।

(৬) চৰকাৰী বিভাগ, কাৰ্য্যালয় স্থায়ীকৰণ সম্পৰ্কীয় প্ৰস্তাৱ আদি বিচাৰ বিবেচনা।

(৭) বিদেশত বা ভাৰতৰ ভিতৰত প্ৰয়োজনীয় প্ৰশিক্ষণৰ বাবে চৰকাৰী কৰ্মচাৰী প্ৰেৰণ।

(৮) প্ৰশাসনীয় প্ৰক্ৰিয়া সৰলীকৰণ আৰু প্ৰশাসন যান্ত্ৰীকৰণ।

(৯) উপায়ুক্ত, মহকুমাধিপতি সকলৰ সন্মিলনৰ ব্যৱস্থা ইত্যাদি।

১০। "আসাম ৰুলচ অৱ একজিকিউটিভ বিজনেচ' "মেনুৱেল অৱ অফিচ প্ৰচিডিয়ৰ চেক্ৰেটৰীয়েট" আদিৰ নিয়ন্ত্ৰণ।

(১১) মুখ্য সচিব সকলৰ অধিবেশন সম্পৰ্কীয় বিষয়।

(২১) অৰাজপত্ৰী বিষয়াসকলক ৰাজপত্ৰীকৰণ কৰা সম্পৰ্কীয় প্ৰস্তাৱৰ ওপৰত বিচাৰ বিবেচনা।

(১৩) বিভিন্ন প্ৰশাসনীয় বিভাগসমূহক কাম বণ্টন কৰণ।

(গ) প্ৰশাসন নিকা আৰু দুৰ্নীতি মুক্ত কৰিবলৈ চৰকাৰৰ ৰাজনৈতিক বিভাগে কেইটামান দূৰ্নীতি নিবাৰণ বিভাগ খুলিছে। এই বিভাগবোৰ পুনৰ্গঠন কৰি বেছি সক্ৰিয় কৰি তোলা কথাটো উক্ত বিভাগে বিবেচনা কৰি আছে। বিশেষজ্ঞ আৰু ৰাইজৰ প্ৰতিনিধিৰ সহায় লোৱা কথাটোও বিবেচনাৰ ভিতৰত ৰখা হব।

বি ঃ কুষ্ঠাশ্ৰম

শ্ৰীগনেশ কুটুমে সুধিছে ঃ

*৫২৫। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত কেইখন কুষ্ঠাশ্ৰম আছে আৰু সেইবোৰৰ পৰিচালনাৰ দায়িত্ব কাৰ হাতত ন্যস্ত থাকে ?

(খ) শোণিতপুৰ জিলাৰ কলাবাৰী কুষ্ঠাশ্ৰমৰ নামত কিমান বিঘা মাটি সংৰক্ষণ কৰা আছে আৰু উক্ত আশ্ৰমত ৰোগী কিমানজন আছে ?

শ্ৰীযতীন মালী ( স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫২৫। (ক) অসমত ৬ (ছয়) খন কুষ্ঠাশ্ৰম আছে আৰু সেইবোৰৰ পৰিচালনাৰ দায়িত্ব স্বেস্বাসেৱী প্ৰতিষ্ঠানৰ ওপৰত ন্যস্ত আছে।

(খ) শোণিতপুৰ জিলাৰ কলাবাৰী কুষ্ঠাশ্ৰমৰ নামত ২০০ বিঘা মাটি সংৰক্ষণ কৰা আছে আৰু উক্ত কুষ্ঠাশ্ৰমত ৩১ জন ৰোগীয়ে চিকিৎসা লৈ আছে।

বি ঃ চিকিৎসকৰ চাকৰি স্থায়ীকৰণ

শ্ৰীকমলা কলিতাই সুধিছে ঃ

*৫২৬। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

স্বাস্থ্য বিভাগৰ চিকিৎসক সকল চাকৰিত সোমোৱাৰ ৩ বছৰৰ পাছতেই চাকৰি স্থায়ীকৰাৰ ব্যৱস্থা চৰকাৰে লবনে ?

শ্ৰীযতীন মালি (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫২৬। লব পৰা যায়, যদিহে স্থায়ী পদ খালী থাকে।

বি ঃ অসম কেডাৰৰ আই, পি, এচ বিষয়া

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

৫২৭। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম কেডাৰৰ কিমানজন আই, পি, এচ বিষয়া অসমৰ বাহিৰত আছে আৰু বাহিৰত কি কাৰণত তেওঁলোকক ৰখা হৈছে ?

(খ) এনেদৰে বাহিৰত থকা কেইজন বিষয়াই (House Building advance)ৰ বাবদ চৰকাৰৰ পৰা ঋণ লৈ এতিয়াও পৰিশোধ কৰিবলগীয়া আছে ?

(গ) Mr. K. P. S. Gill নামৰ বিষয়াজনে এনে ঋণ কেইবাৰ লৈছে ?

(ঘ) এই ঋণৰ বাবে যাৱতীয় প্ৰ-পত্ৰ দাখিল কৰিছিলনে ?

(ঙ) তেওঁৰ এই ঋণৰ পৰিমাণ কিমান আৰু পৰিশোধ কৰিবলগীয়া ধনৰ পৰিমাণ কিমান ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫২৭। (ক) বৰ্ত্তমান সংযুক্ত অসম আৰু মেঘালয় সংবৰ্গৰ ১৮ জন ভাৰতীয় সেৱা বিষয়া কেন্দ্ৰীয় চৰকাৰৰ তলত প্ৰতি নিযুক্তি পাই চাকৰি কৰি আছে। সৰ্ব ভাৰতীয় সেৱা আইনৰ বিধি অনুসৰি তেওঁলোকক কেন্দ্ৰীয় চৰকাৰৰ তলত চাকৰি কৰিবলৈ পঠোৱা হয়।

(খ) এনেদৰে ৯ জন বিষয়াই গৃহ নিৰ্মাণ বাবদ চৰকাৰৰ পৰা ঋণ

লৈছিল আৰু এতিয়াও পৰিশোধ কৰিবলগীয়া আছে।

(গ) শ্ৰীকে, পি, এচ গিল, আই, পি, এচ নামৰ বিষয়াজনে এই ঋণ এবাৰ লৈছে।

(ঘ) হয়, কৰিছিল।

(ঙ) উক্ত বিষয়াজনক চৰকাৰে মুঠ ৮৬,৫৬০·০০ টকা গৃহ নিৰ্মাণ ঋণ মঞ্জুৰ কৰিছিল।

বি ঃ গাড়ী অধিগ্ৰহণ

শ্ৰীউৎপল দত্তই সুধিছে ঃ

৫২৮ মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮২—৮৩, ১৯৮৩ ৮৪, ১৯৮৪·৮৫ চনত অসম চৰকাৰে কিমান বেচৰকাৰী গাড়ী অধিগ্ৰহণ কৰিছিল ?

(খ) ইয়াৰ বাবদ চৰকাৰে কিমান টকা খৰচ কৰিছে ?

(গ) এতিয়ালৈকে কিমান টকা ইয়াৰ বাবদ দিবলৈ বাকী আছে ?

(ঘ) গাড়ী সমূহ ভাল কৰোতে কিমান টকা খৰছ কৰা হৈছিল ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫২৮। (ক) ১৯৮২ ৮৩, ১৯৮৩·৮৪. আৰু ১৯৮৪ ৮৫ চনত আৰক্ষী বিভাগে মুঠ ৫৩,৯৬৯ খন গাড়ী অধিগ্ৰহণ কৰিছিল ইয়াৰে—

| | |
|---|---|
| ১৯৮২-৮৩ চনত | ১১,০৭৬ খন। |
| ১৯৮৩-৮৪ চনত | ২১,৯৬৯ খন। |
| ১৯৮৪·৮৫ চনত | ২০,৯২৪ খন। |

(খ) ইয়াৰ বাবদ চৰকাৰে অধিগ্ৰহণ কৰা গাড়ীৰ ভাড়া, পেট্ৰল,

ড্ৰাইভাৰ আৰু হেণ্ডিমেনৰ মজুৰিৰ বাবদ মুঠ—১৩,৩৪,৬৮,০৩৮.১৯ টকা খৰছ কৰিবলগীয়া হয়। ইয়াৰে—

| | |
|---|---|
| ১৯৮২-৮৩ চনত | ২,৫৩,৩৫,৭০২.৯৭ |
| ১৯৮৩-৮৪ চনত | ৫,০৪,৭৫,৬৩৮.৫২ |
| ১৯৮৪-৮৫ চনত | ৫,৭৬,৫৬,৬৯৬.৭০ |

(গ) এতিয়ালৈকে এই অধিগ্ৰহণ কৰা গাড়ী সমূহৰ ভাড়া আৰু ড্ৰাইভাৰ হেণ্ডিমেনৰ বাবদ ৪,২৮,৮৬,৯১৩.৪৫ টকা দিবলৈ বাকী আছে।

(ঘ) গাড়ী সমূহ ভাল কৰোতে মুঠ ৬২,৪৯,৮২৩.২৮ টকা খৰচ হয়।

বি ঃ দৰং জিলাত ডকাইতি

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*৫২৯। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহৰ পিচৰ পৰা ১৬-১২-৮৫ চন লৈকে দৰং জিলাত কিমান ডকাইতি হৈছিল ?

(খ) ডকাইতিত লিপ্ত হোৱা কিমান ডকাইত দৰং জিলাৰ আৰক্ষী পুলিচে গ্ৰেপ্তাৰ এই সময়ছোৱাত কৰিছিল ?

(গ) ১৯৮৩ চনৰ জানুৱাৰী ফেব্ৰুৱাৰী মাহত কিমান জন ডকাইত গ্ৰেপ্তাৰ কৰা হৈছে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫২৯ (ক) ১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহৰ পিচৰ পৰা ১৬-১২-৮৫ লৈকে দৰং জিলাত মুঠ ১৮৭ টা ডকাইতি হয়।

(খ) এই সংক্ৰান্তত দৰং জিলাৰ আৰক্ষীয়ে ৭০ জন ডকাইতক এই

সময় ছোৱাত গ্ৰেপ্তাৰ কৰি আদালতৰ হাজোতলৈ প্ৰেৰণ কৰে।

(গ) ১৯৮৩ চনৰ জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহত ৯৫ জন ডকাইত গ্ৰেপ্তাৰ কৰা হৈছে।

Re : Deposit Credit Ratio of Nationalised Bank

Shri AMRITLAL BASUMATARY asked :

★530 Will the Chief Minister be pleased to state—

(a) The deposit credit ratio in the National Banks in Assam ?

(b) What is the Total amount of deposits received and investment advanced by the National Banks in Assam ?

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) replied :

530 (a)—The Credit deposit ratio of Commercial Banks including the Nationalised and the Regional Rural Banks in Assam is 50.2% as in September, 1935.

(b)—The total amount of deposits received and Credit advanced by the Commercial Banks including the Nationalised and the Regional Rural Banks in Assam is Rs. 972 96 crores and Rs. 488.19 crores respectively as in September, 1985.

বি ঃ বাকীজাই গোচৰ

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*৫৩১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম চৰকাৰৰ অধীনত সৰ্ব মুঠ কিমান বাকীজাই গোচৰ নিষ্পত্তি নোহোৱাকৈ পৰি আছে ?

(খ) দৰং জিলাত মুঠতে কিমান বাকীজাই গোচৰ বৰ্ত্তমান চলি আছে ?

(গ) কামৰূপ, বৰপেটা, নগাওঁ আৰু দৰং জিলাত এনে বাকীজাই গোচৰ উৎথাপন কৰিবলগীয়া হোৱা ঋণৰ অনাদায় হৈ পৰি থকা ধনৰ পৰিমাণ কিমান (জিলা হিচাবে পৃথক পৃথক ভাবে জনাব)?

(ঘ) দৰং জিলাত উপায়ুক্তৰ অধীনত থকা BC-3/Paultry firm loan, 77-78 issue No. 1120 dated 30-6-78 নম্বৰৰ বাকীজাই গোচৰটো বৰ্ত্তমান কি অৱস্থাত আছে জনাব নে?

(ঙ) এই গোচৰটো ১৯৭৮ চনৰ পৰা নিষ্পত্তি নকৰাকৈ ৰখা হৈছে কিয়?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৫৩১ (ক) সৰ্বমুঠ ১৬,৮৯৫ টা।

(খ) দৰং জিলাত সৰ্বমুঠ ৭৫১ টা।

(গ) কামৰূপ ৭৪,০০০,০০ টকা
বৰপেটা ১,৯৯,৩২০,৮৩ টকা
নগাও ২,১৬,৩৩৭,৪১ টকা
দৰং ৫,৭৮,৫৭৫,৪৬ টকা

(ঘ) আৰু (ঙ) দৰং জিলাৰ এই বাকীজাই গোচৰৰ পৰিপ্ৰেক্ষিতত শ্ৰীহাছিমুদ্দিন আহমেদৰ পৰা মুঠ ২৬১৩,৬৮ পইছা আদায় কৰা হৈছে। বাকী থকা ৮১,৩৯০,৫৬ টকা আদায়ৰ বাবে ব্যৱস্থা লোৱা হৈছে।

Re : Beltola ESI Hospital

Shri HEMEN DAS asked :

*532. Will the Minister be pleased to state—

(a) The number of employees appointed for the Beltola ESI Hospital and other ESI Dispensaries ?

(b) Is it a fact that interview was held on 30th December'85 after two months of their joining ?

(c) If yes, whether there was any advertisement for these post ?

(d) Is it a fact that a male staff Nurse was appointed in Beltola ESI Hospital through he has no nursing qualification ?

Shri DIPEN TANTI ( Minister of State Labour) replied :

532. (a)—Since the transfer of the ESI Scheme to Labour and Employment Department 65 ( sixty five) employees were appointed either by deputation or by direct recruitment for Beltola ESI Hospital. No employees was appointed by Labour and Employment in any other ESI Dispensary since transfer of the Scheme.

(b)—Yes an interview was held on 30th December 1985.

(c)—No advertisement was made but appointments were made on the basic of applications received.

(d)—It is not a fact.

Re : Supply of Medicines

Shri Karnendu Bhattacharjee asked :

*533. Will the Minister of State, Health be pleased to state :

(a) The procedure for supply of medicine to the medical Sub-Centres.

(b) Whether the Govt. is aware that the supply of medicine to the medical Sub-Centres in Silchar Subdivision of Cachar District is not done regularly ?

(c) If so, the steps the Govt. proposes to take to ensure regular supply of medicine to these Sub-centres ?

Shri Jatin Mali (Minister of State, Health) replied :

533. (a)- A sum of Rs. 2000 is earmarked for purchase of medicines against each Sub-Centre under the Family Welfare Seheme.

(b) & (c)—Govt. have no information. However, every possible step is being taken to ensure regular supply of medicine in each Sub Centre in Silchar Sub-division.

Re : Officers under Plantation Medical Inspection.

Shri Ganesh Kutum asked :

★534. Will the Minister of State Labour be pleased to state :

(a) The number of Officers serving in the posts of Plantation Medical Inspector's in Assam and their functions.

(b) Has the present Government plans to raise the number of such Inspector posts ?

শ্ৰীদ্বীপেন তাঁতী (ৰাজ্যিক শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫৩৪। (ক)—৪ জন। বাগিছা স্বাস্থ্য পৰিদৰ্শকৰ মূল কামবোৰ হ'ল চাহ বাগিছাৰ বনুৱা সকলৰ স্বাস্থ্য সম্বন্ধে চকু ৰখা আৰু শ্ৰমিকৰ কল্যানাৰ্থে চাহ শ্ৰমিক আইনৰ চিকিৎসা ক্ষেত্ৰত থকা ব্যৱস্থা সমূহ বলৱৎ কৰা।

(খ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

বি ঃ হাইলাকান্দি মহকুমাৰ মাটি অধিগ্ৰহণ

শ্ৰীহেমেন দাসে সুধিছে ঃ

*৫৩৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কাছাৰ জিলাৰ হাইলাকান্দি মহকুমাৰ ১৯৮১ চনৰ পৰা ১৯৮৫ চনৰ

ভিতৰত চৰকাৰে মাটি অধিগ্ৰহণ কৰিছিল নেকি?

(খ) অধিগ্ৰহণ কৰা লোকক ক্ষতিপূৰণ দিছে নেকি?

(গ) যদি দিছে, মূল্য নিৰ্দ্ধাৰণৰ ভিত্তি কি?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫৩৫ (ক) হয়, কৰিছিল।

(খ) হয়, আইন অনুযায়ী দিয়া হৈছে।

(গ) অসম ভূমি (অভিগ্ৰহণ আৰু অধিগ্ৰহণ) ১৯৬৪ আইনৰ ১১ (১) ধাৰা আৰু ভূমি অধিগ্ৰহণ ১৯৮৪ আইনৰ ২৩ ধাৰামতে জমিৰ মূল্য নিৰূপন কৰা হয়।

বি ঃ গৌৰাং পানী উত্তোলন প্ৰকল্পৰ কাৰ্য্য

শ্ৰীঅমৃতলাল বসুমতাৰীয়ে সুধিছে ঃ

*৫৩৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?
(ক) গৌৰাং (ফুটকি বাৰী) পানী উত্তোলন প্ৰকল্পটো কাৰ্য্যক্ষম হৈ আছেনে?

(খ) যদি নাই কিমান দিনৰ পৰা নাই?

(গ) কি কাৰণে কাৰ্য্যক্ষম কৰিব পৰা হোৱা নাই?

(ঘ) কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নে?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫৩৬ (ক) নাই।

(খ) ১৯৮৩ চনৰ চেপ্তেম্বৰ মাহৰ বানপানীত আচনি ক্ষতিগ্ৰস্ত হোৱাৰ পিছৰ পৰা।

(গ) গড়কাপ্তানী বিভাগৰ আৰ চি চি দলঙৰ তলৰ পৰা নৈৰ স্থিতি বাওঁ পাৰৰ মাটি খহাই আতৰি যোৱাৰ ফলত আন পাৰে বাৰ্জত থকা পাম্প সমূহলৈ পানীৰ সংযোগ কৰা হোৱা নাই।

(ঘ) গড়কাপ্তানী বিভাগে নৈৰ গতি নিয়ন্ত্ৰণ কৰি আকৌ আগৰ অৱস্থালৈ নানিলৈ পাম্প কেন্দ্ৰ চলাব পৰা নহয়। দলঙৰ উজনিত স্থায়ী গড়া থকা সুবিধাজনক ঠাইৰ অনুসন্ধান কৰি থকা হৈছে।

বি ঃ থানাৰ অধীনত থকা আৰক্ষী চকী

শ্ৰীমুক্তাৰ হুচেইনে সুধিছে ঃ

*৫৩৭। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) সাধাৰণতে এটা থানাৰ অধীনত কেইটা আৰক্ষী চকী থাকে ?

(খ) তাৰাবাৰী আৰক্ষী চকীৰ অধীনত কোনো আৰক্ষী চকী আছেনে ?

(গ) যদি নাই, তেন্তে দক্ষিণ বগুৰীবাৰী আৰু পূৱ চেঙ্গাণ গাওঁ পঞ্চায়ত এলেকাত তুখন আৰক্ষী চকী স্থাপন কৰিব নে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫৩৭ (ক) সাধাৰণতে এটা থানাৰ অধীনত কেইটা আৰক্ষী চকী থাকিব লাগে তাৰে কোনো নিৰ্দ্ধাৰিত নিয়ম নাই।

(খ) নাই।

(গ) এই বিষয়ে পৰীক্ষা নিৰীক্ষা চলি আছে।

Re: Patialpara lift Irrigation in Kokrajhar

Shri Amritlal Basumatary asked :

*538. Will the Minister Irrigation be pleased to state—

(a) Whether Government are aware that Patialpara (Bhaoraguri

Lift Irrigation in Kokrajhar district has been lying idle as the brick canals have all been lying broket after their construction ?

(b) If so, whether Government propose to reconstruct the brick canals ?

(c) I so, when ?

(d) Whether Government will inquire into the causes of the faulty works ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫৩৮। (ক)—পাটিয়ালপাৰা উত্তোলন জলসিঞ্চন আঁচনি বুলি কোনো আঁচনি নাই। ভাৰৰাগুৰীৰ ওচৰত গৰুফেলা নদীত মহেন্দ্ৰপুৰ উত্তোলন, আঁচনি বুলি জলসিঞ্চন আঁচনি এটা আছে, ই পাটিয়ালপাৰাৰ লগতে অন্যান্য গাওঁ-বোৰো উপকৃত কৰে। এই আঁচনিখন বৰ্ত্তমানে কাৰ্য্যক্ষম অৱস্থাত আছে।

(খ)—(ক) প্ৰশ্নৰ উত্তৰৰ সাপেক্ষে প্ৰশ্ন নুঠে।

(গ) ঐ

(ঘ) এই আঁচনিৰ দোষমুক্ত কোনো কামৰ খবৰ চৰকাৰৰ হাতত নাই।

Re : High and Higher Secondary Schools

Shri Abdul Jobbor asked :

*539 Will the Minister, Education be pleased to state—

(a) The number of High and Higher Secondary Schools in Dalgaon Constituency ?

(b) How many of there are provincialised ?

(c) When the non provincialised High and Higher Secondary Schools are going to be provincialised ?

(d) In the current year how many High and Higher Secondary Schools of the Constituency are going to be provincialised ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

৫৩৯। (ক) ১৪ (চৈধ্য) খন মাত্ৰ।

(খ) ৫ (পাঁচ) খন মাত্ৰ।

(গ) সম্প্ৰতি কোনো নিৰ্দ্ধাৰিত তাৰিখ দিব পৰা নাযায়।

(ঘ) এইটো স্কুল সমূহে পৰিপূৰ্ণ-কৰিবলগীয়া কিছুমান স্বৰ্ত্ত আৰু পুঁজিৰ অপৰ্য্যাপ্তৰ ওপৰত নিৰ্ভৰ কৰিব। বৰ্ত্তমান সঠিক হিচাপ দিব পৰা নহয়।

## বিঃ আৰক্ষী বিভাগত নিযুক্তি

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছেঃ

*৫৪০। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৩ চনৰ পৰা ১৯৮৫ চনলৈ আৰক্ষী বিভাগত কিমান লোকক নিযুক্তি দিয়া হৈছে ?

(খ) এই সময় চোৱাত নিযুক্তি দিয়া আৰক্ষী লোক সকলৰ উপ-পৰিদৰ্শক আৰু সহকাৰী উপ-পৰিদৰ্শক আৰু কনিষ্টবল কিমান জনা যাবনে ?

(গ) নিযুক্তি ঘোষণা কৰাৰ পিচতো এনেদৰে নিযুক্তি আৰক্ষী বিভাগে দিছিল নেকি ?

(ঘ) দৰং জিলাৰ আৰক্ষী অধীক্ষকে কিমান চিপাহীৰ নিযুক্তি দিছিল আৰু নিৰ্ব্বাচন ঘোষণা কৰাৰ পিচত নিযুক্তি দিছিল নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

৫৪০ (ক) ৯০১০ জন লোকক বিভিন্ন পদত নিযুক্তি দিয়া হৈছে।

(খ) উপ-পৰিদৰ্শক ২৭৪ জন, সহকাৰী উপ-পৰিদৰ্শক ২৬০ জন, কনিষ্টবল ৮৪৭৫ জন।

(গ) হয়, দিছিল।

(ঘ) মুঠ ৭০ জন, নির্বাচন ঘোষণা কৰাৰ পিচত নিযুক্তি দিয়া হোৱা নাই।

Re : State Dispensary

Shri SHEIKH SAMAN ALI asked :

*541. Will the Minister, Health be pleased to state :

Whether a state Dispensary will be set up in Jhunkaipara Gaon Panchayat under West Goalpara Constituency where not a single State Dispensary exists ?

Shri JATIN MALI (Minister of State, Health) replied :

541. Under Revised Minimum Needs Programme of Health Sector during Seventh Five Year Plan, there exists no provision for opening a State Dispensary. A primary Health Centre is to be established for every 30,000 population. Steps would be taken to establish a Primary Health Centrein the areas in question subject to the fulfilment of said norm and availability of funds.

Re : Surplus Lands of the Tea Garden of Assam

Shri PABIN CHANDRA DEKA asked :

★542. Will the Minister, Revenue be pleased to State—

(a) Whether the Government has taken steps to acquire the surplus lands of the tea Gardens of Assam ?

(b) If so, how many bighas of land acquired so far and how many bighas of lands so acquired have been distributed among the ex-tea garden labourers giving them ownership rights thereon ?

Shri THANESWAR BORO (Minister, Revenue) replied :

542. (a) Yes.

(b) – '2, 03, 784 bighas of land ~~have been~~ acquired from tea gardens and out of this 1, 75, 617 bighas have distributed to 65, 020 ex-tea garden labourers. Allotment certificates issued to all allottees under the fixation of Celling on Land Holding Act, 1956 as amendment. No ownership right has been so far.

Re : Divisional Forest Office

Shri ALTAF HUSSAIN MAZUMDAR asked :

★543. Will the Chief Minister, be pleased to state—

(a) Whether there are two Divisional Forest offices at Silchar and Karimganj for the District of Cachar and Karimganj respectively ?

(b) Is it a fact that some areas of Cachar District have been placed under the jurisdiction of Karimganj Divisional Office located at Karimganj and that it is inconvenient both from Administrative as well as from the view point of public connecting ?

(c) Is the Government aware that there is public demand for making the jurisdiction of both the said divisional offices co-terminus with the District boundaries and will the Government take action to re adjust in conformity with District boundaries ?

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) replied :

543. (a)—There were two Forest Divisions with headquater at Silchar and Karimganj respectively but these were established before the creation of Cachar and Karimganj District. Therefore, it is not correct to say that these divisions are meant for the Cachar and Karimganj civil district.

(b) - A part of Civil District of Cachar falls under Karimganj Forest Division. From the point of view of Forest Administration inconvenience has been experienced on this account.

(c) Government is not aware of such a demand.

বি ঃ বুৰঞ্জী আৰু পুৰাতত্ত্ব

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

*৫৪৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে ১৯৭৫ চনৰ পৰা ১৯৮৬ চনলৈ মুঠতে কিমান কিতাপ প্ৰকাশ কৰিছে? (নামবোৰ জনাব)

(খ) যোৱা ১৯৮০ চনৰ পৰা আয় ব্যয়ৰ হিচাপ ধৰি বৰ্ত্তমান প্ৰকাশন নিধিত কিমান টকা আছে জনাবনে? (বছৰ ভিত্তিত আয় ব্যয় জনাব)

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫৪৪ (ক) শিক্ষা বিভাগৰ প্ৰকাশন নিধিৰ পৰা ১৯৭৫ চনৰ পৰা ১৯৮৬ চনৰ ভিতৰত

(১) অংকীয়া নাট—

(২) ত্ৰিপুৰা বুৰঞ্জী—

(৩) কছাৰী বুৰঞ্জী—

এই কিতাপ তিনিখনৰ ওৱে ভাঙৰণ প্ৰকাশ কৰিছে।

(খ) যোৱা ১৯৮০ চনৰ পৰা প্ৰকাশন নিধিৰ আয় ব্যয়ৰ হিচাপ বছৰ ভিত্তিত সদনৰ মেজত ৰখা হল।

বি ঃ কৰিমগঞ্জে ডাকাতি

শ্ৰীৰমেন্দ্ৰ দে জিজ্ঞাসা কৰছেন ঃ

*৫৪৫। মাননীয় স্বৰাষ্ট্ৰ বিভাগেৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰিয়ে জনাবেন কি ?

(ক) ১৯৮৬ ইংৰাজীৰ জানুৱাৰী ফেব্রুয়াৰী মাসে কৰিমগঞ্জ জিলায় কতটা চুৰি বা ডাকাতি হয়েছে ?

(খ) কতজন চোৰ বা ডাকাত ধৰা হয়েছে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫৪৫ (ক) ১৯৮৬ চনৰ জানুৱাৰী মাহত কৰিমগঞ্জ জিলাত ১৭ টা চুৰি আৰু ৪টা ডকাইতি হয়। ফেব্রুৱাৰী মাহত ২৩ টা চুৰি আৰু ৭টা ডকাইটি হ্য়।

(খ) জানুৱাৰী মাহত ১১ জন চোৰ আৰু ১০ জন ডকাইতক গ্ৰেপ্তাৰ কৰা হয়। ফেব্রুৱাৰী মাহত ২৬ জন চোৰ আৰু ২৭ জন ডকাইতক গ্ৰেপ্তাৰ কৰা হয়।

Re : Police out posts

Shri ABDUL MUHIB MAZUMDAR asked :

★546 Will the Minister Home be pleased to state—

(a) Whether there are proposals to establish Police outposts at Kalacherra and at Bondukn ar Garden areas in the Hailakandi Subdivision

(b) Will the Government take steps to establish the outposts in view of the incrase in these areas ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫৪৬। (ক)—নাই।

(খ)—এই বিষয়ে সক্ৰিয়ভাৱে বিবেচনা কৰি থকা হৈছে।

বি ঃ কৃষি পাম নিগম

শ্ৰীবলোভদ্ৰ তামুলীয়ে সুধিছে ঃ

*৫৪৭। মাননীয় কৃষি মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৭৩-৭৪ চনত প্ৰতিস্থিত হোৱা কৃষিপাম নিগম সমূহত কিমান পৰিয়ালক সংস্থাপিত কৰা হৈছিল আৰু তাত বৰ্ত্তমান কিমান পৰিয়াল আছে ?

(খ) এই পামসমূহত চৰকাৰে পোনপটীয়াকৈ কিমান টকা বিনিয়োগ কৰিলে ?

(গ) পানবাৰী কৃষিপাম নিগমৰ ১৯৮৩ চনৰ পৰা ১৯৮৫ চনলৈকে আয়৹ ব্যয়ৰ খতিয়ান জনাবনে ?

(ঘ) অংশীদাৰ সকলক মাটিৰ মালিকি স্বত্ব দিয়া হবনে ?

শ্ৰীনীলমণি দাস ( কৃষি মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৫৪৭। (ক) ১৯৭৩-৭৪ চনত প্ৰতিস্থিত কৰা মুঠ ১২ খন কৃষিপাম নিগমত মুঠ ১৭৮৮ পৰিয়াল সংস্থাপিত কৰা হৈছিল আৰু বৰ্ত্তমান ১৭৬৭ পৰিয়াল আছে।

(খ) এই পামসমূহত মুঠ ৩৪,৯৫,৫০১ টকা অনুদান হিচাবে বিনিয়োগ কৰা হৈছিল।

(গ) পানবাৰী কৃষিপাম নিগমত ১৯৮৩ চনৰ পৰা ১৯৮৫ চনলৈ মুঠ ১,১২,৫৫৪ টকা অনুদান হিচাবে দিয়া হয় আৰু অংশীদাৰ সকলে তেওঁলোকৰ অংশত খেতি কৰি নিজেই ভৰণ পোষণ যায়। গতিকে ইয়াৰ আয় ব্যয়ৰ কথা নুঠে।

(ঘ) নহয়।

Re : Collective Fines

Shri PABIN CHANDRA DEKA asked :

★548. Will the Minister, Revenue be pleased to state—

(a) In how many villages of Assam the previous Government

imposed "Collective fines" from 1979 to 1985?

(b) Whether the present Government withdrawn the order of collective fines imposed upon the villages as a repressive measures?

(c) If so, give the names of the villages, and the date of withdrawal district-wise?

Shri THANESWAR BORO (Minister, Revenue) replied :

548. (a)—In 39 villages of 7 District namely Dibrugarh, Sibsagar, Sonitpur, Kamrup, Nalbari, Kokrajhar and Cachar.

(b)—The matter is under active consideration of Government.

(c)—Does not arise

বি ঃ দৈয়াং বনাঞ্চল মুকলি

শ্ৰীদেৱেশ্বৰ বৰাই সুধিছে ঃ

*৫৪৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) দৈয়াং বনাঞ্চলৰ সংক্ৰান্তত ১৯৭১ চনত জনতা চৰকাৰে দৈয়াঙৰ মাটি খেতিয়ক ৰাইজলৈ মুকলি কৰাৰ কিবা ঘোষণা কৰিছিল নেকি?

(খ) যদি কৰিছিল ঘোষণাটো কি আছিল?

(গ) এই ঘোষণা চৰকাৰে কাৰ্য্যকৰী কৰাৰ বাবে কিবা ব্যৱস্থা কৰিছে নেকি?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫৪৯। (ক) কোনো লিখিত সিদ্ধান্ত নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

বি ঃ কাৰবি আংলং জিলাৰ হিচাপ

শ্ৰীছামছিং হাঞ্চেই সুধিছে ঃ

*৫৫০। মাননীয় পাৰ্ব্বত্য অঞ্চলৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কাৰবি আংলং জিলা পৰিষদলৈ হস্তান্তৰ কৰা সমুদায় পৰিমাণৰ টকাৰ হিচাব সমূহ ভালকৈ পৰীক্ষা কৰা হয়নে ?

(খ) কাৰবি আংলং জিলা পৰিষদে ৰাজহুৱা ধন দুৰ্নীতি আৰু অপব্যয় কৰা বুলি তোলা অভিযোগ অসম চৰকাৰৰ কৰ্ণগোচৰ হৈছেনে ?

(গ) যদি হৈছে, কি ব্যৱস্থা লৈছে ?

(ঘ) ১৯৭৯-৮০ চনৰ পৰা বৰ্ত্তমানলৈ জিলা পৰিষদৰ আয়ব্যয়ৰ ওপৰত উচ্চ ক্ষমতা সম্পন্ন আয়োগৰ জৰিয়তে তদন্ত কৰোৱাৰ ব্যৱস্থা লব পাৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫৫০ (ক) ভাৰতীয় সংবিধানৰ ৬ষ্ঠ অনুসূচীত উল্লেখিত ৭(৪) অনুচ্ছেদ অনুযায়ী জিলা পৰিষদৰ আয় ব্যয়ৰ হিচাব সমূহ মহাগাননিকে পৰীক্ষা কৰাৰ পিছত ৰাজ্যপালৰ ওচৰত দাখিল কৰিলে ৰাজ্যপালে জিলা পৰিষদত উত্থাপন কৰাৰ ব্যৱস্থা আছে।

(খ) হয়।

(গ) এই সম্পৰ্কত কাৰবি আংলং জিলা পৰিষদৰ পৰা বিতং প্ৰতিবেদন বিচৰা হৈছে।

(ঘ) সদ্যহতে এই সম্পৰ্কে চৰকাৰে কোনো সিদ্ধান্ত লোৱা নাই।

বি ঃ আই ডোবা

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

*৫৫১। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মানকাচাৰ সমষ্টিৰ হেজাৰ হেজাৰ জনজাতীয় লোক বাস কৰা এলেকা খনত চিকিৎসা সেৱাৰ নামত সেই তাহানি কালৰ পৰা আই ডোবা নামৰ ঠাইত থকা একমাত্ৰ Subsidary Dispensary খন ৰাজ্যিক চিকিৎসালয়লৈ উন্নীত কৰাৰ কিবা পৰিকল্পনা চৰকাৰৰ হাতত আছেনে ?

(গ) যদি আছে কেতিয়া সেইখন পৰিকল্পনা বাস্তবায়ন হব বুলি আশা কৰিব পাৰি ?

(গ) যদি নাই, তেন্তে চৰকাৰে উক্ত চিকিৎসালয়খন বিছনাযুক্ত ৰাজ্যিক চিকিৎসালয় পৰ্য্যায়লৈ ৰূপান্তৰ কৰাৰ প্ৰয়োজনীয় ব্যৱস্থা অনতিপলমে গ্ৰহণ কৰিবনে ?

শ্ৰীযতীন মালি ( ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৫৫১ (ক) নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) বিবেচনা কৰা যাব।

Contd. Vol.—III

# VOL—III

বি ঃ কয়লা বিক্ৰী

শ্ৰীছামসিং হাঞ্চেই সুধিছে ঃ

*৫৫২। মাননীয় খনিজ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কাৰবি আংলং জিলাৰ কোনো ব্যক্তিক বা গোটক কয়লা সংগ্ৰহ তথা বিক্ৰী কৰাৰ অনুমতি দিয়া হৈছে নেকি ?

(খ) কাৰবি আংলঙৰ কয়লাখনি সমূহ বৰ্ত্তমান কেনে অৱস্থাত আছে ?

(গ) চৰকাৰীভাৱে কয়লা বিক্ৰী বা সংগ্ৰহৰ কিবা ব্যৱস্থা লৈছে নে ?

(ঘ) বৰ্ত্তমান চৰকাৰী আৰু বেচৰকৰী কয়লা খনি কাৰবি আংলঙত কেইটা আছে ?

শ্ৰীপদ্মেশ্বৰ দলে ( খনিজ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিব।

(ক) নাই হোৱা।

(খ) সম্প্ৰতি কাৰবি আংলং জিলাৰ কয়লাখনি সমূহ বন্ধ অৱস্থাত আছে।

(গ) কয়লা উৎপাদন আৰু বিক্ৰীৰ বাবে ব্যৱস্থা লোৱা হৈছে।

(ঘ) বৰ্ত্তমান কাৰবি আংলং জিলাত দুটা ৰাষ্ট্ৰীয়কৃত কয়লাখনি আছে। কোনো বেচৰকাৰী কয়লাখনি নাই।

বি ঃ চকীঘাটৰ দলং

শ্ৰীববিন শইকীয়াই সুধিছে ঃ

*৫৫৩ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) শোণিতপুৰ জিলাৰ জীয়াভৰলী নদীৰ ওপৰেদি নিৰ্মান কৰিবলগীয়া

২য় খন দলঙৰ জৰীপ কাৰ্য্য শেষ হ'ল নেকি? আৰু যদি হ'ল এই জৰীপ কাৰ্য্য কোনে কৰিছিল ?

(খ) যদি শেষ হ'ল তেন্তে ১৯৮৬-৮৭ চনৰ বিত্তীয় বছৰতে উক্ত দলং নিৰ্ম্মান হব নেকি ?

(গ) উক্ত দলং গড়কাপ্তানী বিভাগে নিজাববীয়াকৈ নিৰ্ম্মান কৰিবনে আন বিভাগৰ দ্বাৰা কৰাব ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে।

(ক) জৰীপৰ কাম হোৱা নাই। জৰীপৰ কাম দিল্লীৰ M/s. Consulting Engineering Services (India) Pvt. Ltd. নামৰ সন্থা এটাক দিয়া হৈছে।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

Re : Chief Engineer, P.H.E.

Shri Shahidul Islam asked :

★554. Will the Minister, P.H.E. be pleased to state—

(a) Is it a fact that the Chief Engineer. P.H.E. has been violating the normal procedure in the matter of offering contract for supply of various materials to the Department ?

(b) If so, whether the Govt. will be pleased to make a thorough enquiry with regard to the matters relating to the contract for supply of materials during the last 3 years ?

Shri Digen Ch. Bora ( Minister P.H.E. ) replied :

(a) No.

(b) Does not arise.

Re : Lakhimpur Lift Irrigation Scheme

Shri Dinesh Prasad Gowala asked :

*555 Will the Minister, Irrigation etc. be pleased to state—

(a) When the work of the Lakhimpur Lift Irrigation Scheme was started and what was the sanctioned fund for that scheme ?

(b) Whether it is a fact that an enquiry into the works of the scheme was initiated by the quality control ?

(c) If so, the findings of the said enquiry ?

(d) When the work of the said scheme will be completed ?

Shri Bharat Ch. Narah ( Minister, Irrigation) replied :

(a) Lakhimpur Irrigation Scheme was started in March/1978. Administrative approval was amount of Rs. 52,27,000/-

(b) Yes.

(c) The enquiry is not yet complete.

(d) The scheme is likely to be completed by 87-88.

বি ঃ ফায়াৰ ব্ৰিগেড ষ্টেচন

কুমাৰ দীপক দাসে সুধিছে ঃ

*৫৫৬। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) আজি বহু বছৰ ধৰি বৰপেটাত থকা ফায়াৰ ব্ৰিগেড ষ্টেচনৰ নিজা ভৱন নথকাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, এই ভৱন নিৰ্মাণৰ ব্যৱস্থা চৰকাৰে কিবা কৰিছিল নেকি ?

(গ) যদি নাজানে ইয়াৰ নিৰ্মাণৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়। বৰপেটা ফায়াৰ ব্ৰিগ্ৰেড ষ্টেচনৰ নিজা ভৱন নাই।

(খ) কৰা নাই।

(গ) আৱশ্যকীয় পুঁজি পোৱাৰ সাপেক্ষে ভৱন নিৰ্মাণৰ কাম হাতত লোৱা হব।

বি ঃ ক্ষুদ্ৰ উদ্যোগ স্থাপন

শ্ৰীমহেন্দ্ৰ মোহন ৰয় চৌধুৰীয়ে সুধিছে ঃ

*৫৫৭। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উদ্যোগ বিভাগৰ অধীনত নিৱনুৱা সকলক ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ বিষয়ে আগ্ৰহী তথা অবগত কৰাবলৈ কিবা আঁচনি আছেনে ?

(খ) যদি আছে কি আঁচনি ?

(গ) এই আঁচনিবোৰৰ পৰা যোৱা বিত্তীয় বছৰটোত কিমান নিবনুৱা উপকৃত হৈছে ?

শ্ৰীদীগেন চন্দ্ৰ বৰা (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, আছে।

(খ) (১) উদ্যোগমুখী কৰণ প্ৰশিক্ষণ, (EMTC) আঁচনি।

(২) শিক্ষিত নিবনুৱাৰ আত্মসংস্থাপন আঁচনি (SEEUY)

(গ) (১) ৩০৫ জন (EMTC)।

(২) ৭,৭১৭ জন (SEEUY)।

Re : Financial Condition of Tea Gardens

Kumari Rabi Das asked—

Will the Minister of Industries be pleased to state—

★558. (a) Whether the Government is aware that the financial conditions of many Tea Gardens is not satisfactory ?

(b) Whether Government is thinking to take over all the uneconomically weak Tea Gardens for better management ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা ( উদ্যোগ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয়, জানে।

(খ) চৰকাৰে দুৰ্ব্বল চাহ বাগিছা সমূহ লোৱাৰ বিষয়ে একো সিদ্ধান্ত লোৱা নাই। ৰুগীয়া বাগিছা Central Tea Act -তৰ অধীনতে লোৱা হয়।

বি ঃ প্ৰাকৃতিক গেছৰ উদ্যোগ

শ্ৰীকুসুম্বৰ টাইৰাইয়ে ( গগৈ ) সুধিছে ঃ

মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

*৫৫৯ (ক) অসমৰ তৈল ক্ষেত্ৰ বিশেষকৈ দুলীয়াজান তৈল ক্ষেত্ৰত অবাবতে জ্বলাই পেলোৱা প্ৰাকৃতিক গেছৰ ভিত্তিত উদ্যোগ গঢ়ি তোলাৰ কথা চৰকাৰে চিন্তা কৰিছেনেকি ?

(খ) এম্প্ৰেনাটিক চিপ এক্ট (১৯৬১) অনুযায়ী অসমৰ উদ্যোগ সমূহত

বৰ্ত্তমান কিমান যুৱকে প্ৰশিক্ষণ লৈ আছে, আৰু কিমান যুৱকে ইয়াৰ দ্বাৰা উপকৃত হৈছে মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা ( উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ তৈল ক্ষেত্ৰত পোৱা প্ৰাকৃতিক গেছৰ ভিত্তিত বৃহত আকাৰৰ এটা Gas fracionation আৰু separation প্ৰকল্প স্থাপনৰ কাৰণে অনুমতি বিচাৰি কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ সৈতে যোগাযোগ কৰা হৈছে।

(খ) নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ বিভাগে উত্তৰ দিব।

বি ঃ B. A. M. S. পাঠ্যক্ৰম

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

*৫৬০ মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) আয়ুৰ্ব্বেদিক মহাবিদ্যালয়ত B.A.M.S. পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰাৰে পৰা স্নাতক পৰ্য্যায়ৰ শিক্ষাদানৰ কাৰণে উপযুক্ত পৰিমাণৰ শিক্ষক নথকা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে অতি সোনকালে শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিবনে ?

(গ) যিহেতুকে অসমত আয়ুৰ্ব্বেদীকৰ স্নাতকোত্তৰ পাঠ্যক্ৰম নাই গতিকে অসম চৰকাৰে এই দীৰ্ঘদিনীয়া সমস্যা পূৰণ কৰিবলৈ অসমৰ আয়ুৰ্ব্বেদীক স্নাতক সকলৰ স্নাতকোত্তৰ (MD) (AYA) MS (AX) পাঠ্যক্ৰম পঢ়িবলৈ বাহিৰত পঠোৱাৰ কি ব্যৱস্থা চৰকাৰে হাতত লৈছে জনাবনে ?

(ঘ) ভাৰতৰ অন্যান্য ৰাজ্যত থকাৰ দৰে অসম চৰকাৰে আয়ুৰ্ব্বেদীক চিকিৎসা বিজ্ঞানৰ উন্নতিৰ কাৰণে অসমত আয়ুৰ্ব্বেদীক পৃথক সঞ্চালকালয় স্থাপন কৰাৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছেনে ?

শ্ৰীযতীন মালি ( স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে।

(ক) জানে।

(খ) ব্যৱস্থা কৰা হৈছে।

(গ) প্ৰতি নিযুক্তি পঠোৱা ব্যৱস্থা আছে।

(ঘ) এই বিষয়ে চৰকাৰে এতিয়া চিন্তা কৰা নাই।

বি ঃ বঙাই গাওঁত পানী যোগান আঁচনি

শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

*৫৬১। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বঙাইগাওঁ চহৰত পানীযোগানৰ ব্যৱস্থাৰ বাবে চৰকাৰে কিবা আঁচনি লৈছে নেকি ?

(খ) যদি লৈছে এই আঁচনিৰ কাম বৰ্ত্তমানে কি পৰ্য্যায়ত আছে ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) আঁচনিৰ নক্সা প্ৰাককলন ইত্যাদিৰ প্ৰস্তুতিৰ ভাৰ গোৱালপাৰাৰ সংমণ্ডলক দিয়া হৈছে।

(খ) জৰীপৰ কাম সম্পূৰ্ণ হৈছে।

Re : Headquarters of Assam based industries

Shri Pabin Chandra Deka asked :

★562 Will the Minister, Industries be pleased to state :—

Whether the Govt. has taken steps to transfer the Head quaters and main distributing centres of the Assam based industries

from Calcutta, Dehradun, Delhi, Pune or from any other places outside Assam ? If so mention the steps taken.

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা (উদ্যোগ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

হয়, ব্যৱস্থা লৈ আছে। এই উদ্দেশ্যই আমিনগাওঁত এখন চাহ নগৰী নিৰ্ম্মাণৰ আঁচনি হাতত লোৱা হৈছে। আৰু Inland Container Depot. স্থাপন কৰা হৈছে।

Re : Theft Cases in BTPS Salakati

Sri Charan Narzari asked :

★563 Will the Minister, Power be pleased to state—

(a) Whether it is fact that there were several Theft Cases in the BTPS. Salakati in the recent past ?

(b) If so, the number of such theft cases (item wise properties) stolen and their total value should be inclained) ?

(c) Whether any proceeding of such theft cases is pending before the Court of local ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা (শক্তি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) যোৱা তিনি বছৰত ৯২টা চুৰিৰ ঘটনা ঘটিছিল। চুৰি হোৱা বস্তুৰ মূল্য অনুমানিক ৬·৬৯ লাখ টকা। বিস্তাৰিত বিৱৰণী সদনৰ মজিয়াত ৰখা হ'ল।

(গ) প্ৰত্যেকটো চুৰিৰ ঘটনা কোকৰাঝাৰ থানাত জনোৱা হৈছে আৰু বিভিন্ন স্তৰত অনুসন্ধান কাৰ্য্য চলি আছে।

বি ঃ নিৰ্ব্বাচনত আৰক্ষী বিভাগৰ খৰচ।

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

*৫৬৪। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহত অনুস্থিত কৰা নিৰ্ব্বাচনত মুঠতে কিমান টকা আৰক্ষী বিভাগে খৰচ কৰিছিল ?

(খ) বিভিন্ন জিলাত আৰক্ষী অধিক্ষক সকলে কৰা খৰছৰ হিচাব জিলা ভিত্তিত জনাবনে ?

(গ) যোৰহাটৰ আৰক্ষী অধিক্ষকে কৰা এনে খৰছৰ সম্পৰ্কত কিবা অভিযোগ উঠাটো সঁচানে ?

(ঘ) এই সম্পৰ্কত চৰকাৰে বিতং কিবা হিচাব পৰীক্ষা কৰিবলৈ ব্যৱস্থা লৈছে নে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহত অনুস্থিত হোৱা নিৰ্ব্বাচনত আৰক্ষী বিভাগে খৰচ কৰা ব্যয়—৮,২৬,৬৮,০১১.০০ টকা।

(খ) বিভিন্ন জিলাত আৰক্ষী অধিক্ষক সকলে কৰা খৰচৰ হিচাব জিলা ভিত্তিত বিবৃতিত দিয়া হৈছে।

(গ) হয়, সচা।

(ঘ) মহাগাননিক কাৰ্য্যালয়ৰ বিশেষ হিচাব পৰীক্ষকৰ দ্বাৰা যোৰহাট আৰক্ষী অধিক্ষকে কৰা খৰছ পৰীক্ষা কৰোৱা হৈছে।

Re : Drinking Water Pipe Lines

Shri ALTAF HOSSAIN MAZUMDAR asked :

*565. Will the Minister, P.H.E. be pleased to state—

(a) Is the Govt. aware that for want of Burcorks, wastage

of water takes place in the drinking water pipe lines of Public Health Engineering in Silchar civil sub division ?

(b) If so will the Govt. provide Burcorks to check wastage of water and to cover more areas ?

Shri DIGEN CH. BORA ( Minister P.H.E. ) replied :

(a) Yes.

(b) Yes.

বি ঃ ছাত্র ছাত্রীৰ বৃত্তিৰ টকা

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতাই সুধিছে ঃ

*৫৬৬। মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) L.I.G. আৰু M. C. M. ৰ ছাত্ৰ-ছাত্ৰীৰ বৃত্তিৰ টকা পুনৰ দিয়াৰ কিবা সিদ্ধান্ত লৈছে নেকি ?

(খ) G. I. T. আৰু কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপনৰ স্থান সম্পৰ্কত চৰকাৰে কিবা সিদ্ধান্ত লৈছে নেকি ?

(গ) যদি লৈছে, কেতিয়াৰ পৰা এই অনুষ্ঠানৰ কাম আৰম্ভ কৰিব ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নাই লোৱা।

(খ) এই বিষয়ত এতিয়াও কোনো সিদ্ধান্ত লোৱা নাই।

(গ) প্ৰশ্ন নুঠে।

Re : Detection of Foreigners in Assam

Shri Amritlal Basumatari asked –

*567. Will the Chief Minister be pleased to state :–

(a) Whether it is a fact that foreigners who come to Assam

on or after March 25, 1971 were detected and deported to Bangladesh ?

(b) Whether it is also a fact that those who will be detected now as having entered into Assam on or after March 25, 1971 will be expelled to other States of India and not deported to the country of origin ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) Assam replied :

(a) হয়।

(b) নহয়।

বি ঃ বঙাইগাওঁ ৰেলৱে হাইয়াৰ চেকেণ্ডাৰী স্কুল

শ্ৰীমুক্তাৰ হুচেইনে সুধিছে ঃ

*৫৬৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৰাজ্য চৰকাৰ পৰিচালিত বঙাইগাওঁ ৰেলৱে হাইয়াৰ চেকেণ্ডাৰী স্কুল ১৯৭৯ চনৰ অক্টোবৰ মাহত হাইস্কুলৰ পৰা হাইয়াৰ চেকেণ্ডাৰী হিচাবে স্বীকৃত হৈছিলনে ?

(খ) যদি হৈছিল, এই কথা সঁচানে যে এই স্কুলৰ শিক্ষক সকলৰ দৰমহা ইত্যাদিৰ বাবে আৰ্থিক মঞ্জুৰী ১৯৮১ চনৰ নৱেম্বৰ মাহৰ পৰা দিয়া হৈছে ?

(গ) ১৯৭৯ চনৰ অক্টোবৰ মাহৰ পৰা ১৯৮১ চনৰ অক্টোবৰ মাহলৈকে দীৰ্ঘ ২৭ মাহৰ দৰমহা ইত্যাদি এই স্কুলৰ শিক্ষক সকলে আজিলৈকে নোপোৱা কথাটো সচানে ?

(ঘ) যদি সঁচা তেনেহলে এই শিক্ষকসকলৰ দৰমহাৰ বাকী টকা দিয়াৰ ব্যৱস্থা ৰাজ্য চৰকাৰে অনতি পলমে কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) হয়।

(গ) সঁচা।

(ঘ) ব্যৱস্থা কৰি থকা হৈছে।

স্মাঃ নং ই পি জি ৪৪০।৮৬।৩ ক তাৰিখ ৩।৪।৮৬

ইয়াৰ ৪টা প্ৰতিলিপি বিধান সভা সচিবালয়ৰ সচিবলৈ বিহিত ব্যৱস্থাৰ বাবে পঠোৱা হ'ল।

স্বাক্ষৰকাৰী

৩।৪।৮৬

উপসচিব, শিক্ষা বিভাগ

Re : Circuit House at Karimganj

Shri Abdul Muqtadir Choudhury asked :

*569. Will the Minister G. A. D. be pleased to state—

(a) The amount sanctioned for Construction of the additional Circuit House at Karimganj ?

(b) When the plan estimates has been sent to G. A. D. for sanction ?

(c) Whether any allocation has been made for the year 1985-86 and 1986-87 for the aforesaid purpose ?

শ্ৰীভৃগু কুমাৰ ফুকন (সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে।

(ক) কোনো ধনৰ মঞ্জুৰী দিয়া হোৱা নাই।

(খ) ১৯৮৪ চনৰ আগষ্ট মাহত পোৱা হৈছিল।

(গ) ১৯৮৫-৮৬ চনলৈকে কোনো মঞ্জুৰী দিয়া হোৱা নাই।

১৯৮৬-৮৭ চনৰ বাবে পৰিকল্পনা শিতানত পাব লগা ধনৰ পৰা চলি থকা নিৰ্মাণ আঁচনিৰ বাবে খৰচৰ ধন বাদ দিয়াৰ পাছত যদি টকা থাকে তেনেহলে বিভাগীয় কমিটিয়ে বিবেচনা কৰি চাব।

বি ঃ হিংসাত্মক ঘটনাত পৰিয়াল ক্ষতিগ্ৰস্ত

শ্ৰীবত্নেশ্বৰ চৰকাৰে সুধিছে—

*৫৭০ মাননীয় সাহাৰ্য্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ১৯৮৩ চনত ঘটা হিংসাত্মক ঘটনাত উত্তৰ শালমৰা মহকুমাৰ কিমান পৰিয়াল ক্ষতিগ্ৰস্ত হয় জনাবনে?

(খ) ইয়াৰ প্ৰতিটো পৰিয়ালে আগৰ চৰকাৰে ধাৰ্য্য কৰামতে দুহেজাৰ টকা আৰু তিনি বান্দেল টিনপাত পাইছেনে?

(গ) ইয়াৰ উপৰিও প্ৰতিটো কৃষিজীবি পৰিয়ালে গৰু কিনাৰ বাবে আৰ্থিক অনুদান আৰু ব্যৱসায়ি ব্যক্তিয়ে ব্যৱসায় বাণিজ্যৰ বাবে ক্ষতিপুৰণ পাইছেনে?

(ঘ) যদি পোৱা নাই তাৰ কাৰণ কি?

শ্ৰীথানেশ্বৰ বড়ো (সাহাৰ্য্য আৰু পুনৰ সংস্থাপন মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২১৮৯টা সম্পূৰ্ণভাৱে আৰু ২৫৬টা পৰিয়াল আংশিকভাৱে ক্ষতিগ্ৰস্ত হয়।

(খ) ২১৮৯টা সম্পূৰ্ণভাৱে ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালৰ ভিতৰত ২০৬০টা

পৰিয়ালক চৰকাৰৰ নিৰিখ মতে দুহেজাৰ টকা আৰু তিনি বান্দোল টিনপাত দিয়া হৈছে।

বাকী ১২৫টা পৰিয়ালক দুহেজাৰকৈ টকা দিয়া হৈছে কিন্তু টিনপাতৰ অভাৱত তেওঁলোকক টিনপাত দিয়া হোৱা নাছিল।

(গ) মহকুমা পশু চিকিৎসা বিষয়াই যুগুতাই দিয়া ক্ষতিগ্ৰস্ত প্ৰতিটো কৃষি জীবি পৰিয়াললৈ থিৰতি গাই আৰু হালৰ বলদ গৰু কিনাৰ বাবে অনুদান দিয়া হৈছে। আৰু তদন্ত সাপেক্ষে পোৱা প্ৰতিটো ব্যৱসায়ী পৰিয়াললৈ আৰ্থিক মঞ্জুৰী দিয়া হৈছে।

(ঘ) প্ৰশ্ন নুঠে।

বি ঃ শ্ৰম আদালত

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

*৫৭১। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) শ্ৰম আদালত আৰু শিল্প আদালতত বিচাৰ নোহোৱা কৈ শ্ৰম বিবাদ কিমান আছে ?

(খ) বিবাদবোৰ কিমান দিনৰ পৰা বিচাৰ নোহোৱাকৈ পৰি আছে ? ( চন তাৰিখ সহ জনাব )

শ্ৰীবাৰ্কি প্ৰসাদ টেলেঙ্গা ( শ্ৰম মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) ৩৫৭টা শ্ৰম বিবাদ আছে। ( শ্ৰম আঃ— ১৩৩, শিঃ আঃ— ২২৪ )

(খ) ১৯৬৭ চনৰ পৰাই বিবাদ সমূহ পৰি আছে। ( বিতং বিৱৰণী সদনৰ জ্ঞাতাৰ্থে সদনৰ মজিয়াত ( মেজত ) দিয়া হৈছে )।

Re : Air and Water Pollution

Shri Bhadreswar Buragohain asked :

*572 Will the Minister Environment be pleased to state—

(a) Whether the Govt. is aware of the air and water pollution in and around Numrup Hindustan Fertilizer Plant ?

(b) If so, the steps taken by the Govt. to prevent such pollution ?

(c) Whether the State Water and Air Pollution Board has been reconstituted ?

(d) If not why ?

Shri Brindaban Goswami, ( Minister, Science Technology & Enviroment ) replied :

(a) Yes, Sir.

(b) The Board for prevention and Control of water Pollution has asked the Hindustan Fertilizer Corpn. Ltd. Namrup to take necessary. Pollution Control measures, so that the characteristics of treated effluent & air born pollutions conform to the specified standards. A task force has been constituted by the Control Board for prevention and Control of water Pollution to over see the implementation of the Pollution Control devices by the Fertilizer Industries and in this connection, the Task Force for this region held a meeting at Guwahati on 17. 3. 86 & gave necessary instruction to the Hindustan Fertilizer Corpn. Ltd. Namrup.

(c) The Board for prevention & control of water pollution was reconstituted on the 10th June/85 as per provision of the water ( prevention & Control of Pollution ) Act, 1974.

(d) Does not arise.

বি : Inland Container Depot

শ্ৰীজগৎ হাজৰিকাই সুধিছে ঃ

মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

*৫৭৩ (ক) অসমত Inland Container Depot. কেইটা আছে ?

(খ) উক্ত Inland Container Depot বোৰৰ নিৰ্মান কাৰ্য্য সম্পূৰ্ণ হৈছেনে ?

(গ) উক্ত Inland Container Depot বোৰৰ যোগেদি বৰ্ত্তমানলৈকে কিমান টকাৰ বস্তু ৰপ্তানি কৰা হৈছে, অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা (উদ্যোগ মন্ত্ৰী) য়ে উত্তৰ দিছে

(ক) এটা। গুৱাহাটীৰ আমিনগাৱত।

(খ) হয়, উক্ত Inland Container Depot ৰ নিৰ্মান কাৰ্য্য যোৱা ইং ১৪।১১।৮৫ তাৰিখে সম্পূৰ্ণ হয়।

(গ) উক্ত Inland Container Depot ৰ যোগেদি বৰ্ত্তমানলৈকে দুখন ৰেলৰ Container ভৰ্ত্তি চাহপাত ৰপ্তানি কৰা হৈছে আৰু তাৰ মূল্য প্ৰায় ৭৫ লাখ টকা।

বি ঃ কমাৰবন্ধা Health Unit

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে ঃ

*৫৭৪ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

কমাৰবন্ধা Health Unit খন upgrade কৰাৰ বিষয়ে কিবা ব্যৱস্থা হাতত লৈছে নেকি ?

শ্ৰীযতীন মালি (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

বৰ্ত্তমানলৈকে লোৱা নাই।

বি ঃ Sub Registry Office

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

*৫৭৫ মাননীয় পঞ্জীয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) Commission basis Sub Registry Office বোৰত মাটি কিনা বেচাৰ বাবে Registry কৰাৰ সময়ত কোনো নিৰ্দ্ধাৰিত fees দিব লাগে নে Sub Registrar ৰ ইচ্ছামতে fees দিব লাগে ?

(খ) যদি নিৰ্দ্ধাৰিত হাৰত Fees দিব লাগে তেন্তে তাৰ পৰিমাণ কি ?

(গ) দঃ শালমৰা মানকাছাৰ মহকুমাৰ সদৰ ঠাই হাট শিঙ্গীমাৰীত থকা Commission Basis Sub-Registry Office ৰ ভাৰপ্ৰাপ্ত বিষয়াজন ব্যাপক দুৰ্নীতিত লিপ্ত বুলি উঠা অভিযোগ সম্বন্ধে চৰকাৰ জ্ঞাত নে ?

শ্ৰীথানেশ্বৰ বড়ো (পঞ্জীয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰী পঞ্জীয়ন কাৰ্য্যালয়ৰ নিচিনাকৈ commission ভিত্তিক কাৰ্য্যালয়তো নিৰ্দ্ধাৰিত হাৰত হে ফিজ দিব লাগে, ইচ্ছামতে নহয়।

(খ) দলিলত উল্লেখিত সম্পত্তিৰ মূল্য—

৫০ টকাৰ অধিক নহলে ১ টকা ১২ পইচা

৫০ টকাৰ অধিক কিন্তু ১০০ টকাৰ অধিক নহলে ১ টকা ৭৫ পইচা

১০০ টকাৰ অধিক কিন্তু ২৫০ টকাৰ অধিক নহলে ২ টকা ৫০ পইচা

২৫০ টকাৰ অধিক কিন্তু ৫০০ টকাৰ অধিক নহলে ৪ টকা ৫০ পইচা।

৫০০ টকাৰ অধিক কিন্তু ১০০০ টকাৰ অধিক নহলে ৭ টকা ৫০ পইচা

অতিৰিক্ত ১০০০ টকা বা ওপৰঞ্চি অংশৰ বাবে ৪·০০ টকাকৈ।

(গ) দুৰ্নীতিৰ সংক্ৰান্তৰ অভিযোগ এখন ধুবুৰী জিলা পঞ্জীয়কে পাইছে আৰু বৰ্তমান বিষয়তো সংশ্লিষ্ট মহকুমাধিপতিৰ তদন্তাধীন।

বি ঃ শিমলুগুৰি আৰক্ষী চকী

শ্ৰীকেশৰাম বৰাই সুধিছে ঃ

*৫৭৬। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বিহপুৰীয়া সমষ্টিৰ অন্তৰ্গত শিমলুগুৰি আৰক্ষী চকীটো আগৰ গাওঁ পঞ্চায়তৰ ঘৰটোত চলি থকা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে গাওঁ পঞ্চায়তৰ কৰ্মচাৰী সকলৰ কাম কৰাৰ অসুবিধালৈ চাই অতি সোনকালে উক্ত থানাখন স্থানান্তৰীত কৰাৰ ব্যৱস্থা চৰকাৰে লবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) এটা অস্থায়ী আৰক্ষী চকী শিমলুগুৰি গাওঁ পঞ্চায়তৰ ঘৰ এটাৰ পৰা কামকাজ চলি থকা কথাটো চৰকাৰে জানে।

(খ) বিকল্প সুবিধাজনক ঘৰ এটা পোৱাৰ লগে লগে এই ঘৰটোৰ পৰা আৰক্ষী চকীটো স্থানান্তৰীত কৰা হব।

Re : Black topping of Lanka-Laskarpathar road.

Shri SANTI RANJAN DAS GUPTA asked :

*577. Will the Minister P.W.D. be pleased to state :

(a) Whether there is any proposal before the Govt. to Blacktop the Lanka-Laskarpathar Bazar Road and Hojai Town -Jugijan Bazar Road ?

(b) Whether Govt. is aware that the above two roads are very important and very old Roads ?

(c) If there is no proposal, will Govt. include those two Roads in the next year Blacktopping Schemes ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) নাই।

(খ) হয় জানে।

(গ) বিবেচনা কৰি চোৱা হব।

Re : Construction of Capital

Shri Maziruddin Ahmed. asked :

*578. Will the Minister, G A. D be pleased to state :

(a) The amo nt allotted for the construction of Capital at Chandrapur ?

(b) Whether any amount has been spent so far and if so, what is the amount ?

(c) If so, what has been progress of the work ?

(d) If not, when will the construction of Capital be undertaken ?

শ্ৰীভৃগু কুমাৰ ফুকন (সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে।

(ক) প্ৰাগজ্যোতিষপুৰত নতুন ৰাজধানী নিৰ্মাণৰ বাবে ১৯৮৪-৮৫ আৰু ১৯৮৫-৮৬ চনত বাজেটৰ ধন মঞ্জুৰী প্ৰত্যেক বছৰৰ কাৰণে ১০ (দহ) কোটি টকা ধৰা হৈছে।

(খ) ৰাজধানী নিৰ্ম্মাণৰ অৰ্থে কিছুমান প্ৰাৰম্ভিক কামৰ বাবে ২৮।২।৮৬ ইং তাৰিখলৈকে মুঠ ৪৩,৮৩,৯৬১.০০ টকা খৰচ কৰা হৈছে।

(গ) জৰিপ, হাবিকটা আৰু ৰাস্তা নিৰ্ম্মাণৰ কিছু কামৰ বাহিৰে বিশেষ কোনো প্ৰগতি হোৱা নাই। ৰাজধানী এলেকাৰ কেন্দ্ৰ স্থল (coresite) এতিয়াও স্থিৰ হোৱা নাই।

(ঘ) এই বিষয়ে এতিয়াও সিদ্ধান্ত লোৱা হোৱা নাই।

বিঃ অসমৰ স্থায়ী ৰাজধানী

শ্ৰীআব্দুল জলিলে শুধিছেঃ

*৫৭৯ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) পূৰ্ব্বৰ চৰকাৰে লোৱা সিদ্ধান্ত অনুসৰি অসমৰ স্থায়ী ৰাজধানীৰ স্থান "প্ৰাগজ্যোতিষপুৰেই" থাকিব নে সলনি হব ?

(খ) যদি প্ৰাগজ্যোতিষপুৰেই থাকে তেতিয়া হলে ৰাজধানী নিৰ্ম্মানৰ আঁচনি গ্ৰহণ কৰা হৈছে নেকি ?

(গ) যদি হৈছে কিমান টকাৰ আঁচনি গ্ৰহণ কৰা হৈছে, আৰু কেন্দ্ৰীয় চৰকাৰে কিমান দিবলৈ সন্মত হৈছে ?

(ঘ) ৰাজধানী নিৰ্ম্মাণৰ কিবা-কাম আৰম্ভ হৈছে নেকি ? যদি হৈছে কি কি হৈছে আৰু বৰ্ত্তমানলৈ কিমান টকা ব্যয় কৰা হৈছে ?

শ্ৰীভৃগু কুমাৰ ফুকন (সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) এই বিষয়ে এতিয়াও চূড়ান্ত সিদ্ধান্ত লোৱা হোৱা নাই।

(খ) আৰু (গ)—(ক) ৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

(ঘ) এই সংক্ৰান্তত আগৰ পৰাই ইয়াৰ প্ৰাৰম্ভিক কাম আৰম্ভ হৈছে। যেনে—

(১) আধাৰশিলা স্থাপন অনুষ্ঠান,

(২) ৰাজধানী নিৰ্মাণৰ বাবে সাধাৰণ প্ৰশাসক বিভাগৰ অধীনত আৰু অসম নগৰ পৰিকল্পনাৰ অধীনত দুটা যুঁৰীয়া শাখা গঠন।

(৩) ভাৰত চৰকাৰৰ জৰীপ বিভাগৰ ওপৰত ৰাজধানী এলেকাত জৰীপ আৰু মানচিত্ৰ প্ৰনয়ণৰ ভাৰ ন্যস্ত।

(৪) গড়কাপ্তানী বিভাগে ৰাজধানী সংযোগৰ কাৰণে পথৰ জৰীপ আৰু নিৰ্মাণৰ কাম কিছু আৰম্ভ কৰিছে।

(৫) অসম চৰকাৰৰ জৰীপ বিভাগে প্ৰাগজ্যোতিষপুৰ জিলাৰ ১৫ খন গাওঁৰ কেডেষ্ট্ৰেল জৰীপ কৰিছে।

(৬) বন বিভাগে জৰীপৰ সুচলৰ কাৰণে ৰাজধানী এলেকাৰ হাবি কটাৰ কাম কৰিছে।

ৰাজধানী নিৰ্বাচনৰ প্ৰাৰম্ভিক কামৰ কাৰণে ২৮-২-৮৬ তাৰিখলৈকে মুঠ ৪৩,৮৩,৯৬১.০০ টকা ব্যয় কৰা হৈছে।

Re: Anti-Coruaption Vigilance Cell

Shri Ramendra De asked :

★580 Will the Minister political be pleased to state –

(a) The number of cases detected till date by the Anti-Corruption Vigilance cell of the State Govt. ?

(b) The number of cases under investigation ?

(c) The number of cases in the District of Cachar and Karimganj ?

শ্ৰীভৃগু কুমাৰ ফুকন (ৰাজনৈতিক বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) ১০৪ টা।

(খ) ১৩১ টা।

(গ) ( ) ধৰাপেলোৱা ১০ টা।

(ii) অনুসন্ধান চলি থকা ১৪ টা।

Re : Flood Damage Repair

Shri Karnendu Bhattacharjee asked :

★581 Will the Minister, Flood Control be pleased to State :

(a) The amount allotted under Flood Damage Repairs by the Govt. to the Flood Control Deptt. during the year 1985-86 ?

(b) The amount allotted under the same head for the Cachar District during the same year ?

(c) Whether all the damages caused by the flood of 1985 to the flood control measures has been duly repaired in Cachar Dist.

শ্ৰীভৰত চন্দ্ৰ নৰহ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) মুঠ টকা ৯৫৭·৫১ লাখ

(খ) "২৮৯ বানপানী সাহাৰ্য্য" শিতানত গত বিত্তিয় বছৰত টকা ১০০·৫৬ লাখ আৱন্তন কৰা হৈছে।

(গ) প্ৰায় বিলাক মথাউৰি দিপাকটাৰ পুনৰ নিৰ্মানৰ কাম শেষ হৈছে। অন্যান্য ডাঙৰ মেৰামতিৰ কামো এপ্ৰিল '৮৬ ৰ মাজ ভাগত শেষ হোৱাৰ সম্ভাৱনা আছে।

Re : sub plan allocation

Shri Ganesh Kutum asked :

*582. Will the Chief Minister be pleased to state—

Any sub Plan allocation is made for sports Deptt. like any other developing Deptt. ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে—

ক্ৰীড়া আৰু যুৱকল্যাণ দপ্তৰত জনজাতীয়ৰ বাবে স্বকীয়া ভাবে আন আন দপ্তৰৰ দৰে কোনো টকা ধাৰ্য্য কৰা নহয়।

Re: Spining Mill at Noapara

Shri Abhijit Sarma asked:

★583. Will the Minister, sericulture and Weaving be pleased to state—

(a) The progress of work of the spining mill of 15552 spenelles capacity at Noapara No. 1 in Bijni circle in the District of Kokrajhar?

Shri Digen Chandra Bora (Minister Industries) replied—

(a) All civil construction activities including construction of main production Hall and other infrastructure required are 80% completed.

বি: অসমত ৰোগীৰ সমীক্ষা

শ্ৰীজয়নাথ শৰ্মাই সুধিছে:

*৫৮৪। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমত বিভিন্ন ৰোগত ভোগা ৰোগীৰ সংখ্যা নিৰ্ণয় কৰা সম্পৰ্কত সমীক্ষা চলোৱাৰ ব্যৱস্থা আছেনে?

(খ) অসমত কেন্সাৰ ৰোগী বৰ বেছিকৈ হোৱাৰ কাৰণ কি আৰু বৰ্ত্তমানে ৰাজ্যখনত এই ৰোগত ভোগা ৰোগীৰ সংখ্যা কিমান?

(গ) কেন্সাৰ ৰোগ চিকিৎসাৰ ৰাবে ৰাজ্যখনত কি কি সুবিধা আছে?

(ঘ) ভেলোৰলৈ কেন্সাৰ ৰোগ চিকিৎসা কৰিবলৈ অসমৰ পৰা বছৰি কিমান ৰোগী যায়, তাৰ তথ্য জনাবনে ?

শ্ৰীযতীন মালি ( স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী )য়ে উত্তৰ দিছে—

(ক) বিভিন্ন ৰোগত ভোগা ৰোগীৰ সংখ্যা নিৰ্ণয় কৰা সম্পৰ্কত সমীক্ষা চলোৱাৰ ব্যৱস্থা আছে।

(খ) অসমত কেন্সাৰ বা কৰ্কট ৰোগী বেছি হোৱাৰ প্ৰকৃত কাৰণ এতিয়ালৈকে নিৰ্ণয় কৰিব পৰা হোৱা নাই। ৰাজ্যখনত এই ৰোগত ভোগা ৰোগীৰ সংখ্যা শেহতীয়া তিনি বছৰত ক্ৰমে— ১৯৮২ চনত ১১,৪৬৭ জন। ১৯৮৩ চনত ১২,৮৮৫ জন। ১৯৮৪ চনত ২৪,৮৯৩ জন।

(গ) অসম মেডিকেল কলেজ, ডিব্ৰুগড় আৰু ডঃ ভুবনেশ্বৰ বৰুৱা কেন্সাৰ হস্পিতেল গুৱাহাটীত হিট (Heat) দিয়াৰ ( Codalt The:apy ) ব্যৱস্থা আছে।

(ঘ) কেন্সাৰ ৰোগৰ চিকিৎসাৰ বাবে বছৰি ৬০ জন ( গড় হিচাবত ) ভেলোৰলৈ যায়।

বি ঃ ধনশিৰি প্ৰকল্প

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*৫৮৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ধনশিৰি প্ৰকল্পত পোন প্ৰথম বাৰ কাক আৰু কিমান টকাত প্ৰধান কাম ( Head works ) Allot কৰিছিল ?

(খ) সেই ঠিকাদাৰে কিমান কাম সম্পূৰ্ণ কৰিছিল আৰু কিমান টকা তেওঁক আদায় দিয়া হৈছিল ?

(গ) উক্ত ঠিকাদাৰ জনে পাবলগীয়া ধনতকৈ বেছি ধন নিয়া বুলি জলসিঞ্চন বিভাগে কিবা গোচৰ কৰিবলগীয়া হৈছিল নেকি ?

(ঘ) যদি হৈছিল অতিৰিক্ত ধন আদায় দিয়াৰ বাবে সেই সময়ত দায়িত্বত থকা বিষয়া জনৰ বিৰুদ্ধে বিভাগীয় কিবা ব্যৱস্থা লোৱা হৈছিলনে ?

(ঙ) অতিৰিক্ত ভাবে কিয় ধন আদায় নিবলৈ পালে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) প্ৰথম কামটো পোন প্ৰথমে মেচাৰ্চ জৈন এণ্ড এচোচিয়েটক ২৮১৬৭০১৪ ( দুই কোটি একাষী লাখ সাতয়ষ্ঠি হেজাৰ চৈধ্য ) টকাত দিয়া হৈছিল।

(খ) সেই ঠিকাদাৰে কৰা কামৰ পৰিমানৰ বিবৰণ লগত সংলগ্ন কৰি দিয়া হ'ল। তেওঁক ৫৬৫০৬৫৬·০০ ( ছাপন্ন লাখ পঞ্চাশ হেজাৰ ছয়শ ছাপন্ন ) টকা দিয়া হৈছিল আৰু গৃহীত নিবিদাৰ চুক্তিত কামৰ অগ্ৰগতিৰ ২০ শতাংশৰ কম থাকিলে কামৰ বাবে বিভাগে যোগান ধৰা সামগ্ৰীৰ মূল্য আদায় কৰাৰ ব্যৱস্থা নথকাত ৫৪৪০০০ টকাৰ যোগান ধৰা এনে সামগ্ৰীৰ মূল্য সেই সময়ত অনাদায় আছিল।

এই ঠিকাদাৰে কৰা কামৰ অগ্ৰগতিৰ টেণ্ডাৰত নিৰ্দ্দিষ্ট কৰা হাৰতকৈ কম হোৱাত টেণ্ডাৰৰ ৬(খ) দফা অনুযায়ী তেখেতৰ দায়বদ্ধতা আৰু ব্যয়ত কৰা কামৰ পৰিমাণৰ বিবৰণ সংলগ্ন কৰি দিয়া হ'ল।

মূল্যাবেদন পত্ৰৰ গৃহীত নিৰিখ মতে এই অতিৰিক্ত কামৰ মূল্য ৪৭৭৫৪৩৬ টকা। কিন্তু দফাগত উল্লেখ কৰা মতে তেওঁলোকৰ পৰা পাব-লগীয়া টকা বেছি হোৱাত এই কামৰ বাবে তেওঁলোকক কোনো ধন দিয়া হোৱা নাই।

(গ) হয়, তেওঁৰ পৰা জলসিঞ্চন বিভাগে পাবলগীয়া ধন আদায় হোৱাৰ

উদ্দেশ্যে বিভাগীয় ভাবে গোচৰ তৰা হৈছে। ধনৰ পৰিমানৰ বিবৰণ সংলগ্ন কৰি দিয়া হ'ল।

(ঘ) নাই হোৱা।

(ঙ) গৃহীত চুক্তি অনুসাৰে ঠিকাদাৰৰ দায়বদ্ধতা আৰু মূল্যত বিভাগে কাম কৰিবলগীয়া হোৱাত আৰু কামৰ হাঁৰ ২০ শতাংশ কম থকা হলত বিভাগে যোগান ধৰা সামগ্ৰী কিছু অংশ অনাদায় থকাত বিভাগে ঠিকাদাৰৰ পৰা ধন পাবলৈ থাকিল।

Re : Rejuventting of Traditional Industries

Shri Prabin Chandra Deka asked :

★586. Will the Minister Textile & Weaving be pleased to state :

The measeres taken by the Govt. for rejuventating the traditional Industries like Erl, Muga, Bellmetel and Poltery ?

শ্ৰীনগেন শৰ্মা (হস্ত-তাত, হস্ত শিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে—

এই সংক্ৰান্তত লোৱা ব্যৱস্থা সমূহ সদনৰ মেজত ৰখা হ'ল।

বি ঃ ষ্টেডফেডৰ উদ্দেশ্য

শ্ৰীআব্দুল জলিলে সুধিছে ঃ

*৫৮৭। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ষ্টেডফেড গঠন কৰাৰ মূল উদ্দেশ্য আৰু লক্ষ্য কি কি আছিল ? সেই উদ্দেশ্য আৰু লক্ষ্য পূৰণত ষ্টেডফেড কৃতকাৰ্য্য হৈছে নে ?

(খ) ষ্টেডফেডৰ কিমানটা মহকুমা পৰ্য্যায়ৰ শাখা আৰু খুচুৰা বিক্ৰী কেন্দ্ৰ অসমত আছে?

(গ) এই শাখা আৰু খুচুৰা কেন্দ্ৰ সমূহ বন্ধ কৰি সেইবোৰক ব্যৱসায় গ্ৰাহক পাইকাৰী সমবায় সমিটি আৰু গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ প্ৰাইমাৰী সমবায় সমিটি সমূহক দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৭৫ চনৰ ৯ আগষ্টত পূৰ্বৰ এপেস্ক মাৰকেটিং ছোচাইটি লিঃ ৰ পুনৰ গঠন কৰি ষ্টেডফেডত প্ৰধানত তলত উল্লেখ কৰা মূল উদ্দেশ্য আৰু লক্ষ্য সমূহৰ বাবে গঠন কৰা হয়।

১। সদস্য সমবায় সমিটি সমূহৰ যোগেদি বিভিন্ন সামগ্ৰী সংগ্ৰহ আৰু বিতৰণৰ ব্যৱস্থা।

২। নিত্য ব্যৱহাৰ্য্য আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ সংগ্ৰহ আৰু বিতৰণ।

৩। সাঁৰ আৰু উন্নত মানৰ বীজ বিতৰণ।

৪। ধান কল আৰু তেল কল আদি স্থাপন।

৫। বিজ্ঞান সন্মত ভঁৰাল ব্যৱস্থা।

৬। নিজস্ব পৰিবহন ব্যৱস্থা।

৭। তেল গুটিৰ খেতি।

৮। কৃষিজাত আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ প্ৰকল্প স্থাপন।

ষ্টেটফেডে উপৰোক্ত উদ্দেশ্য সমূহ পূৰণৰ বাবে প্ৰথমৰ পৰাই চেষ্টা চলাই আৰু ইতিমধ্যে বিভিন্ন ক্ষেত্ৰত যথেষ্ট সফলতাও লাভ কৰিছে।

(খ) বৰ্ত্তমান অসমত ষ্টেডফেডৰ ২২টা শাখা আৰু ১০৪টা খুচুৰা বিক্ৰী কেন্দ্ৰ আছে।

(গ) এনে কোনো প্ৰস্তাৱ নাই।

Re : Supply of Power to Dudpatil

Shri ALTAF HUSSAIN MAZUMDAR asked :

★588 Will the Minister, Power be pleased to state—

(a) Is it a fact that due to failor of A.S.E.B. to supply Power to Dudpatil Water Supply scheme of Cachar, though completed before could not operate ?

(b) If so, will the Govt. take steps to supply power immediately. So that the above scheme can be operated to provide drinking water ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা (বিদ্যুৎ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নহয় ।

(খ) কাছাৰৰ দুদপাতিল পানী যোগান আঁচনিলৈ বিদ্যুৎ সেৱা সংযোগ দিয়াৰ বাবে ১৭।৩।৮৬ তাৰিখত অসম, ৰাজ্যিক বিদ্যুৎ পৰিষদক জনস্বাস্থ্য কাৰিকৰী বিভাগে বিদ্যুৎ পৰিষদৰ পাবলগা টকা আদায় দিছে আৰু বিদ্যুৎ পৰিষদে বিদ্যুৎ সংযোগ দিয়াৰ বাবে ব্যৱস্থা হাতত লৈছে।

Re : Lakhipur ELIS

Shri Altaf Hussain Mazumdar asked :

*599. Will the Minister Irrigation be pleased to state—

(a) When the Lakhipur ELIS under Silchar Division was senctioned and for what amount and when the work started.

(b) Has the above scheme been complered and put its sepation and the amount spent ?

(c) Did the Govt. received any complain regarding misuse and misapprapriation of amount by the above schemes (issue for EDR)

(d) If so, has any enquiry being conducted.

শ্ৰীভৰত চন্দ্ৰ নৰহ ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) লক্ষীপুৰ উত্তোলন জলসিঞ্চন আঁচনিৰ বাবে ১৩।৩।৭৮ তাৰিখে ২১,৯৮,২০০ টকাৰ প্ৰশাসনীয় অনুমোদন পোৱা হয় আৰু ৮।২।৮৪ তাৰিখে ৫২,২৭,০০০.০০ টকা পুনৰ প্ৰশাসনীয় অনুমোদন পোৱা হয়। এই আঁচনিৰ কাম ১৯৭৮ চনৰ মাৰ্চ মাহত আৰম্ভ কৰা হয়।

(খ) আঁচনিৰ কাম এতিয়াও সম্পূৰ্ণ হোৱা নাই। আৰু এই আঁচনিৰ দ্বাৰা পানীৰ যোগান ধৰিব পৰা নাই। বৰ্ত্তমানলৈ মুঠ ৩৬,১৫,৩৮৪.০০ টকা খৰচ হৈছে।

(গ) হয়।

(ঘ) কামটো পৰিদৰ্শন আৰু বান নিয়ন্ত্ৰন চক্ৰৰ অধীক্ষক অভিযন্তাই অনুসন্ধান কৰি আছে।

বি ঃ উদ্যোগ সঞ্চালকালয়ত নিযুক্তি

শ্ৰীজগত হাজৰিকাই সুধিছে ঃ

*৫৯০। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮২ ইং চনৰ পৰা ১৯৮৫ ইং চনলৈ উদ্যোগ সঞ্চালকালয়ত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰীত কিমান লোকক মকৰল কৰা হ'ল।

(খ) মকৰলৰ সকলো স্তৰতে নিয়ম কানুন সমূহ মনা হৈছিলনে ?

(গ) যদি মকৰল কৰোতে চৰকাৰী নিয়ম কানুন পালন নকৰাকৈ লোক নিয়োগ কৰা হ'ল, তেনেহলে অবৈধ নিয়োগ পত্ৰ সমূহ নাকচ কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ২০ জন লোকক।

(খ) নাই হোৱা।

(গ) বিষয়টো বিবেচনাধীন হৈ আছে।

বি ঃ অসম চাহ নিগমৰ চাহ বাগান

শ্ৰীজগত হাজৰিকাই সুধিছে ঃ

*৫৯১ মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম চাহ নিগমৰ বৰ্ত্তমানলৈকে কিমানখন নিজা চাহবাগান আছে জনাবনে ?

(খ) এই বাগানবোৰৰ নিয়োগনীতি কি জনাবনে ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা ( উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৪ খন ( চিনামৰা, চৈকতা, নাগানিজান, ৰাজাবাৰী, তিপলিং, নেঘেৰিটিং, ৰঙামাটি, মিছামৰা, আমলখি, তিজুভেলি, লংচোং, ভোলাগুৰি, লংগাই আৰু ইছাবিল )।

(খ) এই বাগানবোৰৰ নিয়োগনীতি এই ধৰণৰ শ্ৰমিক—বাগানৰ বৰ্ত্তমান শ্ৰমিকৰ পৰিয়ালবৰ্গৰ মাজৰ পৰা বাচনি কৰা হয়।

কৰ্মচাৰী—১। নিয়োগ বিনিময় কেন্দ্ৰৰ যোগেদি।

২। বাতৰি কাকতত বিজ্ঞাপন দি পোৱা দৰ্খাস্তৰ পৰা।

৩। অভিজ্ঞতা আৰু দক্ষতা সম্পন্ন সম্ভাব্য প্ৰাৰ্থীয়ে নিজে দি যোৱা দৰ্খাস্তৰ পৰা।

Re : P. V. C Pipes

Shri Shahidul Islam asked :

★592 Will the Minister, P. H. E. pleased to state :—

(a) Is it a fact that in the year 1985 P.V.C. Pipes work $1\frac{1}{2}$ Crores were procured by Chief Engineer, PHE in a day at manufacturers price without calling any tender or quotation when these materials were available under D. G. S & D. rate contract causing a less to exchequar not less than 15 Lakhs in a day ?

(b) Is it a fact that against quotation No. 6 of 1981 for procuring H.L.C. Hand Pump, materials have procured at much higher than the lowest rate quoted and thus Govt. has incurred a loss of Rs. 5.94 Lakhs ?

(c) It it also a fact that these materials also putchasesd from M/s. Subhash Trading, Guwahati ?

(d) If so, what action would be taken against the officer responsible for the loss ?

Shri Digen Ch. Bora (Minister PHE) replied :

(a) No.

(b) Against Notice No. 6 of 1981 inviting tender for hand pumps quotations were received for several brands including HLC. As the HLC brand was well tested being long in use in the Deptt. cuotation of the particulars brand was accepted by the purchase Board in preference te other brand the performance of which were never teste for the purpose of testing their performance for the future consideration, order for most quantities were place for three other brands for which lower rates were quoted in received of the element of risk in the acceptance of untested brands, the quotation of loss does not arise.

(c) Hand Pumps of HLC brands were purchased from their authorised agents, M/s. Subhas Trading Corporation, Fancy Bazar, Ghy—1 and pumps of other brands, i.e. "NISHA" & "ROYAL" were purchased from M/s. Jankidas Ramkrishna Calcutta and Hand Pump manufactured by Arunachal Metal & Alloy Factory, Guwahati.

(d) Does not arise.

বি ঃ শিক্ষা বিষয়াৰ স্কুল পৰিদৰ্শন

শ্ৰীকুসুম্বৰ টাইৰাইয়ে (গৈগৈ) সুধিছে ঃ

*৫৯৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উচ্চতৰ মাধ্যমিক পৰ্য্যায়লৈকে অসমৰ বিদ্যালয় সমূহত কিমান দিনৰ মূৰে মূৰে শিক্ষা বিষয়া সকলে পৰিদৰ্শন কৰে জনাবনে ?

(খ) নতুন চৰকাৰে নিৰ্দ্দিষ্ট দিনৰ (সময়ৰ) মূৰে মূৰে বিদ্যালয় সমূহ পৰিদৰ্শন কৰোৱাই পাঠদানৰ তৎপৰতা বৃদ্ধি কৰাবলৈ নতুন নীতি গ্ৰহণৰ ব্যৱস্থা কৰিছে নেকি জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) বিভাগীয় নীতি-নিয়ম মতে এজন পৰিদৰ্শকে বছৰি দুবাৰকৈ একোখন স্কুল পৰিদৰ্শন কৰিব লাগে। ( Edn Wegtl's Rules & orders Section-2 Chapter II rules দ্ৰষ্টব্য )।

(খ) নাই কৰা। স্কুল বিলাক পৰিদৰ্শনৰ বাবে অসম চৰকাৰৰ পৰা নতুনকৈ কোনো প্ৰকাৰৰ নিৰ্দেশ দিয়া হোৱা নাই।

বি ঃ উকীলৰ বাবদ খৰচ

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতাই সুধিছে ঃ

*৫৯৪। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮১ চনৰ পৰা ১৯৮৫ চনলৈ অসম চৰকাৰে আন্দোলন সম্পৰ্কীয়

কেচত উকীলৰ বাবদ কিমান টকা খৰচ কৰিছিল ?

(হোটেলত ৰখা বাবদ হোৱা খৰচ আৰু প্লেনত ভাৰ্বাৰ বাবদ হোৱা খৰচৰ হিচাব বেলেগে দিয়ে যেন)

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৭,৫৩,১২৬·১২ পইচা (সাতলাখ তেপন্ন হাজাৰ এশ চাব্বিশ টকা বাৰ পইচা)

হোটেলৰ বাবদ হোৱা খৰচ কৰা টকা ২,০১,২৬০·৮৮ (দুইলাখ এক হাজাৰ দুশ ষাঠি টকা অষ্টাশী পইচা)

উৰা জাহাজৰ বাবদ খৰচ কৰা টকা ১,৯০,৮৩১·০০ (একলাখ নৱৈ হাজাৰ আঠশ একত্ৰিশ টকা)

বি ঃ নেচনেলাইজদ বেঙ্কৰ শাখা

শ্ৰীমুক্তাৰ হুচেইনে সুধিছে ঃ

*৫৯৫ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত নেচনেলাইজদ বেঙ্কৰ শাখা বৰ্ত্তমানে মুঠ কিমান ?

(খ) ১৯৮৫ চনত ৰিজাৰ্ভ বেঙ্কে অসমত নেচনেলাইজদ বেঙ্কৰ কিমান নতুন শাখা মুকলি কৰিবলৈ অনুমতি দিছিল ?

(গ) প্ৰকৃততে ১৯৮৫ চনত নেচনেলাইজদ বেঙ্কৰ কিমান শাখা নতুনকৈ স্থাপিত হৈছে ?

(ঘ) এই কথা সঁচানে যে এই সংখ্যক বেঙ্কৰ ৰিজাৰ্ভ বেঙ্কে দিয়া অনুমতিৰ ম্যাদ ইতিমধ্যে উত্তীৰ্ণ হৈছে ?

(ঙ) ৰাজ্য চৰকাৰে বেঙ্কৰ নিৰাপত্তা ব্যৱস্থাৰ নিশ্চয়তা নিদিয়াত সংশ্লিষ্ট বেঙ্ক সমূহে শাখা খুলিব নোৱাৰিলে বুলি অভিযোগটো সঁচা নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) ১৯৮৫ চনৰ ৩১ ডিচেম্বৰ পৰ্যন্ত মুঠ শাখা ৬০৩ টা।

(খ) ১৭৪ টা শাখা।

(গ) ৯৩ টা।

(ঘ) সঁচা।
১২৬ টা শাখাৰ অনুজ্ঞা পত্ৰৰ ম্যাদ উকলিছে।

(ঙ) সঁচা নহয়।

বেঙ্কৰ শাখা খোলাৰ উপযোগী ঘৰ নথকাত আৰু অন্যান্য সা-সুবিধাৰ অভাৱৰ কাৰণেহে শাখা খুলিব পৰা হোৱা নাই।

বি ঃ যোগীঘোপাৰ কাগজ কল।

বিধায়ক শ্ৰীঅমৃতলাল বসুমতাৰীয়ে সুধিছে ঃ

*৫৯৬ মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোগীঘোপাৰ কাগজ কলটো কেতিয়াৰ পৰা আৰু কিয় বন্ধ হৈ আছে ?

(খ) এই কলটোত মুঠ কিমানজন বিষয়া আৰু কৰ্ম্মচাৰীয়ে কাম কৰিছিল ?

(গ) এই সকলোবোৰ বিষয়া আৰু কৰ্মচাৰী অসমৰ লোক আছিল নে আন ৰাজ্যৰো আছিল ?

(ঘ) বৰ্ত্তমান তেওঁলোকৰ চাকৰি আছে নে নাই ?

(ঙ) এই কলটো স্থাপনৰ কাম বৰ্ত্তমানলৈ কেন্দ্ৰীয় চৰকাৰে আৰু অসম চৰকাৰে কিবা অৰ্থ সাহাৰ্য্য দিছে নেকি ?

যদি দিছে কেতিয়া কিমান টকা দিছে?

(চ) এই কলৰ দৈনিক উৎপাদন কিমান আছিল?

(ছ) এই কলটো পুনৰ চালু কৰিবলৈ কি ব্যৱস্থা হাতত লৈছে?

শ্ৰীদীগেন চন্দ্ৰ বৰা (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) কলৰ উৎপাদনৰ বাবে প্ৰয়োজনীয় পুঁজিৰ (working capital) অভাৱৰ বাবে, ইংৰাজী ১৯৮৩ চনৰ মাৰ্চ মাহৰ পৰা যোগীঘোপা গোটটোৰ উৎপাদন বন্ধ হৈ আছে।

(খ) বিষয়া ২৪০ জন আৰু কৰ্ম্মচাৰী ১৩৮২ জনে কাম কৰিছিল।

(গ) আন ৰাজ্যৰো আছিল।

(ঘ) এই গোটটোৰ পৰা কাম এৰি গুচি যোৱা সকলৰ বাদে বাকী সকলৰ আছে।

(ঙ) কেন্দ্ৰীয় চৰকাৰৰ পৰা অৰ্থ সাহাৰ্য্য পোৱা নাই। স্থাপনৰ পৰা বৰ্ত্তমানলৈকে অসম চৰকাৰে আগবঢ়োৱা অৰ্থ সাহাৰ্য্যৰ পৰিমান।

ইকুইটি (Equity) হিচাবে—১৫৮·৮০ লাখ, ঋণ হিচাবেলৈ ২৮৬·০০ লাখ, ভবিষ্যত ইকুইটিলৈ ৰূপান্তৰ কৰাৰ মৰ্মে জমা ৰখা ধনৰ পৰিমাণ লৈ ২৮৩·০০ লাখ।

(চ) এই কলৰ যোগীঘোপা গোটটোৰ দৈনিক উৎপাদন ক্ষমতা মতে pulp দৈনিক ১২০ টন, কাগজ দৈনিক ৯০ টন।

(ছ) চৰকাৰে কলটোৰ যোগীঘোপা গোটটো নিজৰ হাতলৈ আনি পুনৰ চালু কৰাৰ উদ্যেশ্যে চৰকাৰ আৰু ভাৰতীয় উদ্যোগিক বিকাশ নিগমৰ লগত যোগাযোগ কৰি আছে।

Re : Drinking water supply in Assam

Shri Pabin Chandra Deka asked :

*597. Will the Minister P. H. E. be pleased to state -

(a) Whether the Govt. has taken steps to provide pure drinking water to every City, Village, Basti, Tea Garden and Industrial areas of Assam ?

( If so, please mention the steps taken so far )

Shri Digen Chandra Bora ( Minister. P. H. E. ) replied :

Subject to availability of fund. Govt. are making efforts to provide pure drinking water supply to all the villages and towns of Assam as early as possible.

The Deptt. is being adequately strengthened. The Govt., are trying to get adequate fund for the purpose. Special types of driling equipments will also be procured.

As regards water supply to tea garden area, as per Plantation labour. Act. 1951 and Plantation Labour Rules 1956 the responsibility of providing water supply to tea garden areas falls on the owners ( employers )

There is no separate specific programme of this Deptt. for providing water supply in the Industrial areas.

Re : Charge sheets in Patachar Kuchi Constituency

Shri Pabin Chandra Deka asked :

★599 Will the Minister, Home be pleased to state—

The number of Charge sheets given by the police against the individuals of the Patacharkuchi Constituency who are alleged to be involved in cases including criminal cases during the Assam Movement ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

অসম আন্দোলনৰ সময়ছোৱাত পাটাচাৰকুছি সমষ্টিত ৭৮৭ জন ব্যক্তিৰ বিৰুদ্ধে ১১৬ খন অভিযোগনামা দাখিল কৰা হৈছিল।

বি ঃ অশোক কাগজ কল

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*৬০০। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অশোক কাগজকলটো কেতিয়াৰ পৰা পুনৰ চলাবলৈ ৰাজ্য চৰকাৰে স্থিৰ কৰিছে ?

(খ) কাগজকলটো গোৱালিয়ৰ ৰেয়ণ নামৰ কোম্পানীটোৰ দ্বাৰা চলোৱাৰ বাবে পূৰ্ব্বৰ কংগ্ৰেছ (ই) চৰকাৰে লোৱা সিদ্ধান্ত বৰ্ত্তমান চৰকাৰে প্ৰত্যাহাৰ কৰিছে নেকি ?

(গ) অসম চুক্তি অনুযায়ী কাগজ কলটো পুনৰ চলাবৰ বাবে চৰকাৰে এতিয়ালৈকে লোৱা ব্যৱস্থা সমূহৰ বিষয়ে জনাবনে ?

(ঘ) কাগজকলটো তৎকালেই চলাবলৈ চৰকাৰক কিমান টকাৰ প্ৰয়োজন ?

(ঙ) প্ৰতিষ্ঠানটোত বৰ্ত্তমান কিমান চাকৰীয়াল আছে, আৰম্ভণিতে কিমান চাকৰীয়াল আছিল, বৰ্ত্তমানে থকা চাকৰীয়াল সকলক কেইমাহৰ আৰু কিমান টকা দৰমহা বাবদ দিবলৈ বাকী আছে ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা (উদ্যোগ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) কলটোৰ যোগীঘোপা গোটটো অসম চৰকাৰে নিজৰ হাতলৈ আনি শীঘ্ৰে পুনৰ চালু কৰিবলৈ যাবতীয় ব্যৱস্থাৰ বাবে কেন্দ্ৰীয় চৰকাৰ

আৰু ভাৰতীয় উদ্যোগীক বিকাশ নিগমৰ লগত যোগা যোগ কৰিছে।

(খ) হয়।

(গ) কলটোৰ যোগীঘোপাগোটটো অসম চৰকাৰে নিজে চলোৱাৰ সিদ্ধান্ত লৈছে। এই সম্পৰ্কে প্ৰাৰম্ভিক প্ৰস্তুতি হিচাপে পাৰ্খে কনচালটেণ্ট নামৰ বিশেষজ্ঞ প্ৰতিষ্ঠান এটাক সকলো দিশ খুতি-নাটিকৈ তদন্ত কৰি এক প্ৰতিবেদন যুগুতাবলৈ নিযুক্তি দিয়া হৈছে। গোটটো চৰকাৰৰ নিজৰ হাতলৈ আনাৰ বাবে বিধি সন্মত বিহিত আৰু লবলগীয়া ব্যৱস্থাৰ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰ আৰু বিত্তীয় অনুষ্ঠানৰ লগত যোগাযোগ কৰা হৈছে।

(ঘ) উপৰোক্ত Consultant ৰ প্ৰতিবেদন পালেহে ধনৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কে সঠিককৈ জনাব পৰা হ'ব।

(ঙ) বিহাৰ গোটটো বাদ দি আৰম্ভনিতে ১৬২২ জন আছিল। ১৯৮৫ চনত লোৱা হিচাব মতে বৰ্ত্তমান ১২৬৫ জন আছে। ১৯৮৪ চনৰ মাৰ্চ মাহৰ পৰা দৰমহা দিবলগীয়া আছে। অনাদায় ধনৰ মুঠ পৰিমাণ প্ৰায় ৩·৬৪ লাখ টকা।

Re : Nischintapur Water supply scheme

Shri Altaf Hussain Majumdar asked :

*601. Will the Minister P. H. E. be pleased to state :

(a) When the administrative approval was given for Nischintapur water supply scheme of Silchar sub-division and what was the time given to the contractor for completion ?

(b) Has it been completed, if so when ?

(c) Whether the supply of water by above scheme has been started ?

Shri Digen Chandra Bora ( Minister P. H. E, ) replied :

(a) The Administrative Approval to the Nischintapur

water supply scheme was accorded on 27.3.80. Different contractors were engaged to complete different items of the scheme within different time periods.

(b) Not yet fully completed. But, the scheme is ready for commissioning through the completed portion of the scheme.

(c) The supply of water is yet to be started. Efforts are being made to supply water through the completed portion of the scheme as early as possible.

Re : E. L. I. scheme

Shri Altaf Hussain Mazumdar asked :

*602. Will the Minister, Irrigation be pleased to state :

(a) The total amount spent for E. D. R. in respect of Lakhimpur E. L. I. scheme ?

(b) Was the technical sanction obtained from the competent authority for the said work and expenditure ?

(c) Did the said work include addition, modification and alteration ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২,০৮,৪৯০ ০০ টকা (দুই লাখ আঠ হাজাৰ চাৰিশ নবৈ টকা) ১৯৮৪-৮৫ চনত।

(খ) কাৰিকৰী অনুমোদন হোৱা নাই, কিন্তু কাৰিকৰী অনুমোদন সাপেক্ষে খৰছ কৰিবৰ অনুমতি আছে।

(গ) আছে।

বি ঃ সমবায় চেনিকলৰ সংখ্যা

শ্ৰীঅমৃতলাল বসুমতাৰীয়ে সুধিছে ঃ

*৬০৩। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত কেইটা সমবায় চেনিকল আছে আৰু ক'ত ক'ত ?

(খ) এই কল কেইটাৰ কোনটোৰ উৎপাদন কোন চনৰ পৰা আৰম্ভ হৈছে ?

(গ) এই কল কেইটাৰ কোনটোৰ বাৰ্ষিক উৎপাদন কিমান ?

(ঘ) এই কল কেইটাক চৰকাৰে কিমান টকাৰ ঋণ আৰু অৰ্থ-সাহায্য আগবঢ়াইছে ?

(ঙ) এই কল কেইটাৰ ব্যৱসায়িক লাভ লোকচান কেনেকুৱা ?

(চ) এই কল কেইটাৰ উৎপাদিত চেনি ক'ত কেনেকৈ বিক্ৰী কৰা হয় আৰু ই অসমৰ মুঠ বছৰি চেনিৰ চাহিদাৰ বিপৰীতে কিমান অংশ পূৰণ কৰিব পাৰে ?

(ছ) উৎপাদন বৃদ্ধি কৰাৰ নতুন কি কি আঁচনি লোৱা হৈছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( সমবায় বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) পঞ্জীবদ্ধ ৪টা চেনি কল আছে। যোৰহাটৰ বৰুৱা বামুণ গাওঁ, নগাওঁৰ কামপুৰ, ডিব্ৰুগড়ৰ গৈপানী, আৰু নলবাৰীৰ বৰবৰী ; প্ৰত্যেকতে এটাকৈ।

(খ) মাত্ৰ বৰুৱা বামুণগাওঁ চেনিকলটোৱে ১৯৫৮-৫৯ চনৰ পৰা উৎপাদন আৰম্ভ কৰে।

(গ) উক্ত বৰুৱা বামুণগাওঁৰ চেনীকলৰ উৎপাদন ১৯৮০-৮১ চনৰ পৰা ১৯৮৪-৮৫ চনলৈ গড়ে বছৰি ৪৬,০০০ কুইণ্টল।

(ঘ) বৰুৱা বামুণ গাওঁৰ চেনিকলক ২১০৭৩ লাখ আৰু কামপুৰ চেনিকলক ৩৪৫°০১ লাখ টকাৰ ঋণ আৰু অৰ্থসাহায্য আগবঢ়াইছে।

(ঙ) বৰুৱা বামুণগাওঁ চেনিকলে যোৱা কেইবছৰমান ধৰি লোকচান ভৰিছে।

(চ) উৎপাদিত চেনিৰ শতকৰা ৫৫ ভাগ কেন্দ্ৰীয় চৰকাৰে নিৰ্দ্ধাৰিত কৰা মূল্যত ভাৰতীয় খাদ্য নিগমক দিয়ে; বাকী শতকৰা ৪৫ ভাগ মুকলি বজাৰত বিক্ৰি কৰে।

অসমৰ বৰ্ত্তমান উৎপাদিত চেনিয়ে ৰাজ্যখনৰ চাহিদাৰ শতকৰা ৪৫ ভাগ মানহে পূৰণ কৰিব পাৰে।

(ছ) কঁুহিয়াৰ খেতিৰ সম্প্ৰসাৰণৰ ব্যৱস্থা লোৱা হৈছে।

বিঃ জিলা শিক্ষা বিষয়ালৈ নিৰ্দ্দেশ

শ্ৰীকুসুম্বৰ টাইৰাইয়ে সুধিছে ঃ

*৬০৪। মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

আগন্তুক ১৯৮৬-৮৭ চনৰ বছৰটোত হব লগা হাইস্কুল শিক্ষান্ত পৰীক্ষা সমূহত অসৎ উপায় অবলম্বন কৰিব নোৱাৰাৰ বাবে সতৰ্ক দৃষ্টি ৰূপে জিলা শিক্ষা বিষয়া সকললৈ চৰকাৰে কিবা নিৰ্দ্দেশ প্ৰেৰণ কৰিছে নেকি জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

অসম মাধ্যমিক শিক্ষা পৰিষদে স্কুল পৰিদৰ্শক সকলক মাণ্ডলিক তত্বাবধায়ক বিষয়া হিচাবে নিয়োগ কৰে। নিয়োগ পত্ৰত মাণ্ডলিক তত্বাবধায়ক বিষয়াক দায়িত্ব সম্পৰ্কে জনোৱা হয়।

বিঃ ষ্টেটফেডৰ সামগ্ৰী

শ্ৰীআব্দুল জলিলে সুধিছে ঃ

*৬০৫। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ষ্টেটফেডে বৰ্ত্তমান কি কি সামগ্ৰীৰ ব্যৱসায় কৰি আছে ?

(খ) ষ্টেটফেডে ব্যৱসায় কৰা সামগ্ৰী সমূহ ক'ৰ পৰা সংগ্ৰহ কৰে আৰু কাৰ যোগেদি বিক্ৰি কৰে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( সমবায় বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) ষ্টেটফেডে ব্যৱসায় কৰা সামগ্ৰী সমূহ হ'ল ধান, চাউল, চেনি, নিমখ, দাইল, খোৱা-তেল, চাহপাত, সৰিয়হ, মৰাপাট, আটা, ময়দা, কাপোৰ, কাগজ, আৰু বহী, সাৰ ও বীজ, সূতা, বনস্পতি ঘিউ, আৰু বিভিন্ন প্ৰসাধন ও মনোহাৰী সামগ্ৰী।

(খ) প্ৰয়োজন সাপেক্ষে ৰাজ্যৰ ভিতৰৰ আৰু বাহিৰৰ পৰা সামগ্ৰী সমূহ সংগ্ৰহ কৰা হয় আৰু ষ্টেটফেডৰ বিভিন্ন শাখা সমূহৰ পাইকাৰী আৰু খুচুৰা বিক্ৰি কেন্দ্ৰ আৰু বিভিন্ন সমবায় সমিতিৰ যোগেদি বিক্ৰী কৰা হয়।

বিঃ অসম চাহ নিগমৰ লাভ

শ্ৰীজগত হাজৰিকাই সুধিছে :

*৬০৬। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

অসম চাহ নিগমৰ যোৱা ৫ ( পাচ ) বছৰত অৰ্থাৎ ইং ১৯৮১ চনৰ পৰা কিমান লাভ বা লোকচান হৈছে জনাবনে ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা ( উদ্যোগ বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

চাহ নিগমৰ যোৱা ৫ (পাচ ) বছৰৰ লাভ লোকচানৰ তালিকা—

| | | | |
|---|---|---|---|
| ১৯৮০—৮১ | লোকচান | টকা | ২,৮০,৬৭,৮১১·৮০ |
| ১৯৮১—৮২ | লোকচান | টকা | ৩,৫৮,৩৬,৯৬৫·০০ |
| ১৯৮২—৮৩ | লোকচান | টকা | ৩,১৬,১৬,৩৪৫·৫৩ |
| ১৯৮৩—৮৪ | লাভ | টকা | ৫৯,১৭,২৬০·৪৭ |
| ১৯৮৪—৮৫ | লাভ | টকা | ৬৩,৩৯,১৫৮·৬৭ |

বি ঃ গুৱাহাটী চাহ নিলাম কেন্দ্ৰ

শ্ৰীজগত হাজৰিকাই সুধিছে ঃ

*৬০৭। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গুৱাহাটী চাহ নীলাম কেন্দ্ৰটি বৰ্ত্তমান কোনে পৰিচালনা কৰে ?

(খ) উক্ত নীলাম ভৱনটোৰ মাটি ডোখৰ কাৰ নামত আছে ?

(গ) এই নীলাম ভৱনটো নিৰ্মাণ কৰোতে চৰকাৰৰ কিমান টকা খৰচ হৈছিল ?

(ঘ) বৰ্ত্তমান উক্ত চাহ নীলাম কেন্দ্ৰৰ পৰা চৰকাৰে কিমান টকা পাইছে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা ( উদ্যোগ বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰৰ দ্বাৰা গঠিত কমিটিয়ে পৰিচালনা কৰে।

(খ) মাটিডোখৰ চৰকাৰৰ, কিন্তু ৰাজহ নথি শুদ্ধ কৰা নাই।

(গ) নীলাম ভৱন নিৰ্মানৰ মুঠ খৰচ ৩০ লাখ টকাৰ ভিতৰত ১২ লাখ নীলাম কমিটিয়ে আৰু ১৮ লাখ চৰকাৰে বহন কৰে।

(ঘ) চৰকাৰে কোনো টকা নেপায়।

বি ঃ ৰামকৃষ্ণ বিদ্যাপীঠ

শ্ৰীৰামেন্দ্ৰ দে জিজ্ঞাসা করছেন ঃ

*৬০৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয় অনুগ্ৰহ করি জানাবেন ?

(ক) ১৯৮২ ইংৰাজীতে ৰামকৃষ্ণ বিদ্যাপীঠে পুলিশের গুলি চালনার

ব্যাপারে এ, কে, নাথকে দিয়ে তদন্ত করা হয়েছিল কি?

(খ) যদি হয়ে থাকে তদন্তের রিপোর্ট কি?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, কৰিমগঞ্জৰ ৰামকৃষ্ণ নগৰত হোৱা গুলি চালনাৰ ঘটনাটো ১৮-১১ ৮২ তাৰিখে সংঘটিত হয়। ১৯-১১-৮২ তাৰিখত তদন্তৰ নিৰ্দেশ দিয়া হয় আৰু ৯-১১-৮৩ তাৰিখত তদন্তৰ প্ৰতিবেদন চৰকাৰৰ হাতত আছে।

(খ) তদন্তকাৰী বিষয়াৰ প্ৰতিবেদনত আৰক্ষীৰ গুলি চালনাৰ প্ৰয়োজন নাছিল বুলি কোৱা হৈছিল। কিন্তু প্ৰতিবেদনখন চৰকাৰে ভালদৰে পৰীক্ষা কৰি এই সিদ্ধান্তত উপনীত হয় যে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আৰক্ষীৰ গুলি চালনা অপ্ৰয়োজনীয় নাছিল।

Re : Embankment Under Karimganj

Shri Abdul Muqtadir Chowdhury asked :

*609. Will the Minister Flood Control be pleased to state—

The number of scheme for widening and strengthening of embankment under Karimganj F.C. Division are held up for non-acquisition or non-delivey of possession by the L.A. Branch ?

( Name' of the scheme and year of sanctioning money may be mentioned )

শ্ৰীভৰত চন্দ্ৰ নৰহ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

এখন "চান্দখিৰা গড়কাপ্তানী দলঙৰ পৰা কাটাবাৰীলৈ লংগাই নৈৰ দুয়োপাৰে অৱস্থিত মথাউৰি উচ্চ আৰু সবলকৰণ" আঁচনিৰ কাম ভূমি অধিগ্ৰহণ নোহোৱাত বন্ধ থাকে।

এই আঁচনি খন ১৯৮৫ চনৰ মাৰ্চ মাহত প্ৰশাসনীয় অনুমোদন দিয়া হৈছিল।

Re : Plantation of Medicinal Plants

Shri PABIN CHANDRA DEKA asked :

*610. Will the Chief Minister be pleased to state—

(a) Whether the Govt. has undertaken programmes of extensive plantation of medicinal plants, aromatic grasses and other valuable trees ?

(b) If so, please mention the programmes and its progress thereof ?

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) replied :

(a) Valuable trees and trees having products with medicinal value are being covered by the extension programme of Social Forestry wing of Forest Department. Extension of plantations of aromatic grass has not been tried.

(b) The programmes include planting of trees having medicinal value like Arjun, Hilikha, Amloki, Bhomora etc. mixed other species in areas outside the reserved forests as demonstration plantations. Seedlings of such species are also made available to the public on demand

বি ঃ চিমেণ্ট ভেজাল কৰা কেলেঙ্কাৰী

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*৬১১। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ টাইমুৰ চৰকাৰৰ আমোলত চিমেণ্ট হেণ্ডলিং এজেণ্ট নিয়োগ কৰা আৰু চিমেণ্ট ঠিকমতে যোগান নধৰা, ভেজাল চিমেণ্ট যোগান ধৰা প্ৰসঙ্গ লৈ এটা কেলেঙ্কাৰী ঘটিছিল, চৰকাৰে সেই বিষয়ে জানেনে ?

(খ) যদি জানে, চৰকাৰে ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত সেই কেলেংকাৰীৰ বিষয়ে বিতং অনুসন্ধান চলাই দোষীক শাস্তি বিহিছে নেকি আৰু যদি বিহিছে কি শাস্তি বিহিছে ?

(গ) তেতিয়া ৰাজ্যৰ গড়কাপ্তানী বিভাগৰ দায়িত্বত কোন মন্ত্ৰী আছিল আৰু এই বিষয়ত তেওঁৰ ভূমিকা কি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ টাইমুৰ চৰকাৰৰ আমোলত (৫-১২-৮০ পৰা ২৮-৬-৮১ নিয়ন্ত্ৰিত মূল্যৰ বিলাতী মাটি আমদানি কৰিবলৈ ব্যক্তিগত হেণ্ডলিং এজেণ্ট নিয়োগ কৰা হোৱা নাছিল। ৰাজ্যিক সমবায় ও বেচা-কিনা ও গ্ৰাহক প্ৰতিষ্ঠানক (STATFED) নিয়ন্ত্ৰিত বিলাতী মাটি আমদানি ও বিতৰণ কৰিবলৈ ১৯৭৮ চনৰ অক্টোবৰ মাহৰ পৰা ১৯৮৪ চনৰ চেপ্তেম্বৰ মাহলৈ দায়িত্ব দিয়া হৈছিল, সেই সময়ত নিয়ন্ত্ৰিত মূল্যৰ ভেজাল বিলাতী মাটি যোগান ধৰাৰ কেলেঙ্কাৰীৰ বিষয়ে চৰকাৰ জ্ঞাত নহয়।

(খ)—প্ৰশ্ন নুঠে।

(গ)—তেতিয়া শ্ৰীগোলাম ওচমানি, গড়কাপ্তানি বিভাগৰ মন্ত্ৰী আছিল এই বিষয়ে তেখেতৰ ভূমিকা কি আছিল এই বিভাগৰ জ্ঞাত নহয়।

### বিষয়—চিমেণ্ট ফেক্টৰি

শ্ৰীআমিনুল ইচলামে সুধিছে ঃ

* ৬১৬। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত বৰ্ত্তমান কেইটা চিমেণ্ট ফেক্টৰী আছে আৰু ক'ত আছে ?

(খ) উক্ত ফেক্টৰীবোৰৰ নিজ নিজ উৎপাদন ক্ষমতা কিমান ?

(গ) উক্ত ফেক্টৰীবোৰৰ দ্বাৰা উৎপাদিত চিমেণ্ট অসমৰ প্ৰয়োজনৰ তুলনাত যথেষ্ট নে ?

(ঘ) যদি প্ৰয়োজনৰ তুলনাত যথেষ্ট নহয় তেন্তে উৎপাদন বঢ়োৱাৰ কিবা পৰিকল্পনা চৰকাৰে গ্ৰহণ কৰিছেনে ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা (উদ্যোগ মন্ত্ৰী)য়ে উত্তৰ দিছে —

(ক) এটা বোকাজানত।

(খ) বছৰি ২,০০,০০০ মেট্ৰিকটন।

(গ) যথেষ্ট নহয়।

(ঘ) চাহিদা পুৰণাৰ্থে চিমেণ্ট তৈয়াৰ কৰিবলৈ বৰ্ত্তমান ১৩ জন উদ্যোগিকক ভাৰত চৰকাৰে চিমেণ্ট উদ্যোগ স্থাপনৰ বাবে উদ্যোগিক আবণ্টন দিয়া হৈছে।

বি ঃ চিমেণ্ট হেন্দলিং এজেণ্ট

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

*৬১৭ মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম চৰকাৰে ৰাজ্যৰ বাহিৰৰ পৰা চিমেণ্ট আনোতে চিমেণ্ট হেন্দলিং এজেণ্ট হিচাপে কাবোবাক দায়িত্ব দিয়া হৈছে নেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) অসমত নিয়ন্ত্ৰিত মূল্যৰ বিলাতী মাটি জনসাধাৰণৰ মাজত বিতৰণ কৰা অংশ এজন অনুজ্ঞাপত্ৰ ধাৰী (M/S P K. Traders, Fancy Bazar, Guwahati। হেন্দলিং এজেণ্টক কেন্দ্ৰীয় ভাবে কাৰখানাৰ পৰা আমদানি কৰিবলৈ ১৯৮৬ চনৰ চেপ্তেম্বৰ মাহৰ পৰা দায়িত্ব দিয়া হৈছিল। এই হেন্দলিং এজেণ্ট আমদানি কৰা নিয়ন্ত্ৰিত বিলাতি মাটি বোকাজান, গুৱাহাটী, যোগীঘোপাৰ মজুত ভড়ালত ৰাখি তাৰ উপায়ুক্ত ও মহকুমাধিপতিৰ অনুমোদিত ব্যবসায়ীৰ মাৰফৎ যোগান ধৰে।

Re : Water Supply Scheme at Borjatrapur

Shri Altaf Hussain Mazumdar askad :

★618. Will the Minister P.H.E. be pleased to state—

(a) When the administrative approval was given for construction of overhead tank of water supply scheme at Borjatrapur of Silchar Sub-Division ?

(b) The stipulated time entered in the agreement with contractor for completion ?

(c) Whether the work has been completed in time by the contractor ?

(d) If not the action the Govt. has taken in the matter ?

Shri Digen Chandra Bora ( Minister of P.H.E. ) replied—

(a) Administrative approval for Borjatrapur Water Supply Scheme including construction of overhead tank was accorded by the Govt. in Feb/78.

(b) 6 (six) months from 6-10-80, i..e. for the date of issue of work order.

(c) No but water is supplied by direct pumping through the completed portion of the scheme from 1982.

(d) Contractor has been given notice to complete the construction with in the next six months failing which the work will be exectued through other agency at his risk and responsibility.

বিষয় ঃ সেচ ডিভাগের ডিভিজনের সংখ্যা

শ্রীৰমেন্দ্র দেই সুধিছে ঃ

*৬১৯ মাননীয় সেচ বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জনাবেন কি ?

(ক) আসাম রাজ্যে সেচ বিভাগের কতটা ডিভিজন আছে ?

(খ) বদরপুর থানা এলাকায় (করিমগঞ্জ) কোন ডিভিজন এলাকায় ?

(গ) ১৯৮০ থেকে ১৯৮৫ পর্য্যন্ত উক্ত এলাকায় কতটা টাকা মঞ্জুর করা হয়েছে ?

(ঘ) কোন কোন গাওঁপঞ্চায়েতে প্রকল্প গ্রহণ করা হয়েছে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) মুঠ ৫৪ টা ডিভিজন আছে।

১। চিভিল ৪১ টা

২। মেকানিকেল ১১ টা

৩। ইলেক্ট্ৰিকেল ২ টা

(খ) বদৰপুৰ থানা এলেকা কৰিমগঞ্জ ডিভিজনৰ অধীনত।

(গ) ৩৭·০০ লাখ টকা।

(ঘ) উত্তৰ-পূৰ গাওঁপঞ্চায়ত আৰু দক্ষিণ-পশ্চিম গাওঁপঞ্চায়ত।

## Re : Industrial Policy

Shri Maidul Islam asked :

★620. Will the Minister, Iudustries be pleased to state—

(a) Whether the Govt. of Assam since independence has adopted any Industrial policy and if so when ?

(b) Whether the present Govt. is proposing to follow the same Industrial policy or newone ?

Shri Digen Chandra Bora (Minister Industries) replied :

(a) Yes. The Govt. of Assam has adopted Industrial

Policies one in 1969 and the other in 1982.

(b) In the incentive scheme which were made effective vide industrial policy resolution in October, 1982 was already extended by the previons Govt. upto 31. 3 1980 vide order dt. 11th June, 1985. The present State Govt. would be reviewing the incentive scheme and while doing so would give emphasis on definite policy guideline for fact development of small medium and major industries tɔ be set-up in the state. Meanwhile the present Govt. already made a begining by providing an amount of Rs 20 Lakhs to the Assam Industrial Development Corporation, Ltd. in the current year for promotion of Industries in the assisted sector.

Re : Shifting of Head Offices of Tea Companies from Calcutta to Guwahati

Shri Prabin Chandra Deka asked :

★621. Will the Minister, Industries be pleased to state—

(a) Whether the Govt. has taken necessary steps to transfer the Head Offices relating to Tea Industries of Assam from Calcutta to Assam ?

(b) If so, when the steps will be implemented ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা ( উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) আৰু (খ) চৰকাৰে এই সম্পৰ্কে সিদ্ধান্ত লৈছে আৰু কাৰ্য্যালয় বোৰ অসমলৈ আনিবৰ বাবে প্ৰচেষ্টা চলাইছে।

Re : Construction Cell

শ্ৰীজগত চন্দ্ৰ হাজৰিকাই সুধিছে ঃ

*৬২২। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উদ্যোগ বিভাগত Construction Cell বুলি এটা cell

আছে নেকি ?

(খ) যদি আছে উক্ত বিভাগত কিমানজন কৰ্ম্মচাৰীয়ে কাম কৰি আছে জনাবনে ?

(গ) উক্ত চেলৰ উচ্চ খাপৰ বিষয়া সকলৰ অৰ্হতাসহ নামবোৰ জনাবনে ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা ( উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় আছে।

(খ) এই cell ত সৰ্ব্বমুঠ ৩১ জন কৰ্ম্মচাৰীয়ে কাম কৰি আছে। (ইয়াৰ ভিতৰত কাৰিকৰী শাখাত ১৪ জন আৰু অকাৰিকৰী শাখাত ১৭ জন লোক আছে)।

(গ) উচ্চ খাপৰ বিষয়া সকলৰ নাম আৰু তেওঁলোকৰ শিক্ষাগত আৰু কাৰিকৰী অৰ্হতা তলত উল্লেখ কৰা হ'ল।

১। শ্ৰীৰমাব্ৰহ্মণ ৰয়চৌধুৰী, কাৰ্য্যবাহী অভিযন্তা ( অসামৰিক উদ্যোগ বিষয়া ) মেট্ৰিকুলেট, মেকানিকেল ড্ৰাফটমেন শিক্ষাৰ চাৰ্টিফিকেট প্ৰাপ্ত।

২। শ্ৰীকানাইলাল মজুমদাৰ, উপ-সংমণ্ডল বিষয়া ( সহকাৰী উদ্যোগ বিষয়া) অসামৰিক মেট্ৰিকুলেট, অসম ইঞ্জিনীয়াৰিং ইনষ্টিটিউট প্ৰথম বাৰ্ষিকৰ পাঠ্যক্ৰম সমাপ্ত কৰিছিল।

৩। শ্ৰীৰজত দাস, উপ-সংমণ্ডল বিষয়া ( সহকাৰী উদ্যোগ বিষয়া ) অসামৰিক দশম মান শ্ৰেণীলৈকে পঢ়া, কাৰিকৰী অৰ্হতা নাই।

৪। অপূৰ্ব কুমাৰ বৰুৱা, উপ সংমণ্ডল বিষয়া ( সহকাৰী উদ্যোগ বিষয়া) অসামৰিক বিষয়া, কাৰিকৰী শিক্ষা, কলিকতাৰ ইন্দ্ৰাষ্ট্ৰিয়েল টেকনিকেল ইনষ্টিটিউটৰ অভাৰছীয়াৰৰ ডিপ্লমা প্ৰাপ্ত।

Re : Sluice gate in the Berakhal River

Shri Abdul Muhib Mazumder asked :

*623. Will the Minister, Flood Control be pleased to state—

(a) Whether, the sluice gate in the Berakhal river was washed away several years back ?

(b) If so, whether the Govt. will consider construction of a sluice gate in the Berakhal river ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) হয়।

Re : Janjerbali Embankment

Sri Abdul Rob Lashkar asked :

*624 Will the Minister, Flood control be pleased to state –

(a) Whether Govt. is aware thtat yundurkandi Janjerbali embanmkent has been eroded (Silchar Sub-division) during last 4/5 months ?

(b) If so, the steps taken by the Govt. in this matter ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) কাৰিকৰী উপদেষ্টা কমিটি আৰু কাছাৰ বান নিয়ন্ত্ৰণ বোৰ্ডৰ পৰীক্ষাৰ বাবে এখন খহনীয়া প্ৰতিৰোধ আঁচনি প্ৰস্তুত কৰি থকা হৈছে।

Re : Veterinary Sub-Centres

Sri Ramendra De asked :

*625. Will the Minister, Veterinary be pleased to state –

(a) The No. of Veterinary Sub-centres in Assam functioning without Surgeons or Veterinary Extension officers ?

(b) The No. of Veterinary Sub-centres in Karimganj Dist.

Sri Nagen Sarmah (Minister Veterinary) replied:

(a) There are 401 Veterinary First Aid centres (also called Vety. Sub-centres) in the State. However, these are manned by Vety. Field Asstts' or Supervisor, Veterinary Field Asstts. and not by vety. Asstt. Surgeonsor Vety. Extension Officers, who are Veterinary Gradutes.

(b) There are 12 (twelve). such Centres in Karimganj Dist.

Re: Setting up of Tribunals

Sri Abdul Jalil asked:

★ 626. Will the Minister, Home be pleased to state—

(a) The No. of Tribunals set up under the provisions of the illegal Migrants (Determination by Tribunal) Act,—1985 and when ?

(b) Whether they are Still funationing ?

(c) The number of reference or application made to each of them and how many of them disposed of by each of them ?

(d) The number of illegal migrants detected by each of them

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰৰ পি, এল, বি ২৪৫।৮৫ তাং ১৯·১০-৮৩ চনৰ জাননী নম্বৰ মতে ১৯৮৩ চনৰ অবৈধ বিদেশী প্ৰব্ৰজনকাৰী (চিনাক্তকৰা ন্যায়ালয়) আইনৰ অধিনত অসমত ২০ খন ন্যায়াধীকৰণ পতা হয়।

(খ) হয়।

(গ) ১৯৮৬ চনৰ ফেব্ৰুৱাৰী মাহলৈকে এই ন্যায়াধীকৰণ বিলাকে পোৱা গোচৰ, আবেদন আৰু গোচৰ নিষ্পতিকৰণৰ সংখ্যা এনেধৰণৰ ঃ—

| ন্যায়াধীকৰণৰ নাম | ন্যায়াধীকৰণে পোৱা গোচৰ আৰু আবেদনৰ সংখ্যা | গোচৰ নিষ্পত্তি কৰাৰ সংখ্যা |
|---|---|---|
| ১। ধুবুৰী | ২৫২ | ১০৮ |
| ২। গোৱালপাৰা | ৫৬ | ৩৪ |
| ৩। কোকৰাঝাৰ | ৫৪ | ১৪ |
| ৪। বৰপেটা | ১৫ | ৩ |
| ৫। নলবাৰী | ৩ | — |
| ৬। মঙ্গলদৈ | ৬১ | ২৭ |
| ৭। তেজপুৰ | ১০৫ | ৩৬ |
| ৮। ডিব্ৰুগড় | ২৯ | — |
| ৯। যোৰহাৰ | ২০ | — |
| ১০। কৰিমগঞ্জ | ৪৯ | ৩১ |
| ১১। গুৱাহাটী | ৯ | ২ |
| ১২। ডিফু | ২০ | ১১ |
| ১৩। লক্ষীমপুৰ | | |
| ১৪। ধেমাজী | ১৬ | ৩ |
| ১৫। জোনাই | | |
| ১৬। নগাওঁ | | |
| ১৭। মৰিগাওঁ | ৭৯ | ৪৩ |
| ১৮। হোজাই | | |
| ১৯। শিলচৰ | | |
| ২০। হাইলাকান্দী | ৩৫ | ২৭ |
| সৰ্ব্বমুঠ | ৮১৫ | ৩৫১ |

(ঘ) এই ন্যায়াধীকৰণ সমূহে ১৯৮৫ চনৰ ফ্রেব্রুৱাৰী মাহলৈকে অবৈধ বিদেশীক ধৰা পেলোৱা সংখ্যা এনেধৰণৰ—

| ন্যায়াধীকৰণৰ নাম | ন্যায়াধীকৰণ সমূহ অবৈধ বিদেশীক ধৰা পেলোৱা সংখ্যা |
|---|---|
| ধুবুৰী | ১৫৫ |
| গোৱালপাৰা | ৫৮ |
| কোকৰাঝাৰ | ২৮ |
| বৰপেটা | ১ |
| নলবাৰী | — |
| মঙ্গলদৈ | ৩৮ |
| তেজপুৰ | ১০২ |
| ডিব্রুগড় | — |
| যোৰহাট | — |
| কৰিমগঞ্জ | ২৬ |
| গুৱাহাটী | — |
| ডিফু | ১২ |
| লক্ষীমপুৰ | |
| ধেমাজী | ১ |
| জোনাই | |
| নগাওঁ | |
| মৰিগাওঁ | ৫৮ |
| হোজাই | |
| শিলচৰ | |
| হাইলাকান্দি | ১৮ |
| সৰ্ব্বমুঠ | ৫১৫ |

Re : International Boundary

Shri Maziruddin Ahmed asked :

*627. Will the Chief Minister be pleased to state—

(a) Whether the Govt. has taken an account of land to be made clear from zero point of International Boundary line for erecting walls berbed wire fencing and road to protect infiltration of foreigners ?

(b) If so, the quantity of land to be made clear and the number of families to be affected there by ?

(c) If not will be Govt. take up the survey work and make prior arrangement to rehabitaled the actual Cultivators by giving them alternative land for cultivation ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) replied :

(এ) ভাৰত বাংলাদেশ আন্তৰাষ্ট্ৰীয় সীমাত কাঁটাতাৰৰ বেৰ আৰু পথ তৈয়াৰ কৰা সম্পৰ্কে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে।

(বি) ভাৰত চৰকাৰৰ পৰা স্পষ্টীকৰণ পোৱাৰ লগে লগে অসম চৰকাৰে ব্যৱস্থা হাতত লব।

(চি) কেন্দ্ৰীয় গড়কাপ্তানী বিভাগৰ এজেন্সী হিচাবে জৰিপ কাৰ্য্য আৰম্ভ কৰিব আৰু জৰিপৰ কাম সম্পূৰ্ণ হোৱাৰ পিছত হে আৱশ্যকীয় মাটি আৰু উচ্ছেদ কৰিব পৰা মানুহৰ বিষয়ে বিবেচনা কৰিব পৰা হব।

Re : All Assam pharmacist Association

Shri Amritlal Basumatari asked :

*628 Will the Minister Health be pleased to state :

(a) Whether Govt. have received the Copies of the

resolutions of All Assam pharmacist Association adopted in Tezpur session on February, 15, 1986 ?

(b) If so, the state Govt. propose to take on the recommendations of the Association ?

Shri Jatin Mali (Minister of state Heatlh) replied.

(a) Yes.

(b) Under scrutiny of Govt.

বিষয়ঃ হোমিওপ্যাথিক স্বাস্থ্য কেন্দ্ৰ

শ্ৰীনৰেন তাঁতীয়ে সুধিছে ঃ

*৬২৯। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৱা বাজেট অধিবেশন ( ১৯৮৫-৮৬ )ত স্বাস্থ্য মন্ত্ৰী মহোদয়ে সেই বছৰ ২০ খন হোমিওপ্যাথিক স্বাস্থ্য কেন্দ্ৰ খুলিব বুলি কৰা ঘোষণাৰ কথা চৰকাৰে জানে নে ?

(খ) যদি জানে, সেই বছৰত ( ১৯৮৫-৮৬ ) সেই স্বাস্থ্য কেন্দ্ৰ খোলা হ'ল নে ?

(গ) যদি নাই হোৱা, কিয় হোৱা নাই ?

(ঘ) সেই বছৰ (১৯৮৫-৮৬)ত আৰু অহা বছৰত (১৯৮৬-৮৭) হোমিওপ্যাথিক স্বাস্থ্য কেন্দ্ৰ খোলাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছেনে ?

শ্ৰীযতীন মালী ( স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী )য়ে উত্তৰ দিছে ?

(ক) এই বিষয়ে কোনো ৰাতবি চৰকাৰৰ হাতত বৰ্ত্তমান নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) ১৯৮৫-৮৬ আৰু ১৯৮৬-৮৭ বিত্তীয় বছৰত কোনো প্ৰস্তাৱ নাই যদিও সপ্তম পৰিকল্পনাৰ বাবে ব্যৱস্থা আছে।

বিষয়ঃ স্বতন্ত্ৰ সৈনিক পেঞ্চন

শ্ৰীগনেশ কুটুমে সুধিছেঃ

*৬৩০। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) স্বতন্ত্ৰ সৈনিক পেঞ্চন পোৱা লোক অসমত কিমান আছে ?

(খ) স্বতন্ত্ৰ সৈনিক পেঞ্চন পাবৰ কাৰণে নিস্পত্তি নোহোৱা আবেদন চৰকাৰৰ হাতত এতিয়া কিমান আছে ?

(গ) শোণিতপুৰ জিলাত এনে পেঞ্চনৰ বাবে আবেদনকাৰী কিমানজন আছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) ২৬০৩ জন আছে।

(খ) ৬৪১২ খন।

(গ) ৮২৬ জন।

বিষয়ঃ হস্ত আৰু বয়ন শিল্প

শ্ৰীদেবেশ্বৰ বৰাই সুধিছেঃ

*৬৩১। মাননীয় হস্ত আৰু বয়ন শিল্প বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) হস্ত আৰু বয়ন শিল্পৰ নামত ১৯৮৪-৮৫ চনত খৰচ কৰা টকাৰ পৰিমান কিমান ?

(খ) এই ধাৰ্য্য কৰা টকাৰ খৰচৰ ভিত্তি কি ?

(গ) অসম চৰকাৰে হস্ত আৰু বয়ন শিল্পৰ উন্নতিৰ বাবে কি কি নীতি হাতত লৈছে ?

শ্ৰীনগেন শৰ্মা ( হস্ত তাত, বস্ত্ৰ-শিল্প আৰু ৰেচম মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) পৰিকল্পনা শিতানত ১৮৬·৭৬ টকা খৰচ কৰা হয়।

(খ) হস্ত তাঁত শিল্পৰ সমৃদ্ধি আৰু দুখীয়া শিপিনী সকলক প্ৰয়োজনৰ ভিত্তিত ধাৰ্য্য কৰা হয়।

(গ) হস্ত তাঁত আৰু বয়ন শিল্পৰ বিকাশ আৰু সম্প্ৰসাৰণৰ জৰিয়তে তাঁত বস্ত্ৰৰ উদ্‌পাদন বৃদ্ধি আৰু শিপিনীৰ আৰ্থসামাজিক অৱস্থাৰ ক্ৰমোন্নয়ন ইয়াৰ মূল উদ্দেশ্য। নীতিগতভাবে শিপিনী সকলক—

(১) কম সময়ৰ ভিতৰত মান বিশিষ্ট বস্ত্ৰ উৎপাদনৰ বাবে উন্নত কাৰীক প্ৰয়োগৰ পদ্ধতিগত প্ৰশিক্ষন দিয়া।

(২) বস্ত্ৰ উৎপাদনৰ সা-সজুলিৰ আধুনিকীকৰণ কৰা।

(৩) প্ৰয়োজনীয় কেচামাল আৰু সজুলি আদিৰ যোগান দি নিয়মীত কৰ্মসংস্থানৰ ব্যৱস্থা কৰি দিয়া।

(৪) গ্ৰাম্য অৰ্থ-নীতি অধিক টনকীয়াল কৰিবলৈ, অধিক শিপিনীক সমবায় খণ্ডত অন্তৰ্ভুক্ত কৰা।

(৫) উৎপাদিত সামগ্ৰীৰ বিক্ৰীৰ ব্যৱস্থা কৰা।

(৬) শিপিনীৰ নানা কল্যাণমূলক আঁচনি, যেনে—

কাম কৰা ঘৰ সাজিবলৈ অনুদান, বৃদ্ধ আৰু ৰুগ্ন শিপিনীক এককালীন সাহাৰ্য্য, দুখীয়া শিপিনীক সঞ্চয়কৃত জমা ( Thrift fund ) আঁচনিৰ সুবিধা দিয়া ব্যৱস্থা হাতত লোৱা হৈছে।

বিঃ আন্দোলনকাৰী গ্ৰেপ্তাৰ

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*৬৩২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৭৯ চনৰ পৰা ১৯৮৫ চনৰ আগষ্ট মাহলৈ পুলিচে মুঠতে অসমত কিমান বিদেশী বহিষ্কাৰ আন্দোলনৰ আন্দোলনকাৰীক গ্ৰেপ্তাৰ কৰিছিল ?

(খ) পুলিচ লগ আপত এই সময়চোৱাৰ ভিতৰত কিমান লোকৰ মৃত্যু ঘটিল ?

(গ) এই সময়চোৱাৰ ভিতৰত কিমান জন পুলিচ বিষয়াক বিলম্বিত কৰা হৈছিল ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৭৯ চনৰ পৰা ১৯৮৫ চনৰ আগষ্ট মাহলৈ অসমত পুলিচে ৮১২৬৪ জন বিদেশী বহিষ্কাৰ আন্দোলনৰ আন্দোলনকাৰীক গ্ৰেপ্তাৰ কৰিছিল।

(খ) এই সময়চোৱাৰ ভিতৰত ৪ (চাৰি) জন লোকৰ পুলিচ লগ-আপত মৃত্যু হৈছিল।

(গ) এই সময়ছোৱাৰ ভিতৰত মুঠতে ৫৯৭ জন পুলিচ বিষয়াক নিলম্বিত কৰা হৈছিল।

Re : Foreign nationals

Shri Amritlal Basumatari asked :

*633. Will the minister, Political be pleased to state—

(a) What is the number of Foreigners who entered Assam—

(i) Till 31.12.65

(ii) Between Ist yearly 1966 and 24th March 1974 ?

(b) How many of them have been deported from Assam ?

Shri Bhrigu Kumar Phukan (Minister, Political) to replied :

(a) অসমলৈ প্ৰব্ৰজন হোৱা বিদেশীৰ সঠিক সংখ্যা অসম চৰকাৰে কোৱাটো টান। কিয়নো আন্তঃৰাষ্ট্ৰীয় সীমা ভাৰত চৰকাৰে বি. এচ. এফৰ দ্বাৰা ৰক্ষিত। অসম চৰকাৰে যিখিনি চিনাক্তকৰণ কৰি বহিষ্কাৰ কৰিছে আৰু সংখ্যা তলত দিয়া হৈছে।

(i) ১৯৫২ চনৰ পৰা ১৯৬৫ চনৰ ৩১ ডিচেম্বৰলৈ অসমত প্ৰবেশ কৰা আৰু চিনাক্ত কৰা বিদেশীৰ সংখ্যা ২,৯৮,৬৫৫ জন।

(ii) ১৯৬৬ চনৰ ১লা জানুৱাৰীৰ পৰা ১৯৭০ চনৰ ৩১ ডিচেম্বৰলৈ অসমত প্ৰবেশ কৰা আৰু চিনাক্তকৰণ কৰা বিদেশীৰ সংখ্যা ৪২,১৭৫ জন। ( ১-১-৭১ পৰা ২৪-৩-৭১ লৈ কিমান প্ৰবেশ কৰিছিল সেই হিচাব চৰকাৰৰ হাতত নাই )

(b) ১৯৫২ চনৰ পৰা ১৯৭০ চনলৈ বহিষ্কাৰ কৰা লোকৰ সংখ্যা ২,০৯,০০৫ জন।

বিষয় ঃ উদ্যোগ পাম

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*৬৩৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত বৰ্ত্তমান কেইখন উদ্যোগ অঞ্চল (Industrial Estate) আছে ?

(খ) মঙ্গলদৈ উদ্যোগ অঞ্চল প্ৰতিষ্ঠা কৰোতে কিমান টকা ব্যয় হৈছিল ?

গ) ইয়াত বৰ্ত্তমান কেইটা উদ্যোগ চলি আছে আৰু কিমানটা ঘৰ অব্যৱহৃত হৈ পৰি আছে?

(ঘ) উদ্যোগ অঞ্চলত থকা মঙ্গলদৈৰ এই ঘৰবোৰত (CRPF) কিমান বছৰৰ পৰা ৰখা হৈছে?

(ঙ) মঙ্গলদৈ উদ্যোগ অঞ্চলত উদ্যোগ প্ৰতিষ্ঠা কৰিব বুলি কিমান জন লোকৰ নামত ঘৰ, অনুজ্ঞাপত্ৰ, ঋণ আদি মঞ্জুৰ হৈছে সবিশেষ জনাবনে?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১২ খন উদ্দ্যোগ পাম আছে।

(খ) মুঠ ৮ লাখ ৪০ হেজাৰ টকা খৰচ হৈছিল।

(গ) দুটা উদ্যোগ চলি আছে আৰু ৪ (চাৰি)টা চালি ঘৰ শিল্প প্ৰতিস্থানৰ পৰিবৰ্ত্তে অন্য কামত ব্যৱহৃত হৈ আছে।

(ঘ) চাৰিটা ঘৰত চি, আৰ, পি, এফ এ ১৯৮০ চনৰ পৰা দখল কৰি আছে।

(ঙ) দুজন উদ্যোগীক এই উদ্যোগ অঞ্চলত খালি ঠাই আবণ্টণ দিয়া হৈছিল আৰু তাৰে এজনে নিজে চালি ঘৰ সাজি উদ্যোগ প্ৰতিষ্ঠা কৰিছে। এই বিভাগৰ পৰা কোনো ঋণ দিয়া হোৱা নাই।

**Re : Govt. Investment**

Shri Abhijit Sarma asked :

★635 Will the Minister, Industries be pleased to state—

(a) The total investment by the Govt. during the year 1982-83, 1983-84 and 1984-85 in the following corporations companies Industries ?

(i) The Assam Industrial Development Corporation.

(ii) The Assam Gas Company ?

(iii) Ashok Paper Mills Ltd.

(iv) Assam Tea Corporation Ltd.

(b) Whether these corporations companies made profit in those years.

Sri Digen Chandra Bora (Minister, Industries) replied :

(a) (i) The State Govt. has invested total Rs. 919.46 lakhs, Rs. 247·96 lakhs, Rs. 237.50 lakhs and Rs. 414·00 lakhs with AIDC as loan during 1982-83, 1983-84 and 1984-85 respectively for implementation of various projectos and Rs. 20.00 lakhs as grants in aid for land development at Malinee Beel.

(ii) 1982-83 Rs. 138.00 lakhs
1983-84 Rs. 83.00 "
1984-85 Rs. 250.00 "

Total Rs. 471.00 "

Includes Rs. 375 lakhs for NRP III projects.

(iii) 1982-83 :
1983-84 : Rs. 2,86,C0,000·00
1984-85 :

(iv) 1982-83 : 2,33,67,000·00
1983-84 : 26,33,000·00
1984-85 : 20,00,000·00

(b) (i) No

(ii) 1982-83 profit Rs. 78.74 lakhs
1983-84 " Rs. 0.19 lakhs
1984-85 " Rs. 250.00 lakhs

(iii) No

(iv) 1982-83 loss 3,16,16,345·35
1983-84 profit 59,17,260·47
1984-85 " 63.39,158.67

Re : Flood disasters in Patharkandi

Shri Monilal Goala asked :

*636 Will the Minister, Flood Control be pleased to state—

(a) Whether the Govt. is apprised to the horrible flood disasters in Patharkandi revenue circle under Karimganj Dist. particularly in Billbari, Balibari, Burunga, Hathikhira and Lowairpowa areas almost every year ?

(b) If so, the schemes the Govt. propose to take to control the flood.

(c) If there is any scheme of the Govt. to construct the Longai dam project ?

(d) If so, by when can that dam project be started.

শ্ৰীভৰত চন্দ্ৰ নৰহ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) লংগাই আৰু দেউলাথাল নদীৰ দুয়োপাৰে চান্দখিৰা গড়কাপ্তানী দলঙৰ পৰা বাতাবাৰিলৈ মথাউৰি সবল ও বৃদ্ধি কৰাৰ কামে অগ্ৰগতি লাভ কৰিছে।

(গ) তেনেকুৱা কোনো আঁচনি নাই।

(ঘ) প্ৰশ্ন নুঠে।

Re : Sluice gate in Panihaor

Shri Digendra Purkayastha asked :

*637 Will the Minister, Flood control be pleased to state—

(a) Whether the work of the Additional sluice gate in

Punihaor in Silchar Sub-Division has been completed ?

(b) If not, when it will be completed ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) আৰু (খ)—হয়। লোহাৰ দুৱাৰ খনৰ সামান্য কাম বাকী আছে যদিও আগন্তুক বানপানীৰ আগতে সম্পূৰ্ণ কৰিব পৰা যাব বুলি আশা কৰা হৈছে।

বিষয় ঃ সৰকাৰী পূৰ্ণাঙ্গ হাস্পাতাল

শ্ৰীরমেন্দ্র দে জিজ্ঞাসা করিতেছেন ঃ

*৬৩৮ মাননীয় জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্রী অনুগ্রহ করে জানাবেন কি ?

(ক) আসাম রাজ্যে কতটা শহর যেখানে কোন সরকারী পূর্ণাঙ্গ হাস্পাতাল নেই ?

(খ) বদরপুর শহরে ২০ শয্যা বিশিষ্ট হাস্পাতাল স্থাপনের সিদ্ধান্ত আছে কি?

(গ) যদি থাকে, কবে পর্যন্ত হবে ?

শ্ৰীযতীন মালী (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ২০ খন চহৰত পূৰ্ণাঙ্গ হস্পিতাল নাই।

(খ) বৰ্ত্তমানে নাই।

(গ) প্ৰশ্ন নুঠে।

Re : Bus Communication to the Dhubri Civil Hospital

Shri Amrit Lal Basumatary asked :

*639. Will the Minister, Health be pleased to State—

(a) —Whether Govt. are aware that the new Dhubri Civil

Hospital are 4 KM away from the main town of Dhubri and without any bus communication to the Hospital ?

(b) If so, whether Govt. propose to maintain 30 bedded Hospital at the compound of old Hospital at Dhubri ?

Shri Jatin Mali, (State Minister, Health) Replied :

(a) —Yes.

(b) —No.

বি ঃ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*৬৪০। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত বৰ্ত্তমান অৱস্থাত কিমানখন প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ আছে ?

(খ) গুৱাহাটী মেডিকেল কলেজে নিজাকৈ পোন-পতিয়াভাৱে এনে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পৰিচালনা কৰে নেকি ?

(গ) প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সমূহত Life Saving Drugs নিয়মিত-ভাৱে যোগান ধৰা হয় নে ?

(ঘ) অসমৰ কেইটা P.H C. বা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত Oxygen যোগান ধৰা হয় ?

শ্ৰীযতীন মালী (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯ খন।

(খ) তিনিখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পৰিচালনা কৰে।

(গ) হয়।

(ঘ) বৰ্ত্তমানলৈ ৫৭ খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত অক্সিজেন যোগান ধৰা হৈছে।

বি ঃ বিশ্ববিদ্যালয়ৰ দৰ্মহা আয়োগ

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে ঃ

*৬৪১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে ১৯৮৪ চনৰ ১৪ ফেব্ৰুৱাৰী তাৰিখে জাননী দিয়া অসম কৃষি বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনা শিক্ষক কৰ্মচাৰী সকলৰ বাবে ন্যায়াধীশ শ্ৰীযুত ভোলানাথ শৰ্মাক সভাপতি ৰূপে লৈ গঠন কৰা উমৈহতীয়া দৰ্মহা আয়োগৰ অৱস্থা কি পৰ্য্যায়ত আছে?

(খ) এই আয়োগে প্ৰতিবেদন দাখিল কৰিলে নে?

(গ) যদি কৰিলে, চৰকাৰে ইয়াক কেতিয়াৰ পৰা কাৰ্য্যকৰী ব্যৱস্থা হাতত লব?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) আয়োগৰ কাল ১৯৮৫ চনৰ চেপ্তেম্বৰ মাহত শেষ হৈছে।

(খ) হয়।

(গ) সংশ্লিষ্ট বিশ্ববিদ্যালয় তিনিখনৰ পৰা উক্ত আয়োগৰ পৰামৰ্শ গ্ৰহণ কৰা সম্পৰ্কে সিদ্ধান্ত পালেই চৰকাৰে তাক কাৰ্য্যকৰী কৰাৰ কাম হাতত লব।

বি ঃ অসম স্বাস্থ্য সেৱা

শ্ৰীনৰেন তাঁতিয়ে সুধিছে ঃ

*৬৪২। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ দৰে হোমিওপ্যাথিক চিকিৎসা সেৱাক অসম স্বাস্থ্য সেৱাত অন্তৰ্ভুক্তি নকৰাৰ কাৰণ কি ?

(খ) চলিত বছৰ (১৯৮৬-৮৭)ত হোমিওপ্যাথিক শিক্ষা ও চিকিৎসা সেৱাৰ উন্নতি তথা সম্প্ৰসাৰণৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীযতীন মালি (ৰাজ্যিক স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হোমিওপ্যাথিক চিকিৎসা সেৱাৰ কাৰণে ৭ম পৰিকল্পনাত অসম স্বাস্থ্য সেৱাত কিছু হোমিওপ্যাথিক ঔষধালয় প্ৰতিষ্ঠা কৰিবলৈ লোৱা হৈছে।

(খ) ১৯৮৬-৮৭ চনত হোমিওপ্যাথিক শিক্ষাৰ কাৰণে সহায়ক অনুদান বঢ়াই দিয়াৰ কথা বিবেচনাধীন হৈ আছে।

বিষয় ঃ আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ পাঠ্যক্ৰম

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

*৬৪৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গুৱাহাটী বিশ্ব বিদ্যালয়ৰ অধিনস্থ অসম চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ ৫½ বছৰীয়া BAMS স্নাতক পাঠ্যক্ৰম অন্যান্য কাৰিকৰী স্নাতক (BSC & A.H.B.F. (Ag) M.B.B.S. ইত্যাদি পাঠ্যক্ৰমৰ সমপৰ্য্যায়ৰ বুলি চৰকাৰে জানেনে ?

(খ) যদি জানে তেন্তে এই B.A.M.S. স্নাতক সকলক মাহিলী বেতনৰ

নিৰিখ আৰু অন্যান্য সুবিধা সমূহ উক্ত কাৰিকৰী স্নাতকৰ দৰে নিদি তেওঁ-লোকক যোগ্যপ্ৰাপ্যৰ পৰা কিয় বঞ্চিত জনাবনে ?

(গ) ১৯৮৩ ৰ পৰা এতিয়ালৈকে সৰ্ব্বমুঠ চাৰিটা শ্ৰেণী নিয়মীয়াকৈ উত্তীৰ্ণ হোৱাৰ পাছতো B.A.M.S. স্নাতক সকলৰ নিয়োগৰ কাৰণে অসম চৰকাৰে কোনো ব্যৱস্থা কিয় গ্ৰহণ কৰা নাই জনাবনে ?

(ঘ) বৰ্ত্তমান চৰকাৰে এই স্নাতক সকলৰ নিয়োগৰ কি ব্যৱস্থা লৈছে ?

শ্ৰীযতীন মালি (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) জানে।

(খ) B.A.M.S. স্নাতক সকলক যোগ্য প্ৰাপ্যৰ পৰা বঞ্চিত কৰা হোৱা নাই।

(গ) ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(ঘ) চৰকাৰে চলিত বিত্তীয় বছৰত ১৩টা পদৰ মঞ্জুৰ কৰিছে।

বিষয় ঃ অসম আৰ্টফেডৰ ব্যৱসায়

শ্ৰীঅমৃতলাল বসুমতাৰীয়ে সুধিছে ঃ

*৬৪৪। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম আৰ্টফেডে (ARTFED) কোন চনৰ পৰা ব্যৱসায় আৰম্ভ কৰে ?

(খ) এই আৰ্টফেডে কি কি কাপোৰ উৎপাদন কৰে আৰু ক'ত কাৰ যোগেদি এই কাপোৰ বিক্ৰী কৰে ?

(গ) আৰ্টফেডৰ দ্বাৰা উৎপাদিত কাপোৰৰ চাহিদা বজাৰত কেনেকুৱা ?

(ঘ) আৰম্ভণীৰ পৰা বৰ্ত্তমানলৈকে বছৰি কিমান টকাৰ মূল্যৰ কাপোৰ বিক্ৰী কৰিছে ?

(ঙ) আৰ্টফেডৰ ব্যৱসায়িক লাভ লোকচান কেনেকুৱা ?

(চ) অসম চৰকাৰে বৰ্ত্তমানলৈ আৰ্টফেডৰ কিমান টকা অৰ্থ সাহাৰ্য্য আৰু ঋণ আগবঢ়াইছে ?

(ছ) চৰকাৰৰ ঋণ আৰ্টফেডে আদায় দিব পাৰিছেনে ? যদি পৰা নাই, কিমান টকা দিবলৈ বাকী আছে ?

শ্ৰীনগেন শৰ্ম্মা (হস্ত তাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) আৰ্টফেডে ১৯৭৭-৭৮ চনৰ পৰা ব্যৱসায় আৰম্ভ কৰিছে।

(খ) পাট, মূগা, এড়ি আৰু কপাহী কাপোৰৰ উপৰিও আৰ্টফেডে 'জনতা' বস্ত্ৰ আঁচনিৰ জৰিয়তে ধুতি, শাৰী, মেখেলা, চাদৰ আদি উৎপাদন কৰে। আৰ্টফেডৰ বিভিন্ন ঠাইত থকা ১৬টা বিক্ৰী কেন্দ্ৰৰ যোগেদি বিক্ৰী কৰে। তাৰোপৰি গাওঁ পঞ্চায়ত, সমবায় সমিতি, অন্যান্য সমবায় প্ৰতিষ্ঠান আৰু ভাৰত চৰকাৰে দেশৰ বিভিন্ন ঠাইত আয়োজন কৰা জাতীয় হস্ত তাঁত শিল্পৰ প্ৰদৰ্শনীৰ যোগেদিও বিক্ৰী কৰা হয়।

(গ) আৰ্টফেডৰ উৎপাদিত কাপোৰ বিশেষকৈ পাট, মূগা, আৰু এড়ি কাপোৰৰ চাহিদা বেচ উৎসাহজনক।

(ঘ) বছৰি ভিত্তিত কাপোৰ বিক্ৰীৰ হিচাব এনে ধৰণৰ ঃ—

১৯৭৭-৭৮—১১,২৮,১০২·৭৮ টকা
১৯৭৮-৭৯—৪২,৯১,০০১·৪২ ,,
১৯৭৯-৮০—৬৩,৩১,৫৩৫·২৩ ,,
১৯৮০-৮১—৬৭,৪৪,৯৩২·৭২ ,,
১৯৮১-৮২—৫৫,৫৬,১৮৫·৫১ ,,

১৯৮২-৮৩—৭২,২৪,৫৩৭˙১৪ টকা

১৯৮৩-৮৪—৯১,৫৬,১১৮˙৭৬ ,,

১৯০৪-৮৫—১,৯-,৬৯,৮০৩˙৭৬ ,,

(ঙ) বছৰ ভিত্তিত লাভ লোকচানৰ হিচাব তলত দাঙি ধৰা হ'ল ।

১৯৭৭-৭৮ চনত ১,৫৯,৮৯৯˙৬১ টকা লোকচান হয় ।

১৯৭৮-৭৯ ., ২,৫৫,৯৫৪˙৪৯ ,, লাভ হয়

১৯৭৯-৮০ ,, ২,২৩,২২৭˙৮৭ ,, লোকচান

১৯৮০-৮১ ,, ২,৭১,২৯০˙৯৬ ,, ,,

১৯৮১-৮২ ,, ৪,৬৯,৩৬৯˙১৯ ,, ,,

১৯৮২-৮৩ ,, ১,৪৪,২৩৫˙১০ ,, লাভ

১৯৮৩-৮৪ ,, ৩,১১,০১৮˙২৬ ,, ,,

১৯৮৪-৮৫ ,, ৪,২৮,৪৪০˙৪৭ ,, ,,

(চ) অর্থ সাহার্য্য—২১,৮১,২০৬˙৫৬ টকা

অংশ কিনাৰ বাবদ—৬৩,৩৪,৫০০˙০০ ,,

---

মুঠ—৮৫,১৫,৭০৬˙৫৬ টকা

ঋণ—৮৭,৯৫,২৯৭˙০০ ,,

(ছ) আৰ্ট ফেডে এতিয়ালৈকে মাত্ৰ ৩১,৭১,৬৫০.২০ টকা ঋণ পৰিশোধ কৰিছে আৰু ৫৬,২৩,৬৪৬.৮০ টকা পৰিশোধ কৰিবলৈ বাকী আছে ।

Re : Post of Director for family welfare

Shri Abdul Muqtadir Choudhury asked :

★645 Will the Minister of state Health be pleased to state—

(a) Whether is it a fact that a post of Director, Family Welfare has been sanctioned by the Govt. of India for Assam ?

(b) If so, when the post was sanctioned ?

(c) Whether the post has been created by the Govt. of Assam and if so whether anybody has been appointed ?

Shri Jotin Mali ( Minister of State Health & F.W.) replied—

(a) & (b) In their letter dated 6. 8. 85, the Govt. of India communicated their sanction for upgradation of the Addl. Director in-charge Family Welfare to that of Director Family Welfare.

(c) The matter has since been reconsidered by the State Govt. and now it is felt that it is not necessary to create the post of Director, Family Welfare as Health & Family welfare services go together and are inseparable. The infrastructure for the delivery of Health & Familyr Welfare services is at the periphery and the delivery of cobined Health & Family is services fundamental for the success of F. W. programme.

বিষয় ঃ মানকাছাৰ উদ্যোগীকৰণ পৰিকল্পনা

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

*৬৪৬ মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মানকাছাৰ সমষ্টিক উদ্যোগীকৰণ পৰিকল্পনাৰ অন্তভূক্ত কৰণৰ কোনো আঁচনি চৰকাৰৰ হাতত আছেনে ?

(খ) যদি আছে তেন্তে কি ধৰণৰ পৰিকল্পনা আছে ?

(গ) যদি নাই তেন্তে নিবনুৱা সমস্যাৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য কৰি অন্তত সৰু আৰু মজলীয়া উদ্যোগ গঢ়ি তোলাৰ বাবে দ্ৰুত ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) এতিয়ালৈকে বিশেষ কোনো আঁচনি হাতত লোৱা নাই।

(খ) প্ৰজোয্য নহয়।

(গ) সম্ভাব্য ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ গঢ়ি তোলাৰ বাবে বিহিত ব্যৱস্থা হাতত লোৱা হব।

Re : Assam Pharmacy Council

Shri Amritlal Basumatari asked :

★647 Will the Minister, Health be pleased to state—

(a) Whether the tenure of the selected members of Assam pharmacy council has already been expired ?

(b) If so, when ?

(c) Whether Govt. propose to held an Election to the council ?

(d) If so, when ?

(e) If not, why not ?

Shri Jatin Mali (Minister of State, Health) replied—

(a) Yes.

(b) 17th April, 1983.

(c) Yes.

(d) Under consideration of Govt.

(e) Does not arise.

Re : Frcedom fighters.

Shri Abdul Jalil Asked.

★648 Will the Chife Minister be Pleased to State ?

(a) The total number of freedom fighters who have beenawarded State political is Pension Assam ?

(b) The District-wise breakup of Such pensioners ?

(c) The monthly rate of State political pension ?

(d) Whether the Govt. Will Consider the enhancement of the rate of State Political Pension ?

(e) Whether all applicants have already been awarded State Political pension ?

(f) If not, how many applications are still Pending ?

(g) What is the District wise break up ?

(h) Whether Govt will consider all the pending applications and award State Political Pension to the eligible Freedom fighter in Assam ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) ১৭৩৮ জন।

| (খ) জিলা | | পেঞ্চন ভোগ কৰে। তাৰ সংখ্যা। |
|---|---|---|
| ডিব্ৰুগড় | — | ৭৬ |
| সিৱসাগৰ | — | ৬১৭ |
| যোৰহাট | — | ১০১১ |
| নগাওঁ | — | ১৩৬ |
| কামৰূপ | — | ২৫৫ |
| নলবাৰী | — | ১০৯ |
| বৰপেটা | — | ১৬৩ |
| গোৱালপাৰা | — | ১৭৩ |
| কোকৰাঝাৰ | — | ১৫ |
| ধুবুৰী | — | ৫৫ |
| দৰং | — | ৯১ |

| জিলা | | পেঞ্চন ভোগ কৰে। তাৰ সংখ্যা |
|---|---|---|
| শোনিতপুৰ | — | ৪২২ |
| লক্ষীমপুৰ | — | ৩৩৫ |
| উত্তৰ কাছাৰ | — | ৬ |
| কাৰ্বি আংলং | — | ৯ |
| কাছাৰ | — | ২৫২ |
| কৰিমগঞ্জ | — | ২১১ |
| প্ৰাগজ্যোতিষপুৰ | — | ২ |

(গ) মাহিলি ২০০ টকাকৈ।

(ঘ) নহয় যিহেতু ১৯৮৫ চনৰ ১ আগষ্টৰ পৰা ১২৫ টকাৰ পৰা ২০০ টকালৈ বৃদ্ধি কৰা হৈছে।

(ঙ) নহয়।

(চ) ১৯৭ খন

| | | |
|---|---|---|
| (ছ) ডিব্ৰুগড় | — | ১৬ |
| শিৱসাগৰ | — | ১৩ |
| যোৰহাট | — | ১৮ |
| নগাওঁ | — | ১০ |
| কামৰূপ | — | ২০ |
| নলবাৰী | — | ১ |
| বৰপেটা | — | ৩ |
| গোৱালপাৰা | — | ১ |
| ধুবুৰী | — | — |
| কোকৰাঝাৰ | — | ১ |
| দৰং | — | ১ |

| | | |
|---|---|---|
| শোনিতপুৰ | — | ৬ |
| লক্ষীমপুৰ | — | ২ |
| কাছাৰ | — | ১৫ |
| কৰিমগঞ্জ | — | ৭ |
| উত্তৰ কাছাৰ | — | — |
| কাৰবি আংলং | — | — |

(জ) হয়।

Re : Detection of Foreigners.

Shri Pabin Chandra Deka Asked

*649 Will the Chief Minister be Pleased to state

The number of Foreigness detected and expelled from Assam Since the installation of the present Assam Govt. as per provisions of the Settlement of Memorandum ?

(Give numbers of Foreigners detected and expelled district wise)

Shri Prafulla Kumar Mahanta (Chief Minister) Assam, replied—

অসমৰ পৰা ধৰা পেলোৱা আৰু বহিস্কাৰ কৰা বিদেশী নাগৰিকৰ (বাংলাদেশী) সংখ্যা ২১৮ অবৈধ প্ৰব্ৰজনকাৰী চিনাক্ত কৰণ আইন মতে ৩৪ জন চিনাক্ত কৰণ হয়।

সংলগ্ন নথিৰ ক আৰু খ ও জিলা ভিত্তিক পৰিসংখ্যা দিয়া হৈছে।

বিষয় ঃ উদ্যোগীক প্ৰতিস্থানক অনুদান

শ্ৰীজগত হাজৰীকাই সুধিছে ঃ

*৬৫০। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৭১ ইং চনৰ পৰা ১৯৮৫ ইং চনলৈ অসম চৰকাৰে কিমানটা

উদ্যোগী প্ৰতিস্থানক ১০%, ২০%, আৰু ২৫%, মূলধন অনুদান (Capital investment subsidy) আৰু ৫০% পৰিবহন অনুদান (Transport subsidy) আগবঢ়ালে আৰু এই সংক্ৰান্তত অসম চৰকাৰৰ কিমান ধন খৰচ হ'ল ?

(খ) উক্ত কাৰণত খৰছ হোৱা সমুদায় টকা ভাৰত চৰকাৰে অসম চৰকাৰক পৰিশোধ কৰিলেনে ?

(গ) যদি কৰা নাই, তেনেহলে সেই ধন ভাৰত চৰকাৰৰ পৰা আদায় কৰিবলৈ অসম চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে।

(ক) ১৯৭১ চনৰ পৰা ১৯৮৫ চনলৈকে অসম চৰকাৰে ১৭০১ টা উদ্যোগ প্ৰতিস্থানক ১০%, ১৫%, ২০%, ২৫% মূল ধন অনুদান (Capital invaitment subsidy) আৰু ৫০%, ৭৫% পৰিবহন অনুদান (Transport subsidy) ৬৬ টা উদ্যোগ প্ৰতিস্থানক আগবঢ়ালে আৰু এই সংক্ৰান্তত অসম চৰকাৰৰ মুঠ ১৫,২৪,৫৪,৭৭৭ টকা অনুদান কৰে।

(খ) উক্ত কৰণত বিতৰণ হোৱা মুঠ পুৰণৰ দাবী ১৩,৫৬,৬৯,৫৯২ টকা ভাৰত চৰকাৰৰ ওচৰত কৰা হৈছে। তাৰ ভিতৰত চৰকাৰে ১২,৩২,৩৮,৯২৫ টকা অসম চৰকাৰক ব্যয় পুৰণ কৰিলে।

(গ) ভাৰত চৰকাৰে অসম চৰকাৰক ব্যয় পুৰণ কৰিবলৈ বাকী থকা টকাৰ বাবে অসম চৰকাৰে ইতিমধ্যে যাৱতীয় যোগাযোগ কৰি আছে। এই ক্ষেত্ৰত বিতৰণ প্ৰতিষ্ঠান সমূহৰ পৰা উদ্যোগ প্ৰতিষ্ঠান সমূহক দিয়া বিতৰণ কৰা ধনৰ দাবী সমূহ সময়মতে দিবলৈ কোৱা হৈছে।

বিষয়ঃ E.M.T.C.

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*৬৫১। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) E.M.T.C. (Entrepreneours Motivated Training Centre )ৰ যোগেদি মুঠতে কিমান লোকক ১৯৮০ চনৰ পৰা ১৯৮৫ চনলৈ Motivated কৰা হৈছে বা Training দিয়া হৈছে ?

(খ) EMTCৰ যোগেদি প্ৰশিক্ষণপ্ৰাপ্ত কিমান নিবনুৱাই ১৯৮০ চনৰ পৰা ১৯৮৫ চনলৈকে উদ্যোগ স্থাপন কৰিছে ? ইয়াৰ দ্বাৰা ঋণ কিমানে পাইছে ?

(গ) কিমান জন প্ৰশিক্ষণ প্ৰাপ্ত যুৱকে ঋণ এতিয়াও পোৱা নাই ? ঋণ নোপোৱা লোক সকলক ঋণ দিয়াৰ বাবে কিবা ব্যৱস্থা লৈছেনে ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা ( উদ্যোগ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) EMTCৰ যোগেদি ১৯৮০ চনৰ পৰা ১৯৮৫ চনলৈ ৭৯১৮ জন লোকক Motivation বা Training ( প্ৰশিক্ষণ ) দিয়া হৈছে।

(খ) EMTCৰ যোগেদি ১৩৩ জন নিবনুৱাই ১৯৮০ চনৰ পৰা ১৯৮৫ চনলৈ উদ্যোগ স্থাপন কৰিছে। ইয়াৰ দ্বাৰা ১১৩৬ জনে ঋণ পাইছে।

(গ) প্ৰশিক্ষণপ্ৰাপ্ত ৮৪৪ জন যুৱকে এতিয়াও ঋণ লোৱা নাই। প্ৰশিক্ষাৰ্থী আৰু বেংকৰ লগত এই বিষয়ত যোগাযোগ কৰি থকা হৈছে ?

Re : ACS Class I and II Service

Shri Prabin Chandra Deka asked :

*652 Will the Chief Minister be pleased to state :

(a) Whether the Govt. has decided to amalgamate the

Assam Civil Service class I and Assam Civil Service class II ?

(b) If so, when the decision will be implemented ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) replied :

(a) No Such decision has been taken.

(b) Does not arise.

বিষয় ঃ কাৰ্য্যবাহী অভিযন্তাৰ কাৰ্য্যালয়

শ্ৰীহৰেন্দ্ৰ বড়াই সুধিছে ঃ

*৬৫৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মৰিগাওঁ মহকুমাত দুটা ( পথ ও গৃহ ) কাৰ্য্যবাহী অভিযন্তাৰ আছে নেকি ?

(খ) যদি আছে সেই কাৰ্য্যালয় দুটা কোন ঠাইত থাকি কাম চলাই আছে ?

(গ) বৰ্ত্তমান বছৰৰ আৰম্ভনিতে এই কাৰ্য্যালয় দুটা স্থানান্তৰ কৰাৰ কিবা আঁচনি আছে নেকি ?

(ঘ) যদি নাই সোনকালে মৰিগাওঁলৈ অনাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) মৰিগাওঁ মহকুমাত গড়কাপ্তানী বিভাগৰ কোনো কাৰ্য্যবাহী অভিযন্তাৰ কাৰ্য্যালয় নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) মৰিগাওঁত পথ ও গৃহ কৰ্মচাপ বাঢ়িলে মৰিগাওঁত কাৰ্য্যাবাহী অভিযন্তাৰ কাৰ্য্যালয় স্থাপন কৰিবৰ বাবে চৰকাৰে বিবেচনা কৰিব।

বিষয়ঃ গড়া খহনীয়া প্ৰতিৰোধ

শ্ৰীবলভদ্ৰ তামুলীয়ে সুধিছেঃ

*৬৫৪। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) মৰিয়াহোলাত গড়া খহনীয়া প্ৰতিৰোধৰ স্থায়ী ব্যৱস্থা গ্ৰহণ কৰা হবনে?

(খ) যদি কৰা নাই ১৯৮৬-৮৭ চনত ব্যৱস্থা গ্ৰহণ কৰাৰ দিহা কৰা হবনে?

(গ) নেঘেৰিটিং, বংকোৱাশ মথাউৰিটো নিকৰিঘাটলৈকে সম্প্ৰসাৰণ কৰা আঁচনিখনৰ কাৰ্য্যকৰী কৰণৰ ব্যৱস্থা কেতিয়াৰ পৰা আৰম্ভ হব?

(ঘ) কি কাৰণত মৰিয়াহোলাৰ খহনীয়া প্ৰতিৰোধৰ স্থায়ী ব্যৱস্থা আৰু নেঘেৰিটিং, বংকোৱাল মথাউৰিৰ সম্প্ৰসাৰণ কৰিব নোৱাৰাৰ কাৰণ সমূহ জনাবনে?

(ঙ) বাৰিষাৰ আগে আগে বোকাখাট সমষ্টিত বৰ্ত্তমান থকা মথাউৰি সমূহ মেৰামতি কৰা হবনে?

(চ) ধনশ্ৰী আৰু গেলাবিল নদীৰ খহনীয়া প্ৰতিৰোধৰ বাবে স্থায়ী বা অস্থায়ী ব্যৱস্থা লোৱা হৈছেনে? যদি লৈছে ক'ত ক'ত লোৱা হৈছে?

(ছ) খহনীয়া অব্যাহত থকা সকলো অঞ্চলতে অন্ততঃ প্ৰয়োজনীয় অস্থায়ী ব্যৱস্থা গ্ৰহণ কৰিবনে?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) হয়, গ্ৰহণ কৰা হব।

(খ) প্ৰশ্ন নুঠে।

(গ) বিষয়টো এতিয়াও বিবেচনাধীন হৈ আছে।

(ঘ) কাৰণ সমূহ ক্ৰমান্বয়ে ১। মৰিয়াহোলাৰ আঁচনিখন কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমোদন পোৱা হোৱা নাই।

২। নেঘেৰিটিং, বংকোৱালৰ বিতং অনুসন্ধান সম্পূৰ্ণ হোৱা নাই।

৩। কেন্দ্ৰীয় চৰকাৰৰ পৰা পৰিয়াল পৰিকল্পনাৰ ঋণ সাহাৰ্য্য অতিশয় কম।

(ঙ) যথাসম্ভৱ মেৰামতি কৰা হব।

(চ) গোলাঘাট চহৰ, লুকুকীতহাট আদি ঠাইত ধনশ্ৰী নদীৰ আৰু গেলাবিল নদীৰ কল্যাণ নগৰত খহনীয়া প্ৰতিৰোধৰ স্থায়ী ব্যৱস্থা লোৱা হৈছে।

(ছ) যথাসম্ভৱ গ্ৰহণ কৰা হব।

Re : Balajan P.H.C. Hospital

Shri Charan Narzary asked :

*655. Will the Minister Health be pleased to state ?

(a) Whether the Govt. is aware that the hospital building and the staff quarters of the Balajan PHC in kokrajhar Dist. are in a very bad shape for want of necessary annual repairing ?

(b) If so, the steps taken for doing early repair works of the hospital building and the staff quarters ?

Shri Jatin Mali (State Minister Health) to replied.

(a) Yes.

(b) Steps are being taken for early repair.

Re : Hojai Apex Marketing Society

Shri Santi Ranjan Dasgupta asked :

☆656. Will the minister, Co-operation be pleased to state—

(a) The Chairman of Hojai Apex Marketing Society ?

(b) For how many years he is holding that post ?

(c) According to co-op. law for how many years one person can remain as a chairman of a particular society continuously ?

Sri Lalit Chandra Rajkhowa Minister of (co-operation) replied.

(a) There is no co-operative society by such name.

(b) Does not arise.

(c) A person may hold the office of chairman in a primary co-op. society other than non-agricultural credit society for four years in succession and in case of non-agricultural credit society for two years in succession, provided he is elected annually in case of other society there is no bar for a person to continue in office in succession indefinitly if elected annualy as par its Bye-Laws

Provided Registrar of co-op. societies may allow a person after expiry of four years who seeking re-elected in the office of chairman for one year at a time in case of primary societies other than nonagricultural credit societies under exceptional circumstances.

বিঃ ফায়ার ব্ৰীগেড চেণ্টার

শ্রীরামেন্দ্র দেই জিজ্ঞাসা করিতেছেন ঃ

*৬৫৭। মাননীয় স্বরাষ্ট্র বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করি জানাবেন কি ?

(ক) আসাম রাজ্যে কয়টা শহর আছে যেখানে কোন ফায়ার ব্ৰীগেড নেই ?

(খ) কিবা কোন নীতির ভিত্তিতে শহর কেন্দ্রে ফায়ার ব্রীগেড মঞ্জুর করা হয় ?

(গ) বদরপুর শহরে ফায়ার ব্রীগেড স্থাপনের কোন বাধা আছে কি ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত নিম্নলিখিত চহৰত কোনো ফায়াৰ বীগ্ৰেড কেন্দ্ৰ নাই।

১) ওড়ালগুৰি
২) শদিয়া
৩) হামৰেণ
৪) উত্তৰ শালমৰা
৫) গোঁসাইগাওঁ
৬) মাজুলি
৭) জোনাই
৮) বিশ্বনাথ চাৰিআলি
৯) চৰাইদেউ
১০) ধেমাজি

(খ) জনসংখ্যা কল কাৰখানা ব্যৱসায় বাণিজ্য আৰু জুইলগা সম্ভাৱনা থকা অনুস্থানৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি অগ্নিনিৰ্বাপক সেৱা সংস্থা স্থাপন কৰা হয়।

(গ) অগ্ৰাধিকাৰ ভিত্তিত বদৰপুৰ চহৰত অগ্নি নিৰ্বাপনাৰ্থে সপ্তম পথত বাৰ্ষিক পৰিকল্পনা যোজনাৰ বিবেচনাধীন হৈ আছে।

Re : 2nd Agriculture College

Shri Amritlal Basumatary asked :

★658. Will the Minister Agriculture be pleased to state—

(a) Whether the site for the 2nd Agriculture College has been selected ?

(b) If is it so, where ?

c) Whether any construction has been started ?

(d) If so, what is the progress ?

(e) When is it proposed to complete ?

(f) What is the estimated amount ?

Shri Nilamani Das, Minister, Agriculture Replied.

(a) Yes.

(b) At Biswanath Charali.

(c) Not yet. The work orders for construction of temporary College Buildings, Associate Professors Quarters, Ministerial staff Quarters, grade iv Hostel Buildings and over head water reservoir has been issued.

(d) Does not arise.

(e) The first phase of construction works shall be completed by 1987.

(f) The estimated cost of establishment of the college was Rs. 11.13 in August, 1984.

Re : Assam Accord

Shri Abdul Jalil asked :

★659. Will the Chief Minister be pleased to state—

(a) What have been done by the Central and State Govt. to implement the clause 7 of the Assam accord ?

(b) Whether any proposal has been submitted by the State Govt. before the Central Govt. for the same ?

(c) Whether any economic scheme has been included in the 1st Financial year of the seventh Five Year Plan as per clause No. 7 of the Assam Accord ?

Shri Prafulla Kumar Mahhnta (Chief Minister) replied :

659 (a) and (b) The Government of Assam have requested the Planning Commission to set up a Task Force/working group to give guidance and advice to the State Government for implementation of the commitment contained in clause 7 of the Accord. The Ministry of Home affairs has indicated that due consideration has been given to this commitment in the finalisation of Assam's seventh plan outlay.

(c) The plan outlay for the First Financial year of the Seventh Five Year Plan was finalised in the month of April 1985 While the Accord was signed on August 15, 1985.

Re : Foreign Liquor Shops

Shri Abdul Jalil asked :

★660. Will the Minister, Excise be pleased to state—

(a) The number of Foreign liquor shops in Assam ?

(b) The District-wise break up of such shop ?

(c) How those Foreign Liquor shops are settled ?

(d) The total amount of annual Excise Revenue collected from these Foreign Liquor shops ?

শ্ৰী ভৃগু কুমাৰ ফুকন (আৰকাৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১১৪ খন ।

| (খ) | জিলা | | সংখ্যা |
|---|---|---|---|
| ১। | ডিব্ৰুগড় | — | ৩১ |
| ২। | যোৰহাট | — | ১৫ |
| ৩। | শিৱসাগৰ | — | ৯ |
| ৪। | লক্ষীমপুৰ | — | ৩ |
| ৫। | কাৰবি আংলং | — | ১ |
| ৬। | উত্তৰ কাছাৰ | — | ৫ |
| ৭। | কৰিমগঞ্জ | — | ৩ |
| ৮। | কাছাৰ | — | ৪ |
| ৯। | নগাওঁ | — | ৫ |
| ১০। | প্ৰাগজ্যোতিষপুৰ | — | — |
| ১১। | কামৰূপ | — | ১৫ |
| ১২। | নলবাৰী | — | ১ |
| ১৩। | বৰপেটা | — | — |
| ১৪। | গোৱালপাৰা | — | ২ |
| ১৫। | কোকৰাঝাৰ | — | ২ |
| ১৬। | ধুবুৰী | — | ২ |
| ১৭। | দৰং | — | ৫ |
| ১৮। | শোণিতপুৰ | — | ১১ |

(খ) এই বিদেশী সুৰাৰ দোকানবোৰৰ বন্দবস্তি অসম আৰকাৰী আইন ১৯১০ অনুসাৰে আৰু অসম মদ নিবাৰণী আইন ১৯৫২ অনুসাৰে আৰু এই আইনৰ ওপৰত ভিত্তি কৰি প্ৰণয়ন কৰা বিভিন্ন বিধি অনুসৰি দিয়া হয়।

(ঘ) ১৯৮৪ ৮৫ চনত ২,২০,৪৮,৮৬৫.৪৫ টকা।
১৯৮৫-৮৬ চনত ২,৩৯,৯৭,৫১৬.৭১ টকা।

বি ঃ চাহ বৰ্ডৰ সভাপতিৰ অৰ্হতা

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*৬৬১। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) চাহ বৰ্ডৰ সভাপতি হবলৈ কি কি অৰ্হতা থাকিব লাগে আৰু

বৰ্ত্তমান সভাপতিজনৰ সেইবোৰ অৰ্হতা আছেনে ?

(গ) চাহ বৰ্ডৰ সভাপতিজন অসমৰ লোক হোৱাত গুৰুত্ব দি ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক যুক্তি সহকাৰে পতিয়ন নিয়াবলৈ চেষ্টা কৰিবনে ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) চাহ বৰ্ডৰ সভাপতি হবলৈ ভাৰতীয় প্ৰসাশনীয় সেৱাৰ জ্যেষ্ঠ বিষয়া হব লাগিব। বৰ্ত্তমান সভাপতিজনৰ এই অৰ্হতা আছে।

(খ) চাহ বৰ্ডৰ সভাপতি পদত অসমৰ লোকক নিযুক্তি দিবৰ কাৰণে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছে।

Re : Command division

Shri Santi Ranjan Dasgupta asked :

*662. Will the Minister Irrigation be pleased to state :

(a) Whether there is a division namely command division under the executive Engineer, Irrigation Hojai ?

(b) Whether he has jurisdiction to execute the work under whole Hojai Sub division or it is restricted to command area only ?

(c) Who execute the schemes of the deep Tube well and lift irrigation schemes within Hojai Sub Division ?

(d) If the office of the officer of question (c) is at Nagaon will it be transferred to Hojai so that cultivators get chance to place their grievences before the officer and get water in field for cultivation ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) তেনে নামৰ সংমণ্ডল নাই, কিন্তু হোজাইত যমুনা ক্ষেত্ৰ উন্নয়ন সংমণ্ডল নামেৰে এটা সংমণ্ডল আছে।

(খ) এই সংমণ্ডল এতিয়াৰ কেৱল যমুনা জলসিঞ্চন আঁচনিৰ উপকৃত এলেকাৰ ভিতৰতহে।

(গ) যমুনা জলসিঞ্চন আঁচনিৰ উপকৃত এলেকাৰ বাহিৰে সকলোবোৰ গভীৰ নলী-নাদ আৰু উত্তোলিত জলসিঞ্চন আঁচনি নগাওঁত থকা অভিযন্তাৰ দ্বাৰা কৰা হয়।

(ঘ) সদ্যহতে তেনে কোনো প্ৰস্তাৱ নাই।

বি ঃ জলসিঞ্চন আঁচনি

শ্ৰীউৎপল দত্তই সুধিছেঃ

*৬৬৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) লক্ষীমপুৰ জিলাত জলসিঞ্চন বিভাগে জলসিঞ্চনৰ কাৰণে লোৱা আঁচনি সমূহ ঠিকমতে কাৰ্য্যকৰী হৈছেনে ?

(খ) যদি কাৰ্য্যকৰী হোৱা নাই কিয় হোৱা নাই ?

(গ) উক্ত আঁচনি সমূহ কাৰ্য্যকৰী কৰাৰ বাবে কিবা বিহিত ব্যৱস্থা লৈছে নেকি জনাবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) ৪টা উত্তোলন আঁচনিৰ বাহিৰে বাকী কেইটা কাৰ্য্যকৰী হৈছে।

(খ) উক্ত ৪টা উত্তোলন আঁচনিত নদীৰ মূখ্য প্ৰৱাহ উত্তোলন কেন্দ্ৰৰ পৰা আতৰি যোৱাৰ বাবে।

(গ) উক্ত ৪টা আঁচনি কাৰ্য্যকৰী কৰিবৰ বাবে কাৰিকৰী বিকল্পৰ অধ্যয়ন কৰা হৈ আছে।

Re : Fishery office

Shri Santi Ranjan Dasgupta asked :

★664. Will the Minister, Fisheries be pleased to state—

(a) Whether there is a Sub-Divisional Fishery office at Hojai ?

(b) If so, the number of Fisheries under that office ?

(c) Whether in the year 1983-84 and 1984-85 there was any profit in those Fisheries ?

Shri Nilomoni Das (Minister, Fisheries) ) replied :

(a) Yes.

(b) Two

(c) Yes.

বি ঃ মজলীয়া আৰু ক্ষুদ্ৰ উদ্যোগ।

শ্ৰীআব্দুল জলিলে সুধিছে ঃ

*৬৬৫। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মৰিগাওঁ মহকুমাত কিমানটা বৃহত, মজলীয়া আৰু ক্ষুদ্ৰ উদ্যোগ আছে আৰু কি কি ?

(খ) এই উদ্যোগ সমূহত মুঠ কিমান জন লোকে কৰ্ম্ম সংস্থাপন পাইছে ?

(গ) এই উদ্যোগবোৰত কি কি সামগ্ৰী উৎপাদিত হৈছে আৰু ক'ত কি ধৰণে বিক্ৰী কৰা হৈছে ?

(ঘ) মহকুমাটোত আৰু কি কি বৃহত, মজলীয়া আৰু ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠা হ'ব পাৰে সেই বিষয়ে সমীক্ষা চলোৱা হৈছে নেকি আৰু সপ্তম পৰিকল্পনাত অন্তৰ্ভূক্ত কৰা হৈছে নেকি ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা (উদ্যোগ গিৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) মৰিগাওঁ মহকুমাত দুটা বৃহৎ উদ্যোগ আছে।

১। নগাওঁ কাগজ প্ৰকল্প (হিন্দুস্থান কাগজ নিগম পৰিসীমিত) জাগিৰোড।

২। অসম স্পান চিল্ক মিল, জাগিৰোড।

নতুন পঞ্জীয়ন

১। অসম পলিটেক্স এতিয়াও সম্পূৰ্ণ ঘৰ দুৱাৰ হোৱা নাই।

ক্ষুদ্ৰ উদ্যোগ

৫৪ টা ক্ষুদ্ৰ ক্ষুদ্ৰ উদ্যোগ আছে। উদ্যোগ গোটবোৰৰ তালিকা ১নং অনুচ্ছেদত দাখিল কৰা হ'ল ঃ

(খ) বৃহৎ উদ্যোগত ১৭৬২ জন। ক্ষুদ্ৰ উদ্যোগত ২৩৯ জন।

(গ) বৃহৎ উদ্যোগ উৎপন্ন বস্তু।

১। নগাওঁ কাগজ প্ৰকল্পৰ উৎপাদন চলিত বৃত্তীয় বছৰৰ পৰা আৰম্ভ হৈছে।

২। অসম স্পান চিল্ক মিলৰ অসম স্পান চিল্ক ইয়াৰ সম্পূৰ্ণ বিক্ৰী হয় চিঙ্গাপুৰ, কাশ্মিৰ, ভাগলপুৰ আৰু বানাৰস বজাৰত। অসম বয়ন সূতা বিক্ৰী হয়, ভাগলপুৰ, কলিকতা ৰাজস্থান (উৰিষ্যা) আৰু চম্পা (মধ্যপ্ৰদেশ)। অন্যান্য সূতা অসমৰ বিভিন্ন বজাৰত বিক্ৰী হয়। ক্ষুদ্ৰ উদ্যোগবোৰে তৈয়াৰ

কৰা বস্তু বিলাক হ'ল ইটা, চিলোৱা সাজ-পোচাক, উলৰ পোচাক, কাঁঠ চকি মেজ, বাহ বেতৰ তৈয়াৰী আবাস পত্ৰ, ধান বনা কল আদি।

(ঘ) মহকুমাটোত হব পৰা বৃহৎ মণ্ডলীয়া উদ্যোগৰ বাবে বৰ্ত্তমান সমীক্ষা চলোৱা হোৱা নাই।

বি ঃ দুগ্ধ উন্নয়ন আঁচনি

শ্ৰীউৎপল বৰাই সুধিছে ঃ

*৬৬৬। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ইং ১৯৮২-৮৩ চনত চৰকাৰে উত্তৰ লক্ষীমপুৰত স্থাপন কৰা দুগ্ধ আঁচনিৰ অগ্ৰগতি বৰ্ত্তমানলৈকে কেনে ধৰণৰ জনাবনে ?

(খ) এই আঁচনিয়ে জাতীয় দুগ্ধ উন্নয়ন পৰিষদ বা ভাৰত চৰকাৰৰ বিশেষ দুগ্ধ উন্নয়ন আঁচনিৰ পৰা কোনো ধৰণৰ সহায় পায় নেকি জনাবনে ?

(গ) এই আঁচনিৰ উন্নতিৰ বাবে চৰকাৰে বৰ্ত্তমানে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

শ্ৰীনগেন শৰ্ম্মা (পাশুপাল্ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰে অনুমোদন দিয়া ১৯৮২ চনত উত্তৰ লক্ষীমপুৰ নগৰ গাখীৰ যোগান আঁচনিত বৰ্ত্তমানলৈ গৃহ নিৰ্ম্মাণৰ কাম চৰকাৰৰ আদেশ অনুযায়ী অসম চৰকাৰৰ গৃহ নিৰ্ম্মাণ নিগমক ১৯৮২ চনৰ মাৰ্চ মাহত কৰিবলৈ দিয়া হৈছে আৰু তাৰ শতকৰা ৭০ ভাগ কাম সম্পূৰ্ণ হৈ উঠিছে লগতে বাইজৰ গাখীৰৰ চাহিদা পুৰণৰ অৰ্থে গাখীৰ সংগ্ৰহ আৰু বিতৰণৰ কাম চলি আছে।

(খ) বৰ্ত্তমানলৈ কোনো ধৰণৰ সহায় পোৱা নাই।

(গ) উত্তৰ লক্ষীমপুৰৰ দুগ্ধ আঁচনিৰ উন্নতিৰ কাৰণে জিলাৰ যিবোৰ ঠাইত গৰু গাইৰ খুটি আদি আছে সেই বিলাক ঠাইত জৰীপ কৰি গাখীৰ উৎপন্নৰ সবিশেষ তথ্য পাতি যুগুতোৱা হৈছে আৰু প্ৰকল্পৰ কাম. সম্পূৰ্ণ হোৱাৰ লগে লগে এইবোৰ ঠাইৰ পৰা গাখীৰ সংগ্ৰহ কৰি শীতলি কৰণ কেন্দ্ৰত শীতল কৰি যাৱতীয় সকলো ব্যৱস্থা হাতত লৈ ৰাইজৰ সম্পূৰ্ণ চাহিদা পূৰণ কৰিবলৈ চেষ্টা কৰি থকা হৈছে।

## Re : Sale of Land

Shri Ardhendu Kumar Dey asked :

*667. Will the Minister, Revenue be pleased to state—

(a) Whether the land of late Pani Ram Bora ( Madal ) at Pub-Dhani Ram Pazharteli Bosti under Hojai Mauza was sold by his son in July 1985 under three registered sale deeds in the office of the sub-registrar Hojai ?

(b) if so, Who purchased the land and the total measurement of the land ?

(c) The cost of the entire purchase of Land ?

(d) The Market value of the Land at the said place ?

(e) Whether the purchase value differs from the market value of the Land ?

Shri Thaneswar Boro ( Minister, Registration ) replied :

(a) Yes, sold under four Registered deeds.

(b) Purchased by— 1. Shri Mrinal Kanti Roy son of Late Gobinda Roy in 2 registered deeds. 2. Shri Pannalal Aich son of Late Pulin Behari Aich in 1 Registered deed. 3. Shri Sanjit

Majumdar son of Late Rebati Mohan Majumdar in 1 Registered deed.

Total area of the land sold is 13 ( thirteen ) Bigha 2 ( two ) Kathas and 6 ( Six ) leassas.

(c) 49,000·00 ( Rupees Forty Nine thousand ) only.

(d) 5,000·00 to 6,000·00 Approximately Per Bigha.

(e) Yes.

Re : Govt. investment

Shri Abhijit Sarmah asked :

*668. Will the Minister Industries be pleased to state—

(a) The total investment by the Govt. during the years 1982-83, 1983-84 and 1984-85 in the following Corporations/Companies/Institutions.

(i) The Assam Industrial Development Corporation.
(ii) The Assam Gas Company.
(iii) Ashok Paper Mills Ltd.
(iv) Assam Tea Corporation Ltd.
(v) Assam Spun Silk Mills Ltd.

(b) Whether these Corporations/Companies made profit in these years ?

শ্ৰীনগেন শৰ্মা ( হস্ত-শিল্প মন্ত্ৰী )য়ে উত্তৰ দিছে।

(ক) [ অসম স্পান চিল্ক মিল সম্পৰ্কেহে ] জাগীৰোডত থকা অসম ৰেচম সূতা কলক ১৯৮২-৮৩ চনত মুঠ ১২·৬৭ লাখ টকা অনুদান হিচাবে দিয়া হয়। ১৯৮৩-৮৪ আৰু ১৯৮৪-৮৫ চনত চৰকাৰৰ পৰা টকা দিয়া নাই।

(খ) অসম ৰেচম সূতা কল ১৯৮২-৮৩ চনত মুঠ ৯,০১,৬৬৫.০১ টকা লোকচান হয়—

১৯৮৩-৮৪ত— ২৮,২৫৩.১০

১৯৮৪-৮৫ত— ৮,৭৩৭.৯১

মুঠ— ৩৬,৯৯১.০১ টকা লাভ হয়।

Re : Weaving Training Centre

Shri Santi Ranjan Das Gupta asked :

*669. Will the Minister Sericulture and Weaving be pleased to state—

(a) Whether there is a Weaving Training centre at Hojai ?

(b) Whether 15 T rainees are receiving annual Training there each year ?

(c) Whether it is a fact that only Rs 80/- ( Rupees Eighty ) is given as stipend to each trainee ?

(d) If so, Whether Govt. will consider to increase both the number of trainees each year at Hojai and also to increase the stipend to Rs. 125/- ( Rupees one hundred twenty five ) to each trainee ?

শ্ৰীনগেন শৰ্মা (হস্ত-তাত বস্ত্ৰ-শিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) হয়, আছে।

(খ) হয়, আছে।

(গ) হয়।

(ঘ) এই বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

বি ঃ বৰপেটা জিলাৰ] পৰিবহন ব্যৱস্থা

শ্ৰীকুমাৰ দীপক দাসে সুধিছে ঃ

*৬৭০। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৫ চনলৈ বাছ পৰিবহনৰ দ্বাৰা বৰপেটা জিলাৰ কিমান গাওঁ উপকৃত হৈছে ঃ

(খ) উক্ত জিলাখনৰ পৰিবহন ব্যৱস্থা উন্নত কৰাৰ কাৰণে কি কি ব্যৱস্থা হাতত লৈছে ?

(গ) জিলাখনৰ সকলো গড়কাপ্তানী বিভাগৰ পথেৰে যাত্ৰী বাছ চলোৱাত ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) প্ৰায় ৫০ ভাগ গাওঁ উপকৃত হৈছে।

(খ) আৰু (গ) নিগমৰ বাছৰ সংখ্যা পথ ব্যৱস্থা আৰু জনসাধাৰণৰ চাহিদালৈ লক্ষ্য ৰাখি পৰ্য্যায়ক্ৰমে বাছ সেৱা সম্প্ৰসাৰণ আৰু জিলাখনৰ পৰিবহন ব্যৱস্থা উন্নত কৰাৰ ব্যৱস্থা লোৱা হ'ব।

Re : Transferred areas

Shri Ganesh Kutum asked :

★671. Will the Minister, Political etc. be pleased to state—

(a) How many transferred areas are there in Assam and when these areas were transferred to Assam ?

(b) What were the reports of Shri S. C. Kagty, one man Commission on transferred areas ?

শ্ৰীভৃগু কুমাৰ ফুকন (ৰাজনৈতিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) এনেকুৱা এলেকা চাৰিটা—

১। চাৰি দুৱাৰ ২। শদিয়া ৩। টিৰাপ আৰু ৪। জোনাই, মোৰকচেলেক। ১৯৫১ চনত প্ৰশাসনীয় সুচলৰ অৰ্থে অসমৰ উত্তৰ-পূৰ সীমান্ত অঞ্চলৰ সমতল ভূ-ভাগক তেতিয়াৰ দৰং আৰু লক্ষীমপুৰ জিলাত এনেদৰে অন্তৰ্ভূক্ত কৰা হৈছিল যাতে এই সমতল ভূমি ভাগতো ভৈয়ামৰ বাকী অঞ্চলৰ দৰে একে প্ৰশাসন প্ৰবৰ্ত্তন কৰিব পৰা যায়।

(খ) 'এজনীয়া কাগটি আয়োগৰ' প্ৰতিবেদনৰ প্ৰতিলিপি সদনৰ মজিয়াত ৰখা হ'ল।

Re : Irrigation Schemes.

Shri Abdul Muhib Majumdar asked :

★672. Will the Minister Irrigation be pleased to State—

(a) The total area covered by Irrigation Schemes in the Hailakandi Sub-Division.

(b) Will the govt. take up new scheme to cover the remaining areas during the year 1986-87 ?

শ্ৰীভৰত নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৬৭২। (ক) ৪৯৪ হেক্টৰ।

(খ) বাকী থকা অঞ্চলত বিত্তীয় অৱস্থাৰ পৰিস্থিতি কাৰিকৰী দিশ মহকুমা ভিত্তিক জলসিঞ্চন ব্যৱস্থাৰ অসমতা আদিৰ ভিত্তিত পৰ্য্যায়ক্ৰমে জলসিঞ্চনৰ পৰিধি বঢ়োৱাৰ প্ৰচেষ্টা লোৱা হব।

Re : Bhairabkunda Project.

Shri Abdul Jabar. asked :

*673. Will the Minister Irrigation be Pleased to State—

(a) Whether the govt is aware of the fact that the local Contractors were denied at lowest rate the work of Bhairabkunda Project and the work was offired to a Shillong party where by the govt. Incured a Loss of at least 50 Lakhs of Rupees ?

(b) Whether the govt is aware of the fact that the Bill is now Pending at the office of the Secretary Irrigation Department and the same may be passed at any time ?

শ্ৰীভৰত নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ভৈৰৱকুণ্ড প্ৰকল্প বুলি কোনো প্ৰকল্প নাই। ধনশিৰি জলসিঞ্চনৰ প্ৰকল্পৰ ভৈৰৱকুণ্ডত থকা মূখ্য বান্ধৰ ( Head works ) বাকী থকা কাম খিনি শ্বিলঙৰ শ্ৰীমুৰলীধৰ আগৰৱালাক নিবিদা আহ্বান কৰি প্ৰতিযোগীতা মুলক ভিত্তিত ৪.৯১ কোটি টকাত কৰিব দিয়া গৈছে। এই সংক্ৰান্তত নিবিদাৰ প্ৰতিযোগীতাত ৪.৪৩ কোটি টকাৰ মূল্যাবেদন দি প্ৰথম স্থান পোৱা বৰপেটাৰ শ্ৰীহনুমান প্ৰসাদ আগৰৱালাৰ নিবিদাখন তেওঁৰ অতীতৰ এই বিষয়ত কৰ্ম্মৰ ভাল নথী নথকা হেতু অগ্ৰাহ্য হয়।

(খ) জলসিঞ্চন বিভাগৰ সচিবালয় কাৰ্য্যালয়ত ঠিকাদাৰৰ কোনো বিল পৰি থকা নাই আৰু কোনো বিল আদায় দিয়াৰ প্ৰস্তাবো নাই।

বি ঃ দুগ্ধ উন্নয়ন আঁচনি

শ্ৰীউৎপল দত্তই সুধিছে ঃ

*৬৭৪। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উত্তৰ লক্ষীমপুৰ দুগ্ধ উন্নয়ন আঁচনিলৈ চৰকাৰৰ ৰাজভৰালৰ পৰা

আগবঢ়োৱা চৰকাৰী অনুদান কি কামত ব্যৱহাৰ কৰা হৈছে অনুগ্ৰহ কৰি জনাবনে ?

(খ) এই আঁচনিত চৰকাৰে নিৰ্দ্দেশ দিয়া প্ৰস্তাৱ সমূহ ফলৱতী বৰ্ত্তমানলৈকে নোহোৱাৰ কাৰণ কি জনাবনে ?

(গ) আঁচনিৰ সফলতা ৰাইজে কিমান দিনৰ ভিতৰত উপভোগ কৰিব পাৰিব বুলি আশা কৰা যায় জনাবনে ?

শ্ৰীনগেন শৰ্ম্মা (পশুপালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰৰ ৰাজভৰালৰ পৰা পোৱা ধন উত্তৰ লক্ষীমপুৰ নগৰৰ গাখীৰ যোগান আঁচনিৰ কাৰ্য্যালয়ৰ শীতলিকৰণ, গৃহ, কৰ্ম্মচাৰীৰ বাসস্থান আদি নিৰ্ম্মান কৰোৱাৰ বাবে ধন খটোৱা হৈছে। লগতে বৰ্ত্তমান কাম কৰি থকা কৰ্ম্মচাৰীৰ মাহিলী বেতন আদিত দিয়া হৈছে।

(খ) নিৰ্দ্দেশ দিয়া প্ৰস্তাৱ সমূহ বৰ্ত্তমানলৈ চলি আছে তাৰ ভিতৰত ঘৰ নিৰ্ম্মান কৰা সমুদায় ধন অসম চৰকাৰৰ গৃহ নিৰ্ম্মান নিগমক দিয়া হৈছে আৰু তাৰ প্ৰায় শতকৰা ৭০ ভাগ কাম সম্পূৰ্ণ হৈ উঠিছে আৰু বাকী কাম অতি সোনকালে সম্পূৰ্ণ কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে আৰু লগতে এই আঁচনিৰ গাখীৰ সঞ্চয় আৰু বিতৰণ কৰা কামো চলি আছে।

(গ) আঁচনি খনৰ সফলতা অতি সোনকালে ৰাইজে উপভোগ কৰিব পৰাকৈ চেষ্টা কৰি থকা হৈছে আৰু বৰ্ত্তমান ৰাইজে ইয়াৰ আংশিক হিচাবে উপভোগ কৰি আছে।

### Re : Dacoity Cases

Shri Hemen Des, asked :

★675. Will the Minister Home be pleased to state—

The number of cases of dacoity in Assam from 1.1.85 to 31-1-86 ? (District wise figure may be given)

Shri Bhrigu Kumar Phukan (Minister of Home) Replied :

Dacoity Cases in Assam from 1-1-85 to 31-1-86 are as under :

| Sl. No. | Name of District | 1-1-85 to 31-12-85 | 1-1-86 to 31-1-86 | Total |
|---|---|---|---|---|
| 1. | Kamrup | 10 | 2 | 12 |
| 2. | Guwahati City | 13 | 1 | 14 |
| 3. | Barpeta | 25 | 2 | 27 |
| 4. | Goalpara | 9 | 1 | 10 |
| 5. | Dhubri | 19 | 3 | 22 |
| 6. | Kokrajhar | 47 | 4 | 51 |
| 7. | Darrang | 36 | 6 | 42 |
| 8. | Sonitpur | 55 | 4 | 59 |
| 9. | North Lakhimpur | 17 | NIL | 17 |
| 10. | Dibrugarh | 16 | NIL | 16 |
| 11. | Sibsagar | 3 | 1 | 4 |
| 12. | Jorhat | 16 | 1 | 17 |
| 13. | Nagaon | 51 | 5 | 56 |
| 14. | Karbi Anglong | 13 | NIL | 13 |
| 15. | N. C. Hill | 3 | NIL | 3 |
| 16. | Cachar | 10 | NIL | 10 |
| 17. | Karimganj | 10 | 4 | 14 |
| 18. | Nalbari | 42 | 4 | 46 |
| 19. | G. R. P. | 8 | 1 | 9 |
| | Total | 403 | 39 | 442 |

বিঃ বেচা কিনাৰ ৰচিদ

শ্ৰীৰসিহুল হকে সুধিছে ঃ

*৬৭৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৰাজ্যত পাইকাৰী আৰু খুচুৰা বেচা কিনাৰ প্ৰায় ক্ষেত্ৰতে ৰচিদ নিদিয়া আৰু নোলোৱাৰ দূৰ্নীতিৰ প্ৰচলনৰ কথা বৰ্ত্তমান চৰকাৰে জানেনে ?

(খ) অসম গণ পৰিষদ চৰকাৰে এই দুৰ্নীতি বন্ধ কৰাৰ কটকটীয়া কাৰ্য্যকৰী ব্যৱস্থাৰ বাস্তৱ পদক্ষেপ লবনে ?

(গ) বেচা কিনাৰ ৰচিদ নিদিয়া বা নোলোৱাৰ অপৰাধৰ বা কোনো ব্যৱসায়ী বা, খৰিদ্বাৰক জেল-জৰিমনাৰে শাস্তি দিয়াৰ দৃষ্টান্ত চৰকাৰৰ হাতত আছেনে ?

(ঘ) যদি নাই, তেন্তে চৰকাৰে তাৰ ব্যৱস্থা হাতত লবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যত পাইকাৰী আৰু খুচুৰা বেচা কিনাৰ ক্ষেত্ৰত ৰচিদ নিদিয়াৰ কথা বৰ্ত্তমান চৰকাৰে জানে কিন্তু এনে ক্ষেত্ৰত ৰচিদ দিয়া বা লোৱা সকলো ক্ষেত্ৰতে বাধ্যতামূলক নহয়। কিছুমান ক্ষেত্ৰতেহে ৰচিদ দিয়া বাধ্যতামূলক।

(খ) যি ক্ষেত্ৰত ৰচিদ দিয়া বাধ্যতামূলক তেনে ক্ষেত্ৰত ৰচিদ নিদিয়াৰ কথা চৰকাৰৰ দৃষ্টিগোচৰ হলে কাৰ্য্যকৰী ব্যৱস্থা লোৱা হব।

(গ) নাই।

(ঘ) বাধ্যতামূলক ক্ষেত্ৰত ৰচিদ নিদিয়াৰ কথা, চৰকাৰৰ দৃষ্টিগোচৰ হ'লে আইন অনুসৰি ব্যৱস্থা লোৱা হব।

**Re : Teacher Training Centre**

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে ঃ

৬৭৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত কিমান Pre-Primary Training Teachers Centre আছে ?

(খ) চৰকাৰে আৰু এনেকুৱা কেন্দ্ৰ খোলাৰ বাবে চিন্তা কৰিছে নেকি ?

(গ) চৰকাৰে এই কেন্দ্ৰ সমূহৰ শিক্ষক সকলৰ আবাসৰ কথা চিন্তা কৰিছে নেকি ?

(ঘ) যদি কৰিছে কেতিয়াৰ পৰা প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমান এখন আছে।

(খ) নাই কৰা।

(গ) কৰিছে।

(ঘ) কৰিছে।

বি ঃ শিক্ষক নিযুক্তিৰ নীতি

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে ঃ

*৬৭৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষক সকলৰ মকৰলৰ বাবে চৰকাৰে কি নীতি গ্ৰহণ কৰিছে ?

(খ) যদি গ্ৰহণ কৰিছে, কেতিয়াৰ পৰা প্ৰযোজ্য হব ?

(গ) উক্ত শিক্ষকৰ ছুটীত (leave vacancy) শিক্ষক মকৰলৰ বাবে চৰকাৰৰ কিবা নীতি আছে নেকি ?

(ঘ) যদি আছে, তাক জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) এতিয়ালৈকে প্ৰাথমিক শিক্ষকৰ মকৰলৰ বাবে কোনো নীতি গ্ৰহণ কৰা নাই। বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ) প্ৰশ্ন নুঠে।

(গ) ছাত্ৰ-ছাত্ৰীৰ শিক্ষাত যাতে ব্যাঘাট নজন্মে তালৈ লক্ষ্য ৰাখি শিক্ষক ছুটীত গলে উপ-পৰিদৰ্শক সকলে স্থানীয় ভাবে ব্যৱস্থা লয়। তাৰ কোনো ধৰাবন্ধা নীতি নাই।

(ঘ) প্ৰশ্ন নুঠে।

Re : Corruption Cases

Shri Prabin Chandra Deka asked :

*679. Will the Minister Political be pleased to state—

(a) The number of Cases of Corruptions detected by the present Govt. since its installation till 28th Feb'86 ?

(b) The nature of corruptions and the punishments inflicted upon ?

শ্ৰীভৃগু কুমাৰ ফুকন ( ৰাজনৈতিক বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) দূৰ্নীতিৰ অভিযোগত তদন্ত চলোৱা আৰু তদন্তৰ ভিত্তিত গোচৰ সাব্যস্ত হোৱা দুটা সুকীয়া কথা। বৰ্ত্তমান চৰকাৰৰ দিনত তেনে ধৰণে সাব্যস্ত হোৱা গোচৰ নাই।

(খ) প্ৰশ্ন নুঠে।

Re : Deep Tube Well

Shri Abhijit Sarma asked :

*680 Will the Minister, Irrigation be pleased to state—

(a) The total number of deep tube well established since its inception till the end of December 1985 and out of which how many of them are functioning properly ?

(b) Out of the functioning Deep Tube Wells how many deep tube wells are utilised by the cultivators for irrigation purpose ?

( Please furnish the total irrigated crop area with number of cultivators for each functioning tube wells ).

Shri Bharat Ch. Narah (Irrigation Minister) replied :

(a) The Irrigation Department has installed upto December 1985, 614 (Six hundred fourteen) number of deep tube wells out of which 378 (Three hundred seventy eight ) numbers are functioning ?

(b) Out of the 378 Nos. of functioning deep tube wells 357 Nos. has been utilised for Irrigation purpose ?

The area utilised by these tube wells for irrigation purpose is 4590 hectares against created potential of 16,235 hectares.

The cultivators benefitted by them are approximately 9060 Nos. the average number of cultivators per tube well being 26 ( Twenty six )

বি ঃ যান-বাহন চলাচলৰ ৰাষ্টা

শ্ৰীঅমৃতলাল বসুমতাৰীয়ে সুধিছে ঃ

*৬৮১। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ধুবুৰীৰ অন্তৰ্গত শালকোচাৰ পৰা বাঁশবাৰীলৈ পথছোৱা যান-বাহনৰ উপযোগী হয় নে আৰু এই ৰাষ্টাত চৰকাৰী বা বেচৰকাৰী বাছ চলেনে ?

(খ) যদি নচলে তেন্তে বাছ চলোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) যান-বাহনৰ উপযোগী হয়। বৰ্ত্তমান চৰকাৰী বা বেচৰকাৰী বাছ চলা নাই।

(গ) চিন্তা কৰা নাই।

Re : Lift Irrigation Schemes.

Shri Digendra Purkayastha asked :

*632. Will the Irrigation Minister be Pleased to State—

(a) Whether there are any Lift Irrigation or flow Irrigation Schemes in Dholai Constituency in Silchar Sub-Division ?

(b) If so the estimated amount for each of the Schemes ?

(c) When the work of those Sehemes will be Started ?

শ্ৰীভৰত নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় আছে। ধলা বিধান সভা সমষ্টিত ৪ টা উত্তোলন জলসিঞ্চন আঁচনি আৰু ১(এটা) বৈ যোৱা আঁচনি আছে।

(খ) ১। আমৰাঘাট অঞ্চল উত্তোলন জলসিঞ্চন আঁচনি ১৯,৮৪,৭০০˙০০ টকা।

২। সোনাই নৈৰ পৰা চেকাৰচাম অঞ্চলত ক্ষুদ্ৰ ধৰণ উত্তোলন জলসিঞ্চন আঁচনি ৫,০০,০০০˙০০ টকা।

৩। সোনাই নৈৰ পৰা ৰাম মাণিকপুৰ অঞ্চলত ক্ষুদ্ৰ ধৰণৰ উত্তোলনৰ জলসিঞ্চন আঁচনি ৫,০০,০০০˙০০ টকা।

৪। ৰুকনি নৈৰ পৰা গজালঘাট অঞ্চলত উত্তোলন জলসিঞ্চন আঁচনি ১ম খণ্ড ৭,৯৫,০০০˙০০ টকা।

৫। কুলিচৰা বৈ যোৱা জলসিঞ্চন আঁচনি ৫,০০,০০০ ০০ টকা।

(গ) আমৰাঘাট উত্তোলন জলসিঞ্চন আঁচনিৰ কাম ১৯৭৩ চনৰ ফেব্ৰুৱাৰী মাহত আৰম্ভ হৈছিল আৰু ১৯৮৪-৮৫ চনত সম্পূৰ্ণ কৰা হয়। বাকী আঁচনি বোৰ ১৯৮৬-৮৭ চনত আৰম্ভ হব।

বি ঃ ভেজাল চিমেণ্ট।

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

*৬৮৩। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ফেব্ৰুৱাৰী মাহৰ ৮ তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশ পোৱা চিমেণ্ট ভেজাল কৰোতা শত্ৰুৰ বিৰুদ্ধে অভিযান শীৰ্ষক বাতৰিটোৰ প্ৰকাশিত কথাখিনি সঁচা নে ?

(খ) এই বাতৰিটো প্ৰকাশ পোৱাৰ পিচত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) (১) বিধি সঙ্গত ভাবে দণ্ড বিহিবৰ বাবে দুটা গোচৰ ইতিমধ্যে আদালতলৈ প্ৰেৰণ কৰা হৈছে।

(২) মহামান্য উচ্চ ন্যায়ালয়ে এটা গোচৰৰ বিপৰীতে ১০০০, টকাৰ ব্যক্তিগত জিম্মাত জব্দ কৃত চিমেণ্ট মুকলি কৰি দি গোচৰ চলাই যাবলৈ অনুমতি দিছে।

(৩) বিলাতী মাটিৰ গুণাগুনৰ পৰীক্ষাৰ বাবে ফৰেণলেৱৰেটৰীলৈ নমুনা পঠোৱা হৈছে এতিয়ালৈ গুণাগুণৰ ওপৰত মন্তব্য পোৱা নাই।

বিষয় ঃ হাউচফেড

শ্ৰীআব্দুল জলিলে সুধিছে ঃ

*৬৮৪। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম 'হাউচফেড' (Housefed) কেতিয়াৰ পৰা গঠিত হৈছে ?

(খ) ইয়াৰ তলত কিমান খন প্ৰাইমাৰী হাউচিং সমবায় সমিতি আছে আৰু ক'ত ক'ত ?

(গ) হাউচফেডে কি ভিত্তিত কিমানকৈ গৃহনিৰ্মাণৰ বাবে ঋণ দিয়ে ?

(ঘ) হাউচফেডে বৰ্ত্তমানলৈ কিমান জন লোকক গৃহ নিৰ্মাণৰ ঋণ দিছে আৰু কিমান টকাকৈ দিছে ?

(ঙ) হাউচফেডে ঋণ দিয়া কিমানটা ঘৰ ইতিমধ্যে সম্পূৰ্ণ কৈ নিৰ্মাণ হৈ উঠিছে আৰু ক'ত হৈছে আৰু কিমানটা অৰ্দ্ধ নিৰ্মিত অৱস্থাত আছে ?

(চ) হাউচফেডে আগবঢ়োৱা ঋণ বৰ্ত্তমানলৈ কিমান আদায় হৈছে আৰু কিমান আদায় হবলৈ বাকী আছে ?

শ্ৰীললিত ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) ১৯৭৮ চনৰ ২৭ মাৰ্চত পঞ্জীভূক্ত হয়।

(খ) সৰ্ব্বমুঠ ৯৭খন প্ৰাইমাৰী হাউচিং সমবায় সমিতি আছে, জিলা ভিত্তিত সেই সমবায় সমূহৰ স্থিতি তলত দিয়া ধৰণৰ (১।৩।৮৬ তাং পৰ্য্যন্ত)

| | | |
|---|---|---|
| ১। | কামৰূপ জিলা— | ১৯ খন |
| ২। | বৰপেটা জিলা— | ৪ খন |
| ৩। | নলবাৰী জিলা— | ২ খন |
| ৪। | নগাওঁ জিলা— | ২২ খন |
| ৫। | শিৱসাগৰ জিলা— | ১২ খন |
| ৬। | যোৰহাট জিলা— | ১০ খন |
| ৭। | ডিব্ৰুগড় জিলা— | ৭ খন |
| ৮। | কোকৰাঝাৰ জিলা— | ৪ খন |
| ৯। | ধুবুৰী জিলা— | ২ খন |
| ১০। | কাছাৰ জিলা— | ২ খন |

| | | |
|---|---|---|
| ১১। | শোণিতপুৰ জিলা— | ৫ খন |
| ১২। | লক্ষীমপুৰ জিলা— | ৫ খন |
| ১৩। | দৰং জিলা— | ১ খন |
| ১৪। | কাৰ্বি আংলং জিলা— | ২ খন |
| | মুঠ— | ৯৭ খন |

(গ) বছৰেকীয়া আয়ৰ ভিত্তিত নগৰ এলেকাত ১৮,০০০.০০ টকাৰ পৰা ৯০,০০০.০০ টকা পৰ্য্যন্ত আৰু গাওঁ এলেকাত ১৫,০০০.০০ টকাৰ পৰা ৩৫,০০০.০০ টকা পৰ্য্যন্ত আবাস গৃহ নিৰ্মাণৰ বাবে ঋণ দিয়ে, ঋণ মঞ্জুৰীৰ স্বৰ্ত্ত সমূহ তলত দিয়া ধৰণৰ—

১। ঋণ বিছৰা ব্যক্তিজন হাউচফেডৰ স্বীকৃতিপ্ৰাপ্ত কোনো এখন প্ৰাইমাৰী হাউচিং সমবায় সমিতিৰ সদস্য হব লাগিব।

২। উক্ত প্ৰাইমাৰী হাউচিং সমবায় সমিতিৰ এলেকাত ব্যক্তিজনৰ নিজৰ বা ল'ৰা ছোৱালীৰ নামত আবাস গৃহ থাকিব নালাগিব।

৩। যি মাটিত ঘৰ বনাব, সেই মাটি কোনো গোলমাল নথকা ম্যাদি পট্টাৰ হব লাগিব।

৪। উক্ত মাটি আৰু ঘৰ ঋণ পৰিশোধ নকৰা পৰ্য্যন্ত সংশ্লিষ্ট সমবায় সমিতিৰ ওচৰত বন্ধকত ৰাখিব লাগিব।

৫। ঋণ গ্ৰহণ কৰা ব্যক্তিজন অসমৰ স্থায়ী বাসিন্দা হব লাগিব আৰু সাধাৰণতে ৫০ বছৰৰ ওপৰৰ হব নালাগিব।

(ঘ) হাউচফেডে আৰম্ভণীৰ পৰা ১-১-৮৬ তাৰিখলৈকে আয়ৰ ভিত্তিত প্ৰশ্ন (গ)ৰ উত্তৰত উল্লেখ কৰা নিম্ন আৰু উচ্চতম সীমাৰ টকাৰ ভিতৰত ৮০৪ জন লোকলৈ গৃহ নিৰ্মাণ ঋণ আগবঢ়াইছে।

(ঙ) হাউচফেডে ঋণ দিয়া ৮০৪টা ঘৰৰ ভিতৰত এতিয়ালৈকে ৬৪৮টা

ঘৰ সম্পূৰ্ণ হৈ উঠিছে আৰু বাকী ১৫৬টা ঘৰ অৰ্দ্ধ নিৰ্মিত অৱস্থাত আছে। সম্পূৰ্ণ হৈ উঠা ঘৰ সমূহ তলত দিয়া ঠাই সমূহত— (জিলা ভিত্তিত)

| | | |
|---|---|---|
| ১। | নগাওঁ— | ২৮৪টা |
| ২। | বৰপেটা— | ১৬টা |
| ৩। | কামৰূপ— | ১০৫টা |
| ৪। | যোৰহাট— | ৬৬টা |
| ৫। | ডিব্ৰুগড়— | ২৭টা |
| ৬। | ধুবুৰী— | ১৮টা |
| ৭। | শিৱসাগৰ— | ৯২টা |
| ৮। | নলবাৰী— | ১৮টা |
| ৯। | দৰং— | ৬টা |
| ১০। | কাছাৰ— | ১৮টা |
| | মুঠ— | ৬৪৮টা |

(চ) সৰ্ব্বমুঠ ৪৪,১৫,৯৮৪.৭৮ টকা আদায় হৈছে। ৩৬,৪৩,৪১৩.৭৩ টকা আদায় হবলৈ বাকী আছে।

Re: Water Supply at Uttar-Krishnapur

Shri Abdul Rob Laskar asked:

*685. Will the Minister PHE be pleased to state—

(a) Whether the Govt. is aware that the piped water supply projects at 1. Uttar-Krishnapur 2. Sonabarighat 3. Kabuganj at Sonai Assembly Constituency have not yet been started?

(b) If so, when would the project be completed?

Shri Digen Chandra Bora (Minister P.H.E.) replied:

(a) The Execution of the piped water supply projects at 1. Uttar-Krishnapur and 2. Sonabarighat could not be started due to non-availability of land. The execution of water supply project at Karimganj has been started.

(b) Every effort will be made to commission the water supply projects at 1. Uttar Krishnapur and 2. Sonabarighat within 3(three) years of receipt of suitable land. The execution of Kabuganj water supply has already been Started and efforts to complete the same as early as possible will be made.

Re : Building of Banargaon Dispensary.

Shri Charan Narzary asked :

*686. Will the Minister Health be pleased to state—

(a) Whether the Govt. is aware of the fact that the C. I. sheet roofed building of the Banargaon state Dispensary Constructed during the time of the local Board in Kokrajhar district is in a dilapidated condition and unfit for use for the purpose ?

(b) If so, steps so far taken by the Govt. for construction of a new building for the state Dispensary ?

Shri Jatin Mali ( Minister of state, Health ) replied :

(a) Yes,

(b) Steps are being taken for re-construction repair of the buildings.

Re : Blood Bank

শ্ৰীনবেন তাঁতীয়ে সুধিছে ঃ

*৬৮৭। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গুৱাহাটী মেডিকেল কলেজ আৰু অসম মেডিকেল কলেজত Blood

Bank ৰ সুবিধা নথকা কথাটো সচানে ?

(খ) যদি সঁচা তেন্তে অতি সোনকালে উক্ত কলেজ দুখনত এনে Blood Bank খোলাৰ আঁচনি চৰকাৰে লবনে ?

শ্ৰীযতীন মালি (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সঁচা নহয়।

(খ) প্ৰশ্ন নুঠে।

বি ঃ ভেলোৰলৈ যোৱা ৰোগী

শ্ৰীনৰেন্দ্ৰ তাঁতীয়ে সুধিছে ঃ

*৬৮৮। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অত্যাধুনিক সা-সৰঞ্জামৰ অভাৱত অসমৰ মেডিকেল কলেজৰ হস্পিতাল সমূহত চিকিৎসা কৰিব নোৱাৰা বহুটো ৰোগীয়ে A.I.M.S. বা C.M.C. ভেলোৰলৈ যোৱাটো চৰকাৰে জানেনে ?

(খ) এইটো কথাও চৰকাৰে জানেনে যে চৰকাৰী সাহাৰ্য্যপ্ৰাপ্ত বহুটো ৰোগীয়ে প্ৰতি বছৰে এনে চিকিৎসাৰ বাবে বাহিৰলৈ যায় ?

(গ) যদি জানে তেন্তে চৰকাৰে অতি সোনকালে এনে অত্যাধুনিক সা-সৰঞ্জাম ৰাজ্যৰ মেডিকেল কলেজ সমূহত কৰি চিকিৎসা সেৱাৰ লগতে চিকিৎসাৰ সাহাৰ্য্যৰ বাবে দিয়া চৰকাৰী ধন অপচয়ৰ বন্ধৰ ব্যৱস্থা লবনে ?

শ্ৰীযতীন মালি (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় জানে।

(খ) হয় জানে।

(গ) প্ৰাপ্ত পুঁজি সাপেক্ষে ব্যৱস্থা হাতত লোৱা হব।

বি ঃ হস্পিটেলত বিচনাৰ সংখ্যা

শ্ৰীনৰেন তাতীয়ে সুধিছে ঃ

*৬৯০ মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্ত্তমান গুৱাহাটী মেডিকেল কলেজৰ আৰু অসম মেডিকেল কলেজৰ হস্পিতালত ৰোগীৰ সংখ্যা অতিপাত বৃদ্ধিৰ ফলত ৰোগীয়ে বিচনাৰ অভাৱত প্ৰায়ে বাৰান্দা বা মজিয়াত শুই থাকিব লগীয়া হোৱা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে অতি সোনকালে ৰোগীসকলৰ চিকিৎসাৰ বাবে থকা বিচনাৰ সংখ্যা বঢ়াবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে জনাবনে ?

শ্ৰীযতীন মালি (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় জানে।

(খ) অতিৰিক্ত বিচনা প্ৰয়োজন সাপেক্ষে ব্যৱস্থা কৰা হয়।

Re : Free Health Service

Shri Pabin Ch Deka asked :

*691 Will the Minister of State Health be pleased to State :

(a) Whether the Govt. has initiated steps to provide free health services and supply medicines free of cost to the weaker sections of the people of Assam ?

Shri Jatin Mali (Minister State Health) replied :

(a) Free health services and supply of essential madicines have been provided in the general wards of Civil Hospitals, Medical Colleges and in the primary Health Centres and State Dispensaries also Free health services have been extended to the public in general which included the weaker section of the people of Assam.

বি ঃ মন্ত্ৰীৰ ভাৰা ঘৰ

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*৬৯২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৩ চনৰ পৰা ১৯৮৫ চনৰ ভিতৰত অসম চৰকাৰৰ কোনোবা মন্ত্ৰী ভাৰা ঘৰত আছিল নেকি ?

(খ) যদি আছিল তেন্তে ভাৰাৰ বাবদ চৰকাৰে মুঠতে কিমান টকা ব্যয় কৰিছে ?

(গ) প্ৰাক্তন মন্ত্ৰী আনোৱাৰা টাইমুৰৰ বাসভবনৰ বাবে ভাৰাৰ নিৰিখ বিধি সমূহভাবে নিৰ্ণয় কৰা হৈছিলনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) কেৱল প্ৰাক্তন মন্ত্ৰী শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰহে ১৯৮৩ চনৰ পৰা ১৯৮৫ চনৰ ভিতৰত ভাৰা ঘৰত আছিল।

(খ) ভাৰাৰ বাবদ চৰকাৰে মুঠতে ৬৭,২৯০·৩২ টকা ব্যয় কৰিছে।

(গ) বিধি সমূহভাবে নিৰ্ণয় কৰা হৈছিল।

Re : Police Out Post at Daipam

Shri Abdul Jabbar asked :

★693. Will the Minister Home be pleased to state :

(a) Whether there is any proposal to instal a police out Post at village Daipam in Darrang District ?

(b) If so, why the said proposal is not being implemented ?

(c) When the same is likely to be implemented ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) এতিয়াই কোৱা নাযায়।

Re : Development of SC/ST.

Shri Abdul Jabbar asked :

★694. Will the Minister W.P.T. and B. C. be pleased to state –

(a) What Measures have been adopted by the Govt. for SC/ST people in Non-reserved constituencies for their upliftment ?

(b) Will the present Govt. take any positive measure special for these people ?

Shri Bharat Chandra Narah (Minister W.P.T. and B. C.) replied :

(a) For the development of SC/ST people in non-reserved

constituencies the Govt. have taken up schemes under three Board groups. viz.: Education, Economic upliftment, Health and other misc. schemes.

(b) Necessary steps are being taken to implement the schemes as specified in answer (a) above for the deserving people.

বি ঃ আই. জি. পিৰ সংখ্যা

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

*৬৯৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্ত্তমান অসমত কিমানজন আই. জি. পি., ডি. আই. জি. আৰু এচ. পি. আছে ?

(খ) ১৯৭৩ চনত এনে ধৰণৰ বিষয়া কিমানজন আছিল ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমান অসমত ৫ (পাচ) জন আই. জি. পি., ১৩ (তেৰ) জন ডি. আই. জি. আৰু ২০ (বিশ) জন এছ. পি. আছে (এছ. আৰ পিক ধৰি)

(খ) ১৯৭৩ চনত এই বিষয়াৰ সংখ্যা আছিল এনে ধৰণৰ ঃ—
আই. জি. পি ১(এক) জন, অতিৰিক্ত আই. জি. পি. ১ (এক) জন, ডি. আই জি. পি. ৯ (ন) জন আৰু এছ. পি. ১০ (দহ) জন। (এছ আৰ পিক ধৰি)

Re : Managing Committees

Shri Ardhendu Kumar Dey asked :

★696. Will the Minister Education be pleased to state—

(a) Whether the farmer managing committees in the Higher

Secondary and Secondary Sections are still continuing and functioning ?

(b) Whether Govt. proposes to disolve the committees and direct the respective inspection of schools farm managing committees within the jurisdiction of the respective inspector of schools ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয় ।

(খ) নিৰ্দ্দিষ্ট তিনি বছৰৰ কাৰ্য্যকাল উকলি নোযোৱাকৈ চৰকাৰে পৰি-চালনা কমিটিবোৰ ভঙ্গ কৰাৰ সিদ্ধান্ত লোৱা নাই ।

Re : Memorandum of Assam Pradesh Youth Congress

Shri Amrit Lal Basumatary asked :

*697. Will the Chief Minister be pleased to state :

(a) If the Govt. have received a memorandum of Assam Pradesh Youth Congress on the political situation of Assam with a list of incidents of Arson, intimidation violence and killing ?

(b) If so, what is the number of such incidents and what steps are proposes to prevent them in future ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) replied :

(ক) হয় ।

(খ) স্মাৰক পত্ৰখনত সৰ্ব্বমুঠ ৩৯ টা ঘটনাৰ বিষয়ে উল্লেখ আছে । এই ঘটনা সমূহ তদন্ত কৰি বিহিত ব্যৱস্থা লবৰ বাবে আৰক্ষী সঞ্চালক প্ৰধান ( বিশেষ শাখা ) ক নিৰ্দ্দেশ দিয়া হৈছে ।

Re : H. S. L. C. Examination Centre.

Shri Ramendra De asked.

*698. Will the Minister Education be pleased to State :

(a) Principle on the basis of which a centre for H S.L.C. examination is opened ?

(b) The total number of Centre in the State ?

(c) Whether J. C. hisher Secondary Kalinagar Under Cachar distict applied for a centre ?

(d) If So, steps taken ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(a) পৰীক্ষা কেন্দ্ৰৰ বাবে কমেওঁ তিনি খন চৰকাৰী স্বীকৃতি প্ৰাপ্ত স্কুল আৰু ৩০০ পৰীক্ষা প্ৰাৰ্থীৰ আৱশ্যক। ইয়াৰ লগতে অন্যান্য সুবিধা সমূহ যেনে—ডাক-তাঁৰৰ ব্যৱস্থা আৰু পুলিচ চকিৰ ব্যৱস্থা থকা ও উপযুক্ত চৌহদ বেৰৰ প্ৰয়োজন।

(b) ৰাজ্যত মুঠ ২৬২ টা পৰীক্ষা কেন্দ্ৰ আছে।

(c) হয়।

(d) উপৰোক্ত ব্যৱস্থাৰ অভাৱত সেই স্কুলত কেন্দ্ৰ খুলিব পৰা হোৱা নাই।

বি ঃ অসমৰ জনসংখ্যা

শ্ৰীঅমৃত লাল বসুমতাৰীয়ে সুধিছে ঃ

*৬৯৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ জনসংখ্যা বৰ্ত্তমান কিমান ?

(খ) কিহৰ ভিত্তিত এই জন সংখ্যা নিৰ্ণয় কৰা হৈছে ?

(গ) প্ৰকৃত জনসংখ্যা উলিয়াই পৰিকল্পনাৰ আঁচনি প্ৰস্তুতৰ সময়ত জন সংখ্যাৰ ভিত্তিত ব্যয় নিৰ্দ্ধাৰণৰ আৱশ্যকতাৰ প্ৰতি লক্ষ্য ৰাখি পলমকৈ হলেও অসমত লোক পিয়ল কৰোৱাৰ বিষয়ে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিব নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৬ চনৰ ১ মাৰ্চত অসমৰ জনসংখ্যা অনুমানিক ২৩০ লাখ।

(খ) এই অনুমানিক জনসংখ্যাৰ নিৰ্দ্ধাৰণ ভাৰত চৰকাৰৰ পৰিকল্পনা আয়োগৰ দ্বাৰা গঠিত জনসংখ্যা প্ৰাককলন বিষয়ৰ বিশেষক কমিটিৰ (Expert Committee on population projection) দ্বাৰা প্ৰস্তুত আৰু ভাৰত চৰকাৰৰ মহা পঞ্জীয়ক (Registras General of India)ৰ দ্বাৰা প্ৰকাশিত প্ৰতিবেদন ওপৰত ভিত্তি কৰি কৰা হৈছে। প্ৰজনন ক্ষমতা (Fertility) মৃত্য (Mortality) আৰু প্ৰবজন (Migration) সম্ভৱ বিভিন্ন ধাৰণাৰ ওপৰত ভিত্তি কৰি বিশেষক কমিটিয়ে জনসংখ্যাৰ এই অনুমানিক সংখ্যা সমূহ প্ৰস্তুত কৰিছে।

(গ) বিবেচনা কৰি থকা হৈছে।

বি ঃ মঙ্গলদৈ জলসিঞ্চন সংমণ্ডল

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

*৭০০ মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮০ চনৰ পৰা ১৯৮৫ চনলৈ মঙ্গলদৈ জলসিঞ্চন সংমণ্ডলৰ মুঠ ধনৰ ব্যয় কিমান ?

(খ) আঁচনিভুক্ত আৰু আঁচনিৰ বাহিৰত ভিন ভিন ভাবে ব্যয়ৰ পৰিমান কিমান ?

(গ) ১৯৮৩ চনৰ পৰা ১৯৮৫ চনৰ ভিতৰত কাম নকৰাকৈ কেইবা লাখ টকা কিছুমান ঠিকাদাৰক এই সংমণ্ডলে আদায় দিয়া বুলি কিবা অভিযোগ উঠিছিল নেকি ?

(ঘ) পুলিচে এই সন্দৰ্ভত ভুৱা বিল দি চৰকাৰী ধন এই সংমণ্ডলে আদায় দিয়া বুলি কোন কোন বিষয়া আৰু ঠিকাদাৰৰ বিৰুদ্ধে গোচৰ তৰিছিল ?

(ঙ) এই সম্পৰ্কত বিভাগীয় কিবা ব্যৱস্থা লোৱা হৈছে নে ?

(চ) এই গোঁচৰত জৰিত বুলি অভিযুক্ত বিষয়া সকলে এতিয়াও চাকৰি কৰি আছেনে ?

(ছ) এইদৰে ভুৱা বিল দি চৰকাৰক ঠগাবলৈ বিচৰা ঠিকাদাৰ সকলক জলসিঞ্চন বিভাগে এই অভিযোগ পঞ্জীভুক্ত হোৱাৰ পিছতো ঠিকা দিছে নেকি ?

(জ) এই গোচৰ সোনকালে নিস্পত্তি কৰিবলৈ জলসিঞ্চন বিভাগে কি ব্যৱস্থা লৈছে ?

(ঝ) তদন্তকাৰী সংশ্লিষ্ট বিভাগলৈ তত্কালীন ভাৱে গোচৰৰ নিস্পত্তি লাগে বুলি কিবা চিঠি পত্ৰ বা যোগাযোগ কৰিছে নেকি ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৪,৫৭,৮৩,৬৪৩ টকা।

(খ) আঁচনি ভুক্ত ব্যয় ৩,৬৪,১৬,২৭৫ টকা আঁচনিৰ বাহিৰৰ ব্যয় ৯৩,৬৭,৩৬৮ টকা।

(গ) হয়, ঠিকাদাৰৰ কাম সঠিক পৰীক্ষা নকৰাকৈ টকা আদায় দিয়া বুলি অভিযোগ উঠিছিল।

(ঘ) বিষয়া মঙ্গলদৈ সংমণ্ডলৰ তেতিয়াৰ কাৰ্য্যবাহী অভিযন্তা শ্ৰীকৃষ্ণানন্দ

দাস, সহকাৰী কাৰ্য্যবাহী অভিযন্তা শ্ৰীআজিমুদ্দিন আহমেদ, সহকাৰী অভিযন্তা শ্ৰীসঞ্জীৱ কুমাৰ চাহু আৰু কণিষ্ঠ অভিযন্তা সৰ্বশ্ৰী মোহী দত্ত, কাছিম আলি আৰু নৱ বৰদলৈৰ বিৰুদ্ধে পুলিচে গোচৰ তৰিছিল। ঠিকাদাৰ ১। শ্ৰীযতীন্দ্ৰ মোহন দাস ২। শ্ৰীদেবেন বৰা ৩। শ্ৰীবিনোদ আগাৰৱালা ৪। শ্ৰীধৰ্মকান্ত ডেকা ৫। শ্ৰীবসন্ত কুমাৰ নাথ ৬। শ্ৰীঅনন্ত তালুকদাৰ ৭। শ্ৰীবিবেশ্বৰ শইকীয়া ৮। শ্ৰীআব্দুল জলিল ৯। শ্ৰীৰুদ্ৰকান্ত চক্ৰৱৰ্ত্তী ১০। শ্ৰীশৰত দাস ১১। জ্যোতি এণ্টাৰ প্ৰাইজ ১২। পবন এণ্টাৰ প্ৰাইজ ১৩। শ্ৰীহিবন্য ৰাজবংশী ১৪। শ্ৰীমহিদুৰ ৰহমান ১৫। দেব এণ্টাৰ প্ৰাইজ ১৬। দি, আৰ এণ্টাৰ প্ৰাইজ ১৭। শ্ৰীধীৰেশ্বৰ ডেকা, ১৮। শ্ৰীপ্ৰনৱ চক্ৰৱত্তী ১৯। এম, আই এণ্টাৰ প্ৰাইজ ২০। শ্ৰীপুতু আগৰৱালা ২১। শ্ৰীভৱ কান্ত নাথ আৰু ২২। শ্ৰীকৰম আলিৰ ওপৰত পুলিচে গোচৰ তৰিছিল।

(ঙ) বিভাগীয় তদন্ত কৰা হৈছে।

(চ) হয়, চাকৰি কৰি আছে।

(ছ) হয়, ২২ জন ঠিকাদাৰৰ বিৰুদ্ধে পুলিচ গোচৰ পঞ্জীভুক্ত হৈছিল, তাৰে ১৩ জনক আকৌ কাম দিয়া হৈছে।

(জ) তদন্তকাৰী বিষয়াই ৰাজপত্ৰিত বিষয়াৰ ক্ষেত্ৰত তদন্ত প্ৰতিবেদন দাখিল কৰিছে যদিও কিছুমান সংশ্লিষ্ট নথি ও আৱশ্যকীয় তথ্যাদি প্ৰেৰণ কৰা নাই। উক্ত তথ্যাদি পোৱাৰ পিছত প্ৰতিবেদনখন পৰীক্ষা কৰি যথাবিহিত ব্যৱস্থা লোৱা হব। অৰাজপত্ৰিত বিষয়াৰ ক্ষেত্ৰত তদন্ত প্ৰতিবেদন এতিয়াও তদন্তকাৰী বিষয়াই দাখিল কৰা নাই আৰু তাৰ বাবে যোগাযোগ কৰি থকা হৈছে।

(ঝ) হয়, কৰা হৈছে।

Re : Promotion of Abdul Rashid

Shri Abdul Jalil asked :

*701. Will the Minister, Panchayat & C. D. be pleased to state :

(a) Whether Abdul Rashid ( E. O. ) Panchayat of Laharighat

Development Block has promoted to the Block Development officer ?

(b) Whether his promotion has been stayed ?

(c) If so, why ?

Shri Chandra Arandhara (Minister, Panchayat & C.D.) replied :

(a)—Yes.

(b)—No.

(c)—Does not arise.

Re : Registration of Social organisation clubs etc.

Shri Abdul Rob Laskar asked :

*702. Will the Minister, Panchayat be pleased to state :

(a) The name of (1) Clubs (2) Social organisation and (3) Similar bodies registered with Lakhipur Nursingpur and development Blocks of Cachar District (The date of registration address, may be furnished) ?

Shri Chandra Arandhara, (Minister, Panchayat and Community Development ) replied :

(a) A list of clubs, organisation, etc. with particulars is placed on the table of the House.

Re : Special Rice Production Programme

শ্ৰীআমিনুৰ ইচলামে সুধিছে ঃ

*৭০৩। মাননীয় কৃষি মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৱা তিনি বছৰমান আগৰে পৰা (Special Rice Production

Programme) নামৰ আঁচনিটোৰ জৰিয়তে অসমৰ প্ৰতিখন মহকুমাৰ অন্তৰ্গত এখনকৈ খণ্ড উন্নয়ন এলেকা উক্ত আঁচনিত অন্তৰ্ভুক্ত কৰা হোৱা কথাটো সচানে ?

(খ) যদি সচা, বৰ্ত্তমানলৈকে কোন কোন মহকুমাৰ কোন কোন খণ্ড উন্নয়ন এলেকা এই আঁচনিত অন্তৰ্ভূক্ত কৰা হৈছে ?

(গ) হাটশিঙ্গিমাৰীত থকা দক্ষিণ শালমাৰা মানকাচাৰ মহকুমাৰ অন্তৰ্গত মানকাচাৰ খণ্ড উন্নয়ন এলেকাখন উক্ত আঁচনিত অন্তৰ্ভূক্ত নকৰাৰ কাৰণটো জনাবনে ?

(ঘ) চৰকাৰে মানকাচাৰ খণ্ড উন্নয়ন এলেকাখন উক্ত আঁচনিত অন্তৰ্ভূক্ত কৰাৰ প্ৰয়োজনীয় ব্যৱস্থা অনতিপলমে গ্ৰহণ কৰিবনে ?

শ্ৰীনীলমণি দাস ( কৃষি মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক)—মহকুমা ভিত্তিত এখনকৈ খণ্ড উন্নয়ন এলেকা ( Special Rice Production Programme) নামৰ আঁচনিত অন্তৰ্ভূক্ত কৰাৰ কথাটো সচা নহয়। এই বিশেষ ধান উৎপাদন আঁচনিটো কেন্দ্ৰীয় চৰকাৰৰ সম্পূৰ্ণ আৰ্থিক অনুদানেৰে অসমৰ পাঁচটা উন্নয়ন খণ্ডতহে পৰীক্ষামূলক ভাবে প্ৰৱৰ্ত্তন কৰা হয়। প্ৰথমবাৰৰ বাবে ১৯৮৪-৮৫ চনত।

(খ) এই আঁচনিখন পৰবৰ্ত্তী বছৰত মুঠ ২৭টা উন্নয়ন খণ্ডত সম্প্ৰসাৰণ কৰা হয় আৰু নিৰ্ব্বাচিত উন্নয়ন খণ্ড সমূহৰ নামৰ এখন তালিকা সদনৰ মেজত দাখিল কৰা হ'ল।

(গ) যিহেতু মানকাচাৰ উন্নয়ম খণ্ড ধানতকৈ ৰবি শস্যৰহে বেছি উপযোগী আৰু বান প্ৰপীৰিত, সেই কাৰণে ইয়াক এই আঁচনিৰ অন্তৰ্ভূক্ত কৰা হোৱা নাই।

(ঘ) মানকাচাৰ উন্নয়ন খণ্ডৰ "জঙ্গল" এলেকাক এই আঁচনিৰ অন্তৰ্ভূক্ত কৰাৰ প্ৰয়োজনীয়তা চিন্তা কৰা হৈ আছে।

Re: NREP and RLEGP

Shri Digendra Purkayastha asked:

*704. Will the Minister, Rural Development be pleased to state—

(a) The total amount sanctioned under NREP scheme and RLEGP scheme for Narsingpur Development Block during the year 1984-85 and 1985-86 in Cachar District?

(b) Whether all the amounts sanctioned during those years have been fully utilised?

(c) If so, the names of schemes against which such amounts have been spent?

(d) If not, the names of schemes which are yet to be implemented and amount earmurked against each?

Shri Lalit Chandra Rajkhowa (Minister Rural Dev.) replied:

| (a) | | 1984-85 | 1985-86 |
|---|---|---|---|
| (i) | NREP | Rs. 7 39 lakhs | Rs. 7·41 lakhs. |
| (ii) | RLEGP | Rs. 9·70 lakhs | Rs. 6·66 lakhs. |

(b) Not fully utilised.

(c) and (d) Statements are placed on the table of the House.

বি ঃ আঞ্চলিক কাৰখানা

শ্ৰীদেৱকুমাৰ বৰাই সুধিছে ঃ

*৭০৫। মাননীয় স্বাস্থ্য বিভাগৰ বাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম চৰকাৰৰ জনস্বাস্থ্য পৰিবহন আঞ্চলিক কাৰখানা ক'ত ক'ত আছে?

(খ) যোৰহাট, শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগৰ গাড়ী বিলাক কোন কাৰখানাত ভাল কৰা হয়?

(গ) উক্ত কাৰখানাৰ কাম-কাজ সন্তোষজনক নে?

(ঘ) যোৰহাটৰ আঞ্চলিক কাৰখানাটোৰ বাবে স্থায়ী ঘৰ নিৰ্মান কৰাৰ পাছতো মাহে ৬৭৫ টকাকৈ ভাড়া ভৰি ভাড়া ঘৰত থকাটো সচানে?

(ঙ) যদি সঁচা হয়, ইয়াৰ কাৰণ কি?

শ্ৰীযতীন মালি (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) আঞ্চলিক কাৰখানা কেৱল যোৰহাট, শিলচৰ আৰু তেজপুৰত আছে।

(খ) যোৰহাট আৰু ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগৰ গাড়ী বিলাক ক্ৰমে যোৰহাট আৰু ডিব্ৰুগড়তে ভাল কৰা হয়। শিৱসাগৰ জিলাৰ স্বাস্থ্য বিভাগৰ গাড়ী বিলাক যোৰহাটৰ কাৰখানাত ভাল কৰা হয়।

(গ) এই সম্পৰ্কে চৰকাৰে কোনো আপত্তি পোৱা নাই।

(ঘ) সঁচা।

(ঙ) নিৰ্মাণ কৰা স্থায়ী ঘৰটোৰ চাৰি সীমাৰ বেৰ আৰু ইয়াৰ আনুসাঙ্গিক কিছুমান কাম বাকী আছে।

## বি ঃ Cadre strength

শ্ৰীকমলা কলিতাই সুধিছে ঃ

*৭০৬। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ১৯৭৯ চনতে সদনৰ কমিটিৰ প্ৰতিবেদনত Cadre strength ২০০০ জনলৈ বঢ়াবলৈ আগবঢ়োৱা পৰামৰ্শ কাৰ্য্যকৰী কৰা হৈছেনে?

(খ) যদি হোৱা নাই, অসম চৰকাৰে এই পৰামৰ্শ কাৰ্য্যকৰী কৰি Cadre strength ২০০০ জনলৈ বৃদ্ধি কৰিবনে ?

শ্ৰীযতীন মালি ৰাজ্যিক স্বাস্থ্য মন্ত্ৰীয়ে উত্তৰ দিছে ঃ

(ক) কৰা হোৱা নাই।

(খ) চৰকাৰৰ বিবেচনাধীন হৈ আছে।

বিঃ কুষ্ঠ ৰোগী

শ্ৰীছামসিং হান্সেই সুধিছে ঃ

*৭০৭। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ ভিতৰত কাৰ্বি আংলঙতে কুষ্ঠ ৰোগীৰ সংখ্যা বেচি বুলি চৰকাৰে জানেনে ?

(খ) কাৰবি আংলঙত কেইখন কুষ্ঠৰোগীৰ চিকিৎসালয় আছে ?

(গ) কুষ্ঠ হস্পিতাল সমূহ সুনিয়ন্ত্ৰিত নে ?

(ঘ) কুষ্ঠ চিকিৎসালয়ৰ চিকিৎসক আৰু পৰিচাৰ্য্যকৰ সংখ্যাকিমান আৰু এই খিনিয়েই যথেষ্ঠ বুলি ভাবেনে ?

শ্ৰীযতীন মালী (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, কাৰবি আংলঙতে বেছি বুলি চৰকাৰে জানে।

(খ) ২ (দুই) খন।

(গ) বহিৰ্বিভাগ সমূহ সু-নিয়ন্ত্ৰিত। কেৱল প্ৰয়োজনীয় অসুবিধাত অন্তৰ্বিভাগ সমূহ আৰম্ভ কৰিব পৰা নাই।

(ঘ) চিকিৎসকৰ সংখ্যা ৪ (চাৰি) জন। পৰিচাৰ্য্যকৰ সংখ্যা ১১৭ জন। পৰিচাৰ্য্যকৰ সংখ্যা যথেষ্ঠ নহয়।

Re : Action taken against the officers

★708. Will the Minister P.H.E. be pleased to state :

(a) What action so far been taken against the officers (S.E. E.E. & A.E.E.) responsible for the death of a person to collapse at Hailakandi over head Reserve of P.H.E. Deptt. ?

(b) Is it a fact that the concerned S.E. & A.E.E. have been rewarded with promotion, although there were specific enquiry report by C.P.H.E. against them ?

Shri Digen Ch. Bora (Minister, P.H.E) Replied :

(a) It is not possible to hold the officers concerned specifically responsible for the death of the person as he was not on duty at the time of the accident.

(d) They were promoted in due course and the question of rewarding them does not arise.

Re : Irrigation of Land Under MIDC

Shri Abhijit Sarma asked :

★709. Will the Minister Irrigation be pleased to state—

(a) The norms for determining Irrigated area by pumpsets and the total potential area irrigated under MIDC during 1982-83, 1983-84 and 1984-85 ?

(b) Whether any special emphasis has been given for irrigation facilitees to S.C. and S.T. populations under T.S.P. and special component plant for S.C. ?

(c) If so, what is the total area irrigated and amount spent during 1982-83, 1983-84 and 1984-85 ? (Sub-division wise figures may be given)

(d) The total expenditure made under M.I.D.C. during 1982-83 1983-84 and 1984-85 ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১টা ৫ অশ্বশক্তিৰ ডিজেল পাম্প বা ৩ অশ্বশক্তিৰ বিজুলী পাম্পৰ সহায়ত বছৰি সাধাৰণতে ৩ হেক্টৰ খেতিৰ মাটিত জলসিঞ্চন কৰিব পৰা যায়, পানীৰ ব্যৱহাৰত পাৰদৰ্শীতা আৰু শষ্যৰ আদৰ্শ চানেকী গ্ৰহণ কৰি এই পৰিসংখ্যা আৰু বঢ়োৱাৰ থল আছে ?

১৯৮২-৮৩ৰ পৰা অসম ৰাজ্যিক ক্ষুদ্ৰ জলসিঞ্চন উন্নয়ন নিগমে মহকুমা ভিত্তিক সৃষ্টি কৰা জলসিঞ্চন সম্পদ সম্ভাৰৰ তালিকা এখন সদনৰ মেজতৰখা হ'ল। উক্ত জলসিঞ্চন সম্পদ সম্ভাৰৰ ব্যৱহৃত হোৱা পৰিসংখ্যা বিভাগত ৰখা নহয়।

(খ) হয়, দিয়া হয়।

(গ) (খ) ৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত জলসিঞ্চন সম্পদ সম্ভাৰৰ সৃষ্টি মহকুমা ভিত্তিক উক্ত তালিকা এখন সদনৰ মেজত ৰখা হ'ল। উক্ত জলসিঞ্চন সম্পদ সম্ভাৰৰ ব্যৱহৃত হোৱা পৰিসংখ্যা বিভাগত ৰখা নহয়।

(ঘ) ইয়াৰ খৰচবোৰ এনেধৰণৰ—

১৯৮২-৮৩—১৯৬.১৬ লাখ টকা
১৯৮৩-৮৪—৩২৭.৫২ " "
১৯৮৪-৮৫—৩২১.০৫ " "

বি ঃ ডিফু নদীৰ বান্ধ

শ্ৰীইউচুফ আলী আহমেদে সুধিছে ঃ

*৭১০। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৱা ২৭-৫ ৮৫ ইং তাৰিখত ধুবুৰী জলসিঞ্চন সংমণ্ডল বিভাগৰ পৰা এছ, ই, কে ৭/৩/ডব্লিউ-৩৭৭/৮৫/৮৩৩৫ নং চিঠি যোগে পঠোৱা ডিফু নদীৰ বান্ধ পুনঃ নিৰ্ম্মানৰ প্ৰস্তাৱ অনুমোদন দিয়া হৈছেনে ?

(খ) প্ৰস্তাবিত ডিফু বান্ধৰ ৮,২৬,৫৭৫·০০ টকা মঞ্জুৰী দিয়া হৈছেনে ?

(গ) যদি দিয়া হোৱা নাই চৰকাৰে মঞ্জুৰী দিয়াৰ কথা ভাবিছে নে ?

(ঘ) যদি মঞ্জুৰী দিছে, তেনেহলে উক্ত বান্ধৰ কামটো অনতিপলমে আৰম্ভ কৰাৰ ব্যৱস্থা চৰকাৰে হাতত লবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নাই হোৱা।

(খ) নাই হোৱা।

(গ) প্ৰস্তাৱটোৰ কাৰিকৰী দিশৰ পৰা নিৰ্ভৰযোগ্য হয়নে নহয় পৰীক্ষা কৰাৰ পিছতহে বিবেচনা কৰিব পৰা হব।

(ঘ) ওপৰৰ (গ) ত দিয়া উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

Re : Fire Service Station at Rural level

Shri Sekh Saman Ali asked.

*711. Will the Minister, Home be pleased to state :

(a) Whether the Fire Service Station will be set up at the

rural level all over Assam ?

(b) The number of Fire Service Stations in the Goalpara Sub-Division ?

(c) Whether any more Fire Service Station will be set-up in the said Sub-Division ?

(d) If so, when and where ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সীমিত পুঁজিৰ ভিত্তিত অসমৰ সমগ্ৰ অঞ্চলত অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ স্থাপন কৰা সম্ভৱ নহয়।

(খ) গোৱালপাৰা মহকুমাত এটা মাত্ৰ অগ্নি নিৰ্ব্বাপক উপকেন্দ্ৰ আছে।

(গ) বৰ্ত্তমান তেনে ধৰণৰ কোনো আঁচনি চৰকাৰৰ হাতত নাই।

(ঘ) প্ৰশ্নই নুঠে।

Re : Cobalt Ray

Shri Abdul Muktadir Choudhury asked—

★712. Will the Minister state Health be pleased to state :

(a) Whether Cobalt Ray or Deep X-Ray therapy has been installed at Silchar Medical College ?

(b) Is it a fact that Machinaries for Cobalt Ray has been purchased for Silchar Medical College several years back but not yet installed ?

(c) Whether Govt. will take immediate steps for extending facility for treatment of cancer patient at Silchar Medical College ?

Shri Jatin Mali (Minister of State Health) Replied :

(a) And (b) Yes Deep X-Ray Therapy machine was installed in 1979.

(c) No decision has been taken yet.

Re : Assam State Textile Corporation Ltd.

Sri Abhijit Sarma asked :

*713. Will the Minister Weaving and Textiles be Pleased to State :

(a) In Which year, Assam State Textile Corporation Ltd. started functioning and since its inception the type of schemes undertaken for the benefit of the People till the end of 1985 and the total amount spent so far ?

Shri Digen Chandra Bora (Minister Industries) Replied :

(a) The Assam State Textile Corporation Ltd. Started functioning from February 26, 1980.

The Corporation has taken up a Synthetic Spining Mill Project at Village Noapara No. 1 in Bijni circle of Kokrajhar Dist. at an estimated revised cost of Rs. 940.00 lakhs The first phase at the Project with 15,552 Spindles is expected to be commissioned within 1986. The Second phase with 9,448 Spindles will be taken up later. An amount of Rs. 775.39 lakhs has been spent so far.

Re ঃ AIDC ৰ পৰিচালনাত শিক্ষা অনুস্থান

শ্রীরমেন্দ্র দে জিজ্ঞাসা করছেন

*৭১৪। মাননীয় উদ্যোগ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ?

(ক) Assam Industrial Development Corporation এর পরিচালনায় রাজ্যে কতটা শিক্ষা প্রতিষ্ঠান আছে ?

(খ) তাদের মধ্যে সবল কতটা, অচল কতটা ?

শ্ৰীদ্বিগেন চন্দ্ৰ বৰা (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) AIDC ৰ পৰিচালনাত ৰাজ্যৰ এটাও শিক্ষা প্ৰতিষ্ঠান নাই ।

(খ) প্ৰশ্নই নুঠে ।

Re : Allotment of Cement.

Shri Abdul Jalil asked :

*715 Will the Minister, Food & Civil Supplies be Pleased to State :

(a) The total quantity of levy Cement allotted for Assam quarterly ?

(b) How the levy cement is procured from the sources and how is it distributed to the people ?

(c) What is the basis of allotment to the different districts ?

(d) Who is the Sole handling agent of levy cement for the entire State ?

(e) Whether he could procure the entire cement allotted for the State and distributed to the District agents ?

(f) Is it a fact that the STATFED has been appointed as sole distributor of levy cement from Ist April 1986 ?

(g) Is it also a fact that the STATFED failed to lift the quarterly quotas of levy Cement in the past and people did not get the cement for several months in the district ?

(h) Whether the Sub-Divisional wholesale consumer's Co-operative societies will be appointed distributing agents while making the STATFED as the Sole distributor for the State ?

Shri Lalit Chandra Rajkhowa (Minister, Food & Civil Supplies) replied :

(a) A total quantity of 35,300 MT of levy cement is alloted by the Govt. of India in each quarter.

(b) The Public Sale Category of levy cement is at present procured through one State level Handling Agent from the Sources and Stored at Jogighopa / Guwahati Bokajan from where the nominees of Deputy Commissioners / Sub-Divisional Officers lift their alloted quota of levy cement for ultimate distribution to the consumers as per direction of the local Deputy Commissioners/ Sub-Divisional Officers at fixed rates. As regards levy cement for Govt. departments etc. the same is brought by the respective Deptt. by making their own arrangements.

(c) The quantity of levy cement ear marked for Public Sale by the state Govt. is Sub allotted among different districts on the basis of Population.

(d) M/S P.K. Traders, Guwahati is the centralised state Handling Agent to procure Public Sale Category levy cement from the factories and to Store the same a Jogighopa / Guwahati / Bokajan with effect from September, 1985. From January, 1986 STATFED has bean appointed as the centralised Handling Ageant for P.S.C. Cement.

(e) Lifting Position of Public Sale category Levy Cement has shown an improvement and the process of lifting is still continuing. Nominees of Deputy commissioners / Sub-Divisional Offiecrs have

been directed to lift their quota from the centralised state Handling Agent to make improvement in supply Position of Public sale Category of levy cement.

(f) Yes, In fact, STATFED has been appointed as handling agent with effect from the 1st quarter of 1986 ( i. e January to March, 86 )

(g) Yes, STATFED could not procure in full quarterly quotas of levy cement in the past which consequently resultd in dislocation in supply line of public sale category levy cement in the state.

(h) There is no bar, Provided anywhole sale Co-operative society come forward for the Purpose.

Re : Planting Season of Sugar Cane

Shri Abdul Muhib Mazumdar asked :

*716 Will the Minister, Industries be pleased to state :

(a) Whether the Govt. is aware of the fact that Planting season of sugar cane falls between February—April months ? If so whether the Govt. has rendered any interim financial assistance to the Cachar Sugar Mill to take up cane development Programme on war footing basis which is prerequisite for undertaking crushing operation in the next season ?

(b) Whether it is a fact that Cacher Sugar Mills has been sustaining huge losses due to managerial deficiencies and improper patronage from the Govt. ? If so what steps are proposed by the Govt. to overcome the set back ?

Shri Digen Chandra Bora ( Minister, Industries ) replied :

(a) Yes, the State Govt. have sanctioned very recently a

sum of Rs. 9·5 lakhs for meeting immediate requirement the mill including fund required for cane development programme.

(b) Yes, it is a fact that Cachar Sugar Mills has been sustaining losses from its inception. These losses cannot be attributed only to the managerial deficiencies and also not due to inproper patronage of the State Govt based on the recommendations made in the revitalisation cum feasibility study completed by the consultant viz. National Federation of co-operative Sugar Factories, New Delhi. The total fund required for implementing the revival plan is approximately Rs. 11 crores which would be required over a period of 3 years. State Govt. is examining the revitalisation scheme.

বিষয় ঃ মীন সমবায় সমিতি

শ্ৰীআব্দুল জলিলে সুধিছে ঃ

*৭১৭। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত কিমানখন মীন সমবায় সমিতি গঠিত হৈছে ?

(খ) এই সমিতি সমূহৰ মূল উদ্দেশ্য আৰু লক্ষ্য কি কি ?

(গ) এই সমিতি সমূহৰ উদ্দেশ্য আৰু লক্ষ্য পূৰণ হৈছেনে ?

(ঘ) এই সমিতি সমূহক মীন মহল সমূহ বন্দবস্তী দিয়া হৈছে নে ?

(ঙ) মীন মহল বন্দৱস্তী পোৱা মীন সমবায় সমিতি সমূহে মীন মহলবোৰ সুচাৰুৰূপে চলাব পাৰিছেনে ?

(চ) কিমানখন মীন সমবায় সমিতি সুচাৰুৰূপে চলি আছে আৰু কিমান খন অকৰ্ম্মন্য হৈ পৰিছে ?

(ছ) মীন মহল বন্দৱস্তী পোৱা মীন সমবায় সমিতি সমূহে নিয়মমতে চৰকাৰী ৰাজহ আদায় দিব পাৰিছেনে? কিমানখন সমিতিয়ে বন্দবস্তীৰ টকা দিবলৈ বাকী আছে?

(জ) এইটো কথা সঁচানে মীন সমবায় সমিতিৰ আঁৰত থাকি এক শ্ৰেণীৰ ব্যক্তিগত পুঁজিপতি মহলদাৰে মীন মহল বন্দৱস্তী লৈ গৰীব অনুসূচীত জাতিৰ মাছমৰীয়া সকলক শোষন কৰি আছে?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৬১৫ খন।

(খ) মাছমৰীয়া সম্প্ৰদায়ৰ লোক সকলৰ আৰ্থিক আদি অৱস্থাৰ উন্নতি সাধন কৰা।

(গ) কিছু পৰিমাণে হৈছে।

(ঘ) ১২০ খন সমিতিক দিয়া হৈছে।

(ঙ) দক্ষতা অনুযায়ী চলাইছে।

(চ) ৩৯৭ খনে কাম চলাই আছে আৰু ২১৮ খন অকৰ্ম্মণ্য হৈ আছে।

(ছ) ৩৩ খনে চৰকাৰী ৰাজহ আদায় দিবলৈ বাকী আছে। বাকী ৮৭ খনে আদায় দিছে।

(জ) এনে সঠিক অভিযোগ চৰকাৰে পোৱা নাই।

বি ঃ কৃষি সমবায় সমিতি

শ্ৰীআব্দুল জলিলে সুধিছে ঃ

*৭১৯। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমত মুঠ কিমানখন কৃষি সমবায় সমিতি আছে?

(খ) এই সমিতি সমূহে বৰ্ত্তমান কি কি কাম কৰে ?

(গ) এই সমিতি সমূহক চৰকাৰে কি আৰ্থিক সাহাৰ্য্য আগবঢ়াইছে ?

(ঘ)– এই সমিতি সমূহৰ নিজা খেতি মাটি আছেনে, সদস্য খেতিয়ক সকলৰ ব্যক্তিগত মাটিহে এই সমিতিত অন্তৰ্ভূক্ত কৰিছে ?

(ঙ) এই সমিতি সমূহৰ উৎপাদিত সামগ্ৰী ক'ত কি ধৰণে বিক্ৰী কৰে ?

(চ) এই সমিতি সমূহৰ ব্যয়সায়ীক লাভ লোকচান কেনেকুৱা ?

(ছ) এই সমিতি সমূহ শক্তিশালী কৰাৰ কিবা নতুন আঁচনি চৰকাৰৰ আছে নেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) ৪৭৮ খন ।

(খ) চৰকাৰৰ পৰা পোৱা মাটি আৰু ব্যক্তিগত সভ্য সকলৰ পৰা সংগৃহীত মাটিত খেতি কৰে আৰু এই মাটিত পুখুৰী খান্দি মাছ পোহে ।

(গ) চৰকাৰে পৰিচালনা অনুদান অংশ প্ৰাপ্ত মূলধন, কাৰিকৰী মূল্য ইত্যাদি অনুদান আৰু ঋণ আগবঢ়াইছে ।

(ঘ) কিছুমান সমিতিৰ নিজা মাটি আছে ( চৰকাৰৰ পৰা পোৱা বা কিনি থোৱা ) কিছুমানৰ ক্ষেত্ৰত সদস্য খেতিয়ক সকলে নিজত মাটি সমিতিক দিছে ।

(ঙ) উৎপাদিত শস্যৰ ৩/৪ ভাগ অংশ সভ্য সকলৰ মাজত বিতৰণ কৰা হয় । আৰু বাকী ১/৪ অংশ বিক্ৰী কৰি সমিতিৰ খৰচৰ বাবদ ব্যয় কৰা হয় ।

(চ) সামগ্ৰিক ভাৱে সন্তোষজনক নহয় ।

(ছ) বৰ্ত্তমান নাই ।

# SHORT NOTICE
# QUESTIONS AND ANSWERS
## Date : 7th April, 1986

---

### বিঃ মুখ্য সচিবৰ চৰকাৰী বাসভৱন

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰীয়ে সুধিছেঃ

২১। মাননীয় সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ মুখ্য সচিবৰ কাৰণে নিৰ্দ্দিষ্ট চৰকাৰী বাসভৱন আছে নে নাই ?

(খ) যদি আছে তাত বৰ্ত্তমান কোন আছে ?

শ্ৰীভৃগু কুমাৰ ফুকন (সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) অসমৰ মুখ্য সচিবৰ কাৰণে চৰকাৰী বাসভৱন আগতে নিৰ্দ্দিষ্ট নাছিল। চৰকাৰে ১৯৮৬ চনৰ মাৰ্চ মাহৰ ১৫ তাৰিখে সাধাৰণ প্ৰশাসন বিভাগৰ জি এ জি (বি) ২০৫।৮৫।৪৫ নম্বৰৰ কাৰ্য্যালয় হুকুমৰ জৰিয়তে খাৰঘুলিৰ 'হিল টপ বাংলো' নামৰ ভৱনটো মুখ্য সচিবৰ বাসভৱন হিচাবে নিৰ্দ্দিষ্ট কৰি দিছে।

(খ) হিলটপ বাংলোত বৰ্ত্তমান অসম প্ৰশাসনীয় ট্ৰাইবুনেলৰ সভাপতি আৰু অসমৰ প্ৰাক্তন মুখ্য সচিব শ্ৰীমতী পি পি ত্ৰিবেদী থাকে।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰীঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে যে অসমৰ মুখ্য সচিবৰ কাৰণে নিৰ্দ্দিষ্টকৈ ৰখা যিটো বাসভৱন, সেইটো আগৰ মুখ্য সচিব জনে কেনেকৈ বেদখল কৰি আছে বা কিয় বেদখল কৰি আছে। এইটো বেদখল কৰি থকাৰ ফলত বৰ্ত্তমানৰ মুখ্য সচিব গৰাকী চাৰ্কিট হাউচত থাকিব লগা হৈছে। এই সন্দৰ্ভত মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, মুখ্য সচিবৰ কাৰণে নিৰ্দ্দিষ্টকৈ ৰখা বাসভৱনটো যাতে মুখ্য সচিবেহে ব্যৱহাৰ কৰিব পাৰে তাৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিব।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰীঃ কিমান দিনৰ ভিতৰত এই কামটো কৰিব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, মই এতিয়াই নিৰ্দ্দিষ্ট সময় দিব নোৱাৰিম।

বিঃ আৰক্ষী বিভাগত নিযুক্তি

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছেঃ

২২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) জনৈক লাচিত কলিতা নামৰ এজন যুৱকক আৰক্ষী বিভাগে কিছু দিন আগতে আৰক্ষী বিভাগত চাকৰি দিয়াটো সচানে ?

(খ) A.I.G.P. ৰ নিৰ্দ্দেশ স্মাৰক নং ২৪/৮২/১১৫, তাৰিখ ২০-৫-৮৩ অনুসৰি উক্ত যুৱক জনক চাকৰি দি কোনো প্ৰশিক্ষণ আদি নিদিয়াকৈ নিয়মিত হাৰত পুলিচ উপ-পৰিদৰ্শক পদৰ দৰমহা দিয়াটো সচানে ?

(গ) যদি সচা প্ৰশিক্ষণ নোপোৱাকৈ পুলিচৰ উপ-পৰিদৰ্শক নিয়মিত ভাৱে দৰমহা দিব পাৰিনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) সচা।

(খ) সচা।

(গ) কোনো কাৰণবশত বা অসুবিধাবশত প্ৰশিক্ষনলৈ পঠাব নোৱাৰিলেও

পুলিচ উপ-পৰিদৰ্শকক নিয়মিত ভাৱে দৰ্মহা দিব পাৰি।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই জনৈক লোকজনক তত্কালিন ভাবে, নীতি নিয়ম বাদ দি পুলিচ উপ-পৰিদৰ্শক হিচাপে কিয় মকৰল কৰিব লগা হল আৰু তেখেতক কি কি কামৰ বাবে নিয়োগ কৰিব লগা হৈছিল মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো সদনত প্ৰকাশ কৰাতো সম্ভব নহয়। তেওঁক কি কাৰণত পুলিচ বিভাগত নিয়োগ কৰা হৈছিল, সেইকথা মই যিমান খিনি জানো সিমান খিনি সম্ভব মাননীয় সদস্য গৰাকীয়েও জানে। গোটেই বিষয়টো সদনত জনাবলৈ অলপ অসুবিধা আছে।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা জনাব লাগে যে পুলিচ উপ-পৰিদৰ্শকৰ কাৰণে বিগত চৰকাৰৰ দিনত বহুতো মানুহ নিয়োগ কৰা হৈছিল, কিন্তু আনবিলাকক মাহে ৫০০·০০ টকা দৰমহা দি এই লোক-জনক ১৫০০·০০ টকা দৰমহা দিয়াৰ কাৰণ কি আছিল ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, পূৰ্বৰ চৰকাৰে তেওঁক অনিয়ম ভাবে চোৰাংচোৱা হিচাপে নিয়োগ কৰিছিল। বাকীখিনি কথা সদস্য সকলে জানেই, গতিকে মই বহলাই কোৱাৰ প্ৰয়োজন নাই।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, এই বিষয়টোৰ লগত ৰাজহুৱা স্বাৰ্থ জড়িত হৈ আছে, কাৰণ এই ব্যক্তি জনক বিশেষভাবে মাহে ১৫০০·০০ টকাকৈ দিয়া হৈছিল। গতিকে যিজন ব্যক্তিয়ে তেওঁক এই দৰমহা দিছিল, তেওঁৰ দৰমহাৰ পৰা সেই টকাখিনি কটাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই বিষয়টো মই চাব লাগিব আৰু বিভাগিয় ভাবে বিহিত ব্যৱস্থা লোৱাৰ চেষ্টা কৰিম।

বি ঃ গোৱালপাৰা কৃষি বিভাগত নিযুক্তি

শ্ৰীঅকন চন্দ্ৰ ৰাভাই সুধিছে ঃ

২৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৩-৮৪-৮৫ চনৰ ভিতৰত গোৱালপাৰাত কৃষি বিভাগত কিমান জনক নিযুক্তি দিয়া হৈছে জনাবনে ?

(খ) অনিয়মভাৱে নিযুক্তি দিয়াৰ বাবে অভিযোগ উঠিছে, এই বিষয়ে চৰকাৰ অৱগতনে ?

(গ) যদি অৱগত, এই বিষয়ে তদন্ত কৰি বিহিত ব্যৱস্থা লবনে ?

(ঘ) যদি লয়, কেতিয়া লব জনাবনে ?

শ্ৰীনীলমনি দাস (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) জিলা ভিত্তিত নিযুক্তি দিয়া কৰ্ম্মচাৰীৰ সংখ্যা ঃ—

| | | | |
|---|---|---|---|
| ১। | গাওঁ পৰ্য্যায়ৰ কৃষি সম্প্ৰসাৰণ কৰ্ম্মী অস্থায়ী | | —১০ জন |
| ২। | নিম্ন পৰ্য্যায়ৰ অফিচ সহায়ক | | — ২ জন |
| ৩। | গাড়ীচালক | — | — |
| ৪। | চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী | — | —৩ জন |
| ৫। | অন্যান্য | — | — |

৩ জন অস্থায়ী গাওঁ পৰ্য্যায়ৰ সম্প্ৰসাৰণ কৰ্ম্মীক ইতিমধ্যে চাকৰিৰ পৰা অব্যাহতি দিয়া হৈছে।

(খ) অলপতে এই বিষয়ে এটা অভিযোগ পোৱা হৈছে।

(গ) অভিযোগটোৰ সত্যাসত্য নিৰ্ণয় কৰিবলৈ আৰু নিযুক্তিও কিবা অনিয়ম হৈছে নে নাই সকলো দিশৰপৰা পৰীক্ষা কৰি চোৱাৰ বাবে ব্যৱস্থা কৰা হৈছে।

(ঘ) তথ্যপাতিৰ ওপৰত নিৰ্ভৰ কৰিব।

শ্ৰীঅকণ চন্দ্ৰ ৰাভা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এই নিযুক্তিৰ সম্পৰ্কত যিখিনি অবগত কৰিলে, তাত মই সন্তুষ্ট হব পৰা নাই। কিয়নো, গোৱালপাৰাৰ কৃষি বিভাগত যি ১০ জন সম্প্ৰসাৰণ বিষয়া নিযুক্তি দিয়া হৈছিল, সেই নিযুক্তি কোনো বিজ্ঞাপন নোহোৱাকৈ অনিয়ম ভাবে দিয়া হৈছিল আৰু এই বিষয়ে বিভাগীয় মন্ত্ৰীক অবগত কৰোৱা হৈছিল। এই সন্দৰ্ভত কি ব্যৱস্থা হাতত লোৱা হৈছে জনাবনে?

শ্ৰীনীলমনি দাস (কৃষি মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সদস্য গৰাকীয়ে কোৱাৰ দৰে এই বিষয়টো আগেয়ে কৃষি বিভাগক অবগত কৰা হৈছিল আৰু এই সন্দৰ্ভত বিভাগীয় ভাবে পৰ্য্যালোচনা কৰি ইতিমধ্যে কেতবোৰ ব্যৱস্থা হাতত লোৱা হৈছে আৰু ভবিষ্যতে যাতে এনে ঘটনাৰ পুনৰাবৃত্তি নহয়, তাৰ বাবে প্ৰশাসনীয় ব্যৱস্থা লোৱাৰ কাৰণে নিৰ্দ্দেশ দিয়া হৈছে।

শ্ৰীঅকণ চন্দ্ৰ ৰাভা ঃ বিভাগৰ তৰফৰ পৰা কেনে ধৰণৰ প্ৰশাসনীয় ব্যৱস্থা লোৱা হৈছে, অনুগ্ৰহ কৰি জনাবনে?

শ্ৰীনীলমনি দাস (কৃষি মন্ত্ৰী) ঃ নিযুক্তি দিয়াত খেলিমেলি হলে বিষয়া-সকলৰ ওপৰত ব্যৱস্থা লোৱা হয়। গতিকে তেনেকুৱা ব্যৱস্থা লোৱা হৈছে।

বি ঃ মহিলা সমিতি ও যুৱক সংঘ

শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ) য়ে সুধিছে ঃ

২৪। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান অসমত কিমানখন চৰকাৰী পঞ্জীয়ন ভুক্ত মহিলা সমিতি ও যুৱক সংঘ আছে অনুগ্ৰহ কৰি জনাবনে?

(খ) এই অনুস্থানবোৰলৈ চৰকাৰে কি ভিত্তিত আৰ্থিক ও সামগ্ৰী সাহাৰ্য্য ও অনুদান আগবঢ়াইছে জনাবনে?

(গ) উক্ত সামাজিক অনুষ্ঠান সমূহৰ উন্নতিৰ বাবে চৰকাৰে কেনে ধৰণৰ গঠনমূলক আঁচনি গ্ৰহণ কৰিছে জনাবনে ?

(ঘ) বৰ্ত্তমান অসমত উক্ত সামাজিক অনুষ্ঠানৰ জৰিয়তে কিমানজন শাৰিৰীক ভাবে অক্ষম লোকক সংস্থাপন দিছে জনাবনে ? এনে লোকৰ বাবে সাহাৰ্য্য আৰু মকৰলৰ ব্যৱস্থা কৰিছেনে ?

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো ( মহিলা আৰু সমাজ কল্যান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সমিতি পঞ্জীয়ক অসম শিলপুখুৰী, গুৱাহাটী—৩ ৰ পৰা পোৱা মতে ১৯৫৭ চনৰ পৰা ১৯৮৬ চনৰ ২৯ মাৰ্চ্চলৈকে ১৮৬০ চনৰ সমিতি পঞ্জীয়ন আইন ২১(XXI) ৰ অনুসৰি ২৮৫৯ খন মহিলা সমিতি আৰু ৩৩৩০টা যুৱক সংঘ পঞ্জীয়ন কৰা হৈছে।

(খ) এই অনুস্থান বিলাকৰ ভিতৰত সমাজ কল্যাণ সেৱা আগবঢ়োৱা (শিশু কল্যাণ, মহিলাৰ কল্যাণ, বৃদ্ধ আৰু অক্ষম লোকৰ কল্যাণ ইত্যাদি) স্বেচ্ছাসেৱী অনুস্থানবোৰলৈ সমাজ কল্যাণ বিভাগৰ পৰা চৰকাৰী পুজি সাপেক্ষে বছৰি আৰ্থিক অনুদান দিয়া হয়। কিন্তু কোনো সামগ্ৰী এই আঁচনিৰ জৰিয়তে দিয়া নহয়।

(গ) এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা কোনো গঠন মূলক আঁচনি গ্ৰহণ কৰা হোৱা নাই। অৱশ্যে অনুস্থান বিলাকৰ গঠন মূলক আঁচনিৰ ওপৰত বিবেচনা কৰি আৰ্থিক অনুদান দিয়া হয়।

(ঘ) সমাজ কল্যাণ বিভাগৰ পৰা শাৰিৰীক ভাবে অক্ষম লোকৰ সংস্থাপনৰ বাবে তেনে কোনো অনুস্থানক বৰ্ত্তমানলৈকে কোনো আৰ্থিক অনু-দান দিয়া হোৱা নাই। অৱশ্যে তেনে অক্ষম লোকৰ সংস্থাপনৰ বাবে ব্যক্তিলৈ পোনপটীয়াকৈ আৰ্থিক সাহাৰ্য্য দিয়া হয়। বাধাগ্ৰস্ত লোকক চলন ফুৰণত সহায় কৰিবলৈ আৰু অক্ষমক পৰিচালনাৰ সহায় কৰিবলৈ আহিলা-পাতি আৰু কৃত্ৰিম

অঙ্গ যেনে—হুইল চেয়াৰ, তিনিচকীয়া চাইকেল, বিশেষ চশমা, আদি কিনিবলৈ আৰ্থিক সাহাৰ্য্য দিয়া হয়।

শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ) : (খ)ৰ প্ৰশ্নৰ উত্তৰত কব বিচাৰিছো বৰ্ত্তমান স্বীকৃতিপ্ৰাপ্ত মহিলা সমিতি আৰু যুৱক সংঘক কি পৰিমাণে অৰ্থ সাহায্য দিয়ে আৰু দিয়াৰ নিৰ্দ্ধাৰিত নীতি আছেনেকি ?

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো (ৰাজ্যিক মন্ত্ৰী) : স্বেচ্ছাসেবী অনুস্থান সমূহক দিবৰ কাৰণে নিৰ্দ্ধাৰিত নিয়ম নাই। মাত্ৰ তেওঁলোকৰ কামৰ ওপৰত ভিত্তি কৰি আৰ্থিক অনুদান আগবঢ়োৱা হয়।

বি : বৃত্তিধাৰী শিক্ষক নিযুক্তি

শ্ৰীপদ্মনাথ কৈৰীয়ে সুধিছে :

২৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ সমূহত প্ৰশিক্ষণ লৈ থকা প্ৰাৰ্থী সকলৰ পদ সমূহ চৰকাৰী চাকু লাৰ ই, পি, দি ২৭.৮৩/৪৩ মতে অতিৰিক্ত শিক্ষক পদহে আছিলে, কিন্তু এতিয়া পদসমূহ বৃত্তিধাৰী শিক্ষক হিচাবে নিযুক্তি দিয়া কথাটো সচানে ?

(খ) যদি সচা বৰ্ত্তমানে পাই থকা ২০০.০০ টকাৰ বৃত্তি সলনি কৰি মাহিলী দিয়াৰ ব্যৱস্থা কৰিবনে ?

(গ) দুবছৰতে পৰীক্ষাৰ্থীৰ উত্তীৰ্ণৰ ওপৰতহে চাকৰী স্থায়ীকৰণ কৰা হব। এতিয়া চৰকাৰে উঠাই লবনে ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ৰাজ্যখনত ১৯৮৩-৮৪ চনৰ পৰা ১৯৮৪-৮৫ লৈ সৰ্ব্বমুঠ ৪৬৮৫ টা অতিৰিক্ত বৃত্তিধাৰী শিক্ষকৰ পদ সৃষ্টি কৰা হয় আৰু সেইমতে প্ৰাথমিক

শিক্ষা সঞ্চালকে ই, পি, ডি ২৭/৮৩/৪৩ তাং ২৮-৬-৮৪ চিঠি মতে বিধান সভা সমষ্টি প্ৰতি ১৩টা কৈ এজনীয়া শিক্ষক থকা বিদ্যালয়ৰ বাবে নতুনকৈ পদ একোটাত নিযুক্তি দিবলৈ নিৰ্দ্দেশ দিয়ে। উক্ত পদ সমূহ অতিৰিক্ত বৃত্তিধাৰী বুলি ধৰা হৈছিল আৰু সেই মতেই তেওঁলোকৰ মাহিলী বানচ আদি দিয়া হৈছে।

(খ) উক্ত বিত্তিধাৰী শিক্ষক সকলক এবছৰ প্ৰশিক্ষণ লৈ উত্তীৰ্ণ হলে প্ৰশিক্ষণৰ ফলাফল ঘোষণা হোৱা তাৰিখৰ পৰা চৰকাৰী নিৰিখত দৰমহা দি নিয়মীয়া পদত নিযুক্তি দিয়াৰ ব্যৱস্থা আছে।

(গ) বৰ্ত্তমানে প্ৰশিক্ষণত কৃতকাৰ্য্যতা লাভ কৰিবলৈ প্ৰত্যেক শিক্ষক শিক্ষয়িত্ৰীক একাদিক্ৰমে দুবাৰ সুবিধা দিয়া হয় আৰু অযোগ্য সকলক চাকৰীৰ পৰা আতৰাই দিয়া হয়। এই পদ্ধতি অতি প্ৰয়োজনীয়। বৰ্ত্তমান উঠাই দিয়াৰ প্ৰশ্ন নুঠে।

শ্ৰীপদ্মনাথ কৈৰী ঃ মই আপোনাৰ জৰিয়তে সুধিব খুজিছো এতিয়ালৈকে যিবিলাক বৃত্তিধাৰী শিক্ষক আছে, তেওঁলোকক মাহিলী দুশ টকা দিয়া হয় আৰু এই টকাৰে চলিব পৰাটো সম্ভৱপৰ নহয়। গতিকে বিবেচনা কৰি দৰ্মহাখিনি বঢ়োৱাৰ চেষ্টা কৰিবনে? প্ৰশিক্ষণ পাছ কৰাৰ পিছত চাকৰি পোৱাৰ ব্যৱস্থাটো উঠাই লোৱাৰ আশ্বাস দিবনে যাতে সুস্থভাবে প্ৰশিক্ষণ লৈ থাকিব পাৰে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) ঃ প্ৰশিক্ষণ পদ্ধতিটোৰ অতি প্ৰয়োজন। এই কথাটো জন'ব বিচাৰিছো যে বিগত সময়চোৱাত সম্পূৰ্ণৰূপে ৰাজনৈতিক স্বাৰ্থ সন্মুখত ৰাখি বিষয়টো বিবেচনা কৰা হৈছিল। সেই কাৰণে বৃত্তিধাৰী শিক্ষকক নিৰ্বাচিত কৰিছে। সেই বিষয়টো নতুন চৰকাৰে পুঙ্খানুপুঙ্খৰূপে তদন্ত কৰাৰ আৱশ্যকতা অনুভৱ কৰিছে। ই, পি, ডি, ২৭৷৮৩৷১৩ ইং ২৮৷৬৮৪ তাৰিখৰ চিঠিখনত যদিও প্ৰাথমিক শিক্ষা সঞ্চালকক অতিৰিক্ত শিক্ষক পদৰ কথা উল্লেখ কৰিছে, শিক্ষক সকলৰ নিযুক্তি আৰম্ভণিতে বৃত্তি-ধাৰী হয়। এই ব্যৱস্থা এটা পদ্ধতিৰ বিষয় আৰু নিযুক্তি পত্ৰত সেই কথা উল্লেখ থাকে প্ৰশিক্ষণ কালত দুশ টকাৰ উপৰিও প্ৰত্যেক প্ৰশিক্ষাৰ্থীক ৫০ টকা অতিৰিক্ত বানচ দিয়া হয়। যদিওবা মুঠ পদ ৪৬৮৫টা সৃষ্টি কৰা হৈছিল

জিলা ভিত্তিত ৪৩১৬টা পদ ইতিমধ্যে বিতৰণ কৰা হৈছে আৰু বিতৰণ নকৰাকৈ ৩৬১টা ৰখা হৈছে। গতিকে এই বিষয়টো চৰকাৰে বিবেচনা কৰিব পাৰে।

শ্ৰীগণেশ বড়োঃ অবৈধ নিৰ্বাচিত হোৱা বিধায়ক সকলে প্ৰতি সমষ্টিত ১৩জন কৈ ল'ৰাক নিযুক্তি দিছিল। দুবছৰৰ পিছত প্ৰশিক্ষাৰ্থী উত্তীৰ্ণ হব আৰু স্থায়ীকৰণ কৰি নিযুক্তি দিয়াৰ নীতি বাহাল ৰখাত শিক্ষামন্ত্ৰীক ধন্যবাদ জনাইছো। এই যি তেৰ জন লৰাক নিযুক্তি দিয়া হৈছিল, এই প্ৰাৰ্থীসকলে নৰ্মচ ফুলফিল্ কৰি দিয়া হৈছিল নে নাই?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)ঃ মই আগতেই কৈছো যে গোটেই বিষয়টো পুঙ্খানুপুঙ্খৰূপে বিবেচনা কৰিবৰ কাৰণে চৰকাৰে কেতবোৰ ব্যৱস্থা বিভাগৰ পৰা লৈছে।

শ্ৰীমুক্তাৰ হুচেইনঃ বৃত্তিধাৰী শিক্ষকসকলে অনশন কৰি আছে। অনুগ্ৰহ কৰি তেওঁলোকৰ লগত আলোচনা কৰি অনশন ভঙ্গ কৰাৰ ব্যৱস্থা হাতত লবনে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)ঃ এই বৃত্তিধাৰী শিক্ষক সকলৰ লগত এতিয়ালৈকে ১৫ বাৰ আলোচনা কৰিছো। তেওঁলোকক এনে ব্যৱস্থা নলবৰ কাৰণে বাৰম্বাৰ অনুৰোধ কৰিছো। কেইদিনমান আগতে কৈছিল যে বিধান সভা চলি থকা অৱস্থাত অনশন কৰিব বুলি কৈছিল। মই কৈছিলো এনেবোৰ ব্যৱস্থা লব নালাগে। বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে। গোটেই কথাবিলাক বিবেচনা নকৰাকৈ দ্ৰুতগতিত সিদ্ধান্ত লব নোৱাৰো। আপোনালোকে প্ৰশিক্ষণ লৈ থাকক। মই আগেতে লক্ষ্য কৰিছো বৃত্তিধাৰী শিক্ষক সকলে অনুৰোধ প্ৰত্যাখ্যান কৰি জনতা ভৱনৰ সন্মুখত অনশন কৰি আছে। চৰকাৰ প্ৰতিজন মানুহৰ প্ৰতি সহানুভূতিশীল আৰু সদয়। তেওঁলোকৰ লগত বহুবাৰ সাক্ষাত দিছো। সিদ্ধান্ত কৰাৰ পূৰ্ব্বে অনুৰোধ জনাইছিলো যাতে অনশন প্ৰত্যাহাৰ কৰে। গতিকে ইয়াৰ পৰাই ধৰিব পাৰে যে চৰকাৰে কিমান সহানুভূতিশীল হৈ উপলব্ধি কৰিছিল। মোৰ আৰু কবলগীয়া নাই।

দেৱান জয়নাল আবেদিনঃ সেই বৃত্তিধাৰী সকলৰ লগত পোন্ধৰবাৰ আলোচনা কৰিছে আৰু তেওঁলোকক ধৰ্মঘট নকৰিবলৈ পৰামৰ্শ দিছে। এই কথাটোৰ পৰা তেওঁলোকৰ দাবীৰ প্ৰতি সহানুভূতিশীল বুলি প্ৰমাণিত নহয়। ১৫ বাৰ লগ ধৰিব নালাগে। মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো তেখেত সকলক এবাৰ লগ ধৰি কৈ আহক দাবীখিনি মানি লোৱা হব।

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)ঃ অনশন কৰা সকলৰ প্ৰশ্নটো সুকীয়া প্ৰশ্ন। তেওঁলোক বাৰম্বাৰ জনতা ভৱনত আহিছিল সাক্ষাত কৰিবৰ কাৰণে গতিকে আলোচনা ব্যৰ্থ হোৱাৰ প্ৰশ্ন অহা নাই। অবৈধ চৰকাৰৰ দিনত বহুবোৰ বিসঙ্গতি হৈছিল নিয়োগত। অকল সেই বৃত্তিধাৰী শিক্ষকৰ কথাই নহয়। অগনন যুৱক যুৱতীক অবিচাৰ কৰা হৈছে। সেই বিষয় বিলাক নিশ্চয় চৰকাৰৰ চাবৰ কাৰণে দায়িত্ব আছে। সেই কাৰণে তেখেতসকলক কৈছো ন্যায়সঙ্গত বিচাৰ কৰিম, চৰকাৰে দায়িত্ব লৈছে। সেই কথাবিলাক বিবেচনা কৰিবলৈ সময় দিয়ক। শ্ৰীপদ্মনাথ কৈৰী ডাঙৰীয়াই যি প্ৰশ্ন দাঙি ধৰিছে, সেই সম্পৰ্কত সঠিক তথ্য দাঙি ধৰিছো। শিক্ষক সকলে অনশন কৰিব লোৱাত দুখ পাইছো। গণতান্ত্ৰিক অধিকাৰ আছে, অনশন কৰিব। এই বিষয়ত আলোচনাৰ কাৰণে সুকীয়া প্ৰশ্ন দিলে সুবিধা হব।

শ্ৰীপদ্মনাথ কৈৰীঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে কৈছে যে অবৈধ মন্ত্ৰীসভাৰ দিনতে তেওঁলোকে চাকৰি পাইছে, কিন্তু যি কিজন মানুহে চাকৰি পাইছে তেওঁলোকতো অবৈধ নহয়। তেওঁলোক আমাৰে নিজা ভাই ককাই, আমাৰে মানুহ। সেই কাৰণেই মই তেওঁলোকৰ প্ৰতি ন্যায় বিচাৰ কৰা হোৱা নাই বুলি ভাবিছো, মন্ত্ৰী মহোদয়ে এই বিষয়ত কিবা ব্যৱস্থা লবনে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, যেতিয়া এটা চৰকাৰ নিৰ্বাচিত হয়, সেই চৰকাৰটো তেতিয়া সকলো জনগণৰে প্ৰতিনিধি। এই প্ৰতিনিধি সকলে এচাম যুৱকক সহৃদয়তাৰে চাব আৰু এচাম যুৱকক অন্যায় কৰিব সেইটোতো হব নোৱাৰে। যিহেতু চৰকাৰখন সকলোৰে প্ৰতি-নিধিৰে প্ৰতিনিধিত্ব কৰে সকলোকে সমানে চাব লাগে। মই কোৱা নাই

সেই সকলক অন্যায় কৰিছে বুলি কিন্তু অভিযোগ যিহেতু আহিছে এই আপত্তি বিলাকৰ বিচাৰ কৰাতো গণতান্ত্রিক চৰকাৰৰ নৈতিক দায়িত্ব। আজি যি সকল বৃত্তিধাৰী শিক্ষক আহিছে সেই সকলৰ প্ৰতি চৰকাৰ যথেষ্ট সহন-শীল আৰু তেওঁলোকৰ দাবীবোৰ বিচাৰ কৰি চোৱাটোও গণতান্ত্রিক চৰকাৰৰ গণতান্ত্রিক নৈতিক দায়িত্ব আছে, এই কথা মই কৈছো।

বি ঃ বিষ্ণু ৰাভা ৰচনাৱলী।

কুমাৰ দীপক দাসে সুধিছে ঃ

২৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) বিষ্ণু ৰাভা ৰচনাৱলী আজিলৈকে প্ৰকাশ নোহোৱাটো সচানে ?

(খ) যদি সচা, এই ৰচনাৱলী আজিলৈকে প্ৰকাশ নোহোৱাৰ কাৰণ কি আৰু ইয়াৰ বাবে জগৰীয়া কোন ?

(গ) নতুন চৰকাৰে ইয়াক প্ৰকাশ কৰাৰ দায়িত্ব গ্ৰহণ কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা বিভাগৰ মন্ত্রী )য়ে উত্তৰ দিছে ঃ

(ক) সচা নহয়। ইতিমধ্যে নলবাৰীৰ এটা ব্যক্তিগত প্ৰতিষ্ঠানে বিষ্ণু ৰাভা ৰচনাৱলী এটা খণ্ডত ছপা কৰিছে।

(খ) ওপৰৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে।

(গ) গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত মৃত গ্ৰন্থকাৰৰ পৰিয়াল বৰ্গৰ সৈতে চুক্তি পত্ৰৰ দ্বাৰা আৱদ্ধ হোৱাৰ নিয়ম আছে। তেনে ধৰণৰ চুক্তি পত্ৰ দুই পক্ষৰ সন্মতিক্ৰমে স্বাক্ষৰিত হলে নতুন চৰকাৰে অসম প্ৰকাশন পৰিষদৰ যোগেদি অসমৰ এগৰাকী পৰম পুৰুষ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰচনাৱলী প্ৰকাশ কৰাৰ দায়িত্ব লব পাৰে।

কুমাৰ দীপক দাসঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল বিষ্ণু ৰাভা ৰচনাৱলী আজিলৈকে প্ৰকাশ নোহোৱাটো সচানে ? আৰু প্ৰশ্নটো উত্থাপন কৰোতে জনোৱা হৈছিল যে এই বস্তুটো অসম প্ৰকাশন পৰিষদৰ লগত জড়িত। চৰকাৰৰ এই প্ৰকাশন পৰিষদৰ যোগেদি প্ৰকাশ কৰাৰ ব্যৱস্থা আছে। তাৰ লগত সংগতি ৰাখিয়েই প্ৰশ্নটো কৰা হৈছিল। এতিয়া জানিব পৰা গৈছে যে এটা ব্যক্তিগত এজন মানুহে এই ৰচনাৱলী প্ৰকাশ কৰাৰ ব্যৱস্থা লৈছে। কিয় অসম প্ৰকাশন পৰিষদে এই দায়িত্বটো লব নোৱাৰিলে ? আপোনালোকে জানে লাখ লাখ কোটি কোটি টকা এনেয়ে দুৰ্নীতি কৰি শেষ কৰিছে তেনেস্থলত বিষ্ণু ৰাভা ৰচনাৱলীৰ কাৰণে ৫ হাজাৰ টকা দিব নোৱাৰাৰ কাৰণেই এই মহান ৰচনাৰাজি প্ৰকাশ কৰিব নোৱাৰিলে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে এটা ব্যৱস্থা লবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, প্ৰশ্নটো আছিল বিষ্ণু ৰাভা ৰচনাৱলী প্ৰকাশ নোহোৱাটো সচানে ? সেই কাৰণে সেই ধৰণেই তৈয়াৰ কৰি উত্তৰটো দিয়া হৈছে। অসম প্ৰকাশন পৰিষদে বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যুৰ বছৰৰ পৰা আজি ইমান দিনে বিষ্ণু ৰাভা ৰচনাৱলী এটা বৃহৎ খণ্ডত বিশিষ্ট ৰূপত প্ৰকাশ কৰাৰ বাবে চেষ্টা কৰি আহিছে। সেই বিষয়ে পৰিষদৰ অধিবেশনত কেইবাবাৰো আলোচনা হয় আৰু স্বৰ্গীয় ৰাভাৰ পত্নীৰ লগত বিধিবদ্ধভাৱে চুক্তিপত্ৰ স্বাক্ষৰিত কৰিবলৈ পৰিষদৰ সচিবক দায়িত্ব দিয়া হয়। লগতে সেই ৰচনাৱলীৰ বাবে গ্ৰন্থকাৰৰ পত্নীক ২৫ হাজাৰ টকা পৰ্য্যন্ত চুক্তি মূল্য দিয়াৰ সিদ্ধান্ত লোৱা হয়।

পৰিষদৰ নিৰ্দ্দেশ অনুসৰি পৰিষদৰ সচিবে এবাৰ নিজে আৰু এবাৰ পৰিষদৰ বিশিষ্ট সদস্য অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীযোগেশ দাসৰ সৈতে স্বৰ্গীয় ৰাভাৰ পত্নী শ্ৰীমতী মোহিনী ৰাভাৰ লগত এই বিষয়ে আলোচনা কৰে। সেই অনুক্ৰমে এখন খচৰা চুক্তিপত্ৰ ৫-৭-৮০ তাৰিখে শ্ৰীমতী মোহিনী ৰাভা আৰু শ্ৰীপৃথ্বীৰাজ ৰাভাৰ সৈতে পৰিষদে প্ৰস্তুত কৰে। সেই চুক্তিপত্ৰ মতে—

(ক) কলাগুৰুৰ সমস্ত ৰচনাৱলীৰ ৩,৩০০ কপি পৰিষদে ছপা কৰিব।

(খ) উক্ত ৰচনাৱলী ছপা কৰাৰ বাবে প্ৰকাশন পৰিষদৰ পক্ষৰ পৰা বিষ্ণুৰাভাৰ পত্নী মোহিনী ৰাভাক এককালীন ২৫ হাজাৰ টকা দিয়া হব।

(গ) এই চুক্তিত ৰাভাদেৱৰ প্ৰথম সন্তান শ্ৰীপৃথ্বীৰাজ ৰাভা আৰু আন দুজন সন্তানৰ কোনো আপত্তি নাথাকিব।

(ঘ) এই ৰচনাৱলীৰ লগতে ৰাভাদেৱৰ যিমান পাৰি সিমান ছবি ছপা কৰা হব। আৰু তাৰ বাবে শ্ৰীমতী ৰাভাক টকা দিয়া নহব। কিন্তু এই গ্ৰন্থ ছপা হোৱাৰ পিছত মূল ছবিখিনি তেওঁক ঘূৰাই দিয়া হব।

(ঙ) ৰচনাবোৰ প্ৰেছলৈ পঠোৱাৰ আগতে কপি বিলাক শ্ৰীমতী ৰাভাৰ হাতত থকা মূল পাণ্ডুলিপিৰ লগত মিলাই চোৱা হব। এই ক্ষেত্ৰত শ্ৰীমতী ৰাভা আৰু শ্ৰীপৃথ্বীৰাজ ৰাভাই পৰিষদক সহায় কৰিব।

সেই খচৰা চুক্তিৰ পিছতে প্ৰকাশন পৰিষদৰ পৰা কোৰ্টৰ টিকট সংলগ্ন চুক্তিপত্ৰ এখনি শ্ৰীমতী ৰাভালৈ পঠিয়াই দিয়া হ'ল।

কিন্তু তাৰ লগে লগে জানিব পৰা গল যে পৰিষদৰ খচৰা চুক্তিপত্ৰত চহী কৰাৰ প্ৰায় এমাহৰ আগতে অৰ্থাৎ ২০-৭-৮৬ তাৰিখে শ্ৰীমতী মোহিনী ৰাভাই গুৱাহাটীৰ বিষ্ণুৰাভা সোঁৱৰণী গৱেষণা সমিতিৰ লগত এইবুলি চুক্তি স্বাক্ষৰিত কৰে— "মই শ্ৰীমতী মোহিনী ৰাভাই স্বৰ্গীয় কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ উত্তৰাধিকাৰী হিচাপে বিষ্ণুৰাভা সোঁৱৰণী গৱেষণা সমিতিৰ লগত বিষ্ণুৰাভাৰ সমস্ত ৰচনাৱলী প্ৰকাশৰ বাবে এই চুক্তিপত্ৰত সুস্থভাৱে সজ্ঞানে, বিবেচনা কৰি আপত্তিহীনভাৱে সন্মতি প্ৰদান কৰিলো।

স্বাক্ষৰ—মোহিনী ৰাভা

২০।৭।৮০, তেজপুৰ।

উক্ত বিশেষ কাৰণত দুৰ্ভাগ্যক্ৰমে প্ৰকাশন পৰিষদৰ পক্ষৰ পৰা বিষ্ণুৰাভা ৰচনাৱলী প্ৰকাশ কৰিব পৰা নগ'ল। ইতিমধ্যে সোঁৱৰণী গৱেষণা সমিতিৰ সম্পাদনাত নলবাৰীৰ জাৰ্নাল এম্পৰিয়াম বিষ্ণুৰাভা ৰচনাৱলী প্ৰকাশ কৰিছে।

এতিয়াও আমাৰ নতুন চৰকাৰে বিষ্ণুপ্ৰসাদ ৰাভাৰ দৰে এজন কলাগুৰু আৰু ক্ষজন্মা ব্যক্তিৰ সমস্ত ৰচনাৱলী অসম প্ৰকাশন পৰিষদৰ যোগেদি পৰিপূৰ্ণভাৱে মনোৰম ৰূপত প্ৰকাশ কৰিবলৈ পালে গভীৰ আনন্দ পাব। কিন্তু তাৰ আগতে কলাগুৰুৰ উত্তৰাধিকাৰী সকলৰ লগত বিধিবদ্ধভাৱে চুক্তি ব্যৱস্থা সম্পাদন কৰাৰ প্ৰয়োজন হব।

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, বিষ্ণু প্ৰসাদ ৰাভাৰ ৰচনাৱলী প্ৰচাৰলৈ পঠোৱাৰ আগতে পাণ্ডুলিপিৰ লগত মিলাই চোৱা হব। অধ্যক্ষ মহোদয়, মই ব্যক্তিগতভাৱে বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰচনাৱলীৰ প্ৰকাশৰ কাৰণে চৰকাৰৰ লগত জৰিত আছিলো। এই বিষয়ে প্ৰকাশন পৰিষদৰ লগত আৰু তেজপুৰৰ পৰা খণ্ড খণ্ডকৈ উলিয়াবলৈ বিভিন্ন সংগঠনৰ লগত যোগাযোগ হৈছিল। গতিকে এই মহান পুৰুষজনাৰ চৰিত্ৰৱলী বাহিৰত দাঙি ধৰিবৰ কাৰণে মাননীয় সদস্য গৰাকীয়ে আজি যিবিলাক প্ৰস্তাৱ আগবঢ়াইছে তাৰ বাবে তেখেতক ধন্যবাদ জনাইছো। এই কথাত আমি আগ্ৰহান্বিত আৰু জানিবলৈ পাই সুখী হৈছো। ইতিমধ্যে পৃথ্বীৰাজ ৰাভাৰ লগত যোগাযোগ কৰা হৈছে আৰু বহুতখিনি কাম আগবঢ়াই নিবলৈ চেষ্টা কৰা হৈছে। এইখিনি প্ৰকাশৰ কাৰনে চেষ্টা চলাই থকা হৈছে। এই বিষয়ত চৰকাৰেও ব্যৱস্থা লব আৰু যদি আমাৰ ফালৰ পৰা সহযোগিতা লাগে সেইটো বিবেচনা কৰিম। যদি তেওঁলোকে নতুন চৰকাৰক জনাবলৈ ইচ্ছা কৰে, তেতিয়াহলে আমি সেই দায়িত্ব লম।

Shri Binai Khungur Basumatary : Sir, has not this Govt. considered that this Rs. 25,000/- is for copy right for his immortal writings ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, পূৰ্ব্বৰ চৰকাৰৰ দিনত এই বিলাক ব্যৱস্থা লৈছিল। বিষ্ণুপ্ৰসাদ ৰাভাৰ পৰিয়ালৰ পৰা যি ব্যৱস্থা লোৱা হৈছে, তাৰ বাহিৰেও যদি তেওঁলোকে ইচ্ছা কৰে নতুনকৈ ব্যৱস্থা কৰিম। মাননীয় সদস্য গৰাকীক মই কব বিচাৰিছো যে এই বিষয়ত যিবিলাক ব্যৱস্থা আছে, তেনে ব্যৱস্থাৰ পৰিবৰ্ত্তন কৰিব লাগিব।

তেনে ব্যৱস্থাৰ পৰিবৰ্ত্তে এই জন মহান ব্যক্তিৰ ৰচনাৱলী ৰাইজৰ আগত দাঙি ধৰিবলৈ সৰ্ব্বতোপ্ৰকাৰে চেষ্টা চলাম।

বি ঃ কৰ আয়ুক্ত কাৰ্য্যালয়

শ্ৰীদীনবন্ধু চৌধুৰীয়ে, সুধিছে ঃ

২৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কৰ আয়ুক্তৰ কাৰ্য্যালয়ৰ পঞ্জীয়কৰ পদাধিকাৰী গৰাকীৰ নাম কি ?

(খ) তেওঁক সেই কাৰ্য্যালয়ৰ সহকাৰী অধীক্ষকৰ পদৰ পৰা উক্ত পদলৈ পদোন্নতি দিয়াটো সচানে ?

(গ) যদি সচা কাৰ্য্যালয় অধীক্ষকৰ পদত এদিনো কাম নকৰাকৈ আৰু সেই কাৰ্য্যালয়তে কাম কৰি থকা কাৰ্য্যালয় অধীক্ষক সকলক চেৰাই কোন আইন বা বিধিমতে কাৰ্য্যালয়ৰ পঞ্জীয়কৰ পদলৈ পদোন্নতি দিয়া হৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) শ্ৰীবিদ্যেশ্বৰ মেদাক।

(খ) তেওঁক কাৰ্য্যালয়ৰ অধীক্ষকৰ পদৰ পৰাহে উক্ত পদলৈ পদোন্নতি দিয়া হয়, সহকাৰী অধীক্ষকৰ পদৰ পৰা নহয়।

(গ) যদিও তেওঁক অধীক্ষকৰ পদৰ পৰা পঞ্জীয়কৰ পদলৈ পদোন্নতি দিয়া হয়, তেওঁ দৰাচলতে অধীক্ষকৰ পদত কাম নকৰাটো সচা। তেওঁক ১।৫।৮২ তাৰিখৰ পৰা বলবৎ কৰি সেই কাৰ্য্যালয়ত সহকাৰী অধীক্ষকৰ পদৰ পৰা অধীক্ষকৰ পদলৈ কৰ আয়ুক্ত ৩।৩।৮৬ তাৰিখৰ আদেশ মতে পদোন্নতি দিয়া হৈছিল। শ্ৰীমেদাক তপঃশীলভুক্ত ভৈয়াম জনজাতিৰ কৰ্ম্মচাৰী। Welfare of Plains Tribes & Backward Classes বিভাগ আৰু আইন বিভাগৰ পৰামৰ্শ পোৱাৰ পিচত তেওঁক এইদৰে ১।৫।৮২ তাৰিখৰ পৰা বলবৎ

কৰি অধীক্ষকৰ পদলৈ পদোন্নতি দিয়া হয়। এই দুই বিভাগে দিয়া মতামত অনুসৰি Assam Scheduled Castes & Scheduled Tribes (Reservation of vacancies in services & posts) Act, 1978 ৰ বিধি মতে কৰ আয়ুক্ত কাৰ্য্যালয়ত ১।৫।৮২ তাৰিখৰ পৰা খালি হোৱা এটা অধীক্ষকৰ পদত তেওঁক নিযুক্তি নিদিয়াটো অনিয়ম হৈছিল আৰু নিয়মমতে তেওঁক সেই পদলৈ পদোন্নতি দিব লাগিছিল। সেইবাবে তেওঁক ১।৫।৮২ তাৰিখৰ পৰা অধীক্ষকৰ পদত বাহাল আছিল বুলি ধৰা হয়। কৰ আয়ুক্ত কাৰ্য্যালয়ত পঞ্জীয়কৰ পদটো ১।৩।৮৬ তাৰিখে খালি হয়। এই খালি হোৱা পঞ্জীয়কৰ পদটো Assam Scheduled Castes & Scheduled Tribes (Reservation of vacancies in Services & Posts) Act, 1978 ৰ বিধি অনুসৰি তপঃশীলভুক্ত জনজাতিৰ কৰ্ম্মচাৰীৰ বাবে সংৰক্ষিত। সেই বাবে কাৰ্য্যালয়ত কাম কৰি থকা বাকীসকল অধীক্ষকক চেৰাই তেওঁক পঞ্জীয়কৰ পদলৈ পদোন্নতি দিয়া হয়।

শ্ৰীদীনবন্ধু চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে ৰেজিষ্ট্ৰাৰ পদ এটাহে পূৰণ কৰিছে। কিন্তু কোটাৰ শতকৰা হিচাবে নিৰ্দ্ধাৰণ কৰা হয়। তাৰ ব্যৱস্থা বেলেগ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কৰ আয়ুক্ত কাৰ্য্যালয়ত সেই সময়ৰ পঞ্জীয়ক শ্ৰীপ্ৰভাত চন্দ্ৰ পাটোৱাৰী ২৮।২।৮৬ তাৰিখে অৱসৰ পোৱাত সেই পদটো ১।৩৮৬ তাৰিখৰ পৰা খালি হয়। আসাম ডাইৰেক্টৰেট এষ্টাব্লিচমেণ্ট (মিনিষ্টীয়েল চাৰভিচ) ৰুলচ, ১৯৭৩ৰ ৭নং নিয়ম অনুসৰি পঞ্জীয়কৰ পদটো সেই কাৰ্য্যালয়ৰ অধীক্ষকৰ পদত অতি কমেও ২ বছৰ কাম কৰা কৰ্মচাৰীৰ জ্যেষ্ঠতা আৰু যোগ্যতাৰ ভিত্তিত পদোন্নতি দি নিযুক্তি দিব লাগে। আনহাতে আসাম চিডৰেল কাষ্ট চিডৰেল ট্ৰাইবচ (ৰিজাৰ-ভেচন ইত্যাদি) এক্ট, ১৯৭৮ৰ ৫ নং ধাৰা অনুসৰি এনে খালি হোৱা পদৰ প্ৰথম পদৰিক্তি (ফাষ্ট ভেকেনচি) ভৈয়াম জনজাতিৰ কৰ্মচাৰীৰ বাবে সংৰক্ষিত। এই আইন ১।৭।৭৯ তাৰিখে বলবত হোৱাৰ পিচত ১৯৮২ চনত জুন মাহত

পঞ্জীয়কৰ পদটো প্ৰথম বাৰৰ বাবে খালি হৈছিল। সেই সময়ত অধীক্ষকৰ পদত ভৈয়াম জনজাতিৰ কোনো কৰ্মচাৰী নথকা বাবে সেই পদৰিক্ত (ভেকেনচিত) ভৈয়াম জনজাতিৰ কৰ্মচাৰীক উক্ত আইন অনুসৰি পদোন্নতি দিব পৰা নহল। ১৯৮৬ চনৰ ১।৩।৮৬ তাৰিখে পঞ্জীয়কৰ পদটো দ্বিতীয় বাৰৰ বাবে খালি হয়। উল্লেখ কৰিব পাৰি যে এই আইনৰ তপশীলৰ পঞ্চম অনুচ্ছেদ অনুসৰি সংৰক্ষিত পদৰিত (ৰিজাৰ্ভ ভেকেনচি) কোনো ক্ষেত্ৰত সংৰক্ষিত শ্ৰেণীৰ কৰ্ম-চাৰীৰ দ্বাৰা পূৰণ কৰিব নোৱাৰিলে। পৰবৰ্ত্তী পদৰিক্ত (নেক্সট ভেকেনচি) সেই সংৰক্ষিত শ্ৰেণী কৰ্মচাৰীৰ দ্বাৰা পূৰণ কৰা হব লাগে। সেই মতে পঞ্জীয়কৰ পদৰ ১।৩।৮৬ তাৰিখৰ পৰা খালি হোৱা পদৰিক্তটো ভৈয়াম জনজাতিৰ কৰ্মচাৰীৰ বাবে সংৰক্ষিত বুলি ধৰা হয়।

শ্ৰীবিদ্যেশ্বৰ মেদাক ভৈয়াম জনজাতি সম্প্ৰদায়ভুক্ত কৰ্মচাৰী। তেওঁ কৰ আয়ুক্ত কাৰ্য্যালয়ৰ সহকাৰী কৰ অধীক্ষকৰ পদত চাকৰী কৰি আছিল। ১।৫।৮২ তাৰিখে কাৰ্য্যালয়ত এটা অধীক্ষকৰ পদ খালি হৈছিল। আসাম ডাইৰেক্টৰেট এষ্টাব্লিচমেণ্ট (মিনিষ্ট্ৰীয়েল চাৰ্ভিচ) ৰুলচ, ১৯৭৩ ৮নং নিয়ম অনুসৰি অতি কমেও ৭ বছৰ চাকৰী কৰা উচ্চ বৰ্গৰ সহায়কৰ পদৰ পৰা জ্যেষ্ঠতা আৰু যোগ্যতাৰ ভিত্তিত অধীক্ষকৰ পদলৈ পদোন্নতি দিব লাগে। উপৰোক্ত ৰিজাৰ-ভেচন আইনখন বলবত হোৱাৰ পিচত অধীক্ষকৰ পদত সেইটোৱেই প্ৰথম পদৰিক্তি আছিল।

এই আইন আৰু বিধি অনুসৰি শ্ৰীমেদাক ১।৫।৮২ তাৰিখে খালি হোৱা অধীক্ষকৰ পদলৈ পদোন্নতি দিব লাগিছিল। এই বিষয়ে ৰাজ্য চৰকাৰৰ সেই সময়ত আইন বিভাগৰ পৰা পৰামৰ্শ বিচৰা হৈছিল। আইন বিভাগৰ পৰামৰ্শ ভিত্তিত কৰ আয়ুক্তই শ্ৰীমেদাক খালি থকা অধীক্ষকৰ পদলৈ পদোন্নতি নিদিলে। কৰ আয়ুক্তই জ্যেষ্ঠতাৰ ভিত্তিত শ্ৰীচন্দ্ৰ নাথ কলিতা নামৰ এজন সহকাৰী অধীক্ষকক অধীক্ষকৰ পদলৈ পদোন্নতি দিয়ে। ইয়াৰ পিচতো প্ৰায় লগে লগে ১৯৮২ চনৰ জুন মাহত আৰু এটা অধীক্ষকৰ পদ খালি হৈছিল। সেই খালি পদটোও শ্ৰীপ্ৰবীন চন্দ্ৰ ডেকা নামৰ এজন সহকাৰী অধীক্ষকৰ দ্বাৰা পদোন্নতি দি পূৰণ কৰা হয়। ইয়াৰ আগৰে পৰা আৰু দুজন কৰ্ম-চাৰীয়ে কাৰ্য্যালয়ত অধীক্ষকৰ পদত চাকৰী কৰি আছিল। তেওঁলোক যথাক্ৰমে

জ্যেষ্ঠতা অনুসৰি শ্ৰীকুমুদ চন্দ্ৰ শৰ্মা (১নং) আৰু শ্ৰীকুমুদ চন্দ্ৰ শৰ্মা (২নং)। এইদৰে ১।৩।৮৬ তাৰিখত (অৰ্থাৎ পঞ্জীয়কৰ পদটো খালি হয়)। চাৰিজন কৰ্মচাৰীয়ে অধীক্ষকৰ পদত চাকৰি কৰি আছিল। তেওঁলোকৰ নাম জ্যেষ্ঠতা অনুসৰি—

১) শ্ৰীকুমুদ চন্দ্ৰ শৰ্মা (১নং)

২) শ্ৰীকুমুদ চন্দ্ৰ শৰ্মা (২নং)

৩) শ্ৰীচন্দ্ৰ নাথ কলিতা

৪) শ্ৰীপ্ৰবীন চন্দ্ৰ ডেকা

এখেতসকলৰ কোনোজনেই সংৰক্ষিত শ্ৰেণীৰ নহয়। আইন বিভাগৰ পৰামৰ্শ লোৱাৰ কিছুদিন পিচত আন এটা পদোন্নতিৰ সংক্ৰান্তত সংৰক্ষণৰ সমগ্ৰ বিষয়টোৰ সম্পৰ্কে ওৱেলফাৰ অব প্লেইনচ ট্ৰাইবচ এণ্ড বেকওৱাৰ্ড ক্লাচ বিভাগৰ পৰামৰ্শ বিচৰা হয়। সেই বিভাগে আইন বিভাগৰ বিপৰীতে মত দিয়ে আৰু লগতে এই পৰামৰ্শ দিয়ে যে ৰিজাৰ্ভেচন আইনখন বলবত হোৱাৰ পৰা সকলোবোৰ পদোন্নতিৰ এটা সমীক্ষা কৰিব লাগে।

এই পৰামৰ্শ পোৱাৰ পিছত আকৌ আইন বিভাগৰ পৰামৰ্শ বিচৰা হয় আৰু আইন বিভাগেও প্ৰকাৰান্তৰে ডব্লিউ, পি, টি,বি, চি বিভাগৰ মতকে সমৰ্থন কৰে। আইন বিভাগে নতুনকৈ দিয়া পৰামৰ্শ অনুসৰি শ্ৰীমেদাক ১।৫।৮২ তাৰিখে খালি হোৱা অধীক্ষকৰ পদত নিযুক্তি নিদিয়াটো অবৈধ হৈছিল বুলি ৰাজ্য চৰকাৰে মত প্ৰকাশ কৰে। সেই নিৰ্দ্দেশ অনুসৰি কৰ আয়ুক্তই ১।৫।৮২ তাৰিখে খালি হোৱা অধীক্ষকৰ পদত শ্ৰীমেদাক সেই তাৰিখৰ পৰা বলবত হোৱাকৈ ৩।৩।৮৬ তাৰিখৰ হুকুমৰ দ্বাৰা পদোন্নতি দি নিযুক্তি দিয়ে। এই ব্যৱস্থা গ্ৰহণ কৰাৰ পিচত এটা প্ৰশ্ন উঠিছিল যে যিহেতু শ্ৰীমেদাক ১।৫।৮২ তাৰিখৰ পৰা যদিও পদোন্নতি দিয়া হৈছিল, তেওঁ দৰাচলতে অধীক্ষকৰ পদত এদিনো চাকৰি নকৰা হেতুকে আসাম এষ্টাব্লিচমেণ্ট (মিনিষ্ট্ৰীয়েল চাৰ্ভিচ) ৰুলচৰ ৭নং নিয়ম অনুসৰি তেওঁক পঞ্জীয়কৰ পদলৈ পদোন্নতিৰ বাবে তেওঁৰ নামটো বিবেচনা কৰিব পাৰিনে নোৱাৰি। কিয়নো এই নিয়ম অনুসৰি পঞ্জীয়কৰ পদৰ বাবে বিবেচনা কৰাৰ বাবে অতি কমেও দুবছৰ অধীক্ষকৰ পদত

কাম কৰা হব লাগে। এই বাবে আইন বিভাগত পৰামৰ্শ বিচৰা হয়।

আইন বিভাগে পৰামৰ্শ দিয়ে যে যিহেতু শ্ৰীমেদাক কৰ আয়ুক্তৰ ৩।৩।৮৬ তাৰিখৰ আদেশ অনুসৰি ২-৫-৮২ তাৰিখৰ পৰা বলবত হোৱাকৈ অধীক্ষকৰ পদলৈ পদোন্নতি দিয়া হৈছিল, সেয়ে আসাম ডিকেক্টৰেত এষ্টাব্লিচমেণ্ট মিনিষ্টেৰিয়েল চাৰ্ভিচ ৰুল, ১৯৭৩ ৰ ৭নং নিয়ম অনুসৰি তেওঁ ১৯৮৬ চনৰ ১ জানুৱাৰীৰ দিনা অধীক্ষকৰ পদত অতি কমেও দুবছৰ চাকৰি কৰা বুলি ধৰিব লাগিব। এই পৰামৰ্শ পোৱাৰ পিচত 'ৰিজাৰভেশ্যণ' আইনৰ ধাৰাৰ ভিত্তিত আৰু আসাম ডিৰেক্টৰেট এষ্টাব্লিচমেণ্ট (মিনিষ্টেৰিয়েল চাৰ্ভিচ) ৰুল, ১৯৭৩ ৰ ৭নং নিয়ম অনুসৰি শ্ৰীমেদাক ৰাজ্য চৰকাৰৰ ১২ মাৰ্চ ১৯৮৩ ৰ আদেশ দ্বাৰা পঞ্জীয়কৰ পদলৈ পদোন্নতি দি নিযুক্তি দিয়া হয়।

উল্লেখযোগ্য যে, আসাম চিদোল কাষ্ট এণ্ড চিদোল ট্ৰাইব ৰিজাৰভেশ্যন অব ভেকেনচিচ ইন চাৰ্ভিচ এণ্ড পাৰ্টচ) ৰুল ১৯৮৩ ৰ ৫নং বিধি অনুসৰি পদোন্নতিৰ ক্ষেত্ৰত প্ৰত্যেক পদৰিক্তিৰ (ভেকেনচি) বাবে চাৰিজন কৰ্মচাৰীৰ এটা মণ্ডল 'জু'ন অব চিলেকশ্যন বিবেচনাৰ কাৰণে লব লাগে। এই ক্ষেত্ৰত বিধি অনুসৰি কৰ আয়ুক্ত কাৰ্য্যালয়ৰ চাৰিজন অধীক্ষকৰ নাম বিবেচনা কৰা হৈছিল। আৰু লগতে প্ৰত্যেকজনৰ যোগ্যতাও বিবেচনা কৰি চোৱা হৈছিল। জ্যেষ্ঠতা অনুসৰি এই চাৰিজনৰ নাম হল :—

১) শ্ৰীকুমুদ চন্দ্ৰ শৰ্মা (১নং)
২) শ্ৰীকুমুদ চন্দ্ৰ শৰ্মা (২নং)
৩) শ্ৰীবিদ্যেশ্বৰ মেদাক
৪) শ্ৰীচন্দ্ৰনাথ কলিতা

শ্ৰীবিদ্যেশ্বৰ মেদাকেই একমাত্ৰ ভৈয়াম জনজাতি ভুক্ত কৰ্মচাৰী। গতিকে পঞ্জীয়কৰ পদলৈ তেওঁকেই পদোন্নতি দিয়া হয়।

শ্ৰীদীনবন্ধু চৌধুৰী : অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে বিদ্যেশ্বৰ মেদাক অফিচিয়েটিং কৰি থাকিবলৈ দিয়া হৈছে। ডিউটি পাৰ্ফম নকৰাকৈ

কেনেকৈ অফিচিয়েত কৰিবলৈ দিয়া হ'ল ? এই ক্ষেত্ৰত বিধিগত আইন একজাকশ্যণ কৰিছে নেকি বা কৰা হৈছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ ইয়াৰ আগতে মই এই সম্পৰ্কে কৈয়ে গৈছো।

বি ঃ ৰংঘৰ, কাৰেংঘৰ আৰু তলাতল ঘৰ।

শ্ৰীঅভিজিৎ শৰ্মাই সুধিছে ঃ

২৮। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ আদি অসমৰ ঐতিহাসিক স্মৃতি চিহ্ন সমূহ ভ্ৰমণকাৰীৰ বাবে অধিক আকৰ্ষণীয় কৰি তোলাৰ বাবে চৰকাৰে কিবা আঁচনি গ্ৰহণ কৰিছে নেকি ?

(খ) তলাতল ঘৰৰ পৰা দিখৌ নদীলৈকে থকা ঐতিহাসিক সুৰংগটো পুনৰ খান্দি উলিয়াই পৰ্য্যটকৰ বাবে অধিক আকৰ্ষণীয় কৰি তোলাৰ পৰিকল্পনা আছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ, জয়সাগৰ, গৌৰীসাগৰ আৰু শিৱসাগৰৰ পাৰত থকা দল সমূহ কেন্দ্ৰীয় প্ৰত্নতত্ত্বৰ জৰীপ বিভাগৰ দ্বাৰা সংৰক্ষিত। গতিকে এইবোৰৰ ৰক্ষণা বেক্ষণ আৰু ভ্ৰমণ কাৰীৰ বাবে আকৰ্ষণীয় কৰা দায়িত্বও কেন্দ্ৰীয় চৰকাৰৰ।

(খ) তলাতল ঘৰৰ পৰা দিখৌ নদীলৈকে থকা তথাকথিত ঐতিহাসিক সুৰঙ্গটো পুনৰ খান্দি উলিওৱাৰ দায়িত্বও কেন্দ্ৰীয় চৰকাৰৰ যিহেতু এই কীৰ্ত্তিচিনটো কেন্দ্ৰীয় প্ৰত্নতত্ত্বৰ জৰীপ বিভাগৰ দ্বাৰা সংৰক্ষিত।

শ্ৰীঅভিজিত শৰ্ম্মা ঃ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ আদি অসমৰ ঐতিহাসিক স্মৃতি চিহ্ন সমূহ ভ্ৰমণকাৰীৰ বাবে অধিক আকৰ্ষণীয় কৰি তোলাৰ বাবে চৰকাৰে কিবা আঁচনি গ্ৰহণ কৰিছে নেকি ?

(খ) তলাতল ঘৰৰ পৰা দিখৌ নদীলৈকে থকা ঐতিহাসিক সুৰুংগটো পুনৰ অধিক আকৰ্ষণীয় কৰি তোলাৰ পৰিকল্পনা আছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ (ক) ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ, জয়সাগৰ, গৌৰীসাগৰ আৰু শিৱসাগৰৰ পাৰত থকা দল সমূহ কেন্দ্ৰীয় প্ৰত্নতত্ত্বৰ জৰীপ বিভাগৰ দ্বাৰা সংৰক্ষিত। গতিকে এইবোৰৰ ৰক্ষণা-বেক্ষণ আৰু ভ্ৰমণকাৰীৰ বাবে আকৰ্ষণীয় কৰা দায়িত্বও কেন্দ্ৰীয় চৰকাৰৰ। এই সম্পৰ্কে অসম চৰকাৰেও কেনে ধৰণে আকৰ্ষণীয় কৰিব পাৰে সেই কথা বিবেচনা কৰি আছে।

(খ) তলাতল ঘৰৰ পৰা দিখৌ নদীলৈকে থকা তথাকথিত ঐতিহাসিক সুৰঙ্গটো পুনৰ খান্দি উলিওৱাৰ দায়িত্বও কেন্দ্ৰীয় চৰকাৰৰ যিহেতু এই কীৰ্ত্তি-চিনটো কেন্দ্ৰীয় প্ৰত্নতত্ত্ব জৰীপ বিভাগৰ দ্বাৰা সংৰক্ষিত।

শ্ৰীঅভিজিত শৰ্ম্মা ঃ যদিও এইটো কেন্দ্ৰীয় চৰকাৰৰ দায়িত্বৰ ভিতৰত পৰে তথাপি এই ঐতিহাসিক যি বিলাক স্বৰ্গদেউ সকলৰ কৃতিস্তম্ভ অসমত আছে সেই বিলাক সংৰক্ষণ কৰিব নোৱাৰাটো অসমৰ ৰাইজ আৰু চৰকাৰৰ কাৰণে দুখৰ কথা। এই ক্ষেত্ৰত বিগত ৩৮ টা বছৰে চৰকাৰ সম্পূৰ্ণ ব্যৰ্থ হৈ গল। অসম চৰকাৰে এক বিশেষ ভাবে পদক্ষেপ লৈ এই চিহ্ন সমূহ আকৰ্ষণীয় কৰিব লাগে, যাতে অসমলৈ ভাৰতৰ বাহিৰৰ পৰা অহা ভ্ৰমণকাৰী আহি ঐতিহাসিক চিহ্ন সমূহ পৃথিবীৰ জনগনৰ মাজত প্ৰচাৰ কৰিব পাৰে। ইয়াৰ বাবে চৰকাৰে বলিষ্ঠ পদক্ষেপ লব নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই বিলাক সংৰক্ষণ কৰাৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ। আমি ইয়াত উলঙ্ঘা কৰিব নোৱাৰো, কিন্তু কেনেকৈ আকৰ্ষনীয় কৰিব পৰা যায় সেই কথা আমাৰ চৰকাৰে বিবেচনা কৰি আছে।

Re: Prakashan Parishad.

Shri DEBESWAR BORA asked:

29. Will the Minister, Education be pleased to state:

(a) What was the achievement of Prakashan Parishad during 1984-85 Session ?

(b) What was the total number of books published on various fields during the said session?

(c) What was the criteria of advertisement during the 84-85 session ?

(d) And to whom those advertisements were supplied?

(e) What was the basis of advertisement?

(f) What is the total number of books proposed to be published during the 86-87 session?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১। ১৯৮৪ চনৰ ডিচেম্বৰ মাহত অসম প্ৰকাশন পৰিষদে ইয়াৰ ৰূপালী জয়ন্তী উৎসৱ পালন কৰে।

২। সেই উপলক্ষে ভাৰতৰ নেশ্যনেল বুক ট্ৰাষ্টৰ সহযোগত পৰিষদে গুৱাহাটীত এখন সৰ্বভাৰতী পৰ্য্যায়ত গ্ৰন্থমেলা অনুষ্ঠিত কৰে। উত্তৰ পূৰ্বাঞ্চলত এনে বৃহৎ গ্ৰন্থমেলা এয়ে প্ৰথম। অসম আৰু অসমৰ বাহিৰৰ প্ৰায়ে ১৫০ সংখ্যক গ্ৰন্থ ৰিপনিয়ে ইয়াত যোগদান কৰিছিল। এই ১১ দিনিয়া গ্ৰন্থ উৎসৱত প্ৰায় ৪৫ লাখ টকাৰ গ্ৰন্থ বিক্ৰী হৈছিল। এই গ্ৰন্থ উৎসৱে অসমীয়া মানুহে কিতাপ নিকিনে বুলি থকা অপবাদ দূৰ কৰে। দহ বছৰ বিক্ৰী নোহোৱা অসমীয়া গ্ৰন্থও ইয়াত বিক্ৰী হয়। এই গ্ৰন্থ উৎসৱত প্ৰায়

তিনি লাখ লোকৰ সমাগম হয়। প্ৰায় ত্ৰিশ হেজাৰ স্কুলীয়া ল'ৰা-ছোৱালীয়ে শিক্ষকৰ সাহাৰ্য্যত শাৰী পাতি বিনা টিকেটেৰে এই গ্ৰন্থমেলালৈ আহে।

৩। পৰিষদৰ ৰূপালী জয়ন্তী উপলক্ষে 'তোৰে মোৰে আলোকৰে যাত্ৰা' নামৰ এখন ৰঙীন তথ্য নিৰ্মিত হয়।

৪। বহুদিনৰ পৰিকল্পনা আৰু আশা কৰামতে পৰিষদৰ নিজা এটা ছপাশাল প্ৰতিষ্ঠিত হয়। এতিয়া 'প্ৰকাশ' নামৰ আলোচনী আৰু পৰিষদৰ এক সংখ্যক গ্ৰন্থ ইয়াত ছপাহৈ আছে।

৫। এই বছৰত পৰিষদে ভালেমান মূল্যবান গ্ৰন্থ প্ৰকাশ কৰে। ইয়াৰ তালিকা সদনৰ মেজত ৰখা হৈছে।

(খ) ১৯৮৪-৮৫ চনৰ ভিতৰত পৰিষদে তলত দিয়া কুৰি খন গ্ৰন্থ প্ৰকাশ কৰিছে—

১। অৰুণোদই—সম্পাদনা ডঃ মহেশ্বৰ নেওগ

২। আসাম বন্ধু—সম্পাদনা ডঃ নগেন শইকীয়া

৩। Ill's report on the province of Assam ( গবেষণা গ্ৰন্থ ) Muffat Mills.

৪। ঘৰুৱা ফুল (শিশু কবিতা সংকলন)—নৰকান্ত বৰুৱা

৫। চলচিত্ৰ (প্ৰবন্ধ)—অমৰ পাঠক

৬। বিলুপ্ত জগত (অনুবাদ)—ৰায়হান শাহ

৭। মহেন্দ্ৰমোহন চৌধুৰী (স্মৃতিগ্ৰন্থ)—সম্পাদিত

৮। অনাতাৰ নাট্যাৱলী (১ম,২য় খণ্ড) সম্পাদনা অৰুণ শৰ্ম্মা

৯। মুক্তি যুজৰ সোঁৱৰণত—লক্ষীধৰ বৰা

১০। চৰাই চিনো আহক (শিশু উপযোগী)—ডিম্বেশ্বৰ চলিহা

১১। ৰূদ্ৰ বৰুৱাৰ গীত (সংকলন) সম্পাদনা—শ্ৰীৰাম গোস্বামী

১২। অভিধৰ্ম্মাৰ্থ সংগ্ৰহ (বৌদ্ধ সাহিত্য)—শাশনবং ভিক্ষু

১৩। জংগম (উপন্যাস)—দেৱেন আচাৰ্য

১৪। ডেৰশ বছৰৰ অসমীয়া সংস্কৃতি (আলোচনী) —ডঃ বীৰেন্দ্ৰ কুমাৰ ভটাচাৰ্য

১৫। মন্দিৰৰ বাঘ (অনুবাদ)—বিৰাজ চৌধুৰী

১৬। কুমায়ূনৰ মানুহ খোৱা বাঘ—বিৰাজ চৌধুৰী

১৭। ৰূদ্ৰ প্ৰয়াগৰ নাহৰ ফুটুকী (অনুবাদ)--বিৰাজ চৌধুৰী

১৮। ৰামায়ণ (অনুবাদ)—লক্ষেশ্বৰ শৰ্মা

১৯। ম‍‍ভাৰত (অনুবাদ)—মহাদেৱ শৰ্মা

(গ) প্ৰকাশন পৰিষদৰ নীতি, দৰ্শন, আদৰ্শ আৰু গ্ৰন্থ প্ৰকাশনৰ বিস্তৃতি আৰু প্ৰসাৰণৰ বাবে বিভিন্ন কাগজপত্ৰত মাজে সময়ে বিজ্ঞান প্ৰচাৰ কৰা হয়। উল্লেখিত বছৰৰ ভিতৰত যিহেতু পৰিষদৰ ৰূপালী জয়ন্তী উৎসৱ পালন কৰা হৈছিল আৰু তাৰ লগতে বৃহত্তৰ সৰ্বভাৰতীয় এখন গ্ৰন্থমেলা অনুস্থিত কৰা হৈছিল, সেই হেতুকে স্বাভাবিকতে এই বছৰত বিজ্ঞাপনৰ সংখ্যা বেছি হৈছে। কেইখনমান স্বভাৰতীয় বিখ্যাত কাকততো গ্ৰন্থমেলা উপলক্ষে বিজ্ঞাপন দিয়া হৈছিল, যাতে বেছি সংখ্যক সৰ্বভাৰতীয় গ্ৰন্থ প্ৰকাশকক আকৰ্ষিত কৰিব পৰা হয়।

(ঘ) ১। আসাম ট্ৰিবিউন

২। দৈনিক অসম

৩। নিউজ ষ্টাৰ

৪। দি ছেন্টিনেল

৫। প্ৰান্তিক

৬। মহাজাতি

৭। অগ্ৰদূত

৮। দৈনিক জনমভূমি

৯। দি ষ্টেটছমেন

১০। হিন্দুস্থান সমাচাৰ

১১। ইণ্ডিয়ান বুক ইণ্ডাষ্ট্ৰিজ

১২। প্ৰতিধ্বনি

১৩। নাম নাই

১৪। প্ৰতিভা ইণ্ডিয়া

১৫। টাইমছ অব ইণ্ডিয়া

১৬। উৰুলি

১৭। যুগসঙ্খ

১৮। ভূমিকা

১৯। আকাশ

২০। নিউজলেটাৰ ঃ ফেডাৰেশ্যন অব ইণ্ডিয়ান পাবলিচাৰ্ছ

২১। যুগ প্ৰকাশ

২২। সাম্প্ৰতিক সাময়িকী

(ঙ) গ প্ৰশ্নৰ উত্তৰত ফোৰা হৈছে।

(চ) ১৯৮৬-৮৭ চনৰ ভিতৰত পৰিষদে তলত দিয়া প্ৰায় ২১ খন বৃহৎ গ্ৰন্থ প্ৰকাশ কৰিবলৈ লৈছে—

১। অসমীয়া বিশ্বকোষ (১ম খণ্ড)

২। A Comprehensive History of Assam (Vol.I) Ed. Dr. H.K. Barpujari

৩। গীত গোবিন্দ—সম্পাদনা ডঃ (শ্ৰীমতী) কপিলা বাৎস্যায়ন, ডঃ মহেশ্বৰ নেওগ।

৪। প্ৰবীন ফুকনৰ নাট্যাৱলী

৫। সাৰদা বৰদলৈৰ নাট্যাৱলী

৬। ইন্দ্ৰেশ্বৰ বৰঠাকুৰ ৰচনাৱলী

৭। বাণীকান্ত কাকতি ৰচনাৱলী

৮। উপনিষদ অশ্বক—তীৰ্থনাথ শৰ্মা

৯। নামঘোষা

১০। কীৰ্ত্তন ঘোষা

১১। Works of Banikanta Kakati (in English)

১২। Banikanta Kakati : The Man & his work Edited.

১৩। ৰামমোহন আৰু বিদ্যাসাগৰ—ললিত চন্দ্ৰ বৰুৱা

১৪। লক্ষ্যধৰ চৌধুৰীৰ নাট্যাৱলী

১৫। জীয়া মানুহৰ হিয়াৰ কাহিনী—সত্যধৰ চৌধুৰী

১৬। বড়ো অসমীয়া অভিধান

১৭। অসমীয়া গল্প সংকলন—সম্পাদনা চন্দ্ৰ প্ৰসাদ শইকীয়া

১৮। কুৰিশতিকাৰ অসমীয়া কবিতা—হোমেন বৰগোহাঁই

১৯। ৰুক্মিণী হৰণ কাব্য

২০। অংকীয়া নাট্যাৱলী

২১। জিমিয়ু বিছিংনীডাই (ডিমাছা উপন্যাস) শ্ৰীমতী শশী প্ৰভা বড়ো

শ্ৰীদেবেশ্বৰ বৰা ঃ অসম প্ৰকাশন পৰিষদৰ টকা পইচাৰ ক্ষেত্ৰত বহুত বিলাক খেলি-মেলি আছে বুলি জানিব পাৰিছো। সেই কাৰণে এই বিষয়ে অনুসন্ধান কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী ঃ এই সম্পৰ্কত কেইবাটাও অভিযোগ আমাৰ সন্মুখলৈ আহিছে। এই বিষয়ে আমি অনুসন্ধান কৰিছো।

Re : Teachers of deficit Colleges

Shri SIRAJUL HOQUE CHOUDHURY asked :

30. Will the Minister, Education be pleased to state :

(a) Whether the benefit of house rent and Medical will be extended to the teachers of deficit Colleges which is being enjoyed by the employees of all Govt. services and which has already been extended to the non-teaching staff of the deficit Colleges ?

(b) If so, from which date it will come into effect ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ) বৰ্ত্তমান প্ৰশ্ন নুঠে।

শ্ৰীজয়নাথ শৰ্মা ঃ মই জানিব বিচাৰিছো যে চৰকাৰৰ পৰা হাউচ বিলডিং এডভান্স লৈ চৰকাৰী কোৱাটাৰত থাকি হাউচৰেণ্ট লয়। এইটো বন্ধ কৰিব নোৱাৰিনে ?

শ্ৰীবৃন্দাবন গোস্বামী ঃ এইটো সামগ্ৰিক প্ৰশ্ন এতিয়াই উত্তৰ দিব নোৱাৰিম।

বি ঃ অসমীয়া কথা ছবি প্ৰদৰ্শন

শ্ৰীগনেশ কুটুমে সুধিছে ঃ

৩১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ ছবিঘৰ সমূহত অসমীয়া কথা ছবি প্ৰদৰ্শন বাধ্যতামূলক কৰাৰ নিৰ্দ্দেশ চৰকাৰে জাৰি কৰা আছে নে ?

(খ) অসমত কেইখন ৰেজিষ্টাৰ্ড বোল ছবি পৰিবেশক আছে আৰু কোন কোন বোল ছবি পৰিবেশকে ১৯৮৬ চনত এতিয়ালৈকে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ সাহায্য আগবঢ়াইছে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমীয়া প্ৰযোজকৰ ছবি বাধ্যতামূলক হিচাবে বছৰেকত ২৮ দিন প্ৰদৰ্শন কৰা নিৰ্দ্দেশ চৰকাৰে জাৰি কৰা আছে।

(খ) অসমত বৰ্ত্তমান ৬২ খন বোল ছবি পৰিবেশন প্ৰতিষ্ঠান আছে। বোলছবি পৰিবেশকে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ১৯৮৬ চনলৈকে সাহায্য আগবঢ়োৱাৰ সম্পূৰ্ণ তথ্য বৰ্ত্তমান যুগুতাই থকা হৈছে।

শ্ৰীগনেশ কুটুম ঃ যি দিন বান্ধি দিছে সেইটো বৃদ্ধি কৰিব নোৱাৰিনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ এইটো কৰো বুলিলেই কৰিব নোৱাৰি। প্ৰচিডিয়ৰ ফ'ল কৰিব লাগিব।

বি ঃ I.A.S. বিষয়াৰ অপব্যৱহাৰ

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

৩২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) দৰং জিলাৰ উপায়ুক্তৰ দায়িত্বত থকাৰ সময়ত প্ৰদীপ সিং নামৰ

এজন I.A.S. বিষয়াই সহকাৰী আয়ুক্ত এজন কৰ্ত্তব্যলৈ যোৱাৰ সময়ত তেওঁৰ গাভৰু পত্নীক বলাৎকাৰ কৰিবলৈ অপচেষ্টা কৰিছিল বুলি কিবা অভিযোগ উঠিছিল নেকি ?

(খ) এই সম্পৰ্কত চৰকাৰৰ কিবা দৃষ্টিগোচৰ হৈছে নেকি ?

(গ) এই অভিযোগ বিতংভাবে চৰকাৰে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয়, তেনেকুৱা এটা অভিযোগ পোৱা গৈছে।

(খ) হয়।

(গ) বিষয়টো এতিয়া এজন জ্যেষ্ঠ বিষয়াৰ গোপনে তদন্তাধীন হৈ আছে। গতিকে এনে অৱস্থাত বিতংভাৱে জনোৱাটো ৰাজহুৱা স্বাৰ্থৰ খাতিৰত উচিত নহব।

শ্ৰীজয়নাথ শৰ্মা ঃ এই অভিযোগটো বিতংভাবে জনাব লাগে। কি কাৰ্য্য-ব্যৱস্থা লৈছে মই সেইটো জানিব বিচৰা নাই। কিন্তু এজন সন্মানিত আই পি এচ অফিচাৰ হৈ নাৰীজাতিক ৰক্ষণা-বেক্ষণ দিয়ক চাৰি ৰক্ষকেই ভক্ষক হোৱা কথাটো কেতিয়াওঁ সহ্য কৰিব পৰা কথা নহয়। এজন সহকাৰী আয়ুক্তৰ গাভৰু পত্নীক এজন আই পি এচ বিষয়াই বলাৎকাৰ কৰা কথাটো কেতিয়াও সহ্য কৰিব পৰা কথা নহয়। আৰু এইটো ধৰা পেলাইছে এজন চকীদাৰে। তেওঁৰ ওপৰত কি ব্যৱস্থা লৈছে ? ভাৰত চৰকাৰলৈ তেওঁক বৰ্খাস্ত কৰিব লাগে বুলি লিখি দিয়ক। চৰকাৰে কি কাৰ্য্য ব্যৱস্থা লৈছে সেইটো জানিব বিচৰা নাই। অভিযোগটো কেনেকুৱা সেইটো জানিব বিচাৰিছো।

শ্ৰীহেমেন দাস ঃ এনেকুৱা অভিযোগ বহুত বিলাক হৈ থকা বুলি বাতৰি কাকতত জানিব পাৰিছো।

শ্ৰীঅভিজিত শৰ্মা ঃ তেখেতে যিটো অভিযোগ দিছে সেইটো স্পষ্টভাবে

কব লাগে। কাৰণ তেখেতে আমাৰ চৰকাৰক দোষাৰোপ কৰিছে।

মাননীয় অধ্যক্ষ ঃ অৰ্ডাৰ, অৰ্ডাৰ। এতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে শ্ৰীজয়নাথ শৰ্মাই কৰা প্ৰশ্নটোৰ উত্তৰ দিব।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মাই কৰা প্ৰশ্নটোৰ উত্তৰ হিচাবে কব বিচাৰিছো। যিজন ব্যক্তিৰ বিষয়ে অভিযোগ উত্থাপন কৰা হৈছে তেওঁ আছিল দৰং জিলাৰ উপায়ুক্ত। দৰং জিলাৰ সহকাৰী উপায়ুক্ত শ্ৰীপ্ৰশান্ত নায়ক, আই এ এচ। চৰকাৰৰ ওচৰত অভিযোগ দিছিল যে তেওঁৰ অনুপস্থিতিত দৰং জিলাৰ উপায়ুক্ত শ্ৰীপ্ৰদীপ সিংয়ে নায়কৰ পত্নীক অসৎ ব্যৱহাৰ কৰিছিল। উক্ত খবৰ পোৱাৰ লগে লগে নায়কক তুৰন্তে নলবাৰীলৈ বদলি কৰা হয়। কিন্তু প্ৰদীপ সিঙক নতুন চৰকাৰেহে অলপ দিনৰ আগতে প্ৰশাসনিক কলেজৰ সঞ্চালক পদলৈ বদলি কৰে। উক্ত অভিযোগ তদন্ত কৰিবৰ বাবে শ্ৰী পি-চি- মিশ্ৰ আই-এ-এচ মুখ্য নিৰ্ব্বাচনী বিষয়াক নিৰ্দ্দেশ দিয়া হৈছে। তদন্তৰ প্ৰতিবেদন এতিয়ালৈকে পোৱা হোৱা নাই। তদন্তৰ প্ৰতিবেদন পালেহে ব্যৱস্থা লব পৰা হব।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, মই মূল প্ৰশ্নকৰ্ত্তা। গতিকে মোক সুবিধা দিব লাগে। মই জানিব বিচাৰিছো এই যে প্ৰদীপ সিং বোলা আই এ এচ বিষয়াজনে সহকাৰী আয়ুক্ত প্ৰশান্ত নায়কৰ পত্নীক অসৎ ব্যৱহাৰ কৰিলে তাৰ কাৰণে শ্ৰীসিঙৰ শাস্তি হব লাগিছিল কিন্তু শাস্তি হল শ্ৰীনায়কৰ। পূৰ্ব্বৰ চৰকাৰে দোষীক শাস্তি নিদি প্ৰশান্ত নায়কক কি কাৰণে শাস্তি বিহিলে? দ্বিতীয় কথা হ'ল এই যে প্ৰদীপ সিঙক আমাৰ চৰকাৰে এতিয়া প্ৰশাসনিক কলেজৰ সঞ্চালক কৰি আনিলে তেওঁ এই কলেজত থাকি কি শিক্ষা দিব? তেওঁক যাৰ নৈতিক চৰিত্ৰ নাই তেৰেঁইক আকৌ কিছুমান ছাত্ৰ-ছাত্ৰীক শিক্ষা দিবলৈ দিয়া হৈছে। এইটো কেনে ধৰণৰ কথা। তেওঁৰ শিক্ষাই কেনে ধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিব? যি জন বিষয়াই বেলেগ এজন সহকাৰী আয়ুক্তৰ পত্নীৰ প্ৰতি লোভাতুৰ দৃষ্টি দেখুৱালে তেওঁক আকৌ ছাত্ৰ-ছাত্ৰীক পঢ়াবলৈ অনা হৈছে। এজন অধ্যক্ষৰ কাম কি সকলোৱে জানে।

এইখন কলেজত কোনোবা গাভৰু ছাত্ৰী পঢ়িবলৈ আহিলে তেওঁ কি ব্যৱহাৰ কৰিব ? গতিকে অতি সোনকালে কেন্দ্ৰীয় চৰকাৰক জনাব লাগে যাতে তেওঁৰ আই এ-এচটো কাটি দিয়ে, আনহাতে যিহেতু তদন্ত চলি আছে তদন্ত চলক আৰু ক্ষমতাৰ যাতে তেওঁ অপব্যৱহাৰ কৰিব নোৱাৰে তাৰ কাৰণে তেওঁক চাকৰিৰ পৰা বাহিৰ কৰি দিব লাগে, তেওঁ ঘৰত বহি থাকক। ( সদনত পুনৰ হুলস্থুল )।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো সম্পৰ্কে বিহিত ব্যৱস্থা লোৱা হব। ( সকলোৱে কবলৈ উঠে, কাৰো কথা শুনা নাযায়। অধ্যক্ষই তেতিয়া পিচৰ প্ৰশ্নলৈ যায় )।

বি ঃ শিক্ষাধিকাৰৰ কাৰ্য্যালয়।

শ্ৰীঅভিজিৎ শৰ্ম্মাই সুধিছে ঃ

৩৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গুৱাহাটীত অৱস্থিত শিক্ষাধিকাৰৰ কাৰ্য্যালয় (D.P.I. Office) টোত কামৰ অত্যাধিক বোজা দূৰ-দূৰণিৰ ৰাইজৰ বিভিন্ন কাম কাজৰ বাবে এই কাৰ্য্যালয়লৈ অহা-যোৱাৰ অসুবিধা আদিৰ প্ৰতি লক্ষ্য ৰাখি উজনি অসমত এটি পূৰ্ণ পৰ্য্যায়ৰ আঞ্চলিক কাৰ্য্যালয় স্থাপন কৰাৰ কথা চৰকাৰে বিবেচনা কৰিছে নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) কাহিলিপাৰাত অৱস্থিত শিক্ষাধিকৰ্ত্তাৰ কাৰ্য্যালয়ত কামৰ বোজা পাতলাবৰ অৰ্থে ১৯৮৩-৮৪ চনত মধ্য ইংৰাজী (M. E. School) বিদ্যালয় সমূহৰ দায়িত্ব প্ৰাথমিক শিক্ষাধিকাৰৰ কাৰ্য্যালয়লৈ হস্তান্তৰ কৰা হৈছে। মধ্য ইংৰাজী বিদ্যালয় ( M. E. Level ) পৰ্য্যায়ৰ শিক্ষা বৰ্ত্তমান প্ৰাথমিক শিক্ষা ৰূপে গণ্য কৰা হৈছে। ইয়াৰ উপৰিও ১৯৮৫ চনৰ ১ এপ্ৰিলৰ পৰা শিক্ষাধিকাৰৰ কাৰ্য্যালয় দুভাগত বিভক্ত কৰি উচ্চ শিক্ষাধিকাৰৰ কাৰ্য্যালয়

আৰু মাধ্যমিক শিক্ষাধিকাৰৰ কাৰ্য্যালয়লৈ ৰূপান্তৰিত কৰা হৈছে। উচ্চ শিক্ষাধিকাৰৰ কাৰ্য্যালয়ক বৰ্ত্তমানে বিশ্ববিদ্যালয়ৰ শিক্ষা, মহাবিদ্যালয় সমূহৰ শিক্ষা, সংস্কৃত আৰু মাদ্ৰাছাৰ শিক্ষাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। আনহাতে মাধ্যমিক শিক্ষাধিকাৰ কাৰ্য্যালয়ক মাধ্যমিক শিক্ষা আৰু উচ্চতৰ মাধ্যমিক শিক্ষাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। এই খিনিতেই উল্লেখ কৰিব পাৰি যে জিলা ভিত্তিত জিলাৰ সদৰত বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ একোটাকৈ কাৰ্য্যালয় আছে। এই কাৰ্য্যালয় সমূহত মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক (High/Higher Secondary Schools) বিদ্যালয় সমূহৰ শিক্ষক আৰু কৰ্ম্মচাৰীৰ দৰমহা, ছুটী লোৱা আৰু প্ৰশিক্ষণলৈ যোৱা শিক্ষকৰ বিপৰীতে অস্থায়ী নিযুক্তি দিয়া ক্ষমতা দিয়া হৈছে। তাৰোপৰি এই জিলা পৰ্য্যায়ৰ কাৰ্য্যালয়বোৰে বিধিমতে নিৰ্ব্বাচন কৰা বিদ্যালয় সমূহক গৃহ নিৰ্মাণ অনুদান, আচবাব কিনা অনুদান, বিজ্ঞান শ্ৰেণীৰ বাবে আগবঢ়োৱা অনুদান সমূহো বিতৰণ কৰিবলৈ দায়িত্ব দিয়া হৈছে। এইখিনি কামৰ পৰিপ্ৰেক্ষিতত উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহৰ শিক্ষক বা কৰ্ম্মচাৰী শিক্ষাধিকাৰৰ কাৰ্য্যালয়লৈ নহাকৈ হয়। কিন্তু বহুতো শিক্ষক আৰু কৰ্ম্মচাৰীয়ে নিজৰ বিদ্যালয় সংক্ৰান্ত সিদ্ধান্তৰ বাবে "কিবাকৈ কৰাই নিব পাৰি নেকি" এই উদ্দেশ্যেই সংশ্লিষ্ট শিক্ষাধিকাৰৰ কাৰ্য্যালয়লৈ আহি ভিৰ কৰে। তেখেত সকলৰ বহুতে প্ৰধান শিক্ষক বা বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ অনুমতি নোলোৱাকৈ এই কাৰ্য্যালয়লৈ আহে। এনে নকৰিবলৈ তেখেতসকলক কেইবাৰো সকিয়াই দিয়া হৈছে আৰু এই সন্দৰ্ভত শিক্ষাধিকাৰৰ কাৰ্য্যালয়ত এখন জাননী ফলক দিয়া আছে।

উচ্চ শিক্ষাধিকাৰৰ কাম কাজ অৱশ্যে কাহিলিপাৰাৰ কাৰ্য্যালয়ৰ পৰাই হয়। জিলা ভিত্তিত কোনো কাৰ্য্যালয় নাই। এই খিনিতে উল্লেখ কৰিব পাৰি যে সাধাৰণ উচ্চ শিক্ষাৰ যি চাৰিখন মহাবিদ্যালয় আছে তাৰ দুখন পাৰ্ব্বত্য স্বায়ত্ব শাসিত জিলাত অৱস্থিত আৰু এই মহাবিদ্যালয় দুখনৰ কাম-কাজ হাফলংত থকা যুটীয়া শিক্ষাধিকাৰ কাৰ্য্যালয়ৰ পৰা নিয়ন্ত্ৰণ কৰা হয়। বাকী চৰকাৰী মহাবিদ্যালয় কেইখন যেনে—কটন কলেজ, গুৱাহাটী চৰকাৰী আইন মহাবিদ্যালয়, চৰকাৰী সংস্কৃত মহাবিদ্যালয় আৰু ৪ খন শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় কাহিলিপাৰা কাৰ্য্যালয়ৰ পৰা নিয়ন্ত্ৰণ হয়। বেচৰকাৰী

মহাবিদ্যালয়ৰ সংখ্যা প্ৰায় ২০০ খন মান।

এই মহাবিদ্যালয়বোৰৰ শিক্ষক আৰু কৰ্ম্মচাৰীৰ সমস্যাবোৰ নিজ নিজ মহাবিদ্যালয়ৰ কাৰ্য্যকৰী সমিতিৰ দ্বাৰা সমাধান কৰা হয়। অৱশ্যে এই মহাবিদ্যালয় সমূহৰ ঘাটি মঞ্জুৰী মূল্যপত্ৰ (Bill) আৰু তদৰ্থ মঞ্জুৰী মূল্য পত্ৰ সমূহ শিক্ষাধিকাৰৰ কাৰ্য্যালয়ৰ পৰা প্ৰতি স্বাক্ষৰ কৰি (Counter Signature) নিজ নিজ এলেকাৰ কোষাগাৰৰ পৰা মহাবিদ্যালয়ৰ সমিতিয়ে ধন উলিৱায়। দেখা যায় যে মহাবিদ্যালয়ৰ শিক্ষক সমূহে কাহিলিপাৰাৰ শিক্ষাধিকাৰৰ কাৰ্য্যালয়ত ভীৰ কৰাৰ দৃষ্টান্ত নাই। তথাপি মাৰ্চ মাহৰ শেষৰ ফালে ঘাটী মঞ্জুৰীৰ হিচাব দাখিল কৰি পাবলগীয়া ধনখিনি আগতীয়াকৈ লৈ যাবলৈ মহাবিদ্যালয়ৰ অধ্যক্ষ সকল আহে। ১৯৮৪ ৮৫ চনৰ সেই সময়ৰ চৰকাৰে অসমৰ ৪খন সদৰ ঠাইত যেনে—যোৰহাট, তেজপুৰ, শিলচৰ আৰু ধুবুৰীত একোটাকৈ যুটীয়া শিক্ষাধিকাৰৰ মাণ্ডলীক কাৰ্য্যালয় স্থাপন কৰাৰ চিন্তা কৰিছিল; কিন্তু সেইকথা কাৰ্য্যকৰী নহলগৈ। বৰ্ত্তমান চৰকাৰে এনেকুৱা মাণ্ডলীক কাৰ্য্যালয় স্থাপন কৰি প্ৰকৃতপক্ষে দূৰ-দূৰণিৰ ৰাইজৰ উপকাৰ হব নে অথবা কিছুমান বিষয়াৰ পদ সৃষ্টি কৰি শিক্ষাৰ শিতানত খৰচৰ বোজাহে হব সেই কথা পুংখানুপুংখৰূপে বিবেচনা কৰি এটা সিদ্ধান্ত লব।

শ্ৰীঅভিজিত শৰ্মা ঃ মোৰ প্ৰশ্ন-টো আছিল অধ্যক্ষ মহোদয়, গুৱাহাটীৰ কাহিলিপাৰাত শিক্ষাধিকৰ্ত্তাৰ কাৰ্য্যালয়ত কামৰ বোজা বাঢ়িছে আৰু সেই কাৰণে গুৱাহাটীৰ ডি পি আই অফিচৰ ক্ষমতা বিকেন্দ্ৰীকৰণ কৰিব লাগে। আমি এনেকুৱা অভিযোগো পাইছো যে এই অফিচলৈ আহি একোজন প্ৰধান শিক্ষকে ঘণ্টাৰ পিচত ঘণ্টা কেৰাণীৰ ওচৰত বহি থাকিবলগীয়া হয়। তাৰ পৰা দেখা যায় যে কামৰ বোজা বাঢ়িছে গতিকে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰি উজনি অসমত ডি পি-আইৰ এটা শাখা কাৰ্য্যালয় স্থাপন কৰাৰ কথা চৰকাৰে কৰিব লাগে, তেতিয়াহলে সমূহ শিক্ষক শিক্ষয়ত্ৰীৰ বিভিন্ন দিশত সুবিধা হব। এই বিষয়ে অতি সোনকালে সিদ্ধান্ত লব নে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কামৰ হেচাৰ ওপৰত আমি ইতিমধ্যে নতুন চৰকাৰে যাৱতীয় কিছুমান ব্যৱস্থা লৈছে।

মই মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰ হিচাপে কৈছিলোঁয়েই যে যুটীয়া সঞ্চালকালয়ৰ কাৰ্য্যালয় পতা কথা আছিল কিন্তু সেইটো কাৰ্য্যকৰী ব্যৱস্থা লব পৰা হোৱা নাই। কিন্তু উজনি অসমত এটা কাৰ্য্যালয় খুলিলে সমস্যাৰ সমাধান হব বুলি যদি ভাবে তেনেহলে চৰকাৰে নিশ্চয় বিবেচনা কৰিব। কিন্তু গোটেই কেইটা বিষয় চালিজাৰি চাব লাগিব। কাহিলিপাৰাৰ শিক্ষাধিকৰ্ত্তাৰ কাৰ্য্যালয়ৰ বহুত বিলাক অভিযোগ আমিও পাইছো আৰু সেয়ে মই নিজে সকলো পৰ্য্যায়ৰ বিষয়া সকলক নিমন্ত্ৰণ কৰি আনি মোৰ কক্ষত বহুৱাই প্ৰত্যেকেই যাতে নিজৰ নিজৰ দায়িত্ব নিষ্ঠাৰে পালন কৰে তাৰ কাৰণে আমি তেওঁলোকক সকিয়াই দিছো। মাননীয় সদস্যসকলে কোৱাৰ দৰে ঘণ্টাৰ পিচত ঘণ্টা থিয় দি থাকিবলগীয়া কথাটোও আমি বিষয়া সকলৰ দৃষ্টি গোচৰ কৰিছো আৰু যাতে ভীৰ নাবাঢ়ে সেইটোও সকিয়াই দিছো। এই ভিৰৰ কথা মইও জানো কিয়নো বিধান সভা শেষ হোৱাৰ লগে লগে মই শিক্ষাধিকাৰৰ কাৰ্য্যালয়লৈ গৈছিলো আৰু তাত ৰাইজক গৈ লগ কৰিছিলো আৰু সুধিছিলো যে আপোনালোক কিয় আহিছে? মোৰ বোধেৰে শাখা কাৰ্য্যালয় খুলিলে এই সমস্যাৰ সমাধান নহব। বিষয়াসকলৰ তথা তেওঁলোকৰ কাৰ্য্যালয়ত কাৰ্য্যদক্ষতা বঢ়োৱাৰহে অধিক প্ৰয়োজন হৈ পৰিছে। চৰকাৰে এই গোটেই বিলাক কথা নিশ্চয় বিবেচনা কৰি চাব আৰু যদি ভাবে ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ কাৰণে মাণ্ডলিক কাৰ্য্যালয়ৰ দৰকাৰ তেতিয়াহলে চৰকাৰে নিশ্চয় সিদ্ধান্ত লব।

শ্ৰীদেৱকুমাৰ বৰা: অধ্যক্ষ মহোদয়, উজনি অসমত এটা বিশ্ববিদ্যালয় নামনি অসমত এটা বিশ্ববিদ্যালয় আৰু মধ্য অসমত এটা বিশ্ববিদ্যালয় এই নিতিওটা কাৰ্য্যালয় কেৱল গুৱাহাটীৰ শিক্ষাধিকৰ্ত্তাৰ কাৰ্য্যালয়ৰ পৰা পৰিচালিত হোৱাত বহুখিনি অসুবিধা হৈছে আৰু তেনেকুৱা অভিযোগ আমি পাইছো। মাননীয় সদস্য শ্ৰীঅভিজিত শৰ্ম্মা ডাঙৰীয়াই কৰা প্ৰশ্নটোৰ পৰিপূৰক প্ৰশ্ন হিচাপে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যেনে যুটীয়া সঞ্চালক পশুপালন, আৰু অন্যান্য ভালেকেইটা বিভাগৰ শাখা কাৰ্য্যালয় যোৰহাটত আছে। এই কাৰ্য্যালয় সমূহ উজনি অসম সুচাৰুৰূপে পৰিচালনা কৰিবলৈ কৰা হৈছে আনকি উজনি অসম আয়ুক্তৰ কাৰ্য্যালয়ো যোৰহাটত আছে আইন শৃংখলা ৰক্ষা কৰাৰ কাৰণে। গতিকে শিক্ষাৰ দিশ আৰু অধিক শক্তিশালী

কৰিবৰ কাৰণে যোৰহাটত শিক্ষা বিভাগৰ এনে এটা কাৰ্য্যালয় স্থাপন কৰাটো উচিত বুলি আমি বিবেচনা কৰো। এই সন্দৰ্ভত মন্ত্ৰী মহোদয়ে কিবা জবাব দিবনে?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, উচ্চ শিক্ষা কাহিলিপাৰাৰ পৰা পৰিচালিত কৰাৰ ক্ষেত্ৰত মাননীয় ছুগৰাকী সদস্যই যি পৰামৰ্শ আগবঢ়াইছে সেই পৰামৰ্শ চৰকাৰে নিশ্চয় সৎ বিবেচনা কৰিব।

শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, ডি,পি,আই অফিচৰ কথা আহিছে যেতিয়া মইও এটা পৰিপূৰক প্ৰশ্ন কৰিব বিচাৰিছো। এই ডি-পি-আই অফিচটো ভাঙি ছিঙি ডাইৰেক্টৰেট অব হায়াৰ এডুকেচন, ডাইৰেক্টৰেট অব চেকেণ্ডাৰি এডুকেচন, ডাইৰেক্টৰেট অব এলিমেণ্টৰি এডুকেচন বহুত বিলাক ডাইৰেক্টৰেট কৰিলে। এতিয়া মোৰ প্ৰশ্ন হৈছে এই ডাইৰেক্টৰেট বিলাক কৰাৰ কাৰণে কামৰ কিমান অগ্ৰগতি হ'ল? গতিকে সকলো বিলাক ডাইৰে-ক্টৰেট একত্ৰিত কৰি তাৰ কাৰ্য্যক্ৰম বঢ়োৱাৰ ব্যৱস্থা চৰকাৰে কৰিবনে? আপোনালোকে জানে যে মাষ্টৰ সকল এই কাৰ্য্যালয়লৈ আহে কাৰণ কেৰাণীক পঠাব নোৱাৰে। কাৰণ কেৰাণী আহি ডি-পি আই অফিচৰ কেৰাণীৰ লগত কথা পাতিলে কথাৰ গণ্ডগোল হয় আনকি প্ৰধান শিক্ষক সকল আই-এচ অফিচলৈ আহি কেৰাণীৰ ওচৰত এখন টুলত বহি থাকে। এনেকে তেওঁ-লোক ঘণ্টাৰ পিচত ঘণ্টা বহি থাকিলেও কাম নহয়। গতিকে এই শিক্ষা ব্যৱস্থা আৰু সঞ্চালক বিলাকৰ কেৰোণ বিলাক পৰিচালনা কৰিবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, কামবিলাকৰ সুবিধাৰ কাৰণে ডাইৰেক্টৰেট বিলাকক ভাগ ভাগ কৰি দিয়া হৈছে তাৰ কাৰণ মই আগেয়েই কৈছো। কিন্তু বিষয়া সকলৰ দৃষ্টিভঙ্গীৰ পৰিবৰ্ত্তন নহলে এই সমস্যাৰ সমাধান নহব। সেয়ে নতুন চৰকাৰে হোৱাৰ পিছতে আমি সকলো পৰ্য্যায়ৰ বিষয়া মাতি আনি জনাই দিছো যাতে কাৰো লগত তিনিদিনতকৈ বেছি দিন ফাইল পৰি নাথাকে। আৰু কৈছো যাতে তেওঁলোকে নিষ্ঠা সহকাৰে তেওঁলোকৰ দায়িত্ব পালন কৰে। আমি ভাবিছো সমস্যাৰ কিছু সমাধান হব অন্যহাতে এই ডাইৰেক্টৰেট বুলি নহয়, গোটেই শিক্ষা ব্যৱস্থাটো আমি পণৰ

গঠন কৰিব বিচাৰিছো। কেনেকৈ ক্ৰমবৰ্দ্ধমান শিক্ষাৰ ক্ষেত্ৰত আমি আগবাঢ়ি যাব পাৰো।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, এতিয়া যে এই তিনিজন ডাইৰেক্টৰ আছে তেওঁলোকৰ শাখা কাৰ্য্যালয় যোৰহাটত খুলিলে বা যুটীয়া সঞ্চালকালয় কৰিলে তিনিটা কৰিব লাগিব। গতিকে সেইটো নকৰি গোটেই বস্তুটো ডি-পি আইৰ তলতে ৰাখি কেন্দ্ৰীয় ভাবে নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী )। মাননীয় অধ্যক্ষ মহোদয়, আমি একাডেমিক আৰু প্ৰশাসনিক এই দুয়োটা ভাগ কৰিব বিচাৰিছো আৰু এই বিষয়টো আমি বৰ্ত্তমান পৰ্য্যালোচনা কৰি আছো। ইতিমধ্যে এই একাডেমিক আৰু প্ৰশাসনিক কেনেকৈ ভাগ কৰা যায় কেনেকৈ পৃথক কৰা যায় সেই বিষয়ে কোনো পৰিকল্পনা নকৰাকৈ চুড়ান্ত সিদ্ধান্ত লোৱাটো সম্ভৱপৰ নহয়। সেই বিষয়ে কোনো তথ্য ও মোৰ হাতত সম্প্ৰতি নাই সেই কাৰণে আপোনালোকলৈ সঠিক উত্তৰ দিব নোৱাৰিম।

বি ঃ নাহৰকটীয়া কৰ সংগ্ৰহ বিভাগ

শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ) য়ে সুধিছে ঃ

৩৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ১৯৮৪-৮৫ আৰু ১৯৮৫-৮৬ বছৰটোত নাহৰকটীয়া কৰ সংগ্ৰহ বিভাগে অসমৰ ৰাজভৰাললৈ বিমান টকাৰ কৰ আগবঢ়াইছিল, অনুগ্ৰহ কৰি জনাবনে ?

(খ) অসম চৰকাৰৰ ৰাজভৰাললৈ কৰ আগবঢ়োৱাৰ ক্ষেত্ৰত নাহৰকটীয়াই দ্বিতীয় স্থান অধিকাৰ কৰা কথাটো সত্য নেকি মহোদয়ে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) কৰ বিভাগৰ নাহৰকটীয়া কাৰ্য্যালয়ে ১৯৮৪-৮৫ চনত মুঠ ১৮.৯১

কোটি টকা আৰু ১৯৮৫-৮৬ চনত মুঠ ১৬.৫০ কোটি টকা (Provisional) কৰ সংগ্ৰহ কৰি দিয়ে।

(খ) অসম চৰকাৰৰ ৰাজভৰাললৈ কৰ আগবঢ়োৱা ক্ষেত্ৰত নাহৰকটীয়া কৰ বিভাগীয় কাৰ্য্যালয়ে দ্বিতীয় নহয় তৃতীয় স্থানহে অধিকাৰ কৰিছে।

(পৰিপূৰকপ্ৰশ্ন)

শ্ৰীকুসুম্বৰ টাইৰাই (গৗৗৰ) : মাননীয় অধ্যক্ষ মহোদয়, মই এটা পৰিপূৰক প্ৰশ্ন কৰিব বিচাৰিছো। কৰ সংগ্ৰহ কৰাৰ ক্ষেত্ৰত নাহৰকটীয়াই দ্বিতীয় স্থান লাভ কৰিছে গতিকে তাত এটা উপ-কোষাগাৰ স্থাপন কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই কথাটোৰ উত্তৰ এতিয়াই দিব পৰা নহব।

বি : প্ৰাগজ্যোতি হাউচিং কো-অপাৰেটিভ

শ্ৰীদীনবন্ধু চৌধুৰীয়ে সুধিছে :

৩৫। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গুৱাহাটী "প্ৰাগজ্যোতি হাউচিং কো-অপাৰেটিভ চোচাইটি লিঃ নামৰ এটা সমবায় সমিতি আছেনে আৰু যদি আছে, তাৰ পঞ্জীয়ন তাৰিখ উপবিধি মতে নিৰ্দ্ধাৰিত এলেকা ( Area of operation ) আৰু সভ্য সংখ্যা ?

(খ) উক্ত সমিতিৰ এলেকাৰ ভিতৰত আন কোনো তেনে পঞ্জীভুক্ত সমবায় সমিতিয়ে কাৰ্য্যবাহ কৰি আছেনে ?

(গ) উক্ত সমিতিৰ বৰ্ত্তমান কাৰ্য্যবাহ কৰি থকা কাৰ্য্যকৰী কমিটিখন ( বা উপবিধিমতে পৰিচালনাৰ দায়িত্বৰ আৰোপিত কমিটি খনৰ নাম বেলেগো হব পাৰে ) নিৰ্বাচিত নে তদৰ্থ ? যদি নিৰ্বাচিত হোৱাৰ তাৰিখ আৰু যদি

তদৰ্থ গঠন কৰা তাৰিখ আৰু সভাপতি আৰু সম্পাদকৰ নাম ?

(ঘ) উক্ত সমিতিয়ে গুৱাহাটীৰ আসাম কেৰিয়াৰ্চ কোঃ ৰ পিচফালে ২১ বিঘা মাটি লোৱা হয়নে ? যদি হয়, কেতিয়া, কাৰ পৰা কি ভিত্তিত লোৱা হৈছিল ?

(ঙ) উক্ত সমিতিয়ে উক্ত ২১ বিঘা মাটি বিতৰণ কৰিলেনে ? যদি কৰিলে, কিমান জন লোকৰ মাজত বিতৰণ কৰা হ'ল আৰু সেই সকল লোক সমিতিৰ উপবিধিৰ ব্যৱস্থা অনুসৰি মাটি পোৱাৰ যোগ্যনে ? ( সেই সকল লোকৰ নাম ঠিকনা, উক্ত ২১ বিঘা মাটিৰ পৰা পোৱা অংশৰ পৰিমাণ, কঠা হিচাপত, মাটিৰ দাম নিৰ্দ্ধাৰিত মূল্য, অন্যান্য চৰ্ত্ত আদি বিতং বিৰৰণ সন্নিবিষ্ট তালিকা এখন বিধান সভাৰ মেজত থব )

(চ) উক্ত সমিতিৰ ১৯৮৫ চনৰ ৩০ জুনৰ লাভালাভ কিমান ? ( উক্ত তাৰিখৰ পাওনা ( asset ) আৰু দেনাৰ ( liabilities )ৰ তালিকা এখন বিধান সভাৰ মেজত থব )

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( সমবায় বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) হয় আছে। পঞ্জীয়ন তাৰিখ ৬।৬।৭৮ ইং সমিতিৰ এলেকা বৃহত্তৰ গুৱাহাটী, সভ্য সংখ্যা ৪৩৩ জন।

(খ) আছে।

(গ) সমিতিৰ বৰ্ত্তমান কাৰ্য্যনিৰ্বাহ কৰি থকা তদৰ্থ কমিটিখন ৭।১২।৮৫ তাৰিখে গঠন কৰা হৈছে। এই সমিতিৰ সভাপতি শ্ৰীযোগানন্দ চাংকাকতি ( I. A. S. Retired ) আৰু সম্পাদক শ্ৰীতৰুণ গগৈ।

(ঘ) হয়। ১৯৮৩ চনৰ ডিচেম্বৰ মাহৰ ১৩ তাৰিখে শ্ৰীদুৰ্গাপ্ৰসাদ সিংৰ এই মাটি অসম চৰকাৰৰ ৰাজহ বিভাগৰ আৰ আৰ চি ১৩১/৮৩ ইউ, এল, চি, ৪৮ তাৰিখ ১৩।১২।৮৩ হুকুম মৰ্মে প্ৰতি বিঘাত ৭২০০·০০ ( সাত হাজাৰ দুইশ ) দামত লোৱা হয়।

(ঙ) ২১ বিঘা মাটিৰ ভিতৰত ৰাস্তাঘাট ৰাজহুৱা স্থান আদিৰ বাবে ৩ বিঘা এক কঠা ২১ লেচা মাটিৰ বাদে বাকী ১৭ বিঘা ৩ কঠা ৯ লেচা ৫৮ জন সভ্যৰ মাজত বিতৰণ কৰা হয়। উপবিধি অনুসৰি সভ্য সকল মাটি পাব পাৰে। সভ্য সকলৰ নাম ঠিকনা আৰু মাটিৰ পৰিমাণৰ তালিকা সদনৰ মেজত ৰখা হ'ল। সভ্য সকলৰ পৰা কঠা প্ৰতি ৩০০০.০০ (তিনি হাজাৰ) টকাকৈ দাম লোৱা হৈছে বিক্ৰিৰ চৰ্ত্ত অনুসৰি। সভ্য সকলে বাস-স্থানৰ ঘৰ সাজিব লাগিব।

(চ) সমিতিৰ ১৯৮৪-৮৫ চনৰ হিচাব পৰীক্ষা সম্পূৰ্ণ হোৱা নাই। গতিকে ১৯৮৩-৮৪ চনৰ হিচাপ পৰীক্ষাৰ প্ৰতিবেদন মতে সমিতি খনৰ ১৮,২৫৯.৬৫ টকা লোকচান হৈছে। দেনা-পাওনাৰ তালিকা সদনৰ মেজত ৰখা হ'ল।

শ্ৰীদীনবন্ধু চৌধুৰী : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে খ প্ৰশ্নৰ উত্তৰত আছে বুলি কৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, একে ধৰণৰ সমবায় পঞ্জীয়নভুক্ত কৰাত কিবা বাধা আছে নেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আইনৰ নিশ্চয় এই ক্ষেত্ৰত বাধা আছে। সেই কাৰণে গোটেই কথা খিনি জানিবৰ বাবে তদন্তৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীদীনবন্ধু চৌধুৰী : অধ্যক্ষ মহোদয়, মোৰ আৰু এটা প্ৰশ্ন হ'ল, যি সকলক মাটি দিয়া হৈছে সেই সকলৰ অধিকাংশই অসমৰ বাহিৰৰ লোক নেকি ? ইয়াৰ উপৰিও আই. এ. এছ এচি. এচ. প্ৰাক্তন মন্ত্ৰীৰ কন্যা আৰু আই. এ. এচ. অফিচাৰৰ পৰিবাৰে মাটি পাইছে নেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই তেনে হৈছে বুলি শুনিছো। সেই কাৰণে এই ক্ষেত্ৰত গোটেই খিনি বিতং ভাৱে জানিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো।

শ্ৰীদীনবন্ধু চৌধুৰী : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে তদন্ত

কৰিবলৈ বিচাৰিছে কাৰণে মই সন্তুষ্ট হৈছো। এতিয়া মোৰ শেষৰ প্ৰশ্নটো হ'ল, মন্ত্ৰী মহোদয়ে তদন্ত কৰোতে চাব নেকি যে যিবিলাক মাটি তিনি হাজাৰকৈ লোৱা হৈছে বুলি কৈছে প্ৰকৃততে সেই বিলাক মাটি ব্যৱসায় গোষ্ঠীক দিয়া হৈছে নেকি? ইয়াৰ ভিতৰত ১৯৬০ চনৰ পাচৰ বাহিৰা লোকো সোমাই আছে। তাৰ উপৰিও প্ৰত্যেক কঠা মাটিতে ৩০ ৪০ হাজাৰকৈ বিক্ৰি কৰি ৰেকৰ্ডত মাত্ৰ তিনি হাজাৰকৈ দেখুৱা হৈছে। এইটো ভালকৈ চাব লাগে। আৰু এই মাটিত তেনে খেলি-মেলিৰ যিবিলাক ৰায়ত আছে তেওঁলোকৰ কৰ্ত্তৃত্ব ৰ'দ কৰিব লাগে। যিখন ৰচিদ বহীত বিক্ৰি ৰচিদ আদায় কৰি আছে সেই বহীখন কাৰ্য্যকৰী কমিটিৰ এজন মানুহে লুকাই থৈ দিছে! গতিকে আমাৰ চৰকাৰে এই ১৬ নম্বৰ বহীখন বিচাৰি উলিয়াই চাব লাগে।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী): এই ক্ষেত্ৰত মই গুৰুত্ব সহকাৰে ব্যৱস্থা হাতত লম।

শ্ৰীহেমেন দাস: অধ্যক্ষ মহোদয়, মই বিষয়টোৰ ওপৰত হস্তক্ষেপ কৰিছিলো আৰু তেতিয়া মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে সেই কাম কৰা নাই। এইটো এটা গভীৰ ষড়যন্ত্ৰ। গুৱাহাটীত এনেদৰে কিছুমানে মাটিৰ এনেকুৱা বোগাচ কাৰবাৰ কৰিছে। চৰকাৰক নাম মাত্ৰ টকা দি প্ৰতি কঠাত বিশ হাজাৰৰো ওপৰত বিক্ৰী কৰি আছে। এই বিষয়টোত ৰাজহ বিভাগে হস্তক্ষেপ কৰি কোনে ক'ত ক'ত মাটি লোৱাৰ কাৰবাৰ কৰিছে তদন্তক্ৰমে বন্ধ কৰিব লাগে।

শ্ৰীদীনবন্ধু চৌধুৰী: অধ্যক্ষ মহোদয়, আগতে এচ. বি.ত এনকুৱাৰীৰ কাৰণে দিয়া হৈছিল। যিজন এচ. বি. অফিচাৰক এনকুৱাৰী কৰিবলৈ দিয়া হৈছিল, তেওঁক কাহিলিপাৰাত এটুকুৰা মাটি দিয়া কাৰণে এই এনকুৱাৰী বন্ধ হৈ থাকিল।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই

কথা মই জানিব পাৰিছো। আগতে আন এজন মাননীয় সদস্য এগৰাকীও কৈছে। আগতে তেনেকুৱা ধৰণৰ ব্যৱস্থা হৈছিল। এতিয়া যাতে তেনে কোনো ধৰণৰ ব্যৱস্থা নহয় তালৈ লক্ষ্য ৰখা হব। এই ক্ষেত্ৰত মই নিজেই আগ্ৰহান্বিত। কোনে মাটি পালে আৰু কোনে মাটি পাব লাগে এই ক্ষেত্ৰত মই গুৰুত্ব সহকাৰে ব্যৱস্থা হাতত লম। আৰু যিবিলাকে পাবলগীয়া নহয় তেওঁলোকক কেনচেল কৰা হব।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, গুৱাহাটীৰ উপায়ুক্তয়ো মাটি পাইছিল নেকি? তেওঁও মাটি পাব পাৰে নেকি? তদন্ত কৰিব লাগে?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই এইটো শুনিছো। নিশ্চয় তদন্ত কৰা হব।

(সদন দুপৰীয়া আঢ়ৈ বজালৈ স্থগিত ৰখা হয়)

বি ঃ আৰক্ষী বাহিনী আৰু চি. আৰ. পি.ৰ সংঘৰ্ষ

শ্ৰীঅকণ চন্দ্ৰ ৰাভাই সুধিছে ঃ

৩৬। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ১৯৮৩ চনৰ ১৬ ফেব্ৰুৱাৰী তাৰিখে গোৱালপাৰা চহৰত অসম নৰম আৰক্ষী বাহিনী আৰু চি. আৰ. পি. বাহিনীৰ মাজত হোৱা সংঘৰ্ষত কিমান জোৱান নিহত হৈছিল?

(খ) উক্ত সংঘৰ্ষ সন্দৰ্ভত আৰক্ষী বাহিনীৰ জোৱানক চাকৰিৰ পৰা কিমানজনক নিলম্বিত কৰা হৈছে আৰু কিয় কৰা হ'ল সবিশেষ জনাবনে?

(গ) তেওঁলোকক পুনৰ চাকৰিত নিয়োগ কৰা হব নেকি জনাবনে?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৬ (ছয়) জন জোৱান নিহত হৈছিল। তাৰ ভিতৰত—

১। চি· আৰ· পি·   ৪ জন

২। আৰ· এ· চি·   ১ জন

৩। নৰম অসম আৰক্ষী বাহিনী   ১ জন

(খ) উক্ত সংঘৰ্ষৰ সন্দৰ্ভত আৰক্ষী বাহিনীৰ মুঠ ৩৬ জনক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছিল। তেওঁলোকৰ বৰ্ণনা এনে ধৰণৰ—

নৰম অসম আৰক্ষী বাহিনী

| | |
|---|---|
| এ· বি· ইন্সপেক্টৰ | ১ জন |
| এ· বি· চাব ইন্সপেক্টৰ | ২ জন |
| কনিষ্টবল | ২৪ জন |

গোৱালপাৰা জিলা আৰক্ষী বাহিনী

| | |
|---|---|
| কনিষ্টবল | ৯ জন |

নথিপত্ৰৰ পৰা ইয়াকে জনা যায় যে এওঁলোক ১৯৮৩ চনৰ ষোল ফেব্ৰুৱাৰীৰ দিনা গোৱালপাৰা জিলাৰ বাগুৱান গাওঁৰ কিছুমান মানুহৰ লগত গুপুত চক্ৰান্ত কৰি নিৰ্বাচন সন্দৰ্ভত পঠিওৱা কৰ্ত্তব্যলৈ যাবলৈ অমান্তি হৈ অতৰ্কিতে কৰ্ত্তব্যৰত চি· আৰ· পি· আৰু আৰ· এ· চি·ৰ চিপাহীৰ লগত গুলিয়া-গুলিত লিপ্ত হৈ পৰে। আৰু পৰস্পৰ এই গুলিয়া-গুলিত চি· আৰ· পি·ৰ, চাৰিজন আৰ· এ· চি·ৰ এজন আৰু অসম পুলিচৰ এজন মানুহ নিহত হয়। এই কাৰ্য্যৰ কাৰণে প্ৰতিৰোধক ( Deterrent ) শাস্তি দিয়াটো উচিত বিবেচনা কৰি আৰু এই কাৰ্য্য কৰ্ত্তব্য বিমুখতাৰ এটা গুৰুতৰ অপৰাধ হিচাবে ধৰি তেওঁলোকক নিয়মিত তদন্তধীনতাৰ পদ্ধতিৰ সহায় নোলোৱাকৈ সংবিধানৰ ৩১১(২) ধাৰা অনুসৰি চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয়।

(গ) সেই বিষয়ে এতিয়ালৈকে চৰকাৰৰ ক্ষেত্ৰত কোনো সিদ্ধান্ত লোৱা হোৱা নাই। বিভাগীয় ক্ষেত্ৰত তেওঁলোকৰ কেইজন মানে কৰা আপীল সংশ্লিষ্ট ডি· আই· জি য়ে নাকচ কৰিছে।

বিঃ চাহ মজদুৰ জনগোষ্ঠীৰ নৃত্য গীত সংৰক্ষণ ব্যৱস্থা

শ্ৰীপদ্মনাথ কৈৱীয়ে সুধিছে ঃ

৩৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ অসমীয়া জাতিৰ বৃহৎ অংশীদাৰ চাহ মজদুৰ জনগোষ্ঠীৰ মাজত প্ৰচলিত নৃত্য, গীত আদিৰ সংৰক্ষণ আৰু বহুল প্ৰচাৰৰ বাবে কিবা ব্যৱস্থা লৈছে নেকি ?

(খ) অসমৰ সাংস্কৃতিক সঞ্চালকালয়ত চাহ মজদুৰ জনগোষ্ঠীৰ কলা-সংস্কৃতি বিকাশৰ বাবে এটি সুকীয়া শাখা অন্তৰ্ভূক্ত কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, লোৱা হৈছে।

(খ) অহা বিত্তীয় বৰ্ষৰ পৰিকল্পনাত এই বিষয়ে আঁচনি লোৱাৰ কথা বিবেচনা কৰা হব।

শ্ৰীহেমেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, আজিও গোটেই দিনটোৱেই প্ৰশ্ন চলি থাকিব নেকি ? সদনত আলোচনা কৰিবলৈ বহুতো গুৰুত্বপূৰ্ণ বিষয় আছে।

মাননীয় অধ্যক্ষ ঃ সাধাৰণতে তাৰাংকিত প্ৰশ্ন শেষ হোৱাৰ পিচতহে এই চৰ্ট নটিচ প্ৰশ্ন আৰম্ভ কৰা হয়। ইয়াৰ আগৰ কেইদিনত প্ৰশ্ন কম আছিল, সেই কাৰণে সোনকালে শেষ হৈছিল।

শ্ৰীগোলোক ৰাজবংশী ঃ অধ্যক্ষ মহোদয়, যদি গোটেই দিনটো চৰ্ট নটিচ কোৱেশ্যন কৰি থাকে তেনেহলে সময় নিৰ্দ্দিষ্ট কৰি লব লাগে।

মাননীয় অধ্যক্ষ ঃ প্ৰশ্ন বিলাক চৰকাৰৰ ফালৰ পৰা অহা গতিকে উত্তৰ দিব লাগিব।

শ্ৰীহেমেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰ্ট নটিচ কোৱেশ্যন শেষ নোহোৱা পৰ্য্যন্ত দিচপজ নকৰা পৰ্য্যন্ত সদনত বেলেগ বিজিনেছ নকৰিব নেকি?

শ্ৰীপদ্মনাথ কৈৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ অসমীয়া জাতিৰ বৃহৎ অংশীদাৰ চাহ মজদুৰ জনগোষ্ঠীৰ মাজত প্ৰচলিত নৃত্য গীত আদিৰ সংৰক্ষণৰ আৰু বহুল প্ৰচাৰৰ বাবে চৰকাৰৰ ফালৰ পৰা দকুমেণ্টৰী বোলচবিৰ ব্যৱস্থা কৰিবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই সম্পৰ্কে বিবেচনা কৰা হৈছে। আৰু অহা বিত্তীয় বছৰৰ বাবে পৰিকল্পনা লোৱা হৈছে।

বি ঃ নাহৰকটীয়া চিকিৎসালয়

শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ) য়ে সুধিছে ঃ

৩৮। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) যোৱা বছৰতে ঘোষণা কৰা নাহৰকটীয়াত ৩০খন বিচনাযুক্ত চিকিৎ-সালয়ৰ কাম কেতিয়া আৰম্ভ কৰিব অনুগ্ৰহ কৰি জনাবনে?

(খ) ডিব্ৰুগড় জিলাৰ অন্তৰ্গত নাহৰণি গ্ৰাম্য চিকিৎসালয়ত চিকিৎসাৰ যন্ত্ৰপাতি ও সামগ্ৰী বৰ্তমানলৈকে কিমান যোগান ধৰা হৈছে জনাবনে?

(গ) উক্ত চিকিৎসালয়ৰ কাৰ্য্যালয় পৰিচালনা কৰিবলৈ কাৰ্য্যালয় সহায়ক নিযুক্তি দিয়া হৈছে নেকি জনাবনে?

(ঘ) বৰ্তমানলৈকে উক্ত চিকিৎসালয়ত কিমানজন চিকিৎসক নিযুক্তি কৰিছে মহোদয়ে জনাবনে?

শ্ৰীযতীন মালি (ৰাজ্যিক স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) গড়কাপ্তানী (গৃহ) বিভাগৰ পৰা প্ৰাক্কলন বিচৰা হৈছে। প্ৰাক্কলন

পোৱাৰ পিচত বিত্তীয় বিভাগৰ অনুমতি সাপেক্ষে প্ৰশাসনীয় অনুমোদন দিয়া হলে কাম আৰম্ভ কৰা হব।

(খ) ৩০ খন বিচনাযুক্ত নাহৰণি গ্ৰাম্য চিকিৎসালয়ৰ প্ৰয়োজন অনুসৰি যন্ত্ৰপাতি আৰু সামগ্ৰী যোগান দিয়া হৈছে। এই বিলাকৰ ভিতৰত ৰঞ্জন ৰশ্মি, হাইড্ৰলিক অপাৰেচন টেবুল, অক্সিজেন চিলিন্দাৰ, চাকচন এপাৰেটাচ্ ষ্টেবিলাইজাৰ, ষ্ট্ৰেচাৰ, অনুবিক্ষণ যন্ত্ৰ, বিচনাপত্ৰ ইত্যাদি দিয়া হৈছে।

(গ) পৰিকল্পনা বিভাগৰ পৰা এজন সহায়ক দিয়া হৈছে।

(ঘ) ৬ জন।

শ্ৰীকুসুম্বৰ টাইৰাই ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যি উত্তৰ দিছে সেইখিনি বিভাগে তৈয়াৰ কৰি দিয়া। গতিকে মই এটা পৰামৰ্শ দিব বিচাৰিছো যে, উক্ত চিকিৎসালয় খনত যাতে তেখেতে এবাৰ পৰিদৰ্শন কৰিবৰ বাবে নিৰ্দ্দেশ দিয়ে তাৰ ৰাবে অনুৰোধ কৰিলো।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, পৰামৰ্শৰ বাবে ধন্যবাদ।

# UNSTARRED

## QUESTIONS AND ANSWERS

Date 7th April, 1986

---

বি ঃ উত্তৰ সমবায় খানচাৰি চেনি কল

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে ঃ

৪৩। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বিশ্বনাথ চাৰি আলিত অৱস্থিত উত্তৰ অসম সমবায় খানচাৰি চেনি কলটি বৰ্ত্তমান কেনে অৱস্থাত আছে ?

(খ) কলটিৰ নামত থকা টেক্টৰ, জীপ গাড়ীখন বৰ্ত্তমান কত আছে ?

(গ) বৰ্ত্তমান কৰ্মচাৰী সকলে নিয়মিত ভাবে বেতন পাই আছে নে ?

(ঘ) চেনি কলটি পূৰ্ণ পৰ্য্যায়লৈ অনাৰ এটা ব্যৱস্থা কৰিব নে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমানে কলটো বন্ধ অৱস্থাত আছে।

(খ) টেক্টৰ দুখন সমবায় সমিতিৰ কাৰ্য্যালয়ৰ চৌহদত আছে আৰু জীপ গাড়ী খন বিক্ৰি কৰা হৈছে।

(গ) পোৱা নাই।

(ঘ) ইয়াৰ সকলো দিশ চৰকাৰে পৰ্য্যালোচনা কৰি আছে।

Re : Hand Tube Well.

Shri Santi Ranjan Dasgupta asked :

44. Will the Minister Public Health Engineering be pleased to state :

(a) How many Hand Tube Wells were given to the villages under Jugijan Block and Lanka Block during the years 1983-84 and 1984-85 ?

(Both from Public Health Department and from the Scheduled Castes/Scheduled Tribes plains).

(b) The name of the villages where those Tube Wells were set up under above block ?

(c) Whether Public Health Department undertakes the job of fitting and fixing of the Tube Wells or it is given to individual persons for setting at their cost ?

(d) If it is given to individuals whether the Tube Wells were set up or sold to market ?

Shri DIGEN CHANDRA BORA, (Minister, P.H.E,) replied :

| (a). Year | Lanka Block | Jugijan Blook |
|---|---|---|
| 1983-84 | 23 | 37 |
| 1984-85 | 24 | 9 |

| (b) Year | Lanka Block | Jugijan Block |
|---|---|---|
| 1983-84 | (1) Sibpur No. 2 | (1) Mikirpara |
| | (2) Ruhini Pathar | (1) Pachim Jaroni |
| | (3) Uttar Dinrupur | (3) Rowarpar |
| | (4) Kaki Blcok III, VII-I | (4) Pub Rowarpar |

| | | |
|---|---|---|
| | III, VIII–I | |
| | (5) Kaki Block–2 | (5) Uttar Kumrakata No. I |
| | (6) " "–3 | (6) " " " No. II. |
| | (7) " "–6 | (7) Dikharumukh |
| | (8) Karikhana | (8) Jugijan (PHE) |
| | (9) Kaki Block–II, VIII–3 | (9) Hayang gaon |
| | | (10) Raikata (H.E.School) |
| | | (11) Niz Namati |
| 1984-85 | (1) Akchek Tris-hgharia | (1) Bheroni |
| | (2) Samorali Tup gaon | (2) Solmarigaon |
| | (3) Pachim Dablong— | (3) Jugijan |
| | (4) Maj Dimru —1 | (4) Waregading |
| | (5) " " II | (5) Telibasti |

(c) The Hand Tube Well under Public Health Engineering Deptt. are installed at Government cost by the Deptt. mainly through contractors and some-times Departmentally. The works of fitting and fixing at Hand Tube Wells are not given to any individual person for installation at their own cost.

(d) Does not arise.

বি : মিচিং গাওঁত অৰুনাচল লোকৰ দ্বাৰা বল পূৰ্ব্বক খেতি।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

৪৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে।

(ক) অসম অৰুনাচল সীমান্তত ধেমাজী সমষ্টিৰ অন্তৰ্গত জিয়াধল গাওঁ

পঞ্চায়তৰ কানকুন বলমা মিচিং গাওঁৰ প্ৰায় ৩ কিঃ মিঃ সীমা অতিক্ৰম কৰি অৰুণাচলৰ লোকে বলপূৰ্ব্বক খেতি কৰি থকাৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ) যদিহে অৱগত এই ক্ষেত্ৰত এই বলপূৰ্ব্বক বেদখল বন্ধ কৰাৰ বিষয়ে কি ব্যৱস্থা হাতত লৈছে জনাবনে ?

(গ) উক্ত আন্তঃৰাজ্যিক সীমাত বৰ্ত্তমান পহৰাৰ ব্যৱস্থা কেনে ?

(ঘ) অসম বাংলাদেশ সীমান্তত পহৰাৰ কটকটীয়া ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহ বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) জিয়াধল সংৰক্ষিত বনাঞ্চলত 'আদি' জনজাতি লোকে বেদখল কৰা কথা চৰকাৰে জানে কিন্তু বলপূৰ্ব্বক খেতি কৰাৰ কোনো খবৰ পোৱা নাই।

(খ) এনে বেদখল বন্ধ কৰিবৰ কাৰণে সীমান্তৱৰ্ত্তী জিলাৰ উপায়ুক্ত সকলে আলোচনা কৰি ব্যৱস্থা লয়। ১৮।৭।৮৪ তাৰিখে হোৱা আলোচনাৰ পিচত উভই পক্ষই স্থিতাৱস্থা ৰক্ষা কৰিবলৈ মান্তি হয়।

(গ) মাজে মাজে পুলিচ পহৰাৰ কাম চলাই থকা হৈছে।

(ঘ) 'অসম বাংলাদেশ সীমা' আন্তঃৰাষ্ট্ৰীয় সীমা হোৱাৰ বাবে ইয়াৰ নিৰাপত্তাৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰহে। এই বিষয়ে কট্‌কটীয়া পহৰাৰ ব্যৱস্থা কৰিবৰ কাৰণে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে।

Re : Tube Well and Ring Wells

Shri Abdul Rob Laskar asked :

46. Will the Minister, Public Health Engineering be pleased to state –

(a) The number of Tube Well and Ring Wells installed in

Sonai Constituency under Silchar sub-Divn. during the period of from 1980 to 28th February, 1986 ? ( Village-wise list with the location may be given ).

(b) Whether any Tube Well or Ring Well installed at Silcuria garden within Sonai Constituency during the period mentioned in (a) above ?

(c) If not, why ?

Shri Digen Chandra Bora ( Minister, P. H. E. ) replied :

(a) Ring Well = 16 Nos.
Tube Well = 21 Nos.

A Village-wise list placed on the table of the house.

(b) No.

(c) As per plantation labour Act 1951 and Assam Plantation Labour Rules 1956 the responsibility of making effective arrangement for drinking water supply to the garden rests on the employer.

বি ঃ বঙ্গ মঞ্চ

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে সুধিছে ঃ

৪৭। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এতিয়ালৈকে অসমত কিমান খন বঙ্গ মঞ্চ সজা হৈছে ?

(খ) সাংস্কৃতিক গোষ্ঠী বা সঙ্ঘ সমূহক ইয়াৰ বাবে অনুদান দিয়াৰ ক্ষেত্ৰত কেনে ধৰণৰ ব্যৱস্থা লোৱা হৈছে ?

(গ) ১৯৮৩-৮৫ চনৰ ভিতৰত ( দৰং জিলাৰ ) অনুদান পোৱা অনুষ্ঠান বোৰৰ নাম জনাব নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমানলৈ এই বিভাগে ৰঙ্গ মঞ্চ সজা নাই।

(খ) এই অনুদান দিয়াৰ ক্ষেত্ৰত বৰ্ত্তমানলৈ নিয়মাৱলী প্ৰস্তুত হৈ উঠা নাই।

(গ) প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে অনুদান (দৰং জিলাৰ ) কোনো অনুষ্ঠানক বৰ্ত্তমানলৈ দিয়া হোৱা নাই।

Re : Electricity to all Rural Areas

Shri Sheikh Abdul Hamid asked :

48. Will the Minister, power be pleased to state—

(a) Whether Govt. has any proposal to cover all Rural areas by extending electric lines to provide electricity in each village within the current plan pariod ?

(b) The number of villages of Baghbar Constituency has been covered under the rural electrification scheme ?

(c) Whether the Govt. has taken any scheme to supply electricity in the villages of Moinbary, Sikatany & Tarakandi ( under Baghbar Constituency ?

(d) If so, when the same is expected to be implemented ?

শ্ৰীদীগেন চন্দ্ৰ বৰা ( শক্তি বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) চলিত সপ্তম পঞ্চবাৰ্ষিকী পৰিকল্পনা কালত অসমৰ প্ৰায় সকলোবোৰ গাওঁলৈ বৈদ্যুতিক লাইন সংযোগ কৰা যাব বুলি আশা কৰা হৈছে।

(খ) বাঘবৰ সমষ্টিত গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিৰ অধীনত সামৰা গাওঁৰ সংখ্যা হ'ল ৩০ খন।

(গ) গাওঁ অঞ্চলত বৈদ্যুতিকৰণ আঁচনি লওঁতে ১৯৭১ চনৰ পিয়ল পঞ্জীয়ণ ভূক্ত গাওঁবোৰ আঁচনিত অন্তৰ্ভূক্ত কৰা হয়। বাঘবৰ বিধান সভা সমষ্টিত মইনবৰী, চিকাটানি আৰু তাৰাকান্দি নামৰ কোনো পিয়ল পঞ্জীয়ন ভূক্ত গাওঁৰ অংশবিশেষ হয়নে নহয় তাক নিৰ্দ্ধাৰণৰ বাবে অনুসন্ধান কৰা হৈ আছে।

(ঘ) সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ শেষতে ৰাজ্যৰ প্ৰায় গোটেইখিনি গাওঁত বৈদ্যুতিকৰণ কৰা যাব বুলি আশা কৰা হৈছে।

বি ঃ সোৱনশিৰি বিদ্যুৎ প্ৰকল্প

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

৪৯। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধেমাজী সমষ্টিৰ অন্তৰ্গত সোৱণশিৰি বিদ্যুৎ প্ৰকল্প ( Subasiri Dam Project ) নিৰ্মাণ বৰ্ত্তমান কি পৰ্য্যায়ত আছে জনাবনে ?

(খ) এই প্ৰকল্প নিৰ্মাণৰ ক্ষেত্ৰত অৰুণাচল প্ৰদেশ চৰকাৰে বাধাৰ সৃষ্টি কৰিছে নেকি ?

(গ) যদিহে কৰিছে এই বাধা গুচোৱাৰ ক্ষেত্ৰত অৰুণাচল চৰকাৰৰ লগত কিবা আলোচনা কৰা হৈছে নেকি বা এনে আলোচনা কৰাৰ কথা চিন্তা কৰা হৈছে নেকি ?

শ্ৰীদীগেন চন্দ্ৰ বৰা ( বিদ্যুৎ বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) (খ) (গ) সোৱনশিৰি প্ৰকল্পটোৰ বাবে ব্ৰহ্মপুত্ৰ বোৰ্ডে অনুসন্ধান কাৰ্য্য চলাইছে। বিতং বিৱৰণৰ বাবে ব্ৰহ্মপুত্ৰ বোৰ্ডৰ লগত যোগাযোগ কৰা হৈছে।

Re : Proposal for re-organisation of Development Blocks

Shri Altaf Hussain Mazumdar asked :

50. Will the Minister, Panchayat be pleased to state :

(a) Is it a fact that the Deputy Commissioner, Cachar submitted Draft proposal for re-organisation of Development Blocks and the Gaon Panchayats there under on Cachar ?

(b) If so will the Govt. furnish the list showing the said suggestion for re-organisation of Salchapra Development Block, Udarbond Dev. Block and Katigorah Dev. Block of Cachar District with population figures of proposed Gaon Panchayats and Blocks ?

Shri Chandra Arandhara (Minister Panchayat) replied :

(a) Yes.

(b) The proposal submitted by Deputy Commissioner, Cachar on re-organisation of Blocks is placed on the Table of the house.

বি ঃ জমিদাৰী অধিগ্ৰহণ

শ্রীরমেন্দ্র দে জিজ্ঞাসা করছেন ঃ

৫১। মাননীয় রাজস্ব বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) জমিদারী অধিগ্রহণের ক্ষতিপূরণ হিসাবে জমিদার বা মিরাসদার দেরকে আসাম রাজ্যে কত টাকা দেওয়া হইয়াছে ?

(খ) করিমগঞ্জ জিলায় কোন কোন জমিদারের কতটা জমি অধিগ্রহণ করা হইয়াছে এবং কতটাকা করে দেওয়া হইয়াছে ?

Shri Thaneswar Boro (Minister Revenue) replied :

(a) Total amount of compensation paid to the Ex-proprietors

and Ex-tenure Holders of Karimganj District from its inception Rs. 3,72,33,319.11p and in the esrtwhile. District of Goalpara from its inception upto January, 1986 Rs. 3,11,00,264.00p Therefore the total amount paid to the Ex-proprietors and Ex-tenure holders Rs. 6,83,33,583.11 paise.

(b) 3,173 Nos of estates (Zamindaries and Tenures) were acquired under the Assam State Zamindary Acquisition Act, 1951 and notified under sub-section (1) of Section 3 of the Act. While acquiring these estates, there was no mention of quantam of land acquired either total or Estatewise However, total permanently settled area of Karimganj District is 2.79,761.93 acres. The tatal area of land acquired under Zamindaries Act, 1951, is 2,79,761.93 acres in Karimganj District.

বি ঃ আৰক্ষী চকী নিৰ্ম্মাণ

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

৫২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধেমাজী সমষ্টিত শান্তি শৃংখলা অটুত ৰখাৰ ক্ষেত্ৰত নতুনকৈ ১৬টা পুলিচ আৰক্ষী চকী নিৰ্মাণৰ ব্যৱস্থাৰ ক্ষেত্ৰত চৰকাৰে কি সিদ্ধান্ত লৈছে জনাবনে ?

(খ) লক্ষীমপুৰ জিলাৰ আৰক্ষী অধীক্ষকে ১৯৮৬ চনৰ নিৰ্ব্বাচনৰ আগতে কোনো পুলিচ পৰিদৰ্শক বা উপ পৰিদৰ্শক বা কোনো কণিষ্ঠবল পদত নিযুক্তি দিছে নেকি ?

(গ) যদি দিছে কিমান সংখ্যকক মকৰল কৰিলে।

(ঘ) তেওঁলোকক কি ভিত্তিত মকৰল কৰিছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ধেমাজী সমষ্টিত নতুনকৈ ১৬টা আৰক্ষী চকী নিৰ্মাণৰ কোনো প্ৰস্তাৱ বৰ্ত্তমান চৰকাৰৰ ওচৰত নাই।

(খ) প্ৰশ্ন অনুসৰি ১৯৮৬ চনত লক্ষীমপুৰ জিলাত কোনো নিৰ্ব্বাচন হোৱা নাই। আৰু কোনো পৰিবৰ্শক বা উপ-পৰিদৰ্শকক পুলিচ অধীক্ষকে নিযুক্তি দিয়া নাই। কিন্তু ১৯৮৫ চনৰ ডিচেম্বৰ মাহৰ নিৰ্ব্বাচনৰ আগতে অৰ্থাৎ ১৯৮৫ চনৰ জানুৱাৰী মাহৰ পৰা ১৯৮৫ চনৰ ডিচেম্বৰ মাহলৈকে চিপাহী পদত নিযুক্তি দিছে।

(গ) মুঠ ২৫ জনক চিপাহী পদত মকৰল কৰিছে।

(ঘ) তেওঁলোকক শাৰিৰীক যোগ্যতা আৰু শিক্ষাৰ অৰ্হতাৰ ভিত্তিত বাচনি কৰি চিপাহী পদত নিযুক্তি দিয়া হৈছে।

বি ঃ গোলাঘাটৰ নাৰকীয় ঘটনা

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে ঃ

৫৩। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

১৯৮৩ চনৰ ২ এপ্ৰিল তাৰিখে গোলাঘাটৰ পংকাত হোৱা নাৰকীয় ঘটনাৰ বিষয়ে চৰকাৰে ন্যায়িক তদন্ত কৰাবনে আৰু যদি কৰায়, কেতিয়া কৰাব ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৯৮৩ চনৰ জানুৱাৰী মাহৰ পৰা এপ্ৰিল মাহলৈ অসমত হোৱা গণ্ড-গোলৰ অনুসন্ধান কৰিবলৈ শ্ৰীটি, পি, টেৱাৰীক চেয়াৰমেন হিচাবে এটা তদন্ত আয়োগ গঠন কৰা হৈছিল, এই আয়োগে তেখেতৰ প্ৰতিবেদন ২৪।৫।৮৩ তাৰিখে চৰকাৰক দাখিল কৰিলে। বৰ্ত্তমান প্ৰতিবেদন খন মন্ত্ৰীসভাৰ এটি উপ কমিটিৰ বিবেচনাধীন হৈ আছে।

Re : NEITCO

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

৫৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ফেব্ৰুৱাৰী ৮ তাৰিখৰ "Assam Tribune ত প্ৰকাশিত Neitco yet to create impact in N-E" শীৰ্ষক বাতৰিৰ যোগে এই সংগঠনত মেনেজিং ডাইৰেক্টৰৰ বিৰুদ্ধে ৰাজহুৱাকৈ অনা অভিযোগৰ প্ৰতি চৰকাৰৰ দৃষ্টি গোচৰ হৈছেনে ?

(খ) যদি হৈছে এই বিষয়ে কিবা ব্যৱস্থা হাতত লৈছেনে ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, হৈছে।

(খ) হয়, লোৱা হৈছে।

বি ঃ মেৰাপানী আৰু নগুৱাত চিকিৎসালয়

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে ঃ

৫৫। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মেৰাপানী আৰু নগুৱাত ৩০ খন আসন যুক্ত চিকিৎসালয় স্থাপনৰ বাবে চৰকাৰে কিবা নীতি হাতত লৈছে নেকি ?

(খ) যদি লৈছে সি কিমান দূৰ আগবাঢ়িছে ?

শ্ৰীযতীন মালি (ৰাজ্যিক স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমানলৈকে লোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

বি ঃ ডুলুং বনাঞ্চলত বেদখল

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

৫৬। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লক্ষীমপুৰ জিলাৰ ঢকুৱাখানা সমষ্টিৰ ডুলুং সংৰক্ষিত বনাঞ্চলত অবৈধ ভাবে কিছুমান লোকে বেদখল কৰা কথা চৰকাৰে জানেনে ?

(খ) যদি জানে এই সংক্ৰান্তত কি ব্যৱস্থা লৈছে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) জানে।

(খ) বেদখল উচ্ছেদৰ ব্যৱস্থা লোৱা হৈছে

বি ঃ উপাধ্যক্ষ, প্ৰধান শিক্ষক নিযুক্তি

শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰীয়ে সুধিছে ঃ

৫৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৭৫ চনৰ পৰা ১৯৮৫ চনৰ ভিতৰত নিযুক্তি পোৱা উচ্চতৰ মাধ্যমিক, উৰ্চ্চ মাধ্যমিক বিদ্যালয় সমূহত অধ্যক্ষ, উপাধ্যক্ষ, প্ৰধান শিক্ষক আৰু সহ প্ৰধান শিক্ষকৰ নিযুক্তিত কি নীতি লোৱা হৈছে ?

(খ) বিগত বছৰ সমূহত ব্যৱহাৰিক ক্ষেত্ৰত এই নীতিবোৰ সম্পূৰ্ণভাবে মানি চলা হৈছিলনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) (১) ১৯৭৭ চনৰ চেপ্তেম্বৰ মাহলৈকে বে-চৰকাৰী স্কুলবিলাক ঘাটি মঞ্জুৰী সাহাৰ্য্যপ্ৰাপ্ত স্কুল আছিল আৰু এই স্কুলবিলাকৰ প্ৰধান শিক্ষক, সহ

প্ৰধান শিক্ষক, অধ্যক্ষ বা উপাধ্যক্ষ স্কুল বিলাকৰ পৰিচালনা সমিতিয়ে নিযুক্তি দিছিল আৰু স্কুল সমূহৰ পৰিদৰ্শকৰ অনুমোদন লৈছিল।

১-১০-৭৭ চনৰ পৰাহে স্কুল প্ৰাদেশীকৰণ কৰা হৈছে আৰু কিছুমানক উচ্চতৰ মাধ্যমিক স্কুললৈ ৰূপান্তৰ কৰা হৈছে। গতিকে ১-১০-৭৭ চনৰ পৰাহে প্ৰাদেশীকৰণ কৰা স্কুল সমূহৰ অধ্যক্ষ, উপাধ্যক্ষ, প্ৰধান শিক্ষক আৰু সহ প্ৰধান শিক্ষক প্ৰত্যেক স্কুলৰ সংবৰ্গ জ্যেষ্ঠতাৰ ভিত্তিত অস্থায়ী ভাবে নিযুক্তি বা পদোন্নতি দিয়া হয়।

(২) কিন্তু চৰকাৰী স্কুল সমূহৰ ক্ষেত্ৰত, অধ্যক্ষ আৰু প্ৰধান শিক্ষকৰ তলত দিয়া বিষয়া সকলৰে চৰকাৰে গঠন কৰি দিয়া বাচনি কমিটিয়ে বাছনি কৰি দিয়ে।

| | |
|---|---|
| (১) শিক্ষা আয়ুক্ত— | চেয়াৰমেন |
| (২) যুটীয়া সচিব, শিক্ষা বিভাগ। | সদস্য সচিব |
| (৩) শিক্ষা সঞ্চালক — মাধ্যমিক | সদস্য |
| (৪) শিক্ষা সঞ্চালক, প্ৰাথমিক | সদস্য |
| (৫) উপ-সঞ্চালক শিক্ষা বিভাগ (নিযুক্তি শাখা) | সদস্য |

(৩) উপাধ্যক্ষ আৰু সহ প্ৰধান শিক্ষক সকল তলত দিয়া সদস্যৰে শিক্ষা সঞ্চালকে গঠন কৰি দিয়া এখন কমিটিৰ দ্বাৰা বাচনি কৰা হয়।

(১) শিক্ষা সঞ্চালক, মাধ্যমিক।

(২) শিক্ষা সঞ্চালক, প্ৰাথমিক।

(৩) উপ সঞ্চালক, মাধ্যমিক (নিযুক্তি শাখা)।

(খ) প্ৰশ্ন "ক"ৰ (১)ত এই বিষয়ে জনোৱা হৈছে।

বি ঃ অসম লোক সেৱা আয়োগ

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

৫৮। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

অসম লোক সেৱা আয়োগৰ ১ম শ্ৰেণী আৰু ২য় শ্ৰেণী বিষয়া সকলৰ একত্ৰীকৰণ কৰি কেৱল মাত্ৰ এটা শ্ৰেণী কৰাৰ ক্ষেত্ৰত চৰকাৰে কি বিবেচনা কৰিছে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

বি ঃ মোমাইকটা গড়ত বেদখল

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

৫৯। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ ঐতিহাসিক স্মৃতিচিন লাচিত বৰফুকনৰ সময়ত বিখ্যাত মোমাইকটা গড়ত চলোৱা বেদখলৰ বিষয়ে মন্ত্ৰী মহোদয়ে অৱগত নে ?

(খ) ঐতিহাসিক এই স্মৃতিচিন সংৰক্ষনৰ বাবে চৰকাৰে শীঘ্ৰে ব্যৱস্থা লবনে ?

(গ) জাতিৰ পিতা মহাত্মা গান্ধীৰ চিতাভস্ম যোৰহাটৰ বৰভেটাত সংৰক্ষিত কৰি ৰখাৰ বিষয়ে চৰকাৰ অৱগত নে ?

(ঘ) অসমৰ পৰ্য্যটন বিভাগৰ উত্তৰোত্তৰ উন্নতিৰ বাবে মেঘালয়ৰ দৰে অসমতো পৰ্য্যটক উন্নয়ণ নিগমৰ কথা চৰকাৰে চিন্তা কৰিছেনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (পৰ্য্যটন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক), (খ) আৰু (গ) পৰ্য্যটন বিভাগৰ পৰিসীমাৰ ভিতৰত নপৰে।

(ঘ) চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয়, যোৱা ৪ তাৰিখে শিলচৰত গুলিচালনা সম্পৰ্কে ........

মাননীয় অধ্যক্ষ ঃ শিলচৰৰ গুলি চালনা সম্পৰ্কে এটা সভাস্থগিত প্ৰস্তাৱৰ জাননী মোক সময়মতেই ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে এ দিছে। একে ঘটনাৰ সম্পৰ্কত মাননীয় সদস্য গোলোক ৰাজবংশী আৰু হেমেন দাসৰ পৰাও পাইছো। এতিয়া মাননীয় সদস্য অৰ্দ্ধেন্দু দেক কবলৈ অনুৰোধ কৰিলো।

Shri Ardhendu Kr. Dey : Mr. Speaker Sir, I like to move an adjournment motion that the House be adjourned to discuse a definite and urgent matter of public importance, i. e. the firing that took place at Silchar Railway Station on the 5th April, 1986 on the peaceful picketeers by the Central Reserve Police Force injuring more than 15 persons and ransacking the shops and establishment of the Silchar Railway vicinity vitiating thereby the peaceful atmosphere of the Silchar District. Sir, it is a matter of public importance and it is a very serious matter and it has fulfilled all the requirements under Rule 56 (1) of the Rules of procedure and conduct of Business in the House. Sir, the news came in the Sentinel of 6th April under the caption "15 hurt in Cachar Firing" which has stated that 15 people were injured, four of them seriously when the Central Reserve Police Force (CRPF) resorted to firing in order to disperse a mob involved in brjsk battle with CRPF and military personnel at the Silchar Railway Station around noon today (5th April)

The incident was a sequel to an altercation between a group of All Cachar Students Association ( ACSA ) volunteers and the military and CRPF, the latter being passengers on the Barak Valley Express The ACSA volunteers had formed human barricades on the rail tracks to prevent the Barak Valley Express from moving out of the station as part of their dawn to dask bandh

call of the Silchar town in order to protest againt the ASEB circular of February 20. The District Magistrate and Superintendent of Police, Cachar rushed to the spot with a large police contigent and the situation was brought under control. Earlier Mr. P. Pal Choudhury and Mr. Dilip Rai, two important functioneries of the ACSA were mercilessly beaten by the CRPF near the Deputy Commissioners Office. The District Magistrate, when contacted, declined to comment on the firing. Residents of the Tarapur area near the Railway Station told this correspondent that the CRPF personnel went berserk and ransacked the shops in the vicinity of the Station, let loose a reign of terror, intimidating the innocent people. All the injured were rushed to the Silchar Medical College Hospital. Two persons are in critical condition, hospital sources told the Sentinel. A spokesman for the ACSA said the firing was motivated and uncalled for and demanded a judicial enquiry on the incident. Fifty of the ACSA volunteers were detained. Mr. Kamalendu Bhattacharjee M.P. has condemned the firing and has taken up the matter with the state Home Minister, Mr. Bhrigu Phukan. The situation continues to be tense in the town and district authorities have clamped Section 144 Cr PC as a precautionary measure.

Sir, we have already discussed on the floor of the House several times about the SEBA circular dated 28/2/86. Sir, on 24th March, 1986 through demonstration by the UMF also pointed out that the SEBA circular was a most undemocratic one and this was unwanted. Sir, this circular was not a democratic circular and, with this I would like to move the adjurnment motion.

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী ঃ অধ্যক্ষ মহোদয়, মই প্ৰথমতে সভা স্থগিত প্ৰস্তাৱটো ইয়াত আনিব পাৰো নে নোৱাৰো, সেই মতেহে মই মোৰ যুক্তি দাঙি ধৰিম। ৰুল '৫৬ত আছে' সভা স্থগিত প্ৰশ্নটো হব লাগিব 'ডেফিনেট মিটাৰ'। এইটো হৈছে Firing at Silchar on 5th April 1986.

অধ্যক্ষ মহোদয় "পাব্লিক ইম্পৰটেন্ট' বুলি শাসক দলৰ 'চিফ হুইপে' ও কৈছে। ঘটনাটো দুৰ্ভাগ্যজনক বুলি কাগজত দিছে। অলপতে হৈ যোৱা এই ঘটনাটো সভা স্থগিত প্ৰস্তাৱৰ বিষয় বস্তু হৈ পৰিছে। গতিকে এই প্ৰস্তাৱটো আনিব নোৱাৰি যদি এনেকুৱা ধৰণৰ আলোচনা কিবা আগতে হৈছে। এনে ধৰণৰ আলোচনা আগতে হোৱা নাই গতিকে এইটো আনিব পাৰি আৰু সেই কাৰণে মই আনিছো। Secondly this is a definite matter of urgent public importance.

এই বিষয়টো যদি বিবেচনাধীন হৈ থাকে তেনেহলেও আনির নোৱাৰে। ৰুল ৫৭ৰ মতে যি খিনি কথা কোৱা আছে তাত এনে কোনো বাধা নাই। গতিকে আইন সংগত মতে বিষয়টো আনিব পাৰি। বিষয়টো অতি গুৰুত্বপূৰ্ণ। শিক্ষা মন্ত্ৰীৰ বিবৃতিৰ পৰা এই বিষয়টো লৈ কোনো অৱস্থাৰ জটিলতৰ নহব। তেখেতে কি আলোচনা কৰিলে নাজানো, কিন্তু অৱস্থাৰ পৰিবৰ্ত্তন নহল, যাৰ কাৰণে, পৰহি গুলি চলাব লগা হল আৰু কেইজনমান ছাত্ৰই আঘাত পাব লগা হ'ল। এই ক্ষেত্ৰত অৱস্থাৰ যাতে আৰু অৱনতি ঘটিব নোৱাৰে আৰু বিষয়টো কেনেকৈ সমাধা হব, তাৰ আশা ৰাখি মই বিধান সভাত আছো, জঙ্গলত থকা নাই। সেই বাবে বিষয়টো আলোচনাৰ কাৰণে অনুৰোধ জনাইছো।

( Interruptions in the House from Hon'ble Members )

Mr. Speaker : Order, order.

I have heard the points raised by hon'ble Member Shri Ardhendu Kumar Dey about the admissibility of the Adjournment Motion given notice of by him on police firing that took place at Silchar Railway Station on the 5th April, 1986 on the peaceful picketeers by the C. R. P. F. personnel in which 15 persons were injured. The primary object of an Adjournment Motion is to draw the attention of the Government to a matter of urgent public importance so that the business included in the list of business for the day can be interrupted. The notice given by Shri Ardhendu Kumar Dey is relating to police firing at Silchar.

Police firing is normally not considered as a fit subject justifying interruption of the listed business of the House. In this connection I refer to page 422 of the Practice and Procedure of Parliament by Kaul & Shakdher wherein such incident was not considered as a fit subject for Adjournment Motion. It has also been mentioned at page 433 that whenever the subject matter relates to action taken by the authorities in due administration of law, it is not a fit subject for the Adjournment Motion.

I therefore, disallow the Adjournment Motion. However I request the Hon'ble Home Minister to make a statement on the matter for information of the House.

শ্ৰীগোলোক ৰাজবংশী ঃ মই সন্মানেৰে সদনৰ ৰুল মানি লৈছো, কিন্তু জনতাৰ স্বাৰ্থৰ খাতিৰত মই প্ৰস্তাৱটো আনিছো। প্ৰস্তাৱটো আলোচনা নহল যেতিয়া আমি সদন ত্যাগ কৰিছো।

( The Opposition Members walked out of the House )

Shri Binai Khungur Basumatari : ( Holding a piece of paper in his hand and waving it said) Sir, our tribal boys who protested against the SEBA circular are tortured at Kokrajhar. I have recieved a telegram saying this, and therefore, we want that the circular be withdrawn but as this is not being discussed we are withdrawing. ( Shri Binai Khungur Basumatari also walked out of the House ).

দেৱান জয়নাল আবেদিন ঃ মাননীয় মুখ্য মন্ত্ৰী, বান নিয়ন্ত্ৰণ মন্ত্ৰী আৰু ৰাজহ মন্ত্ৰীক মই অনুৰোধ কৰিছো, কিছু সময়ৰ কাৰণে সদন স্থগিত কৰি বাহিৰত ৰৈ থকা লোক সকলক লগ কৰিব লাগে।

মাননীয় অধ্যক্ষ ঃ গৃহ মন্ত্ৰীয়ে কিবা কব নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন ঃ এই বিষয়ে মই সদনত বিবৃতি ডাঙি ধৰিম।

Mr. Speaker : Uuder Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business advisory committee at 9 a. m. today the 7th April. 1986, in my Chamber at Dispur.

The Committee discussed about the consideration and passing of the Assam Legislative Assembly Members 'Salaries, Allowances and Pension ( Amendment ) Bill, 1986 which was received by the Assembly Secretariat on 5th April, 1986 The Committee decided that the Bill which will be introduced on 7th April, 1986, should be considered and passed in the current session of the Assembly The Committee recommended that the sitting of the House should be extended, by another day and, accordingly, fixed 9th April, 1986, to consider and to pass the Assam Legislative Assembly Members 'Salaries, Allowances and Pension ( Amendment ) Bill, 1986, and to dispose of other unfinished Government Business. The House will be adjourned Sine-die on 9th April, 1986, instead of 7th April, 1986, as previously fixed.

I hope this has the approval of the House.

(Voices, yes, yes.)

MISCELLANEOUS

শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা বিষয় উত্থাপন কৰিব খুজিছো বা বিচাৰিছো এই কাৰণেই যে এইখন সদনক জজ্বল বুলি কৈ এগৰাকী মাননীয় সদস্যই আপোনাকে ধৰি এইখন সদনৰ মৰ্য্যদা হানি কৰিছে। গতিকে এগৰাকী সদস্যই ৰাইজে, জনসাধাৰণে গণতান্ত্ৰিক ভাবে নিৰ্ব্বাচন কৰি পঠোৱা এই পবিত্ৰ সদন খনৰ বিৰুদ্ধে এটা বেয়া শব্দ, অসাংবিধানিক শব্দ ব্যৱহাৰ কৰি এইখন সদনক স্বাভাৱিক ভাবে গালি গালাজ কৰিছে। সেয়েহে সদনৰ মৰ্য্যদা এনেধৰণে হানি কৰিছে নে নাই মই আপোনাৰ পৰা জানিব বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য সকল, এই সদনত মৰ্য্যদাৰ ওপৰত অসমৰ জনসাধাৰণৰ ওপৰত বহু কথাই নিৰ্ভৰ কৰে। আমি যদি সদনৰ ভিতৰত ইয়াৰ মৰ্য্যদা সঠিক ভাৱে ৰাখিব পাৰো, যদি যিবিলাক আলোচনা বিলোচনা হয় সেই আলোচনা বিলোচনা বিলাক সুস্থভাৱে আৰু শান্তিপূৰ্ণ বাতাবৰণৰ মাজেৰে হয় তেতিয়াহলে ৰাইজে আমাৰ প্ৰতি যিটো দায়িত্ব ন্যস্ত কৰিছে সেইটো সঠিকভাৱে আলোচনা বিলোচনা কৰি সফলতা লাভ কৰিব পাৰিম। আজি এই সদনৰ মজিয়াত আমি কি কৰিছো ৰাইজে লক্ষ্য কৰিছে আৰু তেখেত সকলে নিজ চকুৰেই দেখিছে আৰু কালিলৈ বাতৰি কাকততো প্ৰকাশ কৰিব। অসমৰ স্বাৰ্থৰ কাৰণে সকলো আলোচনা বিলোচনাই যাতে সুস্থ বাতাবৰণৰ মাজেৰে শান্তিপূৰ্ণ ভাৱে হয় তাৰ কাৰণে আশা ৰাখিছো। অকল অধ্যক্ষই নীতি, নিয়ম বা আইন শৃঙ্খলা ৰক্ষা কৰিব নোৱাৰে যদি মাননীয় সদস্য সকলে সমানে সহযোগ আগনবঢ়ায়। যদি কোনোবা সদস্যই এনেকুৱা ধৰণৰ শব্দ ব্যৱহাৰ কৰিছে খুব দুখ পাইছো আৰু এইটো অতি দুৰ্ভাগ্যজনক। ভৱিষ্যতে যাতে এনেকুৱা শব্দ ব্যৱহাৰ নকৰে তাৰ কাৰণে অনুৰোধ জনালো।

## CALLING ATTENTION NOTICE

এতিয়া ২ নং কাৰ্য্যসূচী মাননীয় সদস্য শ্ৰীঅমৃতলাল বসুমতাৰী।

শ্ৰীঅমৃতলাল বসুমতাৰী অনুপস্থিত।

এতিয়া ৩ নং কাৰ্য্যসূচী মাননীয় সদস্য শ্ৰীদিলীপ কুমাৰ শইকীয়া।

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিৰমাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৮৬ চনৰ ১৪ মাৰ্চ তাৰিখৰ 'অসম বাণী' কাকতত প্ৰকাশিত "শিক্ষা বিভাগৰ দুৰ্নীতি ঃ ৫১ লাখ টকা কলৈ গ'ল"। শীৰ্ষক বাতৰিটোৰ প্ৰতি শিক্ষা বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিলো।

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) ঃ প্ৰতিজন মাননীয় সদস্যৰ মেজত ইয়াৰ এটি প্ৰবিৱৰণী দাখিল কৰিলো। ( Annexure-I )

মাননীয় অধ্যক্ষ ঃ এতিয়া ৪ নং কাৰ্য্যসূচী মাননীয় সদস্য শ্ৰীআব্দুল হামিদ।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) ঃ প্ৰতিজন মাননীয় সদস্যৰ মেজত এটি প্ৰবিৱৰণী দাখিল কৰিলো। (Annexure-II)

মাননীয় অধ্যক্ষ ঃ ইয়াৰ ৫ নং কাৰ্য্যসূচী মাননীয় সদস্য শ্ৰীমুক্তাৰ হুচেইন।

শ্ৰীসহিদুল আলম চৌধুৰী (মন্ত্ৰী) ঃ প্ৰতিজন মাননীয় সদস্যৰ মেজত এটি প্ৰবিৱৰণী দাখিল কৰিলো। (Annexure-III)

## MATTER UNDER RULE—301

মাননীয় অধ্যক্ষ ঃ এতিয়া ৬ নং কাৰ্য্যসূচী মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ দে।

Shri Ramendra De: Sir, I beg to draw the attention of the Chief Minister by raising a matter under Rule 301 of the Rule of Procedure and Conduct of Business in Assam Legislative Assembly relating to the news item appearing in the 'Samayeek Prasanga' dated 13th February, 1986, under caption "শিলচর বনদপ্তর থেকে জৰুরী ফাইল পত্র উধাও"।

এই বিষয়টা উত্থাপন করার মূল কারণ কি? কারণ হলো যে সমগ্র আসাম রাজ্যের বন দপ্তরের কার্য্যকলাপ রাজ্যের যে অপরিসীম ক্ষতি সাধন করেছে এবং সঙ্গে সঙ্গে তা চাপা দেওয়ার যে চেষ্টা চলছে তা অত্যন্ত বিপজ্জনক। কাছাড় এবং করিমগঞ্জ জেলায় যে পরিমাণ কাঠ চুরি চলছে তার সাহার্য্য করছে সেখানকার কিছু সংখ্যক বন বিভাগের কর্মচারী। কোটী কোটী টাকা মূল্যের কাঠ চুরি হচ্ছে এবং তারা সেখানকার রাজনৈতিক নেতাদের সাহায্যে বাইবে পাচার করছে। সঙ্গে সঙ্গে প্রকাশ যে সেইসব কার্য্যে লিপ্ত ডি এফ ও'কে রক্ষা করার জন্য কংগ্রেসী নেতাদের গোহাটী ছোটা ছোটী শুরু হয়ে গেছে। এবং এই সংক্রান্ত ফাইল ও উধাও হয়ে গেছে। এই ব্যাপারে মুখ্য মন্ত্রীর কাছে অভিযোগ এসেছে। আরেকটী অভিযোগ আছে

যে আব্দুল মান্নান বলে একজন লোক পাথারকান্দিতে এই ব্যাপারে জড়িত আছে। মুখ্য মন্ত্রীর কাছে এই অভিযোগ এসেছে। সেই ফাইল ও হারিয়ে গেছে। হাওয়াই গ্রামের ব্যাপারেও ফাইল হারিয়েছে। তেওয়ারী সাহেবও অনুসন্ধান করে ফাইল পান পাননি। আমার বিশ্বাস অফিসের লোক এই ফাইলের সঙ্গে যুক্ত আছে। এ ছাড়া ভূবন ডহরের কেলেংকারীর ব্যাপারে যে ফাইল সেটাও হারিয়েছে। তাছাড়া পাথারিয়া রিজার্ভের ব্যাপারে ফাইলও পাওয়া যাচ্ছে না। সেখানকার ফরেষ্ট এরিয়া মেঘালয়, মণিপুর ও বাংলাদেশ সীমান্তে রয়েছে। সেখানকার কাজকর্ম যা চলছে তা আরও বিপজ্জনক। এইসব ব্যাপারে তথাকথিত কংগ্রেসী রাজনৈতিক নেতারাও জড়িত আছেন বলে মনে হয়। আশা করি মুখ্য মন্ত্রী মহোদয় এই ব্যাপারে বিশেষ ব্যবস্থা নেবেন।

শ্রীপ্রফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্রী): মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৩।২।৮৬ তাৰিখৰ সাপ্তাহিক সাময়িক প্রসঙ্গ বাতৰি কাকতত প্ৰকাশিত 'শিলচর বন দপ্তর থেকে জরুরী ফাইল পত্র উধাও' শীৰ্ষক বাতৰিটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে।

এই সম্পৰ্কে মাননীয় সদস্য গৰাকীক জনাব খোজো যে শিলচৰত অৱস্থিত M/s Supper India Match Co. Ltd. ৰ সংক্ৰান্তত থকা এটা ফাইল শিলচৰ বনসংমণ্ডল অফিচৰ পৰা হেৰুৱাৰ কথাটো চৰকাৰৰ অৱগত হৈছে। কিন্তু ইয়াৰ বাহিৰে অন্য কোনো ফাইল হেৰুৱাৰ কোনো প্ৰতিবেদন পোৱা নাই। এই ফাইল হেৰুৱাৰ সম্পৰ্কে চৰকাৰে ইতিমধ্যে শিলচৰত থকা দক্ষিণ অসম বন চাৰ্কোল বিষয়াক তদন্ত কৰিবৰ বাবে নিৰ্দ্দেশ দিছে।

১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহত কিছুমান কাঠ ফলা মিলৰ লগতে M/s. Supper India Match Co. Ltd. ৰ মিলতো চোৰাংভাবে মজুত কৰি থোৱা কাঠক ধৰা পেলাবৰ নিমিত্তে কাছাৰ জিলাত এক খানাতালাচী অভিযান চলোৱা হৈছিল। এই খানাতালাচৰ ফলত বহুতো অবৈধভাৱে গোটাই থোৱা কাঠ M/s. Supper India Match Co. Ltd. ৰ পৰা জব্দ কৰা হৈছে। এই সংক্ৰান্তত মিলৰ পৰিচালক সঞ্চালকৰ ওপৰত এটি গোচৰ তৰা হৈছে। ওপৰোক্ত গোচৰ সংক্ৰান্তত মিলৰ অনুজ্ঞা পত্ৰখন পুলিচ

বিভাগক দৰ্কাৰ হোৱাৰ কাৰণে অনুসন্ধান কৰোতেই সেই ফাইলটো হেৰাইছে বুলি জনা গৈছিল। বৰ্ত্তমান এই ফাইলটো বিচাৰি উলিয়াবৰ বাবে তদন্ত কৰি থকা হৈছে।

আইট্যাম নং—৭

শ্ৰীদুৰ্গা দাস বড়ো ঃ মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীত ১৯৮৬ চনৰ ২৫ মাৰ্চ তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত 'ওদালগুৰিত ডকাইতৰ উপদ্ৰৱ' শীৰ্ষক বাতৰিটোৰ সম্পৰ্কত মাননীয় গৃহ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) ঃ সন্মানিত সদস্যৰ জ্ঞাতাৰ্থে এই সম্পৰ্কীয় প্ৰতিবেদন সদনৰ মজিয়াত দাখিল কৰিলো। (Annexure—IV)

আইট্যাম নং—৮ (অনুপস্থিত)

Laying and presentation of Reports

আইট্যাম নং—৯

Shri Prafulla Kumar Mahanta (Chief Minister): Hon. Speaker Sir, I beg to lay the Annual Report (1984-85) of the Assam Financial Corporation,

আইট্যাম নং—১০

শ্ৰীদুৰ্গা দাস বড়ো ঃ মই অনুসূচীত জনজাতিৰ কল্যাণ সমিতিৰ ষষ্ঠ প্ৰতিবেদন সদনৰ মজিয়াত দাখিল কৰিলো।

## GOVT. BILL

আইট্যাম নং—১১

Shri Prafulla Kumar Mahanta (Chief Minister) : Mr. Speaker Sir, I beg leave to introduce the Assam Legislative Assembly Members Salaries, Allowances and pensions (Amendment) Bills 1986.

শ্ৰীহেমেন দাস ঃ এই বিলখন উত্থাপন কৰাৰ ক্ষেত্ৰত মোক কবলৈ দিব লাগিব। ইয়াত ৰুলত দিয়া আছে, মোৰ কথা হৈছে, মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ প্ৰতি শ্ৰদ্ধা জনাই মই কব বিচাৰিছো যে অসমৰ ৰাইজে বহুদিনৰে পৰা আশা কৰি আছে যে অশেষ কষ্ট কৰি গণপৰিষদ চৰকাৰ গঠন কৰিছে আৰু এই চৰকাৰৰ পৰা ৰাইজে বিচাৰিছিল আৰু এতিয়াও বিচাৰি আছে যে নিৰ্ব্বাচনৰ সময়ত যিবিলাক প্ৰতিশ্ৰুতি গণপৰিষদে ৰাইজক দিছিল সেই প্ৰতিশ্ৰুতি বিলাক কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হব। নিৰ্ব্বাচনৰ সময়ত তাত থকা নিৰ্ব্বাচনী ইস্তাহাৰত আমাৰ বা কোনো ৰাজ-নৈতিক দলৰে নিৰ্ব্বাচনী ইস্তাহাৰত এই বুলি নাছিল যে জনসাধাৰণৰ সকলো কথাই তল পেলাই কেৱল বিধায়কৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে অগ্ৰাধিকাৰ দিয়া হব। অসমৰ জনসাধাৰণে আৰু কোনো ৰাজনৈতিক দলে এইটো বিচৰা নাছিল। আমি ৰাজনীতিলৈ আহি বিধান সভাত পোনপতিয়াকৈ নিজৰ দৰ্মহা বঢ়াই লবলৈ ব্যৱস্থা কৰিছো। মই বঢ়াবলৈ নালাগে বুলিয়েই কম। কথা হৈছে অসমৰ বিধায়কৰহে যে অভাৱ-অভিযোগ আছে সেয়া নহয়, অসমৰ প্ৰত্যেক শ্ৰেণীৰ লোকৰেই অভাৱ-অভিযোগ আছে। আজি চৰকাৰে বিধায়কৰ দৰ্মহা ১০০০ ৰ পৰা ২৫০০ লৈ বঢ়াই দিব বিচাৰিছে। এই চৰকাৰে অসমত থকা সকলো কেৰাণী, চকিদাৰ, পিয়ন আদি সকলো কৰ্ম্মচাৰীৰ দৰ্ম্মহা কঢ়াই দিয়াৰ ব্যৱস্থা কৰক। বাকীবিলাক শ্ৰেণীৰ অভাৱ-অভিযোগ নাই নেকি? কেৱল আমাৰ বিধায়ক সকলৰ হে অভাব-অনাটন আছেনে? ৰাইজে আমাক সুযোগ দিয়াৰ কাৰণে আমি দৰ্ম্মহা বঢ়াই লবলৈ ওলাইছো। মই সেইকাৰণে এই বিলখন সদনৰ মজিয়াত উত্থাপিত হব নালাগে আৰু সেইকাৰণে মই বাধা দিছো। তথাপিতো যদি এই বিলখন উত্থাপিত হয় তেতিয়াহলে মই সভাকক্ষ ত্যাগ কৰিলো।

Mr. Speaker—Order. Order. Is it the pleasure of the House to grant leave to introduce the Bill.

(Voices : Yes, yes)

Leave is granted. Here is the message from the Governor of Assam.

Raj Bhavan
Gauhati
April 5, 1986

Under the provision of Article 207(1) of the Constitution of India, I, Bhishma Narain Singh, Governor of Assam, recommend the introduction of The Assam Legislative Assembly Members, Salaries, Allowances and Pensions ( Amendment ) Bill, 1986, in the Assam Legislative Assembly.

Sd/ Bhishma Narain Singh
Governor of Assam

Now, Chief Minister to introduce.

Shri Prafulla Kumar Mahanta, Chief Minister : Hon'ble Speaker, Sir. I beg to introduce the Assam Legislative Assembly Members' Salaries, Allowances and Pensions (Amendment) Bill, 1986.

(The Secretary read out the title of the Bill)

Shri Sarat Chandra Sinha : Sir, at this stage I oppose the Bill. Government should have given considerable thought before introducing this Bill.

Mr. Speaker : Here is a message from the Governor of Assam.

Raj Bhavan
Gauhati
March 31, 1986

I, Bhishma Narain Singh, Governor of Assam, recommend

the Assam Panchayati Raj Bill. 1986, for its consideration in the Assam Legislative Assembly under Article 207(3) of the Constitution of India.

Sd. Bhishma Narain Singh
Governor of Assam.

Now, Minister to move.

Shri Chandra Arandhara, Minister : Sir, I beg leave to move that the Assam Panchayati Raj Bill, 1986 be taken into consideration.

Shri Altaf Hussain Mazumdar : Mr. Speaker, Sir. At the outset I must thank the hon'ble Panchayat Minister because a few days back he assured that he will come up with the Bill. Sir in this context I want to make certain observations. We are also happy to note that this Govt. is following the policy of decentralisation through subdivisional planning and development councils. Sir you are aware at the time of finalisation of the provisions of the 7th plan Mr. Man Mohan Singh, Deputy Chairman Planning Commission in his preface to 7th plan at para 16 stated "District and Block level planning has yet to take firm roots Without the introduction of Block level and District level Planning, the impact of large flows of money through the various anti-poverty programme will remain invisible." So, Sir, rightly it has been accepted. We know that this decentralisation is already there, to a certain extent, in some of the States and prominent among them are Maharshtra and Guzarat, Sir. this decentralisation of planning was accepted by the previous Govt. and the paper work was done and we are happy that the issue taken up by this Govt. has not been flouted on the ground that it was taken up by the Hiteswar Saikia Govt. Sir. I am happy that previous

Govt. decision of the decentralised planning at the Sub-Divisional level has been accepted by this Govt. Next Sir, on this issue of Panchayati Raj Bill also I make a few observations. That Sir, we want two-tyre system, i. e. the Village Panchayats and then the Mahkuma Parishads. By two-tyre system, the function of Anchalik Panchayat was curtailed and it was, to a certain extent, transferred to Mahkuma Parishad. But by my own experience, I find that the 2-tyre system could not function well for one reason that the very idea for which it was expected was not pursued to the last, The finance and all the powers were given and as a result we find that the doors of the Blocks were closed, buildings started dilapidating, Blocks became grazing place instead of a half-centre for developmental work. It was found that Block level officer posted as BDO suggests that the political Deptt. must be there to be in contact with the people. It was felt, afterwerds. Sir, this was made up by making the Members of the Legislative Assembly the Chairman of the Block level Committeess and the idea was there that so far as development of the area is concerned, there must be political personality incharge of the Panchayats, because, as you know, Sir, today, developmental work there is totally under Rural Development. The fund and everything is under Rural Development. 90/95% of the developmental work in the constituency will be done by the Blocks. Sir, in the recent amendment we will submit to that effect. But from my experience, as I was involved as Minister previously, even earlier, I assert that in the matter of functions of Anchalik Pancheyat, unless political personality well conversant with Anchalik Panchayat is there, conflict is bound to come between the President and MLA. From my experience I have found that in the Anchalik Panchayat level conflict was there always between the President and the MLA. President's view contradicts always with that of MLA. President tries to discredit MLA. As a result, developmental work hampers. So, it is a matter to be considered by

the Govt. whether this scope of conflict between Anchalik Panchayat President and MLA can be eliminated, because as legislators we are elected with hopes and aspirations of the people. We are expected to fulfil the basic requirements in the area, such as drinking water, roads, schools and other things. If real development is to be effected by Anchalik panchayat, there cannot be any argument that some people have been placed on ad hoc arrangement, because MLAs are themselves elected by the people, So, when elected persons are to be there, there cannot be any objection to them. That aspect has got to be considered, Similarly, in the matter of Mahkuma Parishad, if Minister is elected as Chairman, even if he is elected as Chairman in sub-divisional meeting there cannot be any objection on that ground. So, Sir, I will place before the Govt. to consider that aspect of the matter

Another aspect is that the regional idea of 4.000 population in the village is a correct decision. But I go further Sir, because I find from my experience that unless financially we make this Panchayat a viable organisation, development in villages cannot be made possible. So, Sir, there should be at least a village panchayat with not less that 8,000 population or more, because for meeting the expenses towards payment of salary of staff and other things, there should be source of income. So this should be 8000 to 10,000. With these observations I conclude, Sir.

Shri Santi Ranjan Das Gupta : Mr. Dy. Speaker, Sir, I also congratulate the Panchayat Minister for bringing the legislation, and he assured the House earlier that very soon legislation will be brought and to keep his promise that legislation has been brought. But it has been done in a haste. Therefore, there have been so many mistakes. Of course, amendment is given, still there are many mistakes inside. But the main point is whether actually it

will hit the elected representative of the people, i. e. the MLAs. I draw the attention of the House, Mr. Dy. Speaker, Sir, to the Clause 37 ( Page 31 ) i. e the Duties and Function of Anchalik Panchayat – "Anchalik Panchayat shall execute all development schemes and programmes at the Block level save as otherwise provided, within the limits of funds and resources at its disposal provided for all the development works within its jurisdiction excepting those functions specifically assigned to Gaon Panchayat/line departments and in particular, it may provide for the requirement of the area under its jurisdiction in respect of the matters specified below." So, Sir all the development work is going to be entrusted to the Anchalik Panchayat, and what is the position of the elected representative of the people ? In Clause 13, Sub-clause 4–"All members of the State Legislative Assembly and of the Parliament whose constituency falls within the Anchalik Panchayat Area shall be ex-officio members of the Anchalik Panchayat without the right to vote." Sir, that will be the position of the elected representative of people in the Block Level Anchalik Panchayat. Now, Sir, M.L.A. under whose jurisdiction Block Level Committee will be there will have no power to execute while all powers will be immediately vested on the Anchalik Panchayat, and the MLA will have to stay aside or there may be some sort of confrontation and many other untoward things may crop up in between the Anchalik Panchayat and the elected representative of people. Though, Sir, an harmonious construction of the whole matter is required, the Govt. officers will be ex-officio Members because they hold office for Govt. but MLAs do not hold any office for the Govt. when they are public representatives. Previously, even there was 3-tyre system, the MLAs were vote people there. Therefore, Sir, in Mahkuma Parishad also, MLAs and MPs as ex-officio Members will be without voting power. So, I request the Hon'ble Minister, Panchayat to look into this matter. In future, otherwise, this will

create confusion and rather mar the whole idea of decentralisation and thereby the development of entire State may be hampered in future. There are other functions as well, but this is the position of an MLA.

But this is the position of M.L.As and this is the position of the Anchalik Panchayat and the members of the Panchayat. This is required to be fully considered otherwise in future this will create a serious deadlock. With these few words, I resume my seat.

Shri Binai Khungur Basumatari : Mr. Deputy Speaker Sir, I congratulate the new Govt. for bringing this legislation. It is a good piece of legislation, because the rural areas of Assam which have been doveid of parliamentary procedures for many years will have one now. We hope that with this legislation the rural areas of the State will receive democratic and parliamentary opportunities to decide about their local arrangements and about preservation of their local situation. Sir. this Act is a good Act but this Act faces the same dangers that was faced by the earlier Act. From our side of the Opposition we have already placed certain facts in respect of a situation that may arise due to the involvement of the elected representatives. I remember very well Sir, the previous Govt. i. e. Cengress Govt. also had brought such an Act but the learned members of this House were scared of sharing power with the rural people and therefore, the earlier Act was abandoned. Now to-day Sir, this Act is again brought before us and if we are sincere about decentralisation of power then the planning is to be done by the local people themselves. I would have been very happy if MLAs and MPs have not been involved in the local affairs. I have already moved certain amendments and I will speak on them as and when come. I would only say that the MLAs and MPS in the Anchalik Panchayats and Mahakuma

Parisads need not be given right to vote. It would have been much better if they are not at all involved in that level. because we find that the member of this House have a lot of responsibilities in their sphere and if they now forget to attend to their duties in the House and keep themselves busy with small and petty things at the local level, then Sir, they will not be able to contribute to the functioning of democratic and parliamentary procedures as enshrined in the Constitution of India. Therefore Sir, I would have been much happier if MPs and MLAs are not involved there. I want to conclude that this Act will be forceful and effective only if members of this House were not scared of sharing of power at the rural level. With this I conclude Sir.

শ্ৰীহেমেন দাস ঃ চাৰ, এই বিলখন অনাত ভাল পাইছো। শাসন ব্যৱস্থা যিমানেই বিকেন্দ্ৰীকৰণ হয় সিমানেই ৰাইজৰ পৰিকল্পনাত অংশ গ্ৰহণটো বাঢ়ে আৰু দেশৰ উন্নয়নত সহায়ক হয়। সেই উদ্দেশ্যে দুই তৰ-পীয়াৰ ঠাইত তিনি তৰপীয়া পঞ্চায়ত ব্যৱস্থা কৰিব খোজাৰ কাৰণে এই বিলখন ইয়াত উত্থাপিত কৰিছে পঞ্চায়ত মন্ত্ৰী মহোদয়ে। তাৰ বাবে তেখেতক ধন্যবাদ দিছো। মই এটা কথা কব খুজিছো যে আমাৰ কিছুমান মাননীয় সদস্যই আশংকা প্ৰকাশ কৰিছে যে এম, এল, এৰ কি হব ? এম, এল, এ বিধান সভাত আছে। আমি যদি পঞ্চায়ততো থাকো তেনেহলে স্বায়ত্ব শাসনৰ কি থাকিল ? এক্স অফিচিও কৰি ৰাখিছে, মই ভাবে নাৰাখিলে বৰঞ্চ ভাল পাওঁ। সম্পূৰ্ণভাবে তাৰ পৰা আতৰাই ৰাখিব লাগে। গাওঁ সভাত বিধায়ক সকল থাকে তেন্তে ক্ষমতা বিকেন্দ্ৰীকৰণ ক'ত হব ? গতিকে এম, এল, এ সকলক বাদ দিব লাগে। গাৱৰ সাধাৰণ মানুহৰ দ্বাৰা গাওঁবিলাক চলি আছে। স্কুল কলেজবিলাক গাৱঁৰ মানুহে বন্ধা নাই। এইবিলাক গাৱঁৰ সাধাৰণ মানুহে ৰান্ধিছে। এওঁলোকে কৰিব নোৱাৰিব বুলি আমি ভাবো কিয় ? জ্ঞান বেলেগ কথা আৰু বুদ্ধি বেলেগ বস্তু। গাৱঁৰ এই শ্ৰেণী মানুহৰ বুদ্ধি আছে আৰু উন্নয়ণৰ কাৰণে জ্ঞানৰ ওপৰত, তেওঁলোকৰ ওপ-ৰত আস্থা ৰাখি বিধায়ক সকল তাৰ পৰা আতৰি আহিব লাগে। এইটো

হলে আঞ্চলিক পঞ্চায়তৰ মঙ্গল হয়। বিলখনত এটা নতুন অবস্থাৰ সৃষ্টি কৰিব ওলাইছে। তিনিতৰপীয়া ব্যৱস্থা বিলখনত আনিব লৈছে এই সম্পৰ্কত অকল বিধায়কসকলক সুধিলেই নহব। বিধায়কক বাদেও অসমৰ অন্যান্য জনসাধাৰণক সুধি কৰক। সেই কাৰণে পৰামৰ্শ দিছো বিলখন আজি গ্ৰহণ নকৰি এইখন চিলেক্ট কমিটিলৈ পঠিয়াই দিয়ক, জনসাধাৰণৰ মতামত সংগ্ৰহ কৰক, তেতিয়া ই কাৰ্য্যকৰী বেছি হব। এই বিলখন চিলেক্ট কমিটিলৈ পঠোৱাৰ আবেদন ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri A. F. Golam Osmani : Mr. Deputy Speaker Sir, I support the contention of the hon. members Shri B. K. Basumatari and Shri Hemen Das, I would like to submit that if it is felt necessary that the MLAs will have no useful function at the Panchayat level then by making them exofficio members will be no use. So let us be very clear that M.L.As have no function and so their association as exofficio members will not be necessary. This point may kindly be considered. Generally if you make some one associated, then the question of responsibility comes. Simply by making his presence felt, I think it will be of no purpose. There was a time when it was in practice that MLAs have to be involved in all matters. I may tell a story Sir, which is about the function of the MLAs. The story is like this a member of a House wanted to become a Minister and so he approached the President of India and said, your business is to make act and the Ministers are meant for implementation and execution, and M.L.As. are meant for Bill and Seal, that is, for passing the Bills and giving certificates to the people, assigning their seals (.. laughter...). So if the Panchayat Raj Bill that is before the House now is relegated to that position the Hon. Members of the House will remain confined to passing of the Bill and giving a seal to the certificate of their constituents. Sir, the one dangerous aspect I feel, atleast one point, which we would like the Hon. Minister of Panchayat to look into, is about the election of the executives of the Anchalik Panchayat.

That is also an indirect election. That is not good. It will again give rise to corruption which is generally associated with indirect election. It was the practice to elect the councillers as well as Presidents of Gaon Panchayats by direct vote, and I submit, that practice should be incorporated in this Bill also so far as the election of Members of the Anchalik Panchayats are concerned. Otherwise this electoral college system will open up the vista of corruption and popular opinion will not be reflected. With this suggestion I would like to request the Hon Minister of Panchayat that he will give some consideration. Tha k you Sir.

শ্রীগুনীণ হাজৰীকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ক এই বিলখন অনাৰ বাবে ধন্যবাদ জনাইছোঁ। এই পঞ্চায়তীৰাজ বিলখনে আমাৰ গাওঁ অঞ্চলত এটা নতুন নেতৃত্ব গঢ়ি উঠাৰ সুবিধা দিছে। আগৰ দুতৰপীয়া ব্যৱস্থাত গাওঁ অঞ্চলত উন্নয়নৰ কাম সমূহত বাধাগ্ৰস্ত হৈছিল সেই কাৰণেই এতিয়া এইটো নাইকিয়া কৰাৰ ব্যৱস্থা হৈছে। এই বিকেন্দ্ৰীকৰণ ব্যৱস্থাত গাওঁ অঞ্চলত যি নতুন নেতৃত্ব গঢ়ি উঠিব আৰু ই গাওঁৰ উন্নয়নৰ কামত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। ইয়াত বিধায়ক সকলৰ অংশ নাথাকিব আৰু এই বিভিন্ন উন্নয়ন মূলক আঁচনিৰ সৈতে ই জড়িত হৈ পৰিব। এই পঞ্চায়তী ৰাজ বিলে আৰু বিকেন্দ্ৰীকৃত পৰিকল্পনাই গাওঁ অঞ্চলত যথেষ্ট সহায় আগবঢ়াব। মই এইখিনিতে আৰু দুটামান কথা কব বিচাৰিছোঁ যে কেইজনমান মাননীয় সদস্যই বিধায়ক সকলক 'এক্স অফিচিয়' হিচাপে ৰখাত আপত্তি কৰিছে। কিছুমানে কৈছে ই ৰাজনৈতিক প্ৰতিনিধিত্বৰ কাৰণ হৈ উঠিব পাৰে। আঞ্চলিক পঞ্চায়ত সমূহত বিধায়ক সকল থকাটো অনুচিত 'এক্স অফিচিয়' হিচাপে হলেও। এই বুলিও কিছুমানে কৈছে। কিন্তু বিধায়ক সকলে গোটেই অঞ্চলটো কথা চিন্তা কৰাৰ লগে লগে চৰকাৰৰ লগত আঞ্চলিক পঞ্চায়তৰ যোগেদি এটা যোগসূত্ৰ ৰাখিব পাৰে আৰু ইয়াৰ নীতি সমূহৰ বিষয়ে বিশেষকৈ যিবিলাক বিধানসভাত আলোচনা হয় সেইবিলাক তাত তেওঁলোকে পৰামৰ্শ আগবঢ়াব পাৰে। এই অনুষ্ঠানৰ যোগেদি আমাৰ গাওঁ অঞ্চলৰ বিকাশত বহু সহায় কৰিব পাৰিব বুলি ভাবিছোঁ। পৰিকল্পনাৰ শিতানত যি সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু মহকুমা

পৰ্য্যায়ত মহকুমাৰ পৰিকল্পনাৰ বিষয়ে যিবিলাক কাৰ্য্যসূচী দাঙি ধৰা হৈছে সেই ক্ষেত্ৰত কিছুমান কথা আমি চিন্তা কৰিবলগীয়া হৈছে। এই পৰিকল্পনা সমূহৰ যোগেদি পঞ্চায়ত সমূহে কেনে ধৰণৰ ভূমিকা গ্ৰহণ কৰিব মহকুমা পৰ্য্যায়ত কি ধৰণৰ ভূমিকা গ্ৰহণ কৰিব আৰু ইয়াক কাৰ্য্যকৰী কৰাত কেনে ব্যৱস্থা লব সেইটো চোৱাৰ প্ৰয়োজন বুলি মই ভাবিছোঁ। পঞ্চায়ত ব্যৱস্থা সমূহত পৰিকল্পনা সমূহৰ বিকেন্দ্ৰীকৰণ কৰিবলৈ দিয়া হৈছে। এই ক্ষেত্ৰত মন্ত্ৰী সকলক সভাপতি আৰু উপায়ুক্ত সকলক উপসভাপতি হিচাপে থাকি তেওঁলোকে পৰিকল্পনা কৰিব। মহকুমা পৰিষদে গাওঁৰ উপ কমিটীৰ বাবে পৰিকল্পনা তৈয়াৰ কৰিব। গতিকে এই দুটা পৰিকল্পনাৰ মাজত এটা অভাৰ লেপিং হব নে কি সেইটো চাব লাগিব। উন্নয়নৰ কাৰণে পঞ্চায়ত সমূহে যি সম্পদ পাব এই সম্পদ মহকুমা পৰিষদে ও পৰিকল্পনাৰ কাৰণে পাব বা যি টকা ধাৰ্য্য কৰা হব সেইখিনি কেনে ধৰণে খৰছ কৰা হব সেইটো চৰকাৰৰ ফালৰ পৰা পৰিষ্কাৰ কৰি জনাই দিয়া উচিত হব বুলি মই ভাবিছোঁ। এই প্ৰসঙ্গত আৰু এটা কথা মনত ৰাখিব লাগিব যে যি সকল পঞ্চায়ত কৰ্মচাৰীয়ে বহুদিন ধৰি দৰমহা পোৱা নাই সেই সকলৰ কি হব। মন্ত্ৰী মহোদয়ে, নতুন চৰকাৰে তেখেত সকলৰ প্ৰতি সহানুভূতিশীল হৈ অন্যান্য কৰ্মচাৰীৰ দৰেই তেওঁলোকৰো ভৱিষ্যত নিৰাপত্তা আৰু অন্যান্য সাসুবিধা যাতে ভোগ কৰিব পাৰে তাৰ প্ৰতি এটা ব্যৱস্থা কৰিব বুলি আশা কৰিয়েই মই এই বিলখনৰ প্ৰতি সমৰ্থন জনাইছোঁ আৰু মুঠতে এই নতুন বিলখনে আমাৰ গাওঁৰ উন্নয়নত যথেষ্ট বৰঙণি যোগাব সেই কাৰণেই মই সমৰ্থন কৰিছোঁ। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিছোঁ।

শ্ৰীপদ্মনাথ কৈৰী : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনা নতুন বিলখনৰ প্ৰতি মই সমৰ্থন জনাইছোঁ। এই বিলখনত যিবিলাক নীতি নিয়ম দিয়া হৈছে সেইখিনিও ভালেই হৈছে। আগৰ দুই খলপীয়াৰ ঠাইত এতিয়া তিনি খলপীয়া কৰাৰ ব্যৱস্থা কৰা হৈছে। ই সচাকৈয়ে আমাৰ গাওঁৰ অঞ্চলত থকা প্ৰকৃত মানুহ খিনিৰ মাজত নেতৃত্ব কাৰ্য্যকৰী কৰিবলৈ আৰু তেওঁলোকৰ সচৰাচৰ গাওঁ অঞ্চলত থকা মানুহখিনিৰ বাবে কাম কৰাৰ সুবিধা পাব। আন্তৰিকভাৱে সমৰ্থন কৰিলেও এই বিলখনত দুই

এটা কথা আছে এই বিলাক হৈছে আঞ্চলিক পঞ্চায়তৰ গোটেইখিনি দায়িত্ব কোনো এটা ঠাইত সীমিত হৈ আছে যেন লাগিছে। আমিও বহু আশা কৰি বহু কষ্ট কৰি ৰাইজৰ সহানুভূতি লৈ সদনলৈ আহিছোঁ আৰু আমিও আশা কৰিছোঁ ৰাইজক কিছু সহায় কৰিবৰ কাৰণে। কিন্তু বিলখনৰ দৰে ই যদি হয় তেনেহলে ব্যৱস্থাতো আমাৰ সৰস্বতী পূজাৰ নিচিনাই হব। সৰস্বতী পূজাৰ গোসানীৰ নিচিনা অৱস্থা আমাৰো হব। মানুহে পইচা দি সেৱা কৰি গুচি যায় পইচাখিনি পায় বামুণে। গতিকে এই যিটো বিকেন্দ্ৰীকৰণ ব্যৱস্থা কৰিছে ইয়াত অন্ততঃ সভাপতি বা চেয়াৰমেনৰ পদটো বিধায়কক দিলে ভাল হয় বুলি মই ভাবোঁ। তাত কাৰো ভয় কৰিবলগীয়া একো নাই। সকলো-খিনি কাম সোধ পোচ কৰি কৰাৰ ব্যৱস্থা কৰিলেই হব। অৰ্থাৎ প্ৰত্যেকেই প্ৰত্যেকৰ লগত অলপ সন্মান দেখুৱাই কাম কৰিব পৰা ব্যৱস্থা এটাৰ কথা চিন্তা কৰিলে আমিও আনন্দ পাম। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

শ্ৰীমুক্তাৰ হুছেইন ঃ মাননীয় অধ্যক্ষ মহোদয়, ক্ষমতা বিকেন্দ্ৰীকৰণ পঞ্চায়তী বিলখন উত্থাপন কৰাৰ কাৰণে মই চৰকাৰক ধন্যবাদ জনাইছো আৰু ক্ষমতা বিকেন্দ্ৰীকৰণৰ যিটো প্ৰয়োজনীয়তা, তাক উপলব্ধি কৰিছো। এই পঞ্চায়তী বিলখন আনোতে যদি কিছুমান কথাৰ দৃষ্টিগোচৰ কৰিলেহেতেন তেনেহলে এই বিলখন আৰু সুন্দৰ হলহেতেন। আঞ্চলিক পঞ্চায়তক এই বিলখনৰ জৰিয়তে ক্ষমতা দিয়া হৈছে। ইয়াৰ সভাপতিজনৰ নিৰ্ব্বাচিত পদ্ধতি ঠিক হোৱা নাই। সংসদি গণতন্ত্ৰত শাসনত যি সকল থাকে তেওঁলোক ভোটাৰ সকলৰ লগত দায়বদ্ধ থাকে। কিন্তু আঞ্চলিক পঞ্চায়তৰ সভাপতিজনে এই বিলৰ মতে দুহেজাৰৰ পৰা নিৰ্ব্বাচিত হৈ ১লাখ ভোটাৰৰ গোটেই সমষ্টিটোৰ প্ৰতিনিধিত্ব কৰিব। এই ব্যৱস্থাৰ পৰিবৰ্ত্তন কৰিব লাগে। পঞ্চায়তত বিধায়কক নিদিয়কেই লাগে। সভাপতিজন যি খণ্ড উন্নয়ন, ব্লক লেভেলৰ কাৰ্য্যালয় এলেকা বাসীৰ দ্বাৰা যদি প্ৰত্যক্ষ নিৰ্ব্বাচিত হলহেতেন, তেনেহলে সেই ব্লক এলেকাৰ গোটেই ভোটাৰৰ প্ৰতি দায়বদ্ধ হলহেতেন। এই বিলখনৰ মতে যি জন সভাপতি হব, দুই হেজাৰ তিনি হেজাৰৰ ভোটাৰ দ্বাৰা নিৰ্ব্বাচিত হব। ভাৰতত শতকৰা ১০০ জনৰ ৫০ জনে ভোট দিব পাৰে, সেই হিচাবে দুই হেজাৰ

তিনিহেজাৰেৰে নিৰ্ব্বাচিত সভাপতি জনে এক লাখ ভোটাৰক প্ৰতিনিধিত্ব কৰা ব্যৱস্থা সমীচিন নহব। এতিয়া কৰা হৈছে তিনিখলপীয়া ব্যৱস্থা। মহকুমা পৰিষদৰ নামমাত্ৰ ব্যৱস্থা ৰখা হৈছে। কোনো দায়িত্ব যে থাকিব মনে নধৰে।

অধ্যক্ষ মহোদয়, মই দৃষ্টি গোচৰ কৰিবৰ কাৰণে চাউথ শালমাৰা, মান-কাছাৰৰ কথাকে কৈছো। তাত তুজন সদস্য থাকিব। চিডুৰেল কাষ্ট, বা ট্ৰাই-বেলচৰ সদস্য নাথাকিলে সভাপতিজন মূল সদস্য হব। তাত এজন সভাপতি আৰু এজন উপ-সভাপতি থাকিব। এই তুয়োজনে ভোট দিব। যদি সভাপতি অনুপস্থিত থাকে তেতিয়া হলে উপ-সভাপতিয়ে কাম চলাব। তাত সহংৰেণ্য মহিলা সদস্য হয়তো ৰখা হব পাৰে। তাত চিডুৰেল কাষ্ট, চিডুৰেল ট্ৰাইবে প্ৰতিনিধিত্ব নাপাব। গতিকে ভোটাৰৰ সংখ্যা তাত তিনিজনহে হব।

অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে ব্লকৰ সংখ্যা বঢ়োৱা হয়। আগতে প্ৰপোজেল আছিল। এটা সমষ্টিৰ যি ধৰণে মহকুমাৰ সংখ্যা বঢ়োৱা হৈছে, তেনেধৰণে ব্লকৰ সংখ্যা বঢ়োৱা হোৱা নাই। ব্লক বিলাকৰ পুনৰ গঠন কৰিব নোৱাৰিলে এই বিলখন কাৰ্য্যকৰী কৰাত অসুবিধা হব। এইখিনি অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

শ্ৰীশেখ আব্দুল হামিদ ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন উত্থাপন কৰাৰ কাৰণে প্ৰথমতে মই পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো আৰু লগতে এই বিলখনৰ সংক্ৰান্তত মই তুষাৰ কবলৈ বিচাৰিছো। এই বিল-খনত দেখিবলৈ পাইছো যে প্ৰত্যেক গাওঁ পঞ্চায়তৰ প্ৰেচিডেণ্ট বা চেয়াৰমেনে আঞ্চলিক পঞ্চায়তৰ সদস্য হব। দ্বিতীয় কথা হৈছে—ইয়াত কোৱা হৈছে যে আঞ্চলিক পঞ্চায়তত যেতিয়া থাকিব গোটেইখন পঞ্চায়তত ১০ টা ভাগত ভাগ কৰা হব আৰু ১০ জন সদস্য লোৱা হব। এতিয়া যিহেতু পঞ্চায়ত বিলাকৰ এটা পঞ্চায়ত ৪ হেজাৰ বা ততোধিক জনসাধাৰণ থাকিব, কেইবাটাও গাওঁ সভা বা পঞ্চায়ত থাকিব, মাত্ৰ ১০ জন নিৰ্ব্বাচিত হলে হয়তো খেলিমেলি অসুবিধাৰ সৃষ্টি হব। তথাপি কোৱা হৈছে ten members to be

directly elected by the Gaon Sabhas in the manner prescribed. এতিয়া ১০ জন সদস্যই আঞ্চলিক পঞ্চায়তৰ কো-অপাৰেটিভ চছাইটিৰ পৰা আহিব আৰু তেওঁলোকে গৱৰ্ণমেণ্টৰ নমিনি হব। যদি কো অপাৰেটিভ ছচাইটিৰ পৰা ১০ জনকৈ সদস্য আহিব লগা হয় আঞ্চলিক পঞ্চায়ত ধৰণে এটা বা দুটা চছাইটি থাকিব পাৰে। এনেকুৱা খেলিমেলিৰ সৃষ্টি হব। গতিকে মই আমাৰ পঞ্চায়ত মন্ত্ৰী মহোদয়ক কব বিচাৰিছো যে বেলেগে এখন চিলেক্ট কমিটি কৰি দিয়া হয় তাৰ বাবে মই অনুৰোধ জনাইছো। এইখিনি কৈয়ে মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীমইতুল ইছলাম বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় পঞ্চায়ত মন্ত্ৰী মহোদয়ে যেতিয়া বিলখন উত্থাপন কৰিছে এই বিলখন বৰ সুন্দৰ হৈছে। ই গ্ৰহণযোগ্য হৈছে। তাৰ সমৰ্থনত মই কওঁ যে অসম ৰাজ্যত আগতে পঞ্চায়তী ৰাজৰ ব্যৱস্থা কৰা হৈছিল। এই ব্যৱস্থাত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰি তাৰ ব্যৱস্থা ৰূপায়ণ কৰাৰ বাবে অসম গণপৰিষদ চৰকাৰে দুই খলপীয়া ব্যৱস্থা আতৰ কৰি তিনি খলপীয়া ব্যৱস্থা কৰিছে। তাৰ বাবে মন্ত্ৰী মহোদয়ে বিলখন আনোতে বহুতো সদস্যই সমৰ্থন কৰিছে। ইয়াত এম, এল, এ, মন্ত্ৰীসকল থাকিলে আপত্তি থকা বুলি কৈছে। তেতিয়া ক্ষমতা বিকেন্দ্ৰীকৰণ সম্পূৰ্ণ তিনিখলপীয়া পঞ্চায়তী ৰাজ হব। তেতিয়া অন্য হিচাবে এৰি দিব লাগিব। কাৰণ তেতিয়া কোনো কথা জনাব নোৱাৰিব। অভাব অভিযোগৰ কথা কব নোৱাৰিব। ওপৰৰ পৰা বেলেগ নিৰ্দ্দেশ হব। সকলোৱে জানে যে ১৯৫৯ চনত এই বিল চলোৱা হৈছিল। কিন্তু ১৩ বছৰ কাল কাৰ্য্যকৰী কৰাৰ পিচত দুই খলপীয়া কৰা হল। এই দুই খলপীয়াৰ জৰিয়তে গ্ৰাম্য জনসাধাৰণৰ উন্নতি নহল। গতিকে তিনি খলপীয়া পঞ্চায়তৰ কথা ভবা হৈছে। দুই খলপীয়া পঞ্চায়তী ৰাজৰ সময়ত যি ঘটনা ঘটোৱা হৈছিল সেই কথা সকলোৰে জ্ঞাত। এনেকুৱা ধৰণৰ হৈছিল যে কোনো ট্ৰেইনিং নোহোৱাকৈ কাম কৰিবলৈ কোৱা হৈছিল। কোনো কাম নাজানে।

অধ্যক্ষ মহোদয়, মই এটা কথা কবলৈ বিচাৰিছো যে তিনি খলপীয়া পঞ্চায়তী ৰাজ আনোতে প্ৰত্যক্ষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে। গ্ৰাম্য

জনসাধাৰণৰ উন্নতিকল্পে কৰ্ম্মচাৰীখিনিয়ে কেনে ধৰণে কাম কৰিব তাৰ কাৰণে মই অনুৰোধ জনাইছো যাতে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হয়। এই প্ৰশিক্ষণে গ্ৰাম্য জনসাধাৰণক উপকৃত কৰিব বুলি ভাবিছো। আৰু এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই কথাটো আমি মনাটো যুক্তি সংগত নহব। দুই খলপীয়া অথবা তিনি খলপীয়া ব্যৱস্থাৰ পঞ্চায়ত পদ্ধতিত মূল দোষ আছে। সাংবিধানিক দিশত যি কোনো ধৰণৰ গুৰুত্বপূৰ্ণ সালসলনিৰ বিষয়টো আগতে আমি আশা কৰি পঞ্চায়তী ৰাজ ব্যৱস্থাটোৰ সকলো দিশ খৰচী মাৰি পৰীক্ষা কৰা হব। এই প্ৰসঙ্গ পূনৰ দুহবাৰ ক্ষেত্ৰত গ্ৰাম্য জনসাধাৰণক এই কথাটো আমি বুজাব লাগিব, নহলে তেওঁলোকে কব ওপৰৰ পৰা জাপি দিয়া এইটো এটা পঞ্চায়ত ব্যৱস্থা হৈছে। পঞ্চায়ত মন্ত্ৰীলৈ ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰিছো।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, আজি পঞ্চায়ত বিল খন উত্থাপন কৰাৰ পাচত এই বিল সম্পৰ্কে যি সকল মাননীয় সদস্যই অংশ গ্ৰহণ কৰিছে, তাৰ অধিক অংশক সদস্যই বিল খন উত্থাপন কৰাৰ বাবে মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছে। বোধহয়, তেখেতসকলে বিল খন উত্থাপন কৰাৰ জৰুৰী বা প্ৰয়োজনীয়তা বোধ কৰি এই কথা স্বীকাৰ কৰি লৈছে। বিলখনত ভাল বেয়া দুয়োটা কথাই তেখেতসকলে উন্মুকিয়াইছে। মই ভাবো যে বিধায়ক সকলে আঞ্চলিক পঞ্চায়তৰ ভোট নোহোৱাকৈ পদেন সদস্য হিচাবে যিটো সুবিধা দিছে এইটো ঠিকেই হৈছে কাৰণ সাংবিধানিক ক্ষমতাৰে ৰাজ্য চৰকাৰৰ নীতি-নিয়ম সম্পৰ্কে তেওঁলোকে মন্তব্য ৰাখিব লাগিব। আঞ্চলিক পঞ্চায়তত এজন বিধায়কৰ প্ৰয়োজন হব। এই প্ৰয়োজনীয়তাখিনি ঠিকভাবেই পুৰুৱা হৈছে। এই বিলখনৰ ওপৰত আৰু কেইবাটাও কথা, বিশেষ ভাৱে 'ভিলেজ ভলন্টিয়াৰ ফৰ্চ' তাত ৰখা হৈছে। যুৱশক্তি উন্নয়নৰ কাৰণে গাওঁ পঞ্চায়তৰ মাধ্যমেৰে কামত খটোৱাবলৈকে বৰ্ত্তমানৰ বিল খনে যি সুবিধা ৰাখিছে এইটো এটা বৈপ্লৱিক ধাৰাৰে গুৰুত্বপূৰ্ণ ভাবে ৰখা হৈছে।

তাৰোপৰি, এই বিধান সভাৰ মজিয়াত কেইবাবাৰো প্ৰশ্নোত্তৰ কালত উল্লেখ কৰা হৈছিল যে পঞ্চায়ত কৰ্মীসকলে কিয় দৰমহা পোৱা নাই। পঞ্চা-য়ত কৰ্মীসকলক যোৱা দুবছৰ ধৰি দৰমহা দিয়া নাই। এই বিলখনৰ জৰিয়তে

গাওঁ পঞ্চায়তৰ কৰ্মীসকলক চৰকাৰীকৰণ কৰি চৰকাৰী চাকৰিয়াল হিচাবে বছৰি ৩ কোটি ২৮ লাখ টকাৰ বিনিময়ত যিটো অৰ্থ-নৈতিক সুৰক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে নিশ্চিত ভাবে গণপৰিষদ চৰকাৰ আৰু পঞ্চায়ত মন্ত্ৰীৰ কাৰণে ই এটা গৌৰবৰ বিষয় আৰু আমি ১৯৮৫ চনৰ বিধান সভাৰ বিধায়ক হিচাবে ৰাইজক গৌৰবেৰে এই কথাটো কব পাৰিম। ৩২০০ খন গাওঁ পঞ্চায়ত এইখন আইনেৰে গঠন কৰা হব আৰু প্ৰতিখন গাওঁ পঞ্চায়তৰ এজন 'চেক্ৰেটাৰী, এজন সম্পাদক, এজন চকীদাৰ, এজন কেৰাণী আৰু দুজন বা এজন কৰ সংগ্ৰহকাৰী কৰ্মচাৰী লাগিব। এখন গাওঁ পঞ্চায়তত ৫ জনকৈ কৰ্মচাৰী হলে ৩২০০ গাওঁ পঞ্চায়তত ১৬ হেজাৰ চাকৰীয়াল ওলাব। আৰু ইয়াৰ মাধ্যমেৰে ১৬,০০০ টা পৰিয়ালে অৰ্থ নৈতক ক্ষেত্ৰত এটা সহাৰি পাব। গতিকে এই বিল খনৰ বিৰোধীতা কৰিব লগা একো নাই। ১৯৭২ চনত যি খন 'এক্ট' পাচ কৰা হৈছিল সেইখনৰ মাজেৰে কিছুমান ভেকো-ভাওনাহে কৰা হৈছিল। দুখলপীয়া পঞ্চায়তী ব্যৱস্থা আৰু গাওঁ পঞ্চায়ত কাৰ্য্যলয়ৰ একো কাম নাথাকে। কাউন্সিলাৰৰ কি কাম তাৰ একো 'ডেফিনেশ্যন' নোহোৱা হ'ল, গাওঁ পঞ্চায়তৰ কাউন্সিলাৰক ভোট দি আহি সুধিছিলো কি কি কাম কৰিলে, তেওঁ কামৰ তালিকা দিব নোৱাৰিলে। বি, ডি, ওৰ অফিচটো একেবাৰে কাম নোহোৱাৰে এটা পৰ্য্যায়লৈ দুখলপীয়া পঞ্চায়ত ব্যৱস্থাই লৈ গল। গতিকে এতিয়া তিনিখলপীয়া পঞ্চায়তী ৰাজ বিলখন পঞ্চায়ত মন্ত্ৰী ডাঙৰীয়াই আনিছে, এইখনে সচাকৈয়ে গাওঁৰ দুখীয়া ৰাইজৰ উন্নয়নৰ কাৰণে পৰিকল্পিতভাৱে কাম কৰাৰ এটা সুন্দৰ ব্যৱস্থা ইয়াত ৰখা হৈছে। গতিকে এই বিলখনত বছৰি প্ৰায় ৩ কোটি ২৮ লাখ টকা খৰচ কৰি ১৬ হেজাৰ টা পৰিয়ালক যি ৰক্ষণা-বেক্ষণ দিব তাৰ প্ৰতি আমি স্বাগতম জনাব লাগিব। মই আশা ৰাখিছো এই বিল খনত থকা বিধায়ক সকলৰ যি 'চুপাৰভাইজিং পাৱাৰ' ইন এডিশ্যন হিচাবে দিছে এইটো সুন্দৰ ভাৱে কামত খটোৱাব লাগিব। আৰু গাওঁৰ ৰাইজক অৰ্থ নৈতিক ভাৱে সহাৰি দিয়াৰ কাৰণে এই পঞ্চায়তী ৰাজ বিল খনৰ জৰিয়তে আমি ব্যৱস্থা আনিব পাৰিম। এই বিল খনৰ প্ৰতি সমৰ্থন জনাবলৈ মই সকলো সদস্যক আহ্বান জনাইছো।

শ্ৰীদেৱ কুমাৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত মন্ত্ৰীয়ে দাঙিধৰা

বিলখনৰ প্ৰতি মই সমৰ্থন জনাইছো। ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ ক্ষেত্ৰত ১৯৮৬ চনৰ অসমৰ গ্ৰাম্য অঞ্চলৰ অৰ্থ-নৈতিক কাৰ্য্যসূচী সমূহক স্থানীয় শক্তিৰে কৰ্ম সম্পাদন কৰিবৰ কাৰণে যি খৰতকীয়া ব্যৱস্থা লৈছে তাৰ বাবে মই ধন্যবাদ জনাইছো। এই পঞ্চায়ত ৰাজৰ ক্ষেত্ৰত পূৰ্ব্বৰ চৰকাৰে ভুলকৈ যি ব্যৱস্থা ৰাখি থৈ গল, সেই ক্ষেত্ৰত মোৰ কিছুমান পৰামৰ্শ ৰাখিব খুজিছো। তাৰ ভিতৰত যি সাংবিধানিক সীমা আৰু খণ্ড সীমা এই কেইটাৰ ক্ষেত্ৰত বহুতো অঞ্চলৰ চুপাৰভাইজিং ব্যৱস্থা কৰবাত দুটা কৰবাত ৩টা আৰু কৰবাত ৫টা পৰ্য্যন্ত সমষ্টি মাজতে থাকি গল। সেই কাৰণে এই বিলৰ যোগেদি যিখন আইন প্ৰয়োগ কৰা হব সেই আইন এতিয়া কাৰ্য্যকৰীকৰণ হব। দ্বিতীয়তে সীমা নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত বহলাই আলোচনা কৰিলে ভাল হয়। এটা এটা সমষ্টিৰ ভিতৰত 'ব্লক'ৰ সীমা সুকীয়াভাৱে ৰাখি তিনি খলপীয়া ব্যৱস্থাৰে কাম কৰিলে সুফল হব বুলি মই ভাৱো। এই বিষয়ে কিছু বাখ্যা মন্ত্ৰী মহোদয়ৰ পৰা পালে নিশ্চয় সুখী হম।

ইয়াৰ উপৰিও পঞ্চায়তৰ সীমাৰ ভিতৰৰ যিটো জনসংখ্যা দিছে এইটো বৃদ্ধি হব লাগে। আগেয়ে ৭।৮ হাজাৰ জনসংখ্যাৰে একোটা গাওঁ পঞ্চায়তৰ এলেকা হৈছিল। এতিয়া এই বিলৰ যোগেদি ২ গুণ বাঢ়িব। যিহেতুকে ৬ হাজাৰ জনসংখ্যাৰ কথা কোৱা হৈছে। ৬ হাজাৰ জনসংখ্যাৰে একোখন গাওঁ পঞ্চায়ত হব। এইটোৱে আমাৰ নতুনকৈ সমস্যা আনিব পাৰে। একোটা বিধান সভা সমষ্টিত ৭২।৭৮ হাজাৰ ভোটাৰ থাকে। সেই হিচাবে চাবলৈ হলে একোটা বিধান সভা সমষ্টিত ১২।১৫ টা গাওঁ পঞ্চায়ত এলেকা হব পাৰে। গতিকে এই বিষয়ে দৃষ্টি আকৰ্ষণ কৰিছো যাতে এইটো বৃদ্ধি কৰিলে পৰিচালনাৰ ক্ষেত্ৰত সুবিধা আহিব পাৰে নেকি এইটো কথা ভালকৈ ভাবি চাই সংখ্যাটো থিক কৰিব লাগে। এইটো বাৰ হাজাৰ, ১৫ হাজাৰলৈ উন্নতি কৰিব পাৰিলে আগৰ দৰে এলেকা সমূহৰ ভিতৰত মিল থাকিব আৰু একো একোটা সমষ্টি নিৰ্দ্দিষ্ট কৰি ৰাখিব পাৰিলে ভাল হব। মই এইটো পৰামৰ্শ দিব বিচাৰিছো যে ৬ হাজাৰৰ বৃদ্ধিকৰণ কৰিব পাৰিলে পৰিচালনাৰ ক্ষেত্ৰত কিছু ভাল হব। এই কথাটো পৰীক্ষা কৰি চাবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

ইয়াৰ উপৰিও এখন গাওঁ পঞ্চায়তৰ কাৰণে এজন সচিব নিযুক্তি দিয়া হব। কিন্তু কৰ্য্যালয় একেটাই থাকিব। তেতিয়া এজন সচিবেই অফিচ চলাবনে নাই আৰু পিয়ন চকিদাৰ কিবা নিযুক্তি দিব? আমি ইতিমধ্যে অভিযোগ পাই আহিছো যে এজন কৰ্মচাৰীৰে কাম চলোৱাটো সম্ভৱপৰ নহয়। সেই কাৰণে মই পৰামৰ্শ দিব বিচাৰিছো যে সংখ্যাটো ৬ হাজাৰৰ বেচি কৰিলে পঞ্চাৰতৰ সংখ্যা কমি যাব আৰু সচিবৰ সংখ্যাও কমি যাব লগতে সচিবৰ সংখ্যা কমিলে যিখিনি টকা ৰাহি হব সেই টকাৰে এজনকৈ পিয়ন বা চকিদাৰ ৰাখিব পৰা হব। গতিকে মই এই পৰামৰ্শ কেইটা পৰীক্ষা কৰিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীআব্দুল জেলিল ৰাগিবী : মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত বিভাগৰ মন্ত্ৰীয়ে যি বিল উত্থাপন কৰিছে সেইটো মই সৰ্বান্তঃকৰণেৰে সমৰ্থন কৰিছো। এইটো কথা সঁচা যে অসমৰ ৰাইজে ৩ খলপীয়া পঞ্চায়ত ব্যৱস্থা বিচাৰিছে। আগেয়ে ৩ খলপীয়াই আছিল যদিও মাজে মাজে এইটো দুই খলপীয়া হৈছিল। পঞ্চায়তৰ জৰিয়তে যে অসমৰ ৰাইজৰ উন্নতি হৈছে সেইটো সঁচা কথা। এই সম্পৰ্কত মাননীয় সদস্য সকলে বহুত বিলাক গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰি গৈছে। মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি ২/৪টা সৰু সৰু কথা উল্লেখ কৰিব বিচাৰিছো।

মোৰ প্ৰথম কথা হল যে গাওঁ পঞ্চায়তেই হওক বা আঞ্চলিক পঞ্চায়তেই হওক বা মহকুমা পৰিষদেই হওক তাত কৰ্মচাৰী থাকে। ইয়াৰে সম্পাদকৰ ক্ষেত্ৰত কোৱা হৈছে যে তেওঁৰ দৰ্মহাৰ দায়িত্ব চৰকাৰৰ আৰু চৰকাৰৰ তৰফৰ পৰা দৰ্মহা দিয়া হব। কিন্তু তেওঁৰ লগতে যি বিলাক কৰ্মচাৰী গাওঁ পঞ্চায়তেই হওক বা আঞ্চলিক পঞ্চায়তেই হওক বা মহকুমা পৰিষদেই হওক ইয়াত থাকে, চকিদাৰৰ পৰা আৰম্ভ কৰি তেওঁলোকৰ দৰ্মহাৰ ক্ষেত্ৰত খেলি মেলি হৈ আছে। আমি কাগজত পঢ়িবলৈ পাইছো যে এই সকল কৰ্মচাৰীয়ে কোনোবাই ৭ মাহৰ পৰা ২ বছৰলৈকে দৰ্মহা নাপায়। এই মানুহ বিলাক অতি দুখীয়া। সেই কাৰণে এই মানুহ বিলাকৰ প্ৰতি চৰকাৰ সহানুভূতিশীল হব লাগে। এইখিনি ক্ষেত্ৰত চৰকাৰে কিবা কৰিব পাৰিলে

এই দুখীয়া মানুহখিনিক সহায় কৰা হব আৰু উপকাৰ কৰা হব।

দ্বিতীয়তে এই বিলত উল্লেখ কৰা হৈছে যে গাওঁ পঞ্চায়তেই হওক বা আঞ্চলিক পঞ্চায়তেই হওক বা মহকুমা পৰিষদেই হওক ইয়াৰ ধন বেংকত ৰখা হব। আঞ্চলিক পঞ্চায়ত আৰু মহকুমা পৰিষদৰ ক্ষেত্ৰত সচিবে ইয়াৰ টকা বেংকৰ পৰা উলিয়াব পাৰিব কিন্তু গাওঁ পঞ্চায়তৰ ক্ষেত্ৰত টকা উলিওৱাৰ দায়িত্ব সভাপতিক দিয়া হৈছে। এই ক্ষেত্ৰত আমাৰ আপত্তি আছে। কিয়নো আগেয়ে আমি সভাপতি সকলে টকা পইচাৰ ক্ষেত্ৰত বহুত বিলাক খেলি-মেলি কৰা কথা জানিবলৈ পাইছো। কিছুমান সভাপতিয়ে টকা বেংকৰ পৰা উলিয়াই নিজৰ পকেটত ৰাখে। গতিকে মই মন্ত্ৰী মহোদয়ক পৰামৰ্শ দিব বিচাৰিছো যে যিহেতুকে সচিবৰ পদটো চৰকাৰীকৰণ কৰা হৈছে সেই কাৰণে আঞ্চলিক পঞ্চায়ত আৰু মহকুমা পৰিষদৰ দৰে গাওঁ পঞ্চায়তৰ সচিবকো টকা উলিয়াবলৈ দায়িত্ব দিব লাগে সভাপতিৰ পৰিবৰ্ত্তনৰ লগতে মই আৰু এটা কথা কব বিচাৰিছো যে গাওঁ পঞ্চায়তেই হওক বা আঞ্চলিক পঞ্চায়তেই হওক বা মহকুমা পৰিষদেই হওক সকলোৱেই টকা ষ্টেটবেংক আৰু আচাম ক'অপাৰেটিভ এপেক্স বেংকত জমা থোৱাৰ যি নিয়ম কৰিছে সেইটোৰ লিমিটেচন নিদি চৰকাৰৰ যি বিলাক স্বীকৃতি প্ৰাপ্ত বেংক আছে সেই সকলোতেই থোৱাৰ দিহা কৰিব লাগে। মই এই খিনিকে পৰামৰ্শ আগবঢ়াই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীমুক্তাব হুচেইন: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় পঞ্চায়ত মন্ত্ৰী মহোদয়ে যিখন বিল এই সদনত উত্থাপন কৰিছে সেই বিলখনৰ বিষয়ে দুষাৰমান কব বিচাৰিছো। এই বিষয়টো এটা খুব গুৰুত্বপূৰ্ণ বিষয়। ইয়াত পুৰণা গাওঁ পঞ্চায়তৰ কথা উল্লেখ কৰা হৈছে আৰু কোৱা হৈছে যে পুৰণা গাওঁ পঞ্চায়তৰ যি সকল কৰ্ম্মচাৰী বৰ্ত্তমান আছে তেওঁলোকক এভেইলেবিলিটি অৱ ভেকেঞ্চিৰ ওপৰত নিৰ্ভৰ কৰি নিযুক্তি দিয়া হব। আৰু কোৱা হৈছে যে নতুন যিবিলাক মহকুমা পৰিষদ গঠন হব সেই বিলাকত ভেকেঞ্চি থাকিলে তেওঁলোকক অগ্ৰাধিকাৰ দিয়া হব। নতুন পঞ্চায়ত গঠন হোৱাৰ লগে লগে এই পুৰণা কৰ্ম্মচাৰী সকল বাদ পৰি গলে এইটো বৰ দুখৰ কথা হব। মোৰ বোধেৰে তেওঁলোকৰ কথাটোও চিন্তা কৰা উচিত আছিল।

গতিকে এই যি সকল পুৰণা কৰ্ম্মচাৰী তেওঁলোকক নতুন পঞ্চায়তত নিযুক্তিৰ কথাটো বিলখনতে উল্লেখ থকা উচিত আছিল। এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিব।

শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত মন্ত্ৰী) ঃ শ্ৰদ্ধেয় অধ্যক্ষ মহোদয় আৰু সদন, যিখন পঞ্চায়ত বিল ইয়াত উত্থাপন কৰা হৈছে সেইখন সময়োপোযোগী হৈছে বুলি প্ৰতিজন মাননীয় সদস্যই কৈছে। তাৰ কাৰণে মই তেখেত সকল আটাইকে মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। এই পঞ্চায়ত বিলখন অনা ক্ষেত্ৰত আমাৰ বিভাগীয় বিষয়া সকলোৰে পৰা আৰম্ভ কৰি সচিবালয়ৰ সচিব মহোদয় পৰ্য্যন্ত যথেষ্ঠ কষ্ট কৰিবলগীয়া হ'ল। বিলখন এই সচিবালয়লৈ আহিছে ২৯ তাৰিখে আৰু প্ৰেছলৈ গৈছে ৩১ তাৰিখে। তাৰ পিছত ১ তাৰিখে নেকি পাৰাৰ চৰ্ট হ'ল আপোনালোকে জানে আমাৰ সচিব ডাঙৰীয়াইটো বিপাংতে পৰিছিল কিন্তু মই তেখেতক কলো যে এই অধিবেশনতে দাখিল কৰিম বুলি কথা দিছো আৰু সেয়ে আপুনি এই অধিবেশনত দাখিল কৰিব পৰা কৰি দিব লাগে। সেয়ে ইমান ভলিউম কিতাপখন ছপা কৰোতে বা কৰি উলিয়াওতে ইমান কম সময়ৰ ভিতৰত খৰখেদা কৰোতে কিছু ভুল থাকি গৈছে। এই খিনি আমাৰ ইচ্ছাকৃত নহয়। ২-৩ দিনৰ ভিতৰতে ইমানখিনি ছপা কৰাত ভুল হোৱাটো স্বাভাবিক। গণ পৰিষদ চৰকাৰ অহাৰ আগতে কংগ্ৰেছ আই বা কংগ্ৰেছ এচ হঁতক যি সকলক শাসনত অধিস্থিত কৰিছিল, যি সকল লোকৰ শতকৰা ৯৯ ভাগেই ভাৰত স্বাধীন কৰাত বৰঙনি যোগাইছিল যেনে—কুশল কোঁৱৰ, কনকলতা, মুকুণ্ড কাকতী তেওঁলোক হালোৱা চহুৱা লোকেই আছিল। ১৩০ বছৰে এই লোক সকল লাঞ্ছিত হৈয়ে থাকিল। এই হালোৱা চহুৱা লোক সকলৰ প্ৰতি আমাৰ এটা দায়িত্ব আছে। বহুতে পঞ্চায়ত বিভাগটো দায়িত্বপূৰ্ণ বিভাগ নহয় বুলি কয় যদিও মই হলে দায়িত্বপূৰ্ণ বুলিয়ে ভাবিছো আৰু আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে এনে এটা দায়িত্বপূৰ্ণ বিভাগ মোৰ ওপৰত জাপি দিছে। যি সকল লোকে আমাক ইমান আশাৰে বা অস্থিৰে শাসনত অধিস্থিত কৰিলে তেওঁলোকৰ

দুখ-দুৰ্গতি মোচন কৰা ৫ বছৰেই সম্ভৱপৰ নহয় তথাপি আমি নিশ্চয় চেষ্টা কৰিব লাগিব। গতিকেই মই এই বিলখন খৰখেদাকৈ অনাটো উচিত বুলি ভাবিছো। বিৰোধী পক্ষৰ দুই এজন সদস্যই এই বিলখন চিলেক্ট কমিটিত পঠিওৱাৰ কথা কৈছে। মই ব্যক্তিগতভাবে তাৰ বিৰোধীতা কৰিছো। আমাৰ এটা উদ্দেশ্য হ'ল এই পঞ্চায়ত বিলাকৰ নিৰ্ব্বাচন যিমান সোনকালে পাতিব পৰা যায় সিমানেই মঙ্গল। এইবিলখন চিলেক্ট কমিটিলৈ পঠিওৱা হলে এই অধিবেশনৰ ভিতৰত আনিব পৰা নহ'লহেতেন অৰ্থাত ৬-৭ মাহ গেপ যাব। পঞ্চায়ত সমূহ এটক কৰাত পঞ্চায়ত মন্ত্ৰী হিচাবে মোৰ ব্যক্তিগতভাবে আপত্তি আছে। উদাহৰণ স্বৰূপে চিভিল এচ ডি ও এজনে মহকুমা পৰিষদ চলোৱা টান কাৰণ তেওঁলোকৰ অন্য বহুত কাম থাকে। সেই কাৰণে মই এই বিলখনত সকলোৰে সহযোগিতা কামনা কৰিছো। কেইটামান কথাত অৱশ্যে বিৰোধী পক্ষৰ মাননীয় কেইজনমান সদস্য শ্ৰীআলটাফ হুচেইন মজুমদাৰ, শ্ৰীওচমানী, শ্ৰীহেমেন দাস তেখেত সকলে আঞ্চলিক পঞ্চায়তত বিধায়ক সকল থকাৰ সপক্ষে যুক্তি দিছে। মই ব্যক্তিগতভাবে এই কথাটো ভাল হব বুলি নাভাবো। আমি দেখিছো ইয়াৰ আগতে বিধায়কসকলে কি কৰিছে। বহুতৰ ঘৰৰ ওচৰত পানী যোগান ধৰিছে। মই নিজে জানো আমাৰ প্ৰাক্তন মুখ্য মন্ত্ৰীৰ সমষ্টিত গড়গাওঁ কলেজ তাত পানী যোগান নহ'ল কিন্তু তাৰ কিছু দূৰত পানী যোগান ব্যৱস্থা আছে। গতিকে তেখেতসকলে শাসন প্ৰক্ৰিয়াত সোমাই পৰিলে বহুতৰ অৱস্থা বা বহুত ৰাইজৰ অৱস্থা থৰক বৰক হব বুলি মই ভাবো। কিন্তু যিটো মূল উদ্দেশ্য গাওঁ পঞ্চায়তৰ সেই বিষয়ে তেওঁলোকে বিধান সভাৰ মজিয়াত কিছু কথা জনাব পাৰিব। তেখেত সকলে গ্ৰাম্য উন্নয়ন বা পৰিকল্পনা আদিত নিশ্চয় ভাগ লব পাৰিব। মাননীয় সদস্য সকলে কৈছে যে খণ্ড উন্নয়ন গঠন কৰা সম্পৰ্কে, আমাৰ মাননীয় সদস্য সকলে নিশ্চয় জানি সুখী হব যে আমি প্ৰতিটো বিধান সভা সমষ্টিতে দুটাকৈ খণ্ড উন্নয়ন কাৰ্য্যালয় কৰাৰ কথা সিদ্ধান্ত লৈছো লগে লগে ইতিমধ্যে পৰিকল্পনা বিভাগে বিবৃতি দিছেই যে বিডিও সকলৰ কাৰণে ১০০ খন জীপগাড়ী কিনাৰ ব্যৱস্থা কৰা হৈছে। জনসংখ্যাৰ সম্পৰ্কত মই মতামত দাঙি ধৰিব খুজিছো ৬-৮ হাজাৰ ভিতৰত হব। আমাৰ মাননীয় সদস্য শ্ৰীদেৱ কুমাৰ বৰা দেৱে কৈছে যে মুঠ জনসংখ্যা ভোটাৰ নহয় ১২ হাজাৰৰ পৰা ১৫ হাজাৰ ভিতৰত হব লাগে।

আমাৰ বিৰোধী পক্ষৰো বহুত কেইজন অভিজ্ঞ বিধায়ক আছে তেখেত সকলে গাওঁ পঞ্চায়তত আছিল ও তেখেত সকলে যদি ১২ হাজাৰৰ পৰা ১৫ হাজাৰৰ ভিতৰত হব লাগে বুলি মতামত দিয়ে আমি শাসনত থকা হলে গাওঁ অঞ্চলৰ কল্যান কামনা কৰো সকলোৰে ভাবিলে সেইটোৱেই হব। এই বিলখন গ্ৰহণ কৰাৰ পাছত পৰবৰ্ত্তী কথা নিৰ্ব্বাচন দিলিমিটেচন এই বিলাক পাছত আহিব।

এই খিনিকে কৈ মই মাননীয় সদস্য সকলৰ সহযোগিতা কামনা কৰি বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীগুনীন হাজৰিকা ঃ অধ্যক্ষ মহোদয়, কৰ্ম্মচাৰী সকলৰ বিষয়ে কবলৈ অনুৰোধ জনালো।

শ্ৰীচন্দ্ৰ আৰনন্ধৰা (মন্ত্ৰী) ঃ বৰ্ত্তমান গাওঁ পঞ্চায়ত বিলাকত ৩ জন চাকৰিয়াল আছে। এজন চেক্ৰেটাৰী, এজন চকিদাৰ বা পিয়ন আৰু এজন টেক্স কলেক্টৰ (ভইচ—৩ জন নহয়, ৫ জন) চকিদাৰৰ কাম ৰাতি ৰখা। তেওঁৰ চাকৰী নিশ্চয় থাকিব। মই তিনিও জনৰে চাকৰী চৰকাৰীকৰণ কৰিব লাগে বুলি মই পঞ্চায়ত মন্ত্ৰী হিচাবে মুখ্য মন্ত্ৰী মহোদয়ক ধৰিছিলো আৰু সেই হিচাবে আমি প্ৰস্তাবো দিছিলো কিন্তু দিল্লীৰ পৰিকল্পনা আয়োগে যেতিয়া টকা ধাৰ্য্য কৰে তেতিয়া চৰকাৰীকৰণ ব্যৱস্থাটো বাদ দিলে। প্ৰথম পদক্ষেপ হিচাবে আমি চেক্ৰেটৰীজনৰ চাকৰী চৰকাৰীকৰণ কৰিবলৈ লৈছো তাৰ পিছত আমাৰ নতুন গণপৰিষদ চৰকাৰে পৰ্য্যায়ক্ৰমে বাকী সকলৰো নিশ্চয় সুবিধাৰ কথা চিন্তা কৰিম।

Mr. Speaker : Now, I put the motion before the House. The motion is that the Assam Panchayati Raj Bill, 1986 be taken into consideration.

The motion is Passed.

Now, item No 12 (b).

There is no amendment to clauses 2 to 5 of the Bill. So, I put clauses 2 to 5 do form part of the Bill.

Clauses 2 to 5 do stand part of the Bill.

There are three admendments to clause 6 of the Bill. First in the name of Shri Chandra Arandhara, Minister, Panchayat; Second Shri Altaf Hussain Mazumdar and third Shri Sheikh Saman Ali and Shri Abdul Hamid Mazumdar. Now, hon'ble Minister Panchayat to move.

Shri Chandra Arandhara, (Minister) : Hon'ble Speaker, Sir. I beg to move that the figure '6' occuring in line 2nd and the figure '4' occuring in line 3rd in the first proviso to sub-clause (2) of Clause 6 shall be substituted by the figures '8' and '6' respectively.

Mr. Speaker : Now I put the amendment The motion is that the figure '6' occuring in line 2nd and the figure 4 occuring in line 3rd in the first proviso to sub-clause (2) of Clause 6 shall be substituted by the figures '8' and '6' respectively. The amendment is accepted.

Now, hon'ble member Shri Altaf Hussain Mazumdar to move.

Shri Altaf Hussain Mazumdar : Mr. Speaker, Sir. I beg to move that the figure '6' occuring in line 2nd and the figure '4' occuring in line 3rd in the first proviso to sub-clause (2) of Clause 6 shall be substituted by the figures '10' and '8' respectively.

Mr. Speaker : Now, I put the motion before the House. The question is that the figure '6' occuring in line 2nd and the figure '4' occuring in line 3rd in the first proviso to sub-clause (2) of Clause 6 shall be substituted by the figures '10' and '8' respectively.

......

The amendment is lost.

Now, hon'ble member Shri Sheikh Saman Ali.

Shri Sheikh Saman Ali : Mr. Speaker, Sir. I beg to move that the figure '6' occuring in line 2nd and the figure '4' occuring in line 3rd in the first proviso to sub-claus (2) of Clause 6 shall be substituted by the figures '10' and '8' respectively.

Mr. Speaker : Now I put the amendment to vote. The question is that the figure '6' occuring in line 2nd and the figure '4' occuring in line 3rd in the first proviso to snb-clause (2) of Clause 6 shall be substitued by the figures '10' and '8' respectively.

The amendment is lost.

Now, I put the clause 6 as amended do stand part of the Bill.

Clause 6 as amendment stands part of the Bill.

There are no admendment to Clauses 7 to 9. So, I put Clauses 7 to 9 do form part of the Bill.

...

Clauses 7 to 9 stand part of the Bill.

There are three amendments to Clause 10 of the Bill in the name of Shri Binai Khungur Basumatari.

Shri Binai Khungur Basumatatri : Mr. Speaker, Sir. I beg to move that (a The following proviso shall be added to sub-clause (1) of clause 10—"Provided that the total number of members in each Gaon Panchayat shall not exceed 14 including all co-opted members." (b) Delete the punctuation colon "(:)" occuring at the end of second proviso to Clause 10 after the word "elected" and insert the words "by resolution" after the word

"elected" in the last line and (c) Delete the punctuation semi-colon "( ; )" occuring after the word "Panchayat" at the end of the third proviso to Clause 10 (1) and insert the words "by resolution" after the word "Panchayat" in the last line.

Sir, I beg to move this because even though ten members are to be elected there are provisos for electing one person from scheduled caste, one person from scheduled tribe and two lady members and there is one from the samabai samities. Therefore, Sir, we find that a final figure has not been mentioned here. Therefore, I wish to restrict the provision to 14 number of members. In regard to (b) even if the provision for two women members are there, the procedure of co-opting them is not there. Whether there wlll be elections or whether there will be resolutions or what will be the procedure for co-opting the members is not clear. Therefore, I wish to move that the Panchayat should select the lady members by resolution. This will diminish all sorts of problem that may arise. If a resolution is adopted in this case then I think we will be able to diminish the problems that may arise in regard to co-option. I therefore wish to move and request the House to adopt that the procedure of co-option be clarified at this House through a resolution. Thank you Sir,

Mr. Speakar : Now, I put the amendment before the House.

Shri Binai Khungur Basumatari : On a point of order Sir. If I remember correctly when we move amendment the Minister is required to tell us what he feels about the amendment. That is the procedure followed earlier.

( Voice : The Minister is not present )

Shri Binai Khungur Basumatari : The presenee of the Minister is required Sir.

Shri Hemen Das : Let the Minister come. ( Minister Panchayat while entering the House— Probably the hon'ble member also cannot go against nature. )

Mr. Speaker : Hon'ble Minister, Panchayat, are you going to accept the amendment moved by Shri Binai Khungur Basumatari ?

Shri Chandra Arandhara, Minister : Hon'ble Speaker, Sir. The whole Bill has been given sufficient thought. Therefore, I do not think that this amendment is tenable.

Mr. Speaker : So I put the amendment before the House. The motion is that the following proviso shall be added to sub-clause (1) of Clause 10—

(a) "Provided that the total number of members in each Gaon Panchayat shall not exceed 14 including all co-opted members."

(b) Delete the punctuation colon "( : )" occuring at the end of second proviso to Clause 10 after the word "elected" and insert the words "by resolution" after the word "elected" in the last line.

(c) Delete the punctuation semi-colon "( ; )" occuring after the world "Panchayat" at the end of the third proviso to Clause 10 (1) and insert the words "by resolution" after the word "Panchayat" in the last line.

Shri Binai Khungur Basumatari : Sir, point of order. If I propose to correct and when we move and after that the Minister is required to tell us what he feels about our motion. It is the tradition of the House that the mover must be there in the House and his reaction is to be known.

( Mover was out for a few minutes only and came back )

Mr. Speaker : Are you going to accept the amendment placed by Hon'ble Member, Mr. B. K. Basumatari on Clause 10 ?

Shri Chandra Arandhara, Minister : Hon'ble Speaker Sir, the whole Bill has been constituted giving sufficient consideration to the previous bills also. Therefore, I think that this amendment is not tenable.

Mr. Speaker : I put the amendment before the House and the motion is that :

(a) The following proviso shall be added to sub-clause (1) of Clause 10 "provided that the total number of members in each Gaon Panchayat shall not exceed 14 including all co-opted members."

(b) Delete the punctuation colon "( : )" occuring at the end of second proviso to Clause 10 after the word "elected" and insert the words 'by resolution" after the word "elected" in the last line.

(c) Delete the punctuation semi-colon "( ; )" occuring after the word "Panchayat" at the end of the third proviso to Clause 10 (1) and insert the words "by resolution" after the word "Panchayat" in the last line.

( Voice : 'No', 'No' )

The amendment is lost. I put Clause 10 to the House. Clause 10 do stand part of the Bill. There is no amendment of Clause 11 and 12 of the Bill. Clause 11 and 12 do form part of the Bill.

( Voice : 'Yes', 'Yes' )

Clause 11 & 12 stand part of the Bill.

There are two amendments on Clause 13 of the Bill : First, Hon'ble Members, Shri Yusuf Ali Ahmed and Shri Abdul Jalil Ragibi and the second one in the name of Hon'ble Member, Shri B. K. Basumatari.

Now, Shri Yusuf Ali.

Shri Yusuf Ali : Hon'ble Speaker, Sir. I would move that— For the words "nominated by the Government" occuring in line three in item 'C' of Sub-clause (1) of Clause 13 shall be substituted by the words "be elected by the said co-operative societies."

Mr. Speaker : And Shri Abdul Jalil Ragibi.

( Shri Abdul Jalil Ragibi dittoed )

শ্ৰীচন্দ্ৰ আৰাম্বৰা, (পঞ্চায়ত মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই আগতে কৈছোয়েই যে বহুখিনি চিন্তা কৰিয়েই আৰু আগৰ পঞ্চায়ত আইন সমূহ আলোচনা কৰিহে এই বিল অনা হৈছে। কামত আৰম্ভ কৰাৰ পিচত যদি সংশোধন কৰিবলগীয়া অনুভৱ হয় তেতিয়া হলে পৰৱৰ্তী অধিবেশনত সংশোধন কৰিব পৰা হব।

Mr. Speaker : I put the amendment before the House. The motion is that— For the words "nominated by the Government" occuring in line three in item 'C' of sub-clause (1) of Clause 13 shall be substituted by the words "be elected by the said co-operative societies."

( Voice : 'No', 'No' )

Mr. Speaker : The amendment is lost.

Shri Binai Khungur Basumatari : Mr. Speaker Sir, I beg to move that the punctuation full stop "(.)" occuring after the word "Vote" at the end of sub-clause (4) of Clause 13 shall be deleted and the words "and to contest for the Presidentship" shall

be inserted after the word "vote" in the last line. Sir, this Sub-clause (4) of Clause 13, Page 14, "All members of the State Legislative Assembly and of the Parliament whose constituency falls within the Anchalik Panchayat area shall be ex-officio members of the Anchalik Panchayat without the right to vote"—stating further, we find that the President will not vote at the first instance, but only that there is a provision of vote, only then President will exercise the vote. Therefore, it is implied that the M. L. As and M. Ps do not have the right to vote, and therefore, I wish further development on it and make it more clear for us all so that M.L. As and M. Ps do not contest for presidentship of the Anchalik Panchayat because they have already seen that some Members wish to contest for presidentship in this Aanchalik Panchayat and Mahkuma Parishad. So I wish to suggest that M. L. As and M.Ps should not contest for presidentship and I hope Govt. will realise the position and participate to this argument.

শ্ৰীচন্দ্ৰ আৱন্ধৱা, পঞ্চায়ত মন্ত্ৰী : অধ্যক্ষ মহোদয়, এজন ছুথীয়া বিধায়ক বা এম-পিক এক্স অফিচিও' মেম্বাৰ হিচাপে ৰখা হৈছে। সেই সকল ব্যক্তিক পঞ্চায়ত ইলেকচন বা আঞ্চলিক বা মহকুমা পৰিষদৰ পৰা বাদ দিয়া যুক্তিসঙ্গত নহব। কিয়নো আগতে কৈছোৱেই যে তেতিয়া ইয়াৰ যিটো অট 'ন' মাচ আইডেনটিটি আছে সেইটো ডিমোৰেলাইজ হব।

Mr. Speaker : I put the amendment before the House :

"The punctuation full stop "(.)" occuring after the word "vote" at the end of sub-clsuse (4) of Clause 13 shall be deleted and the words "and to contest for the Presidentship" shall be inserted after the word "vote" in the last line."

(The amendment got lost by voice votes and clause 13 was adopted)

Now, amendment to the clause 14.

Shri Altaf Hussain Mazumdar : I do not move this amendment.

Mr. Speaker : Clause 14 do stand part of the bill.

(The motion was adopted.)

Mr. Speaker : Now amendment of Clause 15 put by Shri Ardhendu Kr. Dey and Shri Santi Ranjan Das Gupta.

Shri Ardhendu Kumar Dey : I beg to move that the second proviso to sub-clause (2) of Clause 15 shall be substituted by the following –

"Provided further that in case of resolutions State Govt. may by a notification place the Anchalik Panchayat so dissolved, under an Executive Officer and within 6 months of the dissolution the election of that Anchalik Panchayat should be held."

Shri Santi Ranjan Das Gupta : Minister has already said that it is his desire to substitute any elected body with any ad hoc Body. But in Sec. 2 of the Clause 15, there is such a term that if an Anchalik Panchayat is dissolved that may be replaced by an Ad Hoc Body : so the amendment that should be put is that under the Executive Officer, within six months of the dissolution the election shall be held. That is the whole intention of this Bill. Minister has agreed to have an Ad Hoc Body, but whenever there is dissolution it may be replaced by another body.

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো ঘোষণা কৰিছে আমিও তেখেতৰ লগত একমত। কাৰণ চিৰাচৰিত পদ্ধতি পূৰ্ব্বৰ পৰা চলি আছে। 'এধক' কমিটি কৰিছো কিয়? কিবা আইন থকাৰ কাৰণেহে আমি কৰো। বে-আইনিভাৱে কৰা কিছুমান কামৰ পৰা হাত সাৰিবৰ কাৰণে মন্ত্ৰী মহোদয়ে লক্ষ্য ৰাখিলে ভাল হয়।

শ্ৰীচন্দ্ৰ আৰন্ধৰা ( পঞ্চায়ত মন্ত্ৰী ) ঃ এধক কমিটি বুলিলে মই যিটো বুজো সেইটো হৈছে অতি জৰুৰীকালিন এটাত হে এধক কমিটি কৰিব পাৰে। কিন্তু আগৰ চৰকাৰৰ দিনত এধক কমিটি বুলিলে 'ৰেগুলাৰ ফি'চাৰত পৰিণত হৈছিল। আইনগত ভাৱে ব্যৱস্থা লবলৈ আমি নিশ্চয় চেষ্টা কৰিম। আমাৰ গণপৰিষদ চৰকাৰে আগৰ চৰকাৰৰ ওভোটা গুৰুহাৰ জোতা পিন্ধিব খোজা নাই।

শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে ঃ কিমান সময়ৰ ভিতৰত কৰা হব ?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত মন্ত্ৰী) ঃ আলোচনাটো অসম্পূৰ্ণ হৈ আছে যেন পাইছো।

শ্ৰীহেমেন দাস ঃ এমাহ দুমাহ কি লাগে সময়ৰ কথা কলে ভাল।

শ্ৰীচন্দ্ৰ আৰন্ধৰা ( পঞ্চায়ত মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, মই আগতে কৈছো যে, অতি নিষ্ঠা, চেষ্টা আৰু সততাৰে মে মাহৰ ভিতৰতে পাতিম বুলি সদনত ঘোষণা কৰিলো। প্ৰধান মন্ত্ৰীয়েও চণ্ডিগড়খন ২৬ জানুয়াৰীৰ ভিতৰতে আনিম বুলি কৈছিল। ইতিমধ্যে আমি বিলখন আনিছো, যিমান সোনকালে পৰা যায় নীতিগতভাৱে নিৰ্ব্বাচন পতাৰ কথা আমি চিন্তা কৰিছো।

Shri Charan Narzary : Sir a Point of Order Sir, all the members know that a few days back in reply to a question put by a hon. member Mr. Majumdar, the Minister in charge of Panchayat says that he is contemplating to hold the Panchayat elections during May. On a subsequent day, I remember in reply to a question the Hon. Minister again said that all that has been said by a minister cannot bc expected to materialise.

Shri Chandra Arandhara ( Minister ) : I have cited the example of Prime Minister himself who announced in the House that Chandigarh would be transferrad to Punjab on 26 th January—even the Prime Minister also could not……

Mr. Speaker : I put the amendment before the House. The second proviso to sub-clause (2) of Clause 15 shall be substituted by the following "Provided further that in case of resolutions State Govt. may by a notification place the Anchalik Panchayat so dissolved, under an Executive Officer and within 6 months of the dissolution tha election of that Anchalik Panchayat should be held."

(The amendment is lost)

I put that Clause 15 do form part of the Bill. There is no amendment to Clauses 16 to 19 which do form part of the bill.

(The motion is adopted)

There is an amendment in clause 20 of the bill in the name of Shri B. K. Basumatari. Now, Mr. Basumatari. to move.

Shri Binai Khungur Basumatari : Mr. Speaker Sir, I want to move that the following proviso shall be inserted after sub-clause (1) of Clause 20 – provided that no Ex-officio Member shall seek election as the President of the Mahkuma Parisad.

Sir, I have already stated that my intention is to make this bill absolutely clear to them, who are involved with it and absolutely clear to all who will be working under this Act. Sir, I have already said that the ex-officio members do not have any right to Vote and that itself imply that they do not desire to become ex-officio members. Since this is the implied view of the Govt- I want to make this clause apparently clear and therefore, I am moving this amendment. We hope Sir, the Govt. will be liberal enough not to think that the Opposition is moving this amendment for the sake of opposition. We only want to help that

there are certain contents which we have not understood clearly and so to understand it properly we are trying to make it more clear through an amendment to this clause. I hope Sir, Since the Govt, has been repeatedly asking for our co-operation would be ready to extend equally their co-operation to allow this amendment to pass on. Thank you Sir,

Shri Chandra Arandhara ( Minister ) : Mr. Speaker Sir, In this connection, I read out Clause 20 sub-clause (1), "When the Mahakuma Parisad has been constituted under section 18, the Deputy Commissioner or the Sub-divisional Officer, as the case may be shall call a meeting of the Mahakuma Parisad for the election of the President and Vice-President form amongst its members in the manner prescribed".

So Sir, it is clearly stated "from amongst its members". It is clearly stated that the President and Vice-Presidents will be elected from amongst its members.

Shri Binai Khungur Basumatari : In the sub section (2) the word "If" is used which means that I can also contest— then what will be the position Sir.

Shri Chandra Arandhara ( Minister ) : Mr. Speaker Sir, I would like the hon, member to try to understand what 'members' and 'Ex-officio' members means.

Mr. Speaker : Now, I put the amendment before the House that the following proviso shall be inserted after sub-clause (1) of Clause 20 – "Provided that no ex-officio member shall seek election as the President of the Mahakuma Parisad".

The amendment is lost.

I put that Clause 20 of the Bill do form part of the bill.

(The motion is adopted )

There is no amendment to clauses 21 to 62 of the Bill. Clauses 21 to 62 do form part of the Bill. (The motion is adopted). There are two amendments to Clause 63, in the name of Shri Makbul Hussain and Shri Sheikh Samal Ali.

Shri Mokbul Hussain : Sir, I beg to move that (i) In sub-clause (2) (a) in line second for the word "President" the word "Secretary" shall be substituted,

(ii) In line fifth for the words "State Bank of India" the words "Nationalised Bank of India" shall be substituted.

তাৰোপৰি একাউণ্ট আদি চাবৰ বাবে এজন চেক্ৰেটৰি ৰাখিব পাৰিলে ভাল হয়। সভাপতি থাকিলে আজি আছে কালি নাই এনে ধৰণৰ অসুবিধা হৈ থাকে।

দ্বিতীয়তে আমাৰ গাওঁ পঞ্চায়তৰ একাউণ্ট খোলাৰ বাবে এপেক্স বেংক আৰু ষ্টেট বেংকতহে খুলিব পাৰি। বহু ঠাইত এই দুয়োটা শাখা নাই। গতিকে যি কোনো নেচনেল বেংকত একাউণ্ট খোলাৰ ব্যৱস্থা কৰিব লাগে।

Shri Binai Khungur Basumatary : Sir, I wish to support this amendment motion. It is a very pragmatic suggestion. In a place like mine also we do not have Co-operative Apex Bank, and even though Udalguri is declared as subdivisional headquarter there is no branch of the State Bank of India either. So people of this area will have to move to a big town like Mangaldai or Tezpur and it will involve a lot of expenses on the part of the people. So that is a very pragmatic suggestion and I hope the Government will accept this amendment.

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, মই এইটো সমৰ্থন কৰিছো। এটা নিৰ্দ্দিষ্ট কৰি দিলে সুবিধা হয়। যিহেতু এতিয়া বেছিভাগেই নেচনেলাইজ বেংক। অসম চৰকাৰৰ দ্বাৰা স্থাপন কৰা কিছুমান বেংক আছে গতিকে এইটো সকলো বেংকতে খোলাৰ ব্যৱস্থা কৰিব লাগে।

Shri Altaf Hussain Mazumdar : Sir, I also support this amendment and I would request the Hon. Minister of Panchayat to consider this. Sir, in many Panchayat areas there are no branches of the State Bank of India nor any branch of Assam Co-op. Apex Bank but there are branches of other nationalised Banks functioning in many such areas. In that circumstances, if this amendment is not incorporated it will mean carrying lot of cash to distant town or other places where Apex Bank or State Bank of India are functioning. That is a risk, and I hope that Government will accept this amendment.

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এপেক্স বেংকৰ শাখা সকলো ঠাইতে নাই। ষ্টেট বেংকৰ শাখা অসমৰ প্ৰায় সকলো ঠাইতে আছে। যদি কোনো নিৰ্দ্দিষ্ট গাওঁ পঞ্চায়তৰ পৰা তেনেধৰণৰ অভিযোগ আছে তেনেহলে আমি সেই বিষয়ে বিবেচনা কৰি চাম।

Mr. Speaker : Now I put the motion of amendment before the House. The motion is that (i) In Sub-clause (2) (a) in line second for the word "President" the word "Secretary" shall be substituted, and (ii) In line fifth for the words "State Bank of India" the words "Nationalised Bank of India" shall be substituted.

(The amendment is lost by voice vote)

Now I put to vote that Clause 63 does form part of the Bill.

(The motion is passed by voice vote)

There is no amendments to clauses 64 to 100. So I put the motion to vote that Clauses 64 to 100 do stand as part of the Bill.

(voice — yes, yes)

The motion is passed. Clauses 64 to 100 do form part of

the Bill. Now I put the motion that Clauses 1 to 100, the Preamble, enacting formula and the Short Title of the Bill do form part of the Bill.

(voice— yes, yes)

The motion is passed and the Clauses 1 to 100, Preamble enacting formula and short title form part of the Bill.

Now Item No. 12 (c). Shri Chandra Arandhara, Minister Panchayat to move.

Shri Chandra Arandhara (Minister) : Sir, I beg to move that the Assam Panchayati Raj Bill, 1986 be passed.

Mr. Speakar : The Motion is that the Assam Panchayati Raj Bill, 1986 be passed.

(voice — yes, yes)

The Motion is passed. The Assam Panchayati Raj Bill, 1986 is passed.

## Announcement of the result of election

মাননীয় অধ্যক্ষ ঃ মই এতিয়া অসম পথ সংযোগ পৰিষদৰ নিৰ্ব্বাচনৰ ফলাফল ঘোষণা কৰিম। ৩২টা মহকুমাৰ ভিতৰত ১৩টা মহকুমাৰ বাবে নিৰ্ব্বাচন অনুস্থিত হয় আৰু বাকী ১৯টা মহকুমাৰ বাবে এজনকৈ প্ৰাৰ্থী হোৱাৰ বাবে তাত নিৰ্ব্বাচন অনুস্থিত নহল। এতিয়া বিভিন্ন মহকুমাৰ বাবে তলত দেখুৱা সদস্য সকলক অসম পথ সংযোগ পৰিষদৰ বাবে নিৰ্ব্বাচিত বুলি ঘোষণা কৰা হ'ল।

| ক্ৰমিক নং | মহকুমা | নিৰ্ব্বাচিত সদস্যৰ নাম |
|---|---|---|
| ১। | উত্তৰ শালমাৰা | শ্ৰীফনী ভূষণ চৌধুৰী |
| ২। | ধুবুৰী | শ্ৰীডালিম ৰয় |
| ৩। | বৰপেটা | শ্ৰীপবিন চন্দ্ৰ ডেকা |

| ক্ৰমিক নং | মহকুমা | নিৰ্ব্বাচিত সদস্যৰ নাম |
|---|---|---|
| ৪। | নগাওঁ | শ্ৰীগুণীন হাজৰিকা |
| ৫। | মৰিগাওঁ | শ্ৰীহৰেন্দ্ৰ বৰা |
| ৬। | ওদালগুৰি | শ্ৰীদুৰ্গা দাস বড়ো |
| ৭। | তেজপুৰ | শ্ৰীৰবীন শইকীয়া |
| ৮। | বিশ্বনাথ | শ্ৰীগণেশ কুটুম |
| ৯। | ডিব্ৰুগড় | শ্ৰীঅতুল চন্দ্ৰ কোচ |
| ১০। | গোৱালপাৰা | শ্ৰীঅৰুণ চন্দ্ৰ ৰাভা |
| ১১। | শিলচৰ | শ্ৰীজয় প্ৰকাশ টেৱাৰী |
| ১২। | কৰিমগঞ্জ | শ্ৰীচিৰাজুল হক চৌধুৰী |
| ১৩। | তিনচুকীয়া | শ্ৰীভবেন বৰুৱা |
| ১৪। | গোলাঘাট | শ্ৰীবলোভদ্ৰ তামুলী |
| ১৫। | যোৰহাট | শ্ৰীদেৱকুমাৰ বৰা |
| ১৬। | চৰাইদেউ | শ্ৰীভদ্ৰেশ্বৰ বুঢ়াগোহাই |
| ১৭। | দক্ষিণ শালমাৰা | শ্ৰীআমিনুল ইচলাম |
| ১৮। | হোজাই | শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে |
| ১৯। | গোসাই গাওঁ | শ্ৰীঅমৃতলাল বসুমতাৰী |
| ২০। | মঙ্গলদৈ | শ্ৰীজয়নাথ শৰ্মা |
| ২১। | ধেমাজী | শ্ৰীদিলীপ কুমাৰ শইকীয়া |
| ২২। | হাইলাকান্দি | শ্ৰীগৌতম ৰয় |
| ২৩। | নলবাৰী | শ্ৰীভবেন নাৰ্জি |
| ২৪। | ৰঙিয়া | শ্ৰীময়িত্নুল ইচলাম বৰা |
| ২৫। | ডিফু | শ্ৰীছামসিং হাঞ্চে |
| ২৬। | শিৱসাগৰ | শ্ৰীপ্ৰদীপ হাজৰিকা |
| ২৭। | হাফলং | শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা |
| ২৮। | গুৱাহাটী | শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা |
| ২৯। | জোনাই | শ্ৰীফনী ৰাম টেৰাং |
| ৩০। | হামৰেং | শ্ৰীহালিৰাম টেৰাং |

| | | |
|---|---|---|
| ৩১। | কোকৰাঝাৰ | শ্ৰীচৰণ নাৰ্জাৰী |
| ৩২। | উত্তৰ লক্ষীমপুৰ | শ্ৰীজগত হাজৰিকা |

## Announcement of the names of Members constituting the Committee

বিশেষাধিকাৰ সমিতি

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ২৪৬ নং নিয়মৰ অধীনত বিশেষাধিকাৰ সমিতি গঠন কৰিবৰ কাৰণে নিম্নোক্ত সদস্য সকলক মই মনোনিত কৰিলো।

১। শ্ৰীভদ্ৰেশ্বৰ বুঢ়াগোহাই, উপাধ্যক্ষ

২। শ্ৰীসুৰেন্দ্ৰনাথ মেধী, মন্ত্ৰী

৩। শ্ৰীপ্ৰদীপ গগৈ, ৰাজ্যিক মন্ত্ৰী

৪। শ্ৰীচিৰাজুল হক চৌধুৰী

৫। শ্ৰীমুক্তাৰ হুচেইন

৬। শ্ৰীবিনয় খুংগুৰ বসুমতাৰী

৭। শ্ৰীআলটাফ হুচেইন মজুমদাৰ

আৰু অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ১৯৮ নং নিয়মৰ (১) নং উপ-নিয়ম অনুসৰি অসম বিধান সভাৰ উপাধ্যক্ষ শ্ৰীভদ্ৰেশ্বৰ বুঢ়াগোহাই সমিতিৰ সভাপতি হব। সমিতিৰ কাৰ্য্যকাল সমিতি গঠন হোৱা তাৰিখৰ পৰা এবছৰ সময়ৰ বাবে হব।

নিয়োগ পৰ্য্যালোচনা সমিতি

১৯৮৬ চনৰ ১০ জানুৱাৰী তাৰিখে সদনে গ্ৰহণ কৰা সংকল্প প্ৰস্তাৱ অনুসৰি মই ইয়াৰ দ্বাৰা অসম বিধান সভাৰ নিম্নোক্ত সদস্য সকলক নিয়োগ পৰ্য্যালোচনা সমিতি গঠন কৰিবৰ কাৰণে মনোনীত কৰিলো।

১। শ্ৰীৰবীন শইকীয়া

২। শ্ৰীগুনীন হাজৰিকা

৩। শ্ৰীভবেন নাৰ্জি

৪। শ্ৰীডালিম ৰায়

৫। শ্ৰীহৰেন্দ্ৰ বৰা

৬। শ্ৰীঅমৃতলাল বসুমতাৰী

৭। শ্ৰীদিলেশ্বৰ তাঁতী

৮। শ্ৰীআমিনুল ইচলাম

৯। শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা

আৰু অসম বিধান সভাৰ সদস্য শ্ৰীৰবীন শইকীয়াক মই উক্ত সমিতিৰ সভাপতি ৰূপে নিযুক্তি দিলো। সমিতিৰ কাৰ্য্যকাল অষ্টম অসম ৰিধান সভাৰ কাৰ্য্যকালৰ সমান হব আৰু সমিতিয়ে ১৯৮৬ চনৰ ৭ এপ্ৰিল তাৰিখৰ পৰা কাৰ্য্য চলাব।

অধীনস্থ বিধায়নৰ সমিতি

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ২৫১ নং নিয়মৰ অধীনত অধীনস্থ বিধায়নৰ সমিতি গঠন কৰিবৰ কাৰণে নিম্নোক্ত সদস্য সকলক মই মনোনীত কৰিলো।

১। শ্ৰীভদ্ৰেশ্বৰ বুঢ়াগোহাই, উপাধ্যক্ষ

২। শ্ৰীজয়নাথ শৰ্মা

৩। শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা

৪। শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী

৫। শ্ৰীআব্দুল মুহিব মজুমদাৰ

৬। শ্ৰীৰামেন্দ্ৰ দে

৭। ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে

আৰু অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ১৯৮ নং নিয়মৰ (১) নং উপ নিয়ম অনুসৰি অসম বিধান সভাৰ উপাধ্যক্ষ শ্ৰীভদ্ৰেশ্বৰ বুঢ়াগোহাই সমিতিৰ সভাপতি হব। সমিতিৰ কাৰ্য্যকাল সমিতি গঠন হোৱা তাৰিখৰ পৰা ১ বছৰ সময়ৰ বাবে হব।

Mr. Speaker: The House stands adjourned till 10 A. M. on 9th April, 1986.

The House then rose at 5 P. M. and stood adjourned till 10 A. M. on 9th April, 1986.

Dated, Dispur,
The 7th April, 1986.

Dr. P. N. Hazarika,
Secretary,
Assam Legislative Assembly.

## ANNEXURE—I

১৯৮৬ চনৰ ১৪ মাৰ্চ তাৰিখৰ "অসম বাণী"ত শিক্ষাবিভাগৰ দুৰ্নীতি ৫১ লাখ টকা কলৈ গ'ল" শীৰ্ষক সংবাদটোলৈ অসম চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে। উক্ত বাতৰিত উল্লেখ কৰা মতে এইটো সত্য যে ১৯৮৫ চনৰ ১১ জুলাই তাৰিখৰ TAD/SC/210/Pt/83/153 নং চিঠি যোগে ১৯৮২-৮৩, ৮৩-৮৪ আৰু ৮৪-৮৫ চনৰ বাবে ৫১.১০ লাখ টকা বিভিন্ন শিতানত চৰকাৰে মঞ্জুৰ কৰিছিল আৰু বিভিন্ন শিক্ষানুষ্ঠানৰ মাজত বিতৰণ কৰিবলৈ দিয়া হৈছিল। এই তালিকাবোৰ শিক্ষাবিভাগৰ পৰা হোৱা নাছিল। ভৈয়াম জনজাতি আৰু অন্যান্য শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই এই তালিকাখন নিজৰ চহীত শিক্ষা বিভাগলৈ পঠিয়াই দিছিল। এই টকাৰ অধিকোষ বিকৰ্ষক যোগে সংশ্লিষ্ট বিদ্যালয় পৰিদৰ্শক আৰু প্ৰাথমিক জিলা বিষয়ালৈ নিজ নিজ এলেকাৰ বিদ্যালয়ৰ নাম সহ ১৯৮৫ চনত চেপ্তেম্বৰ মাহত বিতৰণৰ বাবে পঠোৱা হয়। ৫১.১০ লাখ টকাৰ ভিতৰত ২.৯১ লাখ টকাৰ অধিকোষ বিকৰ্ষক বেঙ্কৰ পৰা সময়ত নোপোৱাৰ কাৰণে এতিয়ালৈ বিতৰণ কৰিব পৰা নাই। যিহেতু তালিকাখন শিক্ষা বিভাগৰ পৰা যোৱা নাছিল সেয়েহে তালিকাভুক্ত বিদ্যালয় সমূহ পাঠ গ্ৰহণ কৰি থকা অনুসূচীত আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ বুজলোৱাৰ অৱকাশ শিক্ষা বিভাগৰ নাছিল। বাতৰিত ওলোৱামতে এই তালিকাৰ সৰহভাগ বিদ্যালয়ে স্বীকৃতপ্ৰাপ্ত নহয় বোলা কথাষাৰ সঁচা নহয়। মাত্ৰ গুৱাহাটীৰ ৰূপনগৰ হাইস্কুলখনহে একমাত্ৰ বিভাগীয় স্বীকৃতি নোপোৱা স্কুল। বিভাগীয় স্বীকৃতি নোপোৱাৰ বাবে উক্ত বিদ্যালয়ৰ নামত মঞ্জুৰ হোৱা অনুদানৰ টকা বকোৰ ৰূপনগৰ আঞ্চলিক হাইস্কুলৰ নামত দিয়া হৈছিল। বৰপেটা বিদ্যাপীঠ নামৰ ল'ৰাৰ বিদ্যালয়খনক ছাত্ৰীৰ জিৰণিকোঠাৰ বাবে মঞ্জুৰ কৰা অনুদানৰ ১০,০০০.০০ টকা জিলা বিদ্যালয়ৰ পৰিদৰ্শকৰ যোগে পুনৰ নিৰ্দ্দেশ নিদিয়ালৈকে নিদিবলৈ প্ৰধান শিক্ষকক ২২/৩/৮৬ তাৰিখে জনোৱা হৈছে। বৰপেটা বিদ্যাপীঠখন যদিও উচ্চ মাধ্যমিক বিদ্যালয় যোৱা বছৰ এইখনক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নিত কৰা হৈছে। সাধাৰণতে উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ল'ৰা আৰু ছোৱালী উভয়কে ভৰ্ত্তি কৰা হয়।

অনুদানবোৰ কোনো কোনো বিদ্যালয়ে এক লাখ টকা পোৱা কথাষাৰ সত্য নহয়। তিনিবছৰে ধৰি একেখন বিদ্যালয়ে গৃহ নিৰ্মাণ অনুদান, পাঠ্যপুথিৰ অনুদান, ছাত্ৰীৰ জিৰণি কোঠাৰ নিৰ্মাণ অনুদান, পাঠদান অনুদান আৰু শ্ৰেণীত নিয়মিত ছাত্ৰ-ছাত্ৰী উপস্থিত থকা অনুদান একলাখ টকা নহয়।

শিক্ষামূলক ভ্ৰমণৰ বাবে সাধাৰণতে সকলো বিদ্যালয়কে একে হাৰতে টকা দিয়া হয়। মাত্ৰ ১৯৮৪-৮৫ চনত টকাৰ পৰিমাণ অলপ কম হোৱাৰ বাবে ভ্ৰমণ অনুদান পোৱা ৩২ খন বিদ্যালয়ৰ ভিতৰত মাত্ৰ ২ (দুই)খন বিদ্যালয়ক ৫০০·০০ টকাকৈ কম অনুদান দিয়া হৈছে। বিষয়টোৰ ওপৰত গুৰুত্ব দি চলিত বছৰৰ অনুদান সমূহ বিতৰণত যাতে কোনো প্ৰকাৰৰ বেমেজালি নহয় তাৰ কাৰণে আগতীয়াকৈ নিৰ্দ্দেশ পঠোৱা হৈছে।

সৰ্ব্বোচ্চ পৰিমাণৰ অনুদান পোৱা বিদ্যালয়ৰ সবিশেষ

1982-83

| | | |
|---|---|---|
| 1) Kachua H.S. Lakhimpur | Coaching class | -Rs. 1,000/- |
| | Book Grant | -Rs. 7,500/- |
| | Science Grant | -Rs. 10,000/- |
| | | Rs. 18,500/- |

1983-84

| | | |
|---|---|---|
| Kachua High School | Excursion Grant | -Rs. 3,000/- |
| | Girls Common Room Grant | -Rs. 10,000/- |
| | | Rs. 13,000/- |

1984-85

| | | |
|---|---|---|
| Kachua H.S. Lakhimpur | Book Grant | -Rs. 4,000/- |
| | Regular attendance | -Rs. 1,500/- |
| | Hostel Grant | -Rs. 20,000/- |
| | Coaching Class Grant | -Rs. 1,000/- |
| | | Rs. 26.500/- |

1982-83

| | | |
|---|---|---|
| Sampatlal Tapsil H.S, Dist. Cachar | Coaching Class Grant | -Rs. 1,000/- |
| | Girls Common Room Grant | -Rs. 10,000/- |
| | | Rs. 11,000/- |

1983-84

| | | | |
|---|---|---|---|
| Sampatlal Tapsil | Coaching Class Grant | -Rs. | 1,000/- |
| H.S. | Hostel Grant | -Rs. | 20,000/- |
| | Regular Attendance | -Rs. | 750/- |
| | | Rs. | 21,750/- |

1984-85

| | | | |
|---|---|---|---|
| Sampatlal Tapsil | Book Grant | -Rs. | 4,000/- |
| H.S. | Building Grant | -Rs. | 9,375/- |
| | | Rs. | 13,375/- |

| | | | |
|---|---|---|---|
| Total amount drawn | Kachua H.S. | -Rs. | 58,000/- |
| by the School | Sampatlal Tapsil H.S. | -Rs. | 46,125/- |

## ANNEXURE—II

অসম বিধান সভাৰ আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নম্বৰ নিয়ম অনুসাৰে বিধান সভাৰ সদস্য শ্ৰীশেখ আব্দুল হামিদ এম, এল, এই দিয়া জাননী সম্পৰ্কে শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, সমবায় মন্ত্ৰীয়ে অসম বিধান সভাত ৭ এপ্ৰিল ১৯৮৬ চনত দিয়া বিবৃতি।

---

যোৱা ১৫ মাৰ্চ্চ ১৯৮৬ চনৰ অসম ট্ৰিবিউন বাতৰি কাকত 'Statfed Facing Acute Financial Crisis' শীৰ্ষক বাতৰিৰ প্ৰতি ৰাজ্য চৰকাৰৰ দৃষ্টি আকৰ্ষণ হৈছে।

এইটো কথা সঁচা যে ষ্টেটফেডে চাউল আদি যোগান ধৰা বাবে ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ পৰা যথেষ্ট টকা পাবলগীয়া আছে। এইটোও সঁচা যে চৰকাৰৰ পৰা পাবলগীয়া টকা নোপোৱাৰ কাৰণে ষ্টেটফেডে কিছু অসুবিধাৰ সন্মুখীন হৈছে। ষ্টেটফেডৰ মতে তেওঁলোকে ৰাজ্য চৰকাৰৰ পৰা সৰ্ব্বমুঠ ৩৩ কোটি ৪৬ লাখ টকা পাবলগীয়া আছে।

ষ্টেটফেডে চৰকাৰৰ পৰা পাবলগীয়া টকাৰ হিচাব সম্পৰ্কে পৰীক্ষা কৰি থকা হৈছে আৰু দিবলগীয়া টকা চৰকাৰে যিমান সোনকালে সম্ভৱ ষ্টেটফেডক দিয়াৰ ব্যৱস্থা কৰিব। ইয়াৰে কিছু টকা যোৱা মাৰ্চ্চ মাহৰ শেষ ভাগত মঞ্জুৰ কৰা হৈছে আৰু এই টকা কেইদিনমানৰ ভিতৰতে পাব।

এইটো কথা সঁচা নহয় যে ষ্টেটফেডে পাবলগীয়া টকা চৰকাৰৰ পৰা নোপোৱাৰ বাবে ষ্টেটফেড আৰ্থিক দুৰ্যোগৰ সন্মুখীন হৈছে। চৰকাৰে ষ্টেটফেডক নানা ধৰণে আৰ্থিক সাহাৰ্য্য আগবঢ়াই আহিছে আৰু এনে আৰ্থিক সাহাৰ্য্য আগলৈও আগবঢ়াই থাকিব। চৰকাৰৰ পৰা পাবলগীয়া টকা নোপোৱাৰ বাবে এই অনুষ্ঠান কোনো আৰ্থিক দুৰ্য্যোগৰ সন্মুখীন নহয়।

## ANNEXURE—III

যোৱা ইংৰাজী ১৬৩৮৬ তাৰিখে 'জনক্ৰান্তি' প্ৰকাশিত "নিকা প্ৰশাসন আৰু বৰপেটা পৌৰসভা" প্ৰৱন্ধটোৰ সন্দৰ্ভত বিধায়ক শ্ৰীমোকতাব হুছেইন মহোদয়ে ১৯৮৬ চনৰ বাজেট অধিবেশনত উথাপন কৰা জাননীৰ পৰিপ্ৰেক্ষিতত প্ৰতিবেদন আগ বঢ়াইছে মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী শ্ৰীচহিদুল আলম চৌধুৰীয়ে।

---

বৰপেটা পৌৰ সভাৰ অধীনস্থ তুথন বজাৰ—এখন চাহ বজাৰ আনখন ষ্টেচন বজাৰ। ১৯৮৪-৮৫ চনৰ বাবে এই বজাৰ তুথনৰ মহলদাৰ আছিল শ্ৰীদ্বিগেন্দ্ৰ নাথ দাস। তেওঁ এই বজাৰ তুথন ৪৭,৫০১·০০ টকাত ১৯৮৪-৮৫ চনৰ বাবে নিলাম ডাকি লৈছিল। তেওঁ ইয়াৰ আগতেওঁ এই বজাৰ তুথনৰ একেৰাহে ৭ বছৰ মহলদাৰ আছিল। যি সময়ত বৰপেটা পৌৰসভাত নিৰ্বাচিত প্ৰতিনিধিৰ স্থলত চৰকাৰী কাৰ্য্যবাহী বিষয়া আছিল সেই সময়ত অৰ্থাৎ যোৱা ইং ৩।১২।৮৪ তাৰিখে উল্লেখিত শ্ৰীদাসে তেওঁৰ সৈতে উক্ত বজাৰ তুথনৰ ১৯৮৫-৮৬ চনৰ বাবে বন্দোৱস্তী দিবৰ কাৰণে চৰকাৰৰ ওচৰত আবেদন জনায়। যিহেতুকে শ্ৰীদাসে পৌৰ সভাৰ টকা পইচাৰ লেনদেন নিয়মিত ভাবে দি আছে গতিকে সকলো কথা চালিজাৰি চাই শ্ৰীদাসৰ সৈতে ১৯৮৫-৮৬ চনৰ বাবে উক্ত বজাৰ তুথন তেতিয়াৰ চৰকাৰে পুনৰ বন্দোৱস্তী দিয়াৰ নিৰ্দ্দেশ দিয়ে আৰু সেইমতে বন্দোবস্তী দিয়ে। আগৰ বছৰৰ নিলাম বিক্ৰী মূল্য মুঠ ৪৭,৫০১·০০ টকাৰ ওপৰত পুনৰ ২ শতাংশ বঢ়াই এই বন্দোৱস্তী যোৱা ইং ২৯।১।৮৫ তাৰিখে দিয়া হয়। সেইমতে মুঠ ৪৮,৪৪১·০২ টকা হয়। ইয়াৰ পিচতেই শ্ৰীঘনেশ্যাম দাস নামৰ ব্যক্তি এজনে অসমৰ মুখ্যমন্ত্ৰীৰ ওচৰত উক্ত বজাৰ তুথন বন্দোৱস্তী পাবৰ কাৰণে ইং ৮।১।৮৫ তাৰিখে আবেদন কৰে। তেওঁ আগৰ বন্দোৱস্তী মূল্যৰ ওপৰত ১০/১৫ শতাংশ বঢ়াই দিবলৈ ৰাজি আছে বুলি লিখিত ভাবে জনায়। প্ৰকাশিত বাতৰি মতে তেওঁ এক লাখ টকা বঢ়াই দিব বুলি কোৱা কথাটো সঁচা নহয়। যিয়েই হওঁক, উক্ত শ্ৰীঘনশ্যাম দাসৰ আবেদন খন পৌৰ প্ৰশাসন বিভাগলৈ ইং ১৫।২।৮৫ তাৰিখেহে আহে। ইতি-মধ্যে শ্ৰীদ্বিগেন্দ্ৰ দাসে তেওঁৰ কিস্তি টকাৰ ১ম কিস্তিৰ টকা পৌৰ সভাত জমা দিলেই। গতিকেই শ্ৰীঘনশ্যাম দাসৰ আবেদন খন বিবেচনা কৰিব পৰা নগ'ল।

ইয়াৰ পিচত শ্ৰীদ্বিগেন্দ্ৰ নাথ দাসে উক্ত বজাৰ তুথনৰ পুনৰ ১৯৮৬-৮৭ চনৰ বাবে বন্দোৱস্তী বিচাৰি চৰকাৰৰ ওচৰত যোৱা ইং ১৮।২।৮৬ তাৰিখে আবেদন জনায়। চৰকাৰে তেওঁৰ আগৰ বছৰ বিলাকৰ কিস্তিৰ টকা নিয়মিত ভাবে লেনদেন কৰা দেখি

তেওঁৰ লগতেই এইবছৰৰ অৰ্থাৎ ১৯৮৬-৮৭ চনৰ বাবে পুনৰ বন্দোৱস্তী দিবৰ কাৰণে বৰপেটা পৌৰ সভাৰ কাৰ্য্যবাহী বিষয়াক যোৱা ইং ২৭।২।৮৬ তাৰিখে নিৰ্দ্দেশ দিয়ে। এই বন্দোৱস্তী যোৱা ১৯৮৫-৮৬ চনৰ বন্দোৱস্তীৰ মূল্যৰ ওপৰত ১৫ শতাংশ বঢ়াই দিবলৈ নিৰ্দ্দেশ দিয়া হয়। এই মতে মুঠ ৫৪,৬২২·১৫ পইচা হয়।

এই খিনিতে উল্লেখ কৰিব পাৰি যে বাতৰিত প্ৰকাশ কৰা মতে এই মহলদাৰ শ্ৰীদাসে যোৱা ২০/২৫ বছৰে এই বজাৰ ভুখন ভোগ দখল কৰি খোৱাটো সচা নহয়। তেওঁ যোৱা ১৯৭৭-৭৮ চনৰ পৰাহে এই বজাৰ ভুখনৰ মহলদাৰ হৈ আছে। আৰু উক্ত সময় ছোৱাত তেওঁ পৌৰ সভাক দিব লগা সকলো কিস্তি সময়মতে আদায় দি আছে। নিৰিখ নোহোৱাকৈ খাজানা আদায় কৰা, বেপাৰীৰ পৰা জোৰ-জুলুমকৈ খাজানা আদায় কৰা ইত্যাদি এনে কোনো আপত্তি আজিলৈকে চৰকাৰৰ দৃষ্টি গোচৰ হোৱা নাই।

## ANNEXURE-IV

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসাৰে বিধায়ক শ্ৰীদুৰ্গাদাস বড়োই দিয়া জাননী ২৫/৩/৮৬ তাৰিখে দৈনিক অসম কাকতত প্ৰকাশিত 'ওদালগুৰিত ডকাইতৰ উপদ্ৰপ' শীৰ্ষক বাতৰিটো সম্পৰ্কে মনোযোগ আকৰ্ষণ বিষয়ে গৃহমন্ত্ৰীৰ বিবৃতি :—

মাননীয় অধ্যক্ষ মহোদয়,

যোৱা ২৫-৩-৮৬ ইং তাৰিখে "দৈনিক অসম" কাকতত প্ৰকাশিত "ওদালগুৰিত ডকাইতৰ প্ৰকোপ" শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। ঘটনাৰ বিৱৰণ এনেধৰণৰ :—

১৯৮৬ চনৰ জানুৱাৰী মাহৰ পৰা মাৰ্চ মাহলৈকে ওদালগুৰি মহকুমাত মুঠ সাতোটা ডকাইতি ঘটনা পুলিচে পাইছে। ইয়াৰ ভিতৰত জানুৱাৰী মাহত পানেৰী থানাৰ এলেকাত এটা ডকাইতি হয় আৰু এই সংক্ৰান্তত উক্ত থানাত ৬/৮৬ নং গোচৰ পঞ্জীভূক্ত কৰা হয়।

ফেব্ৰুৱাৰী মাহত মাজবাট পুলিচ থানা এলেকাত তিনিটা আৰু পানেৰী থানা এলেকাত এটা, মুঠ চাৰিটা ডকাইতি সংঘটিত হয়। এই সংক্ৰান্তত মাজবাট থানাত ১৬/৮৬, ১৭/৮৬ আৰু ১৮/৮৬ নম্বৰ গোচৰ আৰু পানেৰী থানাত ২৪/৮৬ নং গোচৰ পঞ্জীভূক্ত কৰা হয়।

মাৰ্চ মাহত সংঘটিত দুয়োটা ডকাইতিৰ ঘটনা ওদালগুৰি থানা এলেকাত হয়। এই সংক্ৰান্তত ওদালগুৰি থানাত ৪৪/৮৬ আৰু ৫৭/৮৬ নং গোচৰ পঞ্জীভূক্ত কৰা হয়।

উল্লেখযোগ্য এই যে অনুৰূপ সময়ছোৱাৰ ভিতৰত যোৱা বছৰত চাৰিটা ডকাইতি ঘটনা সংঘটিত হৈছিল। ইয়াৰে দুটা ফেব্ৰুৱাৰী মাহত যথাক্ৰমে ওদালগুৰি আৰু মাজবাট থানা এলেকাৰ আৰু অন্য দুটা মাৰ্চ মাহত যথাক্ৰমে ওদালগুৰি আৰু পানেৰী থানাৰ এলেকাত সংঘটিত হয়।

যোৱা ৯-৩-৮৬ তাৰিখে সন্ধিয়া প্ৰায় ৬-৩০ বজাত ওদালগুৰিৰ ৰেল ষ্টেচনৰ ওচৰত অৱস্থিত হৰিচান্দ আগৰৱালাৰ দোকান তথা থকা ঘৰত ডকাইতি সংঘটিত হয়। প্ৰায় ১৫/১৬ টা ডকাইতে এই ডকাইতি কৰি নগদ টকা, পিন্ধা অলংকাৰ আৰু এটা মুদ্ৰা লিখন যন্ত্ৰ লুট কৰি নিয়ে। ডকাইতৰ দলটোৰ হাতত আগ্নেয়াস্ত্ৰ আছিল আৰু তেওঁলোকে ওচৰৰ মানুহক ভয় খুৱাবলৈ সেইবিলাক ব্যৱহাৰ কৰিছিল। ওদালগুৰি থানাত পঞ্জীভূক্ত ৪৪/৮৬ নং এই গোচৰৰ এজাহাৰ মতে ডকাইতে লুট কৰি নিয়া সামগ্ৰী সমূহৰ মূল্য এক লাখ টকা। এই সংক্ৰান্তত পুলিচে জোৰ তদন্ত চলাই আছে আৰু অনন্ত দৈমাৰি নামৰ এজন লোকক ইতিমধ্যে আতক কৰা হৈছে।

উক্ত ঘটনা সমূহৰ ওপৰত পুলিচে লোৱা ব্যৱস্থাৰ বিৱৰণ :-

১। পানেৰী থানাৰ ৬/৮৬ নং গোচৰ সম্পৰ্কত পুলিচে তদন্ত কৰি স্বৰ্গীয় নগেন বসুমতাৰীৰ পুত্ৰ শ্ৰীতনুৰাম বসুমতাৰীক ( পানেৰী থানাৰ অন্তৰ্গত দলগাওঁ নিবাসী ) গ্ৰেপ্তাৰ কৰে আৰু তেওঁৰ হাতৰ পৰা এটা চিক্ক ঘড়ী উদ্ধাৰ কৰে। ইয়াৰ উপৰিও উক্ত তনুৰামক লগত লৈ পুলিচে শোণিতপুৰ জিলাৰ শ্ৰীদ্বাৰিকা চাহা নামৰ এজন লোকৰ পৰা ৭½ অনা সোন পানেৰী থানাৰ ১৫৫/৮৫ নং গোচৰ সংক্ৰান্তত উদ্ধাৰ কৰিবলৈ সমৰ্থ হয়।

২। পানেৰী থানাৰ ২৭/২/৮৬ তাৰিখে সংঘটিত উক্ত ঘটনা সংক্ৰান্তত সেই থানাৰে অন্তৰ্গত দলগাওঁ নিবাসী শ্ৰীৰাজেন বসুমতাৰীৰ পুত্ৰ শ্ৰীসুৰেন্দ্ৰ বসুমতাৰী ওৰফে টোকাক গ্ৰেপ্তাৰ কৰি এটা হাতঘড়ী আৰু এখন চাইকেল উদ্ধাৰ কৰে। সেই একে ৰাতিয়েই পুলিচে উক্ত থানাৰ ২৪/৮৬ গোচৰ সংক্ৰান্তত সুৰেন বসুমতাৰীৰ পৰা এখন মনিপুৰী শ্বাল আৰু নগদ দুশ টকা উদ্ধাৰ কৰে। একে ৰাতিয়েই পানেৰী থানাৰ ১৫৫/৮৫ নং গোচৰ সংক্ৰান্তত পুলিচে উক্ত সুৰেন্দ্ৰ বসুমতাৰীৰ পৰা এটা উলৰ চুৱেটাৰ উদ্ধাৰ কৰে। তেওঁৰ হাতৰ পৰা তামোলপুৰ থানাৰ ৩৩/৮৬ নং গোচৰতো এটা সোনৰ আঙঠি আৰু নগদ চাৰিশ টকা পানেৰীৰ পুলিচে উদ্ধাৰ কৰে।

৩। যোৱা ২২-২-৮৬ তাৰিখে পানেৰী থানাৰ পুলিচে উক্ত থানাৰ অন্তৰ্গত চমুৱাপাৰাৰ শ্ৰীগান্ধী দৈমাৰীৰ পুত্ৰ শ্ৰীনিৰ্মল দৈমাৰীক গ্ৰেপ্তাৰ কৰি তেওঁৰ পৰা এটা বিদেশত তৈয়াৰী বন্দুকো উদ্ধাৰ কৰে।

৪। ওদালগুৰি থানাৰ ৪৪/৮৬ নং গোচৰ তদন্ত কৰি উক্ত থানাৰ পুলিচে চুৰ কৰি নিয়া কিছুমান কাপোৰৰ টুকুৰা, ছটা ঘড়ী, এটা ৰেডিঅ' আৰু বহু পৰিমাণৰ বাচন বৰ্ত্তন চন্দনা বাগিচাৰ বস্তীত থকা হৰেণ বড়ো নামৰ এজন মানুহৰ ঘৰৰ পৰা উদ্ধাৰ কৰে। এই কাপোৰৰ টুকুৰা বিলাক ভৈৰৱকুণ্ডৰ ষ্টেটফেডৰ বিষয়া সকলে তেওঁলোকৰ বস্তু বুলি চিনাক্ত কৰে। উক্ত হৰেণ বড়োৰ ঘৰৰ পৰা পুলিচে গাৰো বস্তীৰ নৃপেন বৰগাওঁ আৰু পুৰণা গাৰো বস্তীৰ উপেন নাৰ্জাৰীক গ্ৰেপ্তাৰ কৰে। ওদালগুৰিৰ পুলিচ থানাৰ এই ৪৪/৮৬ নং গোচৰত পুলিচে গ্ৰেপ্তাৰ কৰা ওদালগুৰিৰ ধীৰেন বড়োৱে উক্ত হৰেণ বড়োৰ ঘৰলৈ পুলিচক লৈ যায়।

৫। মাজবাট পুলিচ থানাৰ ১৬/৮৬ নং, ১৭/৮৬ আৰু ১৮/৮৬ গোচৰৰ তদন্ত কৰি মাজবাট পুলিচে ৰূপলাল বসুমতাৰীৰ ঘৰৰ পৰা লুট কৰি নিয়া সমগ্ৰ সামগ্ৰী উদ্ধাৰ কৰে। পানেৰী থানাৰ ২৪/৮৬ নং গোচৰ মতে উক্ত থানাৰ অন্তৰ্গত বেলতলা বোৱাই গাওঁৰ জগদীশ প্ৰসাদ আগৰৱালাক ডকাইতে গুলিয়াই হত্যা কৰে।

ওদালগুৰি মহকুমাত সংঘটিত ডকাইতি সমূহৰ এক উল্লেখযোগ্য দিশ হল এই যে ডকাইতৰ লোক বিলাক এক বিশেষ সম্প্ৰদায়ৰ। এওঁলোকৰ এঘাৰ জনক পুলিচে গ্ৰেপ্তাৰ কৰি বহুতো লুট কৰি নিয়া সামগ্ৰী উদ্ধাৰ কৰে। বাকী অপৰাধী সকলক ধৰিবৰ বাবে পুলিচে অহৰহ প্ৰচেষ্টা চলাই আছে। জিলা পুলিচ অধীক্ষক আৰু অতিৰিক্ত পুলিচ অধীক্ষকে ওদালগুৰি, মাজবাট আৰু পানেৰীত কেম্প কৰি ডকাইতি ঘটনাৰ তদন্ত তদাৰক কৰিছে।

———